# অন্বেষণ

দ্বাদশ বছৰ ■ দশম সংখ্যা ■ নৱেম্বৰ, ২০২৫



# ড° ভূপেন হাজৰিকাই লাভ কৰা কিছু বঁটা তথা সন্মান গ্ৰহণ কৰা মুহূৰ্ত



ভাৰত ৰত্ন (মৰণোত্তৰ) বঁটা গ্ৰহণ কৰে পুত্ৰ তেজ হাজৰিকাই



পদ্মবিভূষণ (মৰণোত্তৰ) বঁটা গ্ৰহণ কৰে পুত্ৰ তেজ হাজৰিকাই



পদ্মভূষণ




সংগীত নাটক একাডেমী বঁটা



অসম ৰত্ন



দাদাচাহেব ফাল্কে বঁটা



জীৱনজোৰা সাধনা বঁটা (অসম চৰকাৰ)

# জন্ম-শতবৰ্ষত সুধাকণ্ঠক সশ্ৰদ্ধ সোঁৱৰণ



বিশ্ববৰেণ্য শিল্পী ড° ভূপেন হাজৰিকা অসমৰ পৰিচয়, স্বাভিমান আৰু আবেগ। ১৯২৬ চনৰ ৮ ছেপ্টেম্বৰত জন্মগ্ৰহণ কৰা এইগৰাকী ক্ষণজন্মা বিস্ময়পুৰুষে চলিত বৰ্ষত ওপজাৰ শততম বৰ্ষত প্ৰৱেশ কৰিছে। সমগ্ৰ জীৱন পৃথিৱীৰ দিহিঙে-দিপাঙে ঘূৰি অৰ্জন কৰা অভিজ্ঞতাৰ মৌকোঁহক তেওঁ গীতেৰে-সুৰেৰে-কণ্ঠৰে সজাই সংগীতৰ পৃথিৱীলৈ অমূল্য অৱদান আগবঢ়াই থৈ গ'ল। তেওঁৰ সংগীত অসমীয়াত্বৰ চানেকি, তেওঁৰ গীত মানৱতা-জীৱনবোধৰ দৰ্পণ। অসম তথা ভাৰতবৰ্ষৰ সাংগীতিক-সাংস্কৃতিক ক্ষেত্ৰখনলৈ তেওঁৰ অৱদান, তেওঁৰ জীৱন দৰ্শন, সৰ্বোপৰি ড° ভূপেন হাজৰিকা মানুহজনৰ সামগ্ৰিক সত্তাটোক আমাৰ শিক্ষাৰ্থী তথা নতুন পুৰুষক উপলব্ধি কৰোৱাৰ প্ৰয়াসেৰে অন্বেষণৰ এই সংখ্যাটো ভূপেন হাজৰিকা বিশেষ সংখ্যা হিচাপে সজোৱা হৈছে।

প্ৰাণৰ শিল্পীজনাক আমি শ্ৰদ্ধাৰে সোঁৱৰণ কৰিছোঁ আৰু গভীৰ শ্ৰদ্ধাঞ্জলি যাচিছোঁ।

# আপুৰুগীয়া স্মৃতি



ভাৰতৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ সৈতে




ভাৰতৰ কেইগৰাকীমান প্ৰখ্যাত সংগীত শিল্পীৰ সৈতে



জ্যোতিপ্ৰসাদ আগৰৱালা আৰু বিষ্ণু ৰাভাৰ সৈতে



মহম্মদ ৰফিৰ সৈতে



কিশোৰ কুমাৰৰ সৈতে



কল্পনা লাজমী আৰু আশা ভোঁছলেৰ সৈতে

# অন্বেষণ

**দ্বাদশ বছৰ, দশম সংখ্যা, নৱেম্বৰ, ২০২৫ চন**

**অন্বেষণ**, অসম জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থীৰ বাবে অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ দ্বাৰা প্ৰকাশিত সাধাৰণ জ্ঞান-ভিত্তিক এখন মাহেকীয়া আলোচনী

**ANWESHAN**, A Monthly inhouse journal of Assam Jatiya Bidyalay,
Published by Assam Jatiya Bidyalay Educational and Socio-Economic Trust
Email : assamjatiyabidyalay@gmail.com
Website : assamjatiyabidyalay.com




## ড° ভূপেন হাজৰিকা বিশেষ সংখ্যা

## সূচীপত্ৰ


৩ ড° ভূপেন হাজৰিকা
■ ডা° নাৰায়ণ শৰ্মা

৫ মোৰ দৃষ্টিত ড° ভূপেন হাজৰিকা
■ সূৰ্য্য গোস্বামী

৭ ড° ভূপেন হাজৰিকাৰ শৈক্ষিক আৰু বৌদ্ধিক দিগন্ত
■ অসীম কৃষ্ণ বৰুৱা

১০ মানৱদৰদী ভূপেন হাজৰিকা
■ ৰবীন্দ্ৰ বৰ্মন

১৪ শৈশৱতে ধেমালিতে... এক বিৰল প্ৰতিভাৰ দোকমোকালি
■ পংকজ দত্ত

১৬ ভূপেন হাজৰিকাৰ ৰাজনৈতিক জীৱন
■ কুশল গোস্বামী

১৮ Ballads of the Brahmaputra Valley
■ Tanmoy Sharma

২৬ সুধাকণ্ঠৰ সৃষ্টিত সমন্বয়ৰ বাৰ্তা
■ অপৰাজিতা দত্ত

২৯ ভূপেন হাজৰিকাৰ গীতত ব্ৰহ্মপুত্ৰ
■ ৰঘুনাথ কুমাৰ

৩২ চলচ্চিত্ৰ জগতলৈ ভূপেন হাজৰিকাৰ অবদান
■ নিভা ৰাণী ৰায়

৩৪ সাংবাদিক ভূপেন হাজৰিকা
■ ধ্ৰুৱ শৰ্মা




৩৯ **ভূপেন হাজৰিকাৰ গীতৰ ভাষা**

■ লিপিমণি দত্ত

৪৩ **সুধাকণ্ঠৰ গীতত প্ৰকৃতিৰ অনন্য উপাদান ফুল**

■ অপৰাজিতা বৰা

৪৭ **ড° ভূপেন হাজৰিকাৰ জীৱন-ৰেখা**

■ অভিজিত শৰ্মা বৰুৱা

৫৮ **দেশ-বিদেশৰ খবৰ**

■ কুশল গোস্বামী

৬১ **খবৰৰ লেছেৰি বোটলা**

৬২ **চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা**

৬৭ **ভূপেন হাজৰিকাৰ কেইটামান বিশেষ গীত**

■ অৰ্ণৱজ্যোতি নাথ

৬৮ **শিশুৰ বাবে সুধাকণ্ঠৰ সৃষ্টি**

■ শিপা ভৰদ্বাজ

৭০ **ভূপেন হাজৰিকা বিষয়ক দুখন গ্ৰন্থ**

■ অভিৰূপ আকাশ শাণ্ডিল্য

৭১ **পঢ়ুৱৈৰ টোকা**

■ দেবাংগনা বৰঠাকুৰ

৭২ **মোৰ জীৱন, মোৰ সপোন**

■ উজ্জীৱন তালুকদাৰ

৭২ **পোহৰৰ সন্তান**

■ ৰিদীপ্তা বৰদলৈ

৭২ **ফুল আৰু ফুলনি**

■ নৈবেধী শৰ্মা

৭৩ **কুইজ**

■ দীপাংকৰ কৌশিক

৭৪ **Stories from World Classics**

■ Pallavi Dutta

৭৫ **চুড'কু**

৭৬ **কেশৰ মহন্ত**

■ সুদীপ্তা চৌধুৰী

৭৮ **২০২৫ বৰ্ষৰ ন'বেল বঁটা**

■ ৰাণু বুজৰবৰুৱা



**সম্পাদক** : ডা° নাৰায়ণ শৰ্মা (অবৈতনিক)

**সহযোগী সম্পাদক** : পংকজ দত্ত

**উপ-সম্পাদক** : কুশল গোস্বামী, ড° লিপিমণি দত্ত, ডিম্পল তালুকদাৰ

**ব্যৱস্থাপনা** : দিলীপ কুমাৰ দত্ত চৌধুৰী (অবৈতনিক)

**বেটুপাত** : কুঞ্জৰ দাস

**আলোকচিত্ৰ** : জাহ্নৱী বৰুৱা (উৎস : ইণ্টাৰনেট)

**ডিটিপি** : প্ৰশান্ত বৰঠাকুৰ


**আৰ্হি পাঠ** : কুলধৰ কলিতা

**মূল্য** : ত্ৰিছ টকা

*অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ হৈ দিলীপ কুমাৰ দত্ত চৌধুৰীৰ দ্বাৰা প্ৰকাশিত, অজাবি ন্যাসৰ ছপাশাল, অসম জাতীয় বিদ্যালয় চৌহদ, নুনমাটি, গুৱাহাটী-৭৮১০২০ত প্ৰণৱ শৰ্মাৰ দ্বাৰা মুদ্ৰিত।*

# ড° ভূপেন হাজৰিকা

ডা° নাৰায়ণ শৰ্মা



যাৰ সুৰ আৰু কণ্ঠই যোৱা সাতোটা দশকৰ অসমৰ কেইবাটাও প্ৰজন্মক মোহাৱিষ্ট কৰি ৰাখিছে, যাৰ কথা আৰু গীত অসমীয়াৰ প্ৰাণৰ স্পন্দনলৈ ৰূপান্তৰিত হৈছে, যাৰ জনপ্ৰিয়তাই হিমালয়ৰ চূড়াসদৃশ উচ্চতাত আৰোহণ কৰিছে, যাৰ মানৱ-প্ৰেমে মহাসাগৰৰ গভীৰতাৰে দেশ-দেশান্তৰৰ লক্ষ লক্ষজনৰ হৃদয় চুই গৈছে, যাৰ প্ৰতিভাই আকাশৰ বিশালতাৰে ভৌগোলিক সীমাৰেখা নিশ্চিহ্ন কৰি পেলাইছে, যাৰ সন্মোহনী যাদুৰে এতিয়াও প্ৰতি ক্ষণতে মানুহক বিস্ময়-বিমুগ্ধ কৰি ৰাখিছে— সেই সবাতোকৈ বিশাল ব্যক্তিত্বৰ অধিকাৰী ব্যক্তিজনেই হ'ল আমাৰ সকলোৰে হিয়াৰ আমঠু ড° ভূপেন হাজৰিকা।

ড° ভূপেন হাজৰিকা অসমৰ পৰিচয়। যাযাবৰী হৈ পৃথিৱীৰ প্ৰান্তে প্ৰান্তে অক্লান্তভাৱে ঘূৰি ফুৰিও নিজৰ মাটিৰ সুৰ, ভাষা আৰু বৰ্ণময় সংস্কৃতিৰ বন্দনাৰে লৌহিত্যৰ দুপাৰৰ সমৃদ্ধ জনজীৱনলৈ প্ৰণিপাত জনাই তেওঁ উদাত্ত কণ্ঠেৰে গায়— 'অসম আমাৰ ৰূপহী গুণৰো নাই শেষ, ভাৰতৰে পূৰ্ব দিশৰ সূৰ্য্য উঠা দেশ।' স্বদেশ আৰু স্বজাতিৰ প্ৰেমত আকুল হৈও ভূপেন হাজৰিকা সঁচা অৰ্থত বিশ্ব নাগৰিক। 'অগ্নিযুগৰ ফিৰিঙতি মই, নতুন অসম গঢ়িম' শীৰ্ষক গীতৰ গীতিকাৰ, সুৰকাৰ আৰু গায়ক হিচাপে মাত্ৰ তেৰ বছৰ বয়সতে আত্মপ্ৰকাশ কৰা ড° ভূপেন হাজৰিকাই সেই কোমল বয়সতে আগজাননী দিছিল এক সূৰ্য্যসম প্ৰতিভাৰ ফেঁহুজালিৰ। তাৰ পাছত আৰু তেওঁ সৃষ্টি আৰু সুন্দৰৰ সৰু-বৰ আলিয়েদি আগবাঢ়ি যাওঁতে কেতিয়াও থমকি ৰোৱা নাই।

ড॰ ভূপেন হাজৰিকা ভাৰতবৰ্ষৰ সংগীত জগতৰ ইতিহাসত উচ্চ শিক্ষাৰে অলংকৃত এজন প্ৰতিভাধৰ সংগীতশিল্পী। কলম্বিয়া বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰী লাভ কৰি উভতি আহি গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষকতাৰ দৰে সন্মানীয় পদত অধিষ্ঠিত হৈও তেওঁ সৃষ্টি আৰু সংস্কৃতিৰ বিশালতাৰ আহ্বানক নেওচা দিব নোৱাৰিলে। নিজৰ গান আৰু সংগীতক সমাজ পৰিবৰ্তনৰ অস্ত্ৰ হিচাপে বিবেচনা কৰা ড॰ ভূপেন হাজৰিকাই সেয়েহে আজীৱন ব্ৰতী হৈ ৰ'ল কেৱল মানুহৰ বাবে, সমাজ পৰিবৰ্তনৰ বাবে আৰু সাম্য-মৈত্ৰীৰ বান্ধোনেৰে সকলোকে আঁকোৱালি ল'বৰ বাবে অনুপম সংগীত সৃষ্টিৰ অবিৰত সাধনাত।

মানুহৰ মুক্তিৰ সপোন আৰু গভীৰ জাতীয় প্ৰেমৰ সোঁতক নিজৰ দৰ্শনেৰে সজাই-পৰাই তোলা জ্যোতিপ্ৰসাদ আগৰৱালা আৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ উত্তৰসূৰী হিচাপে এটা নতুন ধাৰা প্ৰবৰ্তন কৰিলে পল ৰবছনৰ আদৰ্শেৰে উদ্বুদ্ধ গণশিল্পী ড॰ ভূপেন হাজৰিকাই। ড॰ ভূপেন হাজৰিকাৰ সংগীত অসমৰ জাতীয় জীৱনৰ চিৰযুগমীয়া অনুপ্ৰেৰণা হৈ ৰ'ব।

আমাৰ সমাজ জীৱনৰ এনে এটি দিশ নাই, য'ত ড॰ ভূপেন হাজৰিকাৰ গীত আৰু সুৰ বাংময় হৈ উঠা নাই। অসমৰ জনজীৱনৰ সকলো স্তৰৰ সকলো লোকৰ অন্তৰৰ ভাষা আৰু আবেগ-অনুভূতিৰে মূৰ্ত হৈ উঠিছে তেওঁৰ কালজয়ী গীতবোৰ। সেয়েহে আলৰ বৃদ্ধ-বৃদ্ধাৰ পৰা আজিৰ কণমানি শিশুটিলৈকে অসমৰ কেইবাটাও প্ৰজন্মৰ হৃদয় আৰু ধমনীত প্ৰবাহিত হৈ আছে ড॰ ভূপেন হাজৰিকাৰ গীতৰ সুৰ আৰু সত্তা।

ওৰেটো জীৱন দিহিঙে-দিপাঙে নিজৰ কণ্ঠ-সুধা নিগৰাই, আস্থাহীনতাৰ বিপৰীতে গভীৰ আস্থাৰ গান গাই যোৱা ড॰ ভূপেন হাজৰিকা অসমৰ বাবে এক জাতীয় সন্মানৰ প্ৰতিভূ। অসমৰ সৰ্বকালৰ ইতিহাসৰ যাদুঘৰত তেওঁ এক উজ্জ্বল কহিনুৰ। ❖

*সম্পাদনা সমিতিৰ টোকা : সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগত গুৱাহাটীৰ দীঘলীপুখুৰীৰ পাৰত নিৰ্মিত ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তিটো ২০০৯ চনৰ ১৪ ফেব্ৰুৱাৰী তাৰিখে ড॰ হাজৰিকাই নিজে উন্মোচন কৰিছিল। সেই উপলক্ষে প্ৰকাশিত ড॰ ভূপেন হাজৰিকা বিষয়ক সম্বৰ্ধনামূলক ৰচনাখনৰ লেখক আছিল ডা॰ নাৰায়ণ শৰ্মা। ইয়াত ৰচনাখনৰ পুনৰ মুদ্ৰণ কৰা হ'ল।*



# মোৰ দৃষ্টিত ড° ভূপেন হাজৰিকা

■ সূৰ্য্য গোস্বামী



ড° ভূপেন হাজৰিকা—নামেই যাৰ পৰিচয়। তেওঁৰ কথা কৈ অথবা লিখি শেষ কৰিব নোৱাৰি। ইয়াৰ আগেয়ে মই বিভিন্ন বাতৰি কাকত, আলোচনী, গ্ৰন্থ সংকলন আদিত ভূপেনদাৰ বিষয়ে লিখিছোঁ যদিও ভূপেনদাক মূল্যায়ন কৰাৰ ধৃষ্টতা মোৰ নাই। সেই কাম যোগ্যজনে কৰিব। মই মাথোঁ ওচৰৰ পৰা পোৱা ভূপেনদাৰ বিষয়ে অলপ লিখিবলৈ লৈছোঁ।

সৰুৰে পৰা আমি ভূপেন হাজৰিকা, বীৰেন্দ্ৰ নাথ দত্ত, দীপালি বৰঠাকুৰ, বীণা ভাগৱতী, কুল বৰুৱা, জয়ন্ত হাজৰিকা, খগেন মহন্ত, সূৰ্য্য দাস আদি শিল্পীসকলৰ অনুষ্ঠান চাই ডাঙৰ হৈছিলোঁ। নিজে তবলা বজাবলৈ শিকিছিলোঁ বাবে হয়তো ক্ষীণ আশা এটা পুহি ৰাখিছিলোঁ সেই শিল্পীসকলৰ ওচৰত নিজকে থিয় কৰোৱাৰ। স্কুলত পঢ়ি থকা দিনত খগেন মহন্ত আৰু সূৰ্য্য দাসৰ লগত তবলা বজোৱাৰ সুযোগ পাইছিলোঁ। কিন্তু কাহানিবা ভূপেন হাজৰিকাৰ লগত বজাবলৈ বিচৰা সপোনটো ফলিয়াব বুলি আশা কৰা নাছিলোঁ। কিন্তু মোৰ সেই সপোন বাস্তৱায়িত হ'ল—১৯৬৭ চনত নগাঁৱৰ কামপুৰত। সেয়াই যি আৰম্ভ, তাৰ পাছত ভূপেনদাৰ সৈতে অসমৰ শদিয়াৰ পৰা ধুবুৰী আৰু অসমৰ বাহিৰতো বিভিন্ন ঠাইত অনুষ্ঠান পৰিবেশন কৰাৰ সুযোগ পালোঁ। ১৯৬৭ চনৰ পৰা ১৯৮৩ চনলৈকে এই ১৬টা বছৰৰ যাত্ৰাত ভূপেনদাৰ পৰা অনেক কথা শিকিলোঁ, অনেক অভিজ্ঞতা সঞ্চয় কৰিলোঁ আৰু বহু ঠাই দেখাৰ সুযোগ পালোঁ।

এইখিনিতে ক'বলৈ মন গৈছে যে ভূপেনদাৰ লগত একেলগে ১৬টা বছৰ আছিলোঁ। তদুপৰি, এৰা-ধৰাকৈ ১৯৮৪ চনৰ পৰা ২০০৯ চনৰ শেষৰফালে ৰঙিয়াত কৰা অনুষ্ঠানখনকে ধৰি নখন ফাংছন কৰিছিলোঁ। অনুষ্ঠান কৰা বৰ্ষকেইটা আছিল ১৯৮৫/৮৬/৮৮/৯১/ ৯২/৯৬/৯৮/২০০০ আৰু ২০০৯ চন। এইখিনিতে মোৰ ক'বলৈ মন গৈছে যে ময়েই হয়তো আটাইতকৈ দীঘলীয়া সময়ৰ বাবে বিভিন্ন অনুষ্ঠানত ভূপেনদাৰ সংগী হৈ আছিলোঁ।

ভদ্ৰ, সৰলমনা, মৰমিয়াল, উদাৰ, নিৰ্ভেজাল ব্যক্তিত্বৰ ভূপেনদাৰ কথাবোৰে মানুহক সহজেই আকৰ্ষণ কৰিছিল। প্ৰতিজন অসমীয়া মানুহে অন্ততঃ এবাৰ হ'লেও ভূপেনদাৰ ওচৰ চাপি কথা পতাৰ আশা মনত পুহি ৰাখিছিল আৰু সেই সুযোগ পালেই সেই আশা পূৰণ কৰিবলৈ তেওঁৰ ওচৰ চাপি আহিছিল। মই ১৯৬৭ চনৰ পৰা দেখিছিলোঁ—য'লৈকে আমি অনুষ্ঠান পৰিবেশন কৰিবলৈ গৈছিলোঁ সেই ঠাই তেওঁৰ গুণমুগ্ধৰে ভৰি পৰিছিল। তেওঁক লগ কৰিবলৈ কেতিয়াবা ইমান অনুৰাগী গোট খায় যে এঠাইৰ পৰা গৈ তেওঁ জিৰণি ল'বলৈও সময় নাপাইছিল। ভূপেনদাই কিন্তু কাকোৰেই বিমুখ নকৰিছিল। চিৰপৰিচিত সেই নিৰ্মল হাঁহিটো মুখত লৈ তেওঁ সকলোৰে সৈতে কথা-





বতৰা পাতিছিল। সকলো মানুহৰ প্ৰতি তেওঁৰ ব্যৱহাৰ একেই আছিল। উচ্চ পদবীধাৰী বিষয়া এজনৰ পৰা শাক-পাচলিৰ বেপাৰী কিম্বা এজন গাড়ী চালকলৈকে সকলোৰে লগত সুন্দৰ ব্যৱহাৰেৰে মিলি গৈছিল। কোনেও ভাবিব নোৱাৰিছিল যে সেই মানুহজন কলম্বিয়া বিশ্ববিদ্যালয়ৰ ডক্টৰেট বা দাদাচাহেব ফাল্কে বঁটা, পদ্মবিভূষণ বঁটাপ্ৰাপক এজন বিশ্ববিখ্যাত শিল্পী।

এক বিশাল ব্যক্তিত্বৰ অধিকাৰী আছিল ড° ভূপেন হাজৰিকা। গায়ক-গীতিকাৰ হিচাপে তেওঁৰ জনপ্ৰিয়তা আকাশলংঘী। অকল অসম বা ভাৰতবৰ্ষতে নহয় ভাৰতবৰ্ষৰ বাহিৰেও বিশ্বৰ বিভিন্ন প্ৰান্তত তেওঁৰ জনপ্ৰিয়তা সৰ্বজনবিদিত। গীতৰ মাজেৰে তেওঁ প্ৰমাণ কৰিছিল যে—স্বদেশ আৰু স্বজাতিৰ মংগলৰ হকে তেওঁ অহোপুৰুষাৰ্থ কৰিছিল। প্ৰবল জাতীয়তাবোধ থকা হেতুকে তাহানিতে 'আমি অসমীয়া নহওঁ দুখীয়া বুলি সান্ত্বনা লভিলে নহ'ব' বুলি দৃঢ়তাৰে সকীয়াই দিব পাৰিছিল। তেওঁ এই গীতটি ১৯৬৮ চনত ভোলাগুৰি চাহ বাগিচাত লিখিছিল। আমি ভূপেনদাৰ ভনীয়েক ৰোজ বাইদেউ (পাছলৈ কবিতা বৰুৱা) আৰু জয়ন্ত হাজৰিকা একেলগে তাতে আছিলোঁ। সেইখন আছিল জ্যোতিপ্ৰসাদ আগৰৱালাৰ বাগিচা আৰু তাৰ দায়িত্বত আছিল ভায়েক বিবেক আগৰৱালা। (ভূপেনদাই বাবুৱা বুলি মাতিছিল)। এই গীতটিৰ উপৰি ভূপেনদাৰ আন দুটামান গীতৰ জন্ম-কথাও জানিছিলোঁ। উমৰাংচুলৈ যাওঁতে লিখিলে 'কপিলী কপিলী ৰাংঢালী ছোৱালী'; যোৰহাটত লিখিছিল 'ব'হাগ মাথোঁ এটি ঋতু নহয়', অৱশ্যে গীতটিৰ শেষাংশ যোৰহাটৰ বিভুচৰণ বৰুৱাৰ ঘৰত লিখি শেষ কৰিছিল। ডিব্ৰুগড় চাৰ্কিট হাউছত লিখিছিল 'মেঘে গিৰ গিৰ কৰে', আকৌ অৰুণাচলত লিখিছিল 'অসম আমাৰ ৰূপহী গুণৰো নাই শেষ' আদি। তেতিয়া আমাৰ লগত গীটাৰ বজাইছিল ভাস্কৰ দাসে। বহুত ভাল গীটাৰবাদক আছিল তেওঁ। তেওঁ ১৯৭৫ চনৰ পৰা ১৯৮৬ চনলৈকে বজাইছিল। তাৰ পাছত সৌৰভ দাস আৰু ৰাজু আনচাৰিয়ে ১৯৯৬ চনৰ এপ্ৰিল মাহলৈকে গীটাৰ সংগত কৰিছিল। যি নহওক, সমাজৰ এনে এটি দিশ নাছিল যিটোৰ ওপৰত তেওঁ গীত লিখা নাছিল। প্ৰতিটো গীতত লুকাই আছে জীৱন দৰ্শনৰ ন-ন পাঠ, যিবোৰে প্ৰতিদিনৰ প্ৰতিক্ষণত প্ৰতিজন মানুহক মনত পেলাই থাকে জীয়াই থকাৰ কেতবোৰ গ্ৰহণীয় পৰম সত্য। সেই অনিৰ্বচনীয় শব্দ সম্ভাৰক আকৌ যি সুৰেৰে বান্ধিছিল সি খাঁজে খাঁজে খাপ খাই পৰি অনন্যসুন্দৰ হৈ পৰিছিল। গীতৰ কথা, গীতৰ সুৰৰ লগত ভূপেনদাৰ কণ্ঠ একত্ৰিত হৈ ইটো সিটোৰ পৰিপূৰক হৈ শ্ৰুতিমধুৰ হৈ উঠিছিল।


জীৱনতকৈ বিশাল আছিল তেওঁৰ সৃষ্টিৰাজি। সেই সৃষ্টিত এনে এক শক্তি আছিল, তেওঁৰ ব্যক্তিত্বত এনে এক শক্তি আছিল যিয়ে মানুহৰ হৃদয়ক তড়িৎ গতিৰে আলোড়িত কৰি তুলিছিল। এজন অসমীয়াৰ পৰা বিশ্বনাগৰিক হোৱা আৰু বিশ্বনাগৰিক হৈও অসমৰ মাটিত নিজৰ শিপাডাল খামোচ মাৰি ধৰি থকা ভূপেনদাৰ জীৱনৰ পৰা আমি বহুতো শিকিবলগীয়া আছে। ভূপেনদা সোঁশৰীৰে আমাৰ মাজত নাই যদিও তেওঁৰ কৰ্মৰাজি, তেওঁৰ অমৰ সৃষ্টিসমূহে ভূপেনদাৰ উপস্থিতি সদায়েই সোঁৱৰাই থাকিব। এই বছৰ অসম চৰকাৰে ভূপেনদাৰ জন্ম-শতবাৰ্ষিকীৰ বছৰজোৱা কাৰ্য্যসূচী হাতত লৈ এটা প্ৰশংসনীয় কাম কৰিছে। শেষত ক'ব বিচাৰিছোঁ যে ভূপেনদাৰ সৃষ্টিৰাজিক আন্তৰিকতাৰে শুদ্ধ ৰূপত নতুন প্ৰজন্মই আগবঢ়াই নিব পাৰিলেই ভূপেনদাৰ প্ৰতি আমাৰ প্ৰকৃত শ্ৰদ্ধাঞ্জলি আগবঢ়োৱা হ'ব। ❖

*(লেখক অসমৰ এগৰাকী প্ৰসিদ্ধ শিল্পী আৰু ড° ভূপেন হাজৰিকাৰ দীৰ্ঘকালৰ সংগী)*



# ড° ভূপেন হাজৰিকাৰ শৈক্ষিক আৰু বৌদ্ধিক দিগন্ত

■ অসীম কৃষ্ণ বৰুৱা



“মোৰ মা-দেউতাই মোক মৰম কৰিছে, দেউতাই মোক সুনামৰ প্ৰতি আকৃষ্ট কৰোৱাইছে, কিন্তু একাডেমিক লাইফৰ প্ৰতি মোৰ স্পৃহা আগবঢ়াইছে মোৰ মাহীদেউ ভৰপ্ৰিয়া দাস আৰু জ্যোতিপ্ৰসাদ আগৰৱালাই। বিষ্ণুপ্ৰসাদ ৰাভাই মোক ৰোমাণ্টিচিজিম দিছে—দুৰ্ভেদ্য বস্তু ভেদ কৰাৰ স্পৃহা, চুব নলগা জুইত হাতখন ভৰাই দিয়াৰ হেঁপাহ। কিন্তু Total depth, sublimity plus courage, creativity, dignity of thinking, বিশ্বখন দিও নিজৰ মাটিখিনিৰ প্ৰতি মোহ—এই সকলোবোৰ মই ষষ্ঠ শ্ৰেণীৰ ল'ৰা এজনে তেতিয়া আহৰণ কৰিছিলোঁ জ্যোতিপ্ৰসাদৰ পৰা। নিজৰা হৈ যেনেকৈ বৈ আহে তেনেকৈ জ্যোতিপ্ৰপাত আহিছিল। মই পাইছিলোঁ, মই চুইছিলোঁ—তেওঁৰ প্ৰতি পদে পদে যুক্তি আছিল, সাহস আছিল, সৌন্দৰ্য্য আছিল আৰু সুন্দৰৰ ভাৰসাম্য আছিল”... সুধাকণ্ঠ ড° ভূপেন হাজৰিকাই এনেদৰে কৈছে। কথাখিনিৰ সুদীৰ্ঘ ব্যাখ্যা হোৱা উচিত। তেতিয়াহে সুধাকণ্ঠৰ সৈতে আন বহু গায়ক-গায়িকাৰ পাৰ্থক্য হৃদয়ংগম কৰিব পৰা যাব।

১৯২৬ চনত শদিয়াত জন্মগ্ৰহণ কৰা সুধাকণ্ঠৰ জীৱনৰ গতি-প্ৰকৃতি লক্ষ্য কৰিলে দেখা যায় শৈশৱ-কৈশোৰত তেজপুৰ, গুৱাহাটীত অতিবাহিত কৰা সময়ছোৱাতেই তেওঁৰ মানসিক দিগন্তই এক প্ৰশস্ত পৰিসৰ লাভ কৰিছিল।

অসম, ভাৰত, বিশ্বৰ প্ৰায়বোৰ শিল্পীৰ লগত সুধাকণ্ঠৰ এটা বৃহৎ পাৰ্থক্য আছে। পাৰ্থক্যটো হৈছে আমাৰ সুধাকণ্ঠ এজন অতি উচ্চ শিক্ষিত ব্যক্তি। কটন মহাবিদ্যালয়, বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ পৰা আমেৰিকা যুক্তৰাষ্ট্ৰৰ কলম্বিয়া বিশ্ববিদ্যালয়লৈকে সুধাকণ্ঠৰ শৈক্ষিক আৰু বৌদ্ধিক যাত্ৰাৰ সৈতে তুলনা কৰিব পৰা শিল্পী ৰাজ্য, ৰাষ্ট্ৰ আৰু বিশ্বৰ প্ৰেক্ষাপটত বৰ বেছি নোলাব। শিল্পীসত্তা, শিল্পকৰ্মৰ সৈতে বিদ্যায়তনিক দিশৰ সম্পৰ্ক আৰু প্ৰভাৱ মুঠেই ধৰা-বন্ধা কথা নহয়। এনে বহু অতুলনীয় শিল্পী আছে যাৰ আনুষ্ঠানিক শিক্ষাৰ প্ৰসংগ নিচেই নগণ্য আৰু অপ্ৰয়োজনীয়। কিন্তু সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ ক্ষেত্ৰত উচ্চ শিক্ষাৰ অৰ্হতা আৰু বৌদ্ধিক গভীৰতাই তেওঁৰ শিল্পকৰ্ম, বিশেষকৈ গীতি-সাহিত্যত অতুলনীয় প্ৰভাৱ বিস্তাৰ কৰিছে। সুধাকণ্ঠৰ প্ৰতিটো গীতৰ শব্দ-চয়ন, সাংগীতিক ব্যঞ্জনা, কাব্যিকতাত ভাষা-সাহিত্যৰ প্ৰতি থকা তেওঁৰ অগাধ কৰ্তৃত্বকে প্ৰমাণ কৰে, যিটো প্ৰায়বোৰ সংগীত-শিল্পীৰ ক্ষেত্ৰত দেখা নাযায়।

অতিশয় উল্লেখযোগ্য যে ভূপেন হাজৰিকা নামৰ চেঙেলীয়া ল'ৰাজনে বৰ অভাৱৰ মাজত সেইছোৱা সময় অতিবাহিত কৰিছিল। ১০টাকৈ ল'ৰা-ছোৱালীৰ ভিতৰত তেৱেঁই জ্যেষ্ঠ আছিল। কটন কলেজৰ পৰা বেনাৰসলৈ পঢ়িবলৈ যোৱাৰ সময়ত সুধাকণ্ঠৰ পৰিয়ালৰ আৰ্থিক অৱস্থা টনকিয়াল নাছিল।

...“ষাঠি টকা লাগে বেনাৰসত মাহে মাহে। সেই ষাঠি টকাৰ কাৰণে আমাৰ বৰ দিগদাৰ হৈছিল, কাৰণ গোটেইমখাই (ভায়েক-ভনীয়েক) পঢ়ি থকা বাবে। দেউতাই সেইখিনি সময়তে মোক পাৰফেক্টলি ডাঙৰ কৰিবলৈ পঠিয়াই দিছিল—কিবাকিবি কৰি তই ষাঠি টকাত পঢ়িব লাগিব, দেউতাই কেতিয়াও মোৰ প্লেনত বাধা দিয়া নাছিল।”



## জন্ম-শতবৰ্ষত সুধাকণ্ঠক সশ্ৰদ্ধ সোঁৱৰণ

বেনাৰস হিন্দু বিশ্ববিদ্যালয়ত স্নাতক মহলাত নামভৰ্তি কৰি সুধাকণ্ঠই তাৰে 'স্কুল অব আৰ্টছ' নামৰ প্ৰতিষ্ঠানত চিত্ৰাংকণৰ শিক্ষা গ্ৰহণ কৰে। ৰাজনীতি বিজ্ঞান আৰু দৰ্শনত অনাৰ্ছ লৈ স্নাতক হ'ল। ১৯৪৬ চনত বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ পৰা ৰাজনীতি বিজ্ঞানত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি গুৱাহাটীৰ বি. বৰুৱা কলেজত কেইমাহমান অধ্যাপনা কৰাৰ সময়ছোৱাতেই সুধাকণ্ঠই গায়ক হিচাপেও প্ৰতিষ্ঠা লাভ কৰে। আকাশবাণী গুৱাহাটী-শ্বিলং কেন্দ্ৰ প্ৰতিষ্ঠা, আকাশবাণী গুৱাহাটী কেন্দ্ৰত যোগদান, জ্যোতিপ্ৰসাদ আগৰৱালাৰ অনুপ্ৰেৰণাত গণনাট্য আন্দোলনত অংশগ্ৰহণ আদি কথাবোৰে সুধাকণ্ঠৰ বৌদ্ধিক যাত্ৰাৰ সুদীৰ্ঘ পথ প্ৰশস্ত কৰিছিল। যদি জীৱন আৰু জগতৰ প্ৰতি সুতীব্ৰ সংবেদনশীলতাৰ লগতে সুগভীৰ অধ্যয়ন থাকে, তেনে অৱস্থাত শিল্পীৰ জন্মগত প্ৰতিভাই দীৰ্ঘম্যাদী স্থায়িত্ব লাভ কৰে। সুধাকণ্ঠই জীৱনজোৰা অধ্যয়ন, মনন, সাধনা সকলো কৰিছিল। বাৰাণসীত মদন মোহন মালব্য, সৰ্বেপল্লী ৰাধাকৃষ্ণণ, আচাৰ্য্য কৃপালনী, জৱাহৰলাল নেহৰু, তেজ বাহাদুৰ চাপ্ৰু, মৌলানা আব্দুল কালাম আজাদ, জয়প্ৰকাশ নাৰায়ণ আদি মনীষীৰ সান্নিধ্য লাভ কৰা সুধাকণ্ঠৰ বৌদ্ধিক কচৰৎ আৰু উত্তৰণ আছিল অতুলনীয়। মুন্সী প্ৰেমচান্দ, ফিৰাক গোৰখপুৰীৰ সাহিত্যৰ প্ৰতি অনুৰাগ; উৰ্দু সাহিত্যৰ ৰসাস্বাদন; মাৰ্ক্সবাদৰ অধ্যয়ন আদি দিশবোৰে সুধাকণ্ঠৰ উচ্চস্তৰীয় শৈক্ষিক আৰু বৌদ্ধিক উত্তৰণকে প্ৰমাণ কৰে।

জন্মগত প্ৰতিভা, অধ্যৱসায়, উচ্চস্তৰীয় শিক্ষা জীৱন, বৰেণ্য ব্যক্তিৰ সান্নিধ্য আদিয়ে সুধাকণ্ঠৰ কলা সাধনাৰ লক্ষ্য-উদ্দেশ্য, পৰিসৰ-ব্যাপ্তিক এক অনন্য মাত্ৰা প্ৰদান কৰিছিল। বৌদ্ধিক চৰ্চা কেৱল অনুভূতিৰ স্বাভাৱিক প্ৰকাশ হৈ থাকিব নোৱাৰে। জাতি-জাতীয়তা, স্বদেশৰ অনুভৱক মানৱতা আৰু বিশ্বজনীনতাৰ পৰ্য্যায়লৈ উন্নীত কৰাৰ ক্ষেত্ৰত সুধাকণ্ঠৰ উচ্চ শিক্ষিত জীৱনে নতুন মাত্ৰা প্ৰদান কৰিছিল। ভাৰতৰ স্বাধীনতা প্ৰাপ্তিৰ সময়ছোৱাত যৌৱনপ্ৰাপ্ত সুধাকণ্ঠই কলা সাধনাক সাংস্কৃতিক নৱজাগৰণৰ আহিলা হিচাপে গ্ৰহণ কৰিবলৈ সক্ষম হৈছিল। পুঁজিবাদ, সাম্যবাদ, গণতন্ত্ৰৰ গভীৰতা আৰু জটিলতা অনুভৱ কৰিব নোৱাৰি, যদিহে বিশাল অধ্যয়ন আৰু বিশ্লেষণ নাথাকে, যিটো সুধাকণ্ঠৰ আছিল। সুধাকণ্ঠৰ বৌদ্ধিক গভীৰতা আৰু ব্যাপ্তি তেওঁৰ—

"মই এটি যাযাবৰ  
ধৰাৰ দিহিঙে-দিপাঙে  
লৰৰোঁ  
নিবিচাৰি নিজা ঘৰ"...গীতটোৰেই বুজিব পাৰি।

প্ৰেম, বিষাদ, একাকীত্ব, প্ৰাপ্তি-অপ্ৰাপ্তিৰ গীতবোৰ লিখিবলৈ সুগভীৰ সংবেদনশীলতাই যথেষ্ট। উল্লিখিত গীতটো ৰচনা কৰিবলৈ এক 'worldview' অৰ্থাৎ বিশ্বজনীন দৃষ্টিভংগীৰ নিতান্তই প্ৰয়োজন, যিটো অধ্যয়নশীল শিল্পীসত্তাৰ ক্ষেত্ৰতহে সম্ভৱ।

..."মই লুইতৰ পৰা মিছিছিপি হৈ  
ভল্গাৰ ৰূপ চালোঁ  
অটোৱাৰ পৰা অষ্ট্ৰিয়া হৈ  
পেৰিচ সাবটি ল'লোঁ  
মই ইলোৰাৰ পৰা পুৰণি ৰহণ  
চিকাগোলে কঢ়িয়ালোঁ  
গালিবৰ শ্বেৰ দুশ্বম্বেৰ  
মীনাৰত শুনা পালোঁ  
মাৰ্ক টোৱেইনৰ সমাধিত বহি  
গৰ্কীৰ কথা ক'লোঁ  
বাৰে বাৰে দেখোঁ  
বাটৰ মানুহো  
আপোন হৈছে বৰ  
সেয়ে মই যাযাবৰ..."

এনে গীত বিশ্বসংগীতৰ ইতিহাসত কোনে ৰচনা কৰিছে মই অন্ততঃ নাজানো।

"...মই যদি শদিয়াত জনমি, গুৱাহাটীত বিএ, বিএল পাছ কৰি তেজপুৰত ওকালতি কৰি জীৱনটো কটালোঁহেঁতেন, তেতিয়া এই ভূপেন হাজৰিকাটো হ'ব নোৱাৰিলোঁহেঁতেন, সংগীতক হয়তো এনেদৰে আঁকোৱালি নল'লোঁহেঁতেন।" এনে চিন্তাৰ বশবৰ্তী হৈয়ে হয়তো তেওঁ উচ্চ শিক্ষাৰ বাবে আমেৰিকালৈ ঢাপলি মেলিছিল।

সুধাকণ্ঠ আমেৰিকা যুক্তৰাষ্ট্ৰলৈ যোৱাৰ লক্ষ্য-



উদ্দেশ্য আছিল গৱেষণা। ড° পল উইট আৰু ড° ব্ৰানেছ ষ্টেটাৰ নামৰ দুগৰাকী পণ্ডিতৰ অধীনত তেওঁ গৱেষণা আৰম্ভ কৰিছিল। ইয়াৰ মাজতে ড° ভূপেন হাজৰিকাক ইণ্ডিয়ান ষ্টুডেণ্টছ এছ'চিয়েছনৰ নিউয়ৰ্ক শাখাৰ সাধাৰণ সম্পাদক হিচাপেও নিৰ্বাচন কৰা হ'ল। ৰামকৃষ্ণ পৰমহংস, বিবেকানন্দ, শ্ৰীমন্ত শংকৰদেৱ-মাধৱদেৱ, ৰসৰাজ বেজবৰুৱা, জ্যোতি-বিষ্ণু, মাও চে টুং, কাৰ্ল মাৰ্ক্সৰ চিন্তা-আদৰ্শ, কৰ্মৰ গভীৰতালৈ যোৱাৰ মূলতে আছিল সুধাকণ্ঠৰ গভীৰ অধ্যয়নস্পৃহা। সেই অধ্যয়নস্পৃহাই তেওঁক এশ শতাংশই শৈক্ষিক আৰু বৌদ্ধিক উত্তৰণৰ এক উচ্চতম পৰ্য্যায়ত উপনীত কৰোৱাইছিল।

আমেৰিকাত থাকোঁতেই সুধাকণ্ঠই ছমাৰছেট মমৰ সৈতে সান্নিধ্য গঢ়ি তুলিছিল। পল ৰবছনৰ সান্নিধ্যই সুধাকণ্ঠৰ চিন্তা আৰু কৰ্মত সুগভীৰ প্ৰভাৱ পেলোৱাৰ কথা তেওঁ স্বীকাৰ কৰিছে। ১৯৫৬ চনত ফিনলেণ্ডলৈ যাওঁতে জাঁ পল ছাৰ্ত্ৰেক ঘনিষ্ঠভাৱে লগ পালে। পল ৰবছনৰ লগতে হাৰ্ৱাৰ্ড ফাষ্টৰ দৰে মনীষীৰ কলা, সংগীত, জাতি-ধৰ্ম-বৰ্ণ, মানুহ, জীৱন আদি বিষয়ক বক্তৃতা শুনাৰ বাবে সুধাকণ্ঠই আমেৰিকাত থকা সময়ছোৱাত অধ্যৱসায় কৰিছিল। পুনৰ কৈছোঁ সেয়াই ভূপেন হাজৰিকাদেৱে আয়ত্ত কৰা উচ্চ শিক্ষা আছিল। কৃষ্ণাংগ আৰু শ্বেতাংগৰ সংঘাত, দৰিদ্ৰতা, ধনী-দুখীয়াৰ প্ৰভেদ, মানৱীয় প্ৰমূল্যৰ অৱক্ষয়ৰ বিপৰীতে বিশ্বজনীন মানৱপ্ৰেমে এনেদৰেই সুধাকণ্ঠক গভীৰৰ পৰা গভীৰতৰলৈ লৈ গৈছিল। জয়প্ৰকাশ নাৰায়ণ, বি আৰ আম্বেদকাৰে এসময়ত সম্পাদনা কৰা 'নিউ ইণ্ডিয়া' নামৰ বাতৰি কাকতৰ 'এডুকেছন ফৰ মিলিয়নছ' শীৰ্ষক সম্পাদকীয় লিখা কথাটোৱে সুধাকণ্ঠৰ পাণ্ডিত্যৰ কথাকে প্ৰতিপন্ন কৰিছিল। সুধাকণ্ঠই ১৯৫২ চনত কলম্বিয়া বিশ্ববিদ্যালয়ৰ পৰা 'Role of mass communication in India's adult education' বিষয়ত ডক্টৰেট ডিগ্ৰী লাভ কৰা কথাটোৱে আজিৰ নৱপ্ৰজন্মকো নিশ্চয় আশ্চৰ্য্যচকিত কৰি তোলে।

আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৰা লণ্ডন, দক্ষিণ আফ্ৰিকা, চীন, বেলজিয়াম, কংগো, ফ্ৰান্স, ফিনলেণ্ড, ৰাছিয়া আদি দেশসমূহত সুধাকণ্ঠৰ সাংগীতিক আৰু বৌদ্ধিক অন্বেষণে তেওঁৰ সমগ্ৰ চিন্তা আৰু কৰ্মক সুগভীৰভাৱে প্ৰভাৱান্বিত কৰিছিল। এই সকলোবোৰ কথাই সুধাকণ্ঠক সংগীতশিল্পীৰ পৰা এক বিশাল বৌদ্ধিক ব্যক্তিসত্তাত পৰিণত কৰিছিল। এই অন্বেষণৰ অন্তৰালত থকা তেওঁৰ ত্যাগ, অভাৱ-অনাটন, পাৰিবাৰিক জীৱনৰ কৰুণ অধ্যায় সাঙোৰ খাই আছে। ভাৰতলৈ প্ৰত্যাবৰ্তন কৰাৰ পাছতো সুধাকণ্ঠই সমসাময়িক ভাৰতৰ বৌদ্ধিক জগতৰ উচ্চতম পৰ্য্যায়ৰ ব্যক্তিসকলৰ ঘনিষ্ঠ সান্নিধ্য লাভ কৰিছিল। সেইসকল ব্যক্তি, যেনে—মুল্কৰাজ আনন্দ, খাজা আহমদ আব্বাচ, বিবেকানন্দ মুখোপাধ্যায়, মেঘনাদ সাহা, এম এফ হুছেইন, কিৰণ চন্দৰ, বলৰাজ চাহানী, ৰবি শংকৰ, সত্যজিৎ ৰায়, উদয় শংকৰ, গোলাম আলি; মুম্বাইৰ কলা-সংস্কৃতি জগতৰ পুৰোধা ব্যক্তিসকল, নৌশাদ, গুলজাৰ আদি এক অন্তহীন তালিকা। A man is known by the company he keeps কথাষাৰৰ সত্যতা আৰু তাৎপৰ্য্য বুজিবৰ বাবেহে এনে ব্যক্তিসকলৰ নাম-তালিকাৰ প্ৰসংগটো আহি পৰিল।

এই লেখনিৰ আৰম্ভণিতে কোৱাৰ দৰে শংকৰ-মাধৱ, ৰসৰাজ বেজবৰুৱা, জ্যোতি-বিষ্ণুৰ মানসপুত্ৰ সুধাকণ্ঠ এজোপা বটবৃক্ষ নহয়—গছ-লতা, জীৱ-জন্তু, চৰাই-চিৰিকটি, নদী-নিজৰাৰে পৰিপূৰ্ণ এখন অৰণ্য। সেই অৰণ্যই দেশ-বিদেশৰ পৰিভ্ৰমী চৰাইকো আশ্ৰয় দিলে। শাখা-প্ৰশাখা, নৈ-উপনৈবোৰৰ দৰে বুঢ়া লুইতৰ বুকুত জাহ গৈ সুধাকণ্ঠ যেন বংগোপ সাগৰেদি ভাৰত মহাসাগৰ হ'ল। ভাৰত মহাসাগৰৰ পানীৰ সীমালৈ প্ৰশান্ত মহাসাগৰো কাষ চাপি আহিল। সুধাকণ্ঠৰ বিশ্ব পৰিক্ৰমা এখন বৃহদাকাৰ গ্ৰন্থৰ সমল। এনে কুমলীয়া ৰচনাৰে ঢুকি পোৱা বিষয় নহয়। এই বিশ্ব পৰিক্ৰমা বহুমাত্ৰিক। কিন্তু আমাৰ সুধাকণ্ঠৰ বহুমাত্ৰিকতা আছিল—শৰতৰ নিয়ৰৰ টোপালৰ দৰে স্বচ্ছ আৰু সুস্পষ্ট, আদৰ্শলব্ধ, উৎসৰ্গীকৃত। কাৰণ—

"বহু যাযাবৰ লক্ষ্যবিহীন
মোৰ পিছে আছে পণ
ৰঙৰ খনি য'তেই দেখিছোঁ
ভগাই দিয়াৰ মন..."

চৰৈৱেতি চৰৈৱেতি চৰৈৱেতি... ❖





# মানৱদৰদী ভূপেন হাজৰিকা

■ **ৰবীন্দ্ৰ বৰ্মন**



মানৱদৰদী এক সুধাময় সত্তা ড° ভূপেন হাজৰিকা। অকল অসমৰে নহয়, ভাৰতবৰ্ষ তথা বিশ্বৰ সাংস্কৃতিক ক্ষেত্ৰখনৰ মহাজ্যোতিষ্ক; শিল্পসমৃদ্ধ মননশীল এটি যুগ; বিস্ময়কৰ এক প্ৰতিভা; এটি গভীৰ আস্থাৰ গান ভূপেন হাজৰিকা। আজন্ম প্ৰতিভাধৰ সুবিশাল ব্যক্তিত্বৰ বিশ্ববন্দিত এই মহানায়কগৰাকী অসমৰ পৰিচয়, অসমীয়াৰ স্বাভিমানৰ প্ৰতীক। আজীৱন শব্দ আৰু সুৰৰ সাধনা কৰা ভূপেন হাজৰিকাই বিশ্বৰ চুকে-কোণে অসমীয়া গীত গাই অসম তথা অসমীয়া গীতি-সাহিত্যৰ গৰিমা বিশ্ব-দৰবাৰত প্ৰোজ্জ্বল কৰি থৈ গৈছে। সংগীতক সমাজ সংস্কাৰৰ মাধ্যম হিচাপে লৈ কথা-সুৰ-সংগীতৰ দিগ্বিজয়ী শিল্পীগৰাকীয়ে তেওঁৰ সুৰ আৰু কণ্ঠৰে লক্ষ লক্ষজনৰ হৃদয়ত মানৱীয় প্ৰমূল্যবোধ জীয়াই তুলিবলৈ আৰু সজীৱ কৰি ৰাখিবলৈ সক্ষম হৈছে।

এটা মানৱদৰদী মন আছিল ভূপেন হাজৰিকাৰ। তেওঁৰ মানৱতাবোধ মূৰ্ত আৰু নিভাঁজ। বৰ্ণাঢ্য জীৱন পৰিক্ৰমাৰে এটি বৃহৎ অনুষ্ঠানত পৰিণত হোৱা ভূপেন হাজৰিকাৰ সামগ্ৰিক সত্তাটোৰ পৰিধি ইমান বিশাল যে অকল গীতসমূহৰ বিশ্লেষণৰ দ্বাৰা তেওঁৰ মানৱদৰদী সত্তাটোৰ জোখ-মাপ কৰিব নোৱাৰি। ভূপেন হাজৰিকা কি নাছিল? তেওঁ একাধাৰে গায়ক, গীতিকাৰ, সুৰকাৰ, সংগীতজ্ঞ, সংগীত পৰিচালক, চলিচ্চত্ৰ পৰিচালক, শিক্ষক, সাংবাদিক, কবি, সাহিত্যিক, চিত্ৰকৰ, উচ্চস্তৰৰ বুদ্ধিজীৱী আৰু মহান সংস্কৃতিবান ব্যক্তি। মানৱতাবাদৰ জাগ্ৰত চেতনাৰে ধৰাৰ দিহিঙে-দিপাঙে ঘূৰি গীত গাই ফুৰা যাযাবৰ শিল্পীজনৰ হৃদয়ত সদায় সজীৱ হৈ আছিল বিভিন্ন অঞ্চলৰ লোকসংগীত আৰু লোকজীৱনৰ সান্নিধ্যৰ প্ৰতি আকৰ্ষণ আৰু য'তেই ৰঙৰ খনি বিচাৰি পায়, সেই ৰঙৰ আভা আৰু সৌন্দৰ্য্য সকলোৰে মাজত বিলাই দিয়াৰ নম্ৰ হেঁপাহ। তেওঁ লিখিছিল, “ৰঙৰ খনি য'তেই দেখিছোঁ ভগাই দিয়াৰ মন।” জীৱন কালত অলেখ শুভাকাংক্ষী আৰু অনুৰাগীৰ অফুৰন্ত মৰম, আদৰ লাভ কৰাৰ সমান্তৰালভাৱে পদে পদে আঘাত পায়ো, বিভিন্ন অপশক্তিৰ প্ৰচণ্ড ঠেকা পায়ো, সকলো প্ৰাচীৰ হেলাৰঙে অতিক্ৰম কৰিব পাৰিছিল নিজ মাতৃভূমিৰ প্ৰতি থকা দুৰ্বাৰ টান আৰু মানুহৰ প্ৰতি থকা প্ৰেম আৰু সুস্পষ্ট দায়িত্ববোধৰ বাবে।

অসমৰ সমাজ জীৱনলৈ ভূপেন হাজৰিকাৰ আটাইতকৈ ডাঙৰ অবদান হ'ল তেওঁৰ কালজয়ী গীতসমূহ। প্ৰতিটো গীতৰ কথা, বিষয়বস্তুৰ গভীৰতা, শব্দচয়ন আৰু সুৰৰ বৈচিত্ৰ্যই একো একোটা গীতক অনন্য স্বকীয়তা প্ৰদান কৰিছে। তেওঁৰ গীতৰ মাজত নিহিত হৈ আছে মানৱতাবোধ, জীৱন দৰ্শন, প্ৰেমৰ সুকোমল অনুভৱ, দেশপ্ৰেম, জাতীয়তাবোধ, সমন্বয়ৰ



বাৰ্তা, মাতৃভাষাৰ প্ৰতি দায়বদ্ধতা, সামাজিক দায়বদ্ধতা ইত্যাদি সকলো। হয়তো সমাজ জীৱনৰ এনে কোনো বিষয় বাদ পৰি যোৱা নাই, যিটোক লৈ তেওঁ গীত ৰচনা কৰা নাই।

প্ৰাথমিক বিদ্যালয়ত পঢ়ি থাকোঁতেই মাতৃৰ পৰা বৰগীত শিকি মঞ্চত পৰিবেশন কৰা, লক্ষ্মীনাথ বেজবৰুৱাৰ সন্মুখত মঞ্চত গীত গাই তেওঁৰ মৰমৰ চুমা পৰশ লাভ কৰা, ১৯৩৭ চনত এঘাৰ বছৰ বয়সতে 'কুসুম্বৰ পুত্ৰ শ্ৰীশংকৰ গুৰুৱে ধৰিছিল নামৰে তান' গীতটি ৰচনা কৰা, সপ্তম শ্ৰেণীত পঢ়ি থাকোঁতেই জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা, ফণী শৰ্মাৰ সান্নিধ্যলৈ আহি কলকাতালৈ গীতৰ ৰেকৰ্ডিং কৰিবলৈ যোৱা, ইন্দ্ৰমালতী ছবিৰ গীতত কণ্ঠদান কৰা, জ্যোতিপ্ৰসাদ আগৰৱালা আৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ মাজত হোৱা সংগীত বিষয়ক আলোচনাবিলাক নিজ কাণে শুনিবলৈ পোৱা আদি অভিজ্ঞতাই আৰু গভীৰ জীৱনবোধসম্পন্ন পিতৃ নীলকান্ত হাজৰিকাৰ যথাযথ দিক্‌দৰ্শনে স্কুলীয়া কালতেই ভূপেন হাজৰিকাক এনে এটি দিশলৈ লৈ গ'ল যে তেৰ বছৰ বয়সত তেওঁ হৈ পৰিল 'অগ্নিযুগৰ ফিৰিঙতি'। 'অগ্নিযুগৰ ফিৰিঙতি মই নতুন অসম গঢ়িম' গীতটি ভূপেন হাজৰিকাই ১৯৩৯ চনত মাত্ৰ তেৰ বছৰ বয়সত ৰচনা কৰিছিল। এফালে দ্বিতীয় মহাসমৰৰ ধ্বংসলীলা আৰু আনফালে ভাৰতৰ স্বাধীনতা সংগ্ৰামে সৃষ্টি কৰা সংঘাতৰ সময়ছোৱা আছিল অগ্নিযুগ। এই অগ্নিযুগৰ এটা ফিৰিঙতি হৈ জাতি-ধৰ্ম-ভাষাৰ বিভেদক পুৰি ছাই কৰি সকলোৰে মাজত ভ্ৰাতৃত্ববোধ জগাই তুলিবলৈ আৰু অসমৰ বুকুত সকলো জনগোষ্ঠীক লৈ এখনি সাম্যৰ সৰগ প্ৰতিষ্ঠা কৰিবলৈ অংগীকাৰ কৰা তেৰ বছৰীয়া ভূপেন হাজৰিকা। গীতটিত 'নৰকংকালৰ অস্ত্ৰ সাজি শোষণকাৰীক বধিম/সৰ্বহাৰাৰ সৰ্বস্ব পুনৰ ফিৰাই আনিম' এই ধৰণৰ সংকল্প প্ৰকাশৰ দৃঢ়তা, গীতৰ শব্দচয়ন, এজন স্বাভিমানী অসমীয়া কিশোৰ গীতিকাৰৰ হৃদয় নিগৰি ওলোৱা দেশপ্ৰেমৰ দৃঢ় প্ৰকাশ আৰু ভাব-ঘনত্বলৈ চালে নিঃসন্দেহে ক'ব পাৰি যে গীত ৰচনাৰ ক্ষেত্ৰত ভূপেন হাজৰিকা সৰুৰে পৰাই এক বিস্ময়। সুউচ্চ নৈতিক আৰু আধ্যাত্মিক ভাবৰ ওপৰত প্ৰতিষ্ঠিত বৰগীতসমূহ মাতৃ শান্তিপ্ৰিয়া হাজৰিকাৰ তত্ত্বাৱধানত শুনি আৰু গাই লাভ কৰা শংকৰ-মাধৱৰ উদাৰ মানৱতাবাদী আদৰ্শ, জ্যোতিপ্ৰসাদৰ সান্নিধ্যলৈ আহি ৰোপণ হোৱা গান্ধীৰ আদৰ্শ আৰু দেশপ্ৰেমৰ বীজ, বিষ্ণু ৰাভাৰ সান্নিধ্যলৈ আহি সমাজৰ নিষ্পেষিতজনৰ হকে মাত মাতিবলৈ লাভ কৰা সংগ্ৰামী আদৰ্শ, এই সকলোবোৰৰ সংমিশ্ৰণত ভূপেন হাজৰিকাৰ কৌতূহলী, সংবেদনশীল, কলাসুলভ সত্তাটোৱে সঠিক গতি লাভ কৰিছিল। সময়ৰ লগে লগে এই গতি হৈ পৰিছিল দুৰ্বাৰ, অধিক বৈচিত্ৰ্যময় আৰু বহুমাত্ৰিক।

বেনাৰস হিন্দু বিশ্ববিদ্যালয়লৈ পঢ়িবলৈ গৈ ভূপেন হাজৰিকা ভাৰতীয় ধ্ৰুপদী সংগীতৰ বিশাল পৰিধি আৰু গভীৰতাৰ সৈতে পৰিচিত হ'ল। বেনাৰসত ড° ৰাধাকৃষ্ণণৰ শ্ৰেণীত উপস্থিত থাকি গীতাৰ ব্যাখ্যা শুনি, চেহনাইৰ যাদুকৰ ভাৰত ৰত্ন বিছমিল্লা খানৰ সান্নিধ্য, ভাৰতীয় সাহিত্য আৰু দৰ্শনৰ শিক্ষা, মাৰ্ক্সবাদৰ শিক্ষা তথা ভাৰতীয় ধ্ৰুপদী সংগীতৰ বিশাল বিস্তৃতিৰ সৈতে পৰিচিতি লাভ কৰি বিশ্ব-মানৱতাৰ প্ৰকৃত স্বৰূপ তেওঁৰ দৃষ্টিত পৰিষ্কাৰ হৈ পৰিছিল।

আমেৰিকা যুক্তৰাষ্ট্ৰলৈ উচ্চ শিক্ষা গ্ৰহণৰ বাবে গৈ ভূপেন হাজৰিকাই প্ৰসিদ্ধ মানৱদৰদী শিল্পী পল ৰবছনৰ সান্নিধ্য লাভ কৰিছিল। মানৱীয় মৰ্য্যাদা লাভৰ বাবে সংগ্ৰাম কৰি থকা লক্ষ লক্ষ কৃষ্ণাংগ মানুহৰ কণ্ঠস্বৰ আছিল পল ৰবছন। অস্ত্ৰ হিচাপে হাতত এখন গীটাৰ লৈ বৰ্ণবৈষম্যৰ বিৰুদ্ধে যুঁজৰ বাবে সংগীতৰ সহায়ত পল ৰবছনে যি ধৰণে মানুহক উদ্বুদ্ধ কৰিবলৈ সক্ষম হৈছিল তাক স্বচক্ষে দেখি ভূপেন হাজৰিকা প্ৰভাৱিত হৈছিল। বিভিন্ন ধৰণৰ মতাদৰ্শৰ মাজত সাবলীলভাৱে বিচৰণ কৰিব পৰাকৈ ভূপেন হাজৰিকা বৌদ্ধিকভাৱে পৰিপক্ক আছিল। সেইবাবে শিক্ষা সম্পূৰ্ণ হোৱাৰ পাছত কেইবাটাও প্ৰলোভন অস্বীকাৰ কৰি ভূপেন হাজৰিকা ঘূৰি আহিছিল নিজৰ মাটিলৈ, অসমলৈ, এক বিশ্বনাগৰিক হৈ।



# জন্ম-শতবৰ্ষত সুধাকণ্ঠক সশ্ৰদ্ধ সোঁৱৰণ



ভূপেন হাজৰিকাই নিজেই কৈ গৈছে, "সাগৰ সংগমত কতনা সাঁতুৰিলোঁ/ তথাপিতো হোৱা নাই ক্লান্ত" এই গীতটিতেই অন্তৰ্লীন হৈ আছে তেওঁৰ জীৱন দৰ্শন। গীতটিত উল্লেখ কৰা "সংঘাতে আনে মোৰ প্ৰশান্ত সাগৰত প্ৰগতিৰ নতুন দিগন্ত" এয়াই আছিল তেওঁৰ দুৰ্বাৰ গতিৰ মন্ত্ৰ। জীৱনৰ এছোৱা সময়ত পাৰিবাৰিক জীৱনত প্ৰচণ্ড দাৰিদ্ৰ্য, সামাজিক জীৱনত নানা সংঘাত, ৰজাঘৰীয়াৰ ফালৰ পৰা অবাঞ্ছিত বিৰুদ্ধাচৰণ, মঞ্চত গীত পৰিবেশনত বাধা আৰোপ, কৰ্মক্ষেত্ৰত ঈৰ্ষাৰ বলি হৈ লাভ কৰা তিতা অভিজ্ঞতা আদিয়েও এই গতি স্তব্ধ কৰিব পৰা নাছিল। কোনো এক বিশেষ ভাবাদৰ্শত খামুচি ধৰি থকাৰ পৰিবৰ্তে বিশ্বৰ বিভিন্ন অঞ্চলৰ জনজীৱনৰ সান্নিধ্যলৈ অহা অভিজ্ঞতাৰ মন্থন আৰু তাৰ বোৱঁতী ধাৰাই যাযাবৰী ভূপেন হাজৰিকাৰ মনত যি উপলব্ধিৰ সৃষ্টি কৰিছিল, সেই উপলব্ধিৰ আধাৰত উদ্ভৱ হোৱা মানৱপ্ৰেম আৰু গভীৰ দায়িত্ববোধেই আছিল তেওঁৰ সৃষ্টিকৰ্মৰ চালিকাশক্তি। সমাজত চলি থকা দুৰ্নীতি, অনিয়ম, বৈষম্য, সংঘাত আদিৰ বিষয়ে মানুহক সচেতন কৰা আৰু মুক্তিৰ পথ দেখুওৱাটো এগৰাকী মানৱদৰদী শিল্পী হিচাপে তেওঁ পবিত্ৰ কৰ্তব্য হিচাপে গ্ৰহণ কৰিছিল। সমাজৰ নিষ্পেষিত, শোষিত, দুৰ্বল শ্ৰেণীৰ লোকৰ প্ৰতি সহানুভূতিৰে সৈতে সিক্ত হৈ তেওঁ লিখিছিল—"মানুহে মানুহৰ বাবে/যদিহে অকণো নাভাবে/অকণি সহানুভূতিৰে ভাবিব কোনেনো কোৱা সমনীয়া।" জীৱন সংগ্ৰামৰ কোবাল নদীত সাঁতুৰি ক্লান্ত হোৱাজনৰ প্ৰতি সমমৰ্মিতাৰে হাত আগবঢ়াবলৈ তেওঁ আহ্বান জনাইছিল। "দুৰ্বল মানুহে যদি/জীৱনৰ কোবাল নদী/পাৰ হয় তোমাৰে সাহত/তুমি হেৰুৱাবানো কি?" এই গীতটিত অন্তৰ্নিহিত মানৱতাবাদ দেশ-ৰাষ্ট্ৰৰ পৰিধি ভঙা মানৱতাবাদ। এখন দোলাক সামন্ত যুগৰ শোষণৰ প্ৰতীক হিচাপে লৈ, শোষকসকলৰ সুখ-সম্ভোগৰ দোলাখন যে শোষিতসকলৰ কান্ধৰ ওপৰতে আছে, তাকে সোঁৱৰাবলৈ লিখিছিল, "দোলা, হে দোলা, হে দোলা, হে দোলা, হে দোলা" গীতটি।

ৰাইজক ভাৱৰীয়া পাতি, পৰিচালকৰ আসনত বহি ৰং চোৱা স্বেচ্ছাচাৰী শাসকক সকীয়াই দিবলৈ তেওঁ গাইছিল, 'ৰাইজ আজি ভাৱৰীয়া, দেশেই নাটঘৰ।" শাসকৰ বঞ্চনা, প্ৰতাৰণাই যেতিয়া মাতৃভূমিক উদ্বাউল কৰে, তেতিয়া তেনে শাসকৰ নিপীড়ন দেখি মাতৃপূজাৰ বেদীত মূৰ থৈ গাইছিল, "বুকু হম হম কৰে মোৰ আই।" এগৰাকী দুখুনী মাতৃৰ ফুলকুমলীয়া সন্তানে অনাহাৰত মৃত্যুবৰণ কৰাৰ কৰুণ কাহিনীৰে ৰচনা কৰা 'এন্ধাৰ ৰাতিৰ নিশাতে/এখনি নৈৰ পাৰতে/এটি ভগা পঁজাতে' গীতটিত ভূপেন হাজৰিকাই কেৱল সন্তানহাৰা মাতৃয়ে বুকু চপৰিয়াই কন্দাৰ কথাকে কোৱা নাই, চকুপানী টুকি নাথাকি এখন নতুন সমাজ গঢ়াৰ সংকল্প লোৱাৰ কথাকো কৈছে।

ভূপেন হাজৰিকাই বিশ্বাস কৰিছিল মানুহৰ সামূহিক কল্যাণৰ হকে গঢ়ি উঠা ঐক্যবদ্ধ সংগ্ৰাম কোনো শক্তিয়ে ৰোধ কৰিব নোৱাৰে। সমাজত বিষবাষ্প বিয়পোৱা সকলো অশুভ শক্তিৰ বিৰুদ্ধে মানুহক সতৰ্ক কৰি দিয়া আৰু শুভশক্তিৰ সপক্ষে জনমত গঢ়ি তোলাটো এগৰাকী শিল্পীৰ দায়িত্ব বুলি তেওঁ বিবেচনা কৰিছিল। ৰেলৰ শ্ৰমিকসকলৰ জীৱন সংগ্ৰামৰ এখন জীয়া ছবি পৰিস্ফুট কৰি, লগতে শোষক আৰু শোষিতৰ মাজৰ দেৱাল ভাঙি সাম্য প্ৰতিষ্ঠা কৰাৰ



সংকল্পৰ কথাৰে লিখিছিল, “ঝক্ ঝক্ ৰেল চলে মোৰ/ৰেল চলে মোৰ ৰেল চলে/সাম্য ৰিঙিয়াই/শান্তি উকিয়াই ৰেল চলে।” বিভিন্ন জাতি-জনগোষ্ঠীৰ সমন্বয়ত গঢ় লৈ উঠা অসমীয়া জাতিটো বাচি থাকিবলৈ হ’লে কি কৰিব লাগিব আৰু তেনে নকৰি হাত সাবটি বহি থাকিলে জাতীয় জীৱনলৈ কেনে দুৰ্দিন আহিব তাকে সকীয়াই লিখিছিল, “আমি অসমীয়া নহওঁ দুখীয়া/বুলি সান্ত্বনা লভিলে নহ’ব।”

ভূপেন হাজৰিকা তেওঁৰ গীতসমূহতকৈ বিশাল। গীতসমূহ তেওঁৰ নিৰ্য্যাস; তেওঁৰ জীৱনৰ একোটা সুগন্ধি অংশ। সেইবাবে তেওঁৰ সংগীতে মনোৰঞ্জনৰ পৰিধি অতিক্ৰম কৰি ব্যক্তি-জীৱন, সমাজ-জীৱন তথা বিশ্ব-মানৱতাৰ একো একোটা প্ৰায়োগিক কিম্বা দাৰ্শনিক অধ্যায় হিচাপে আত্মপ্ৰকাশ কৰে। গীতৰ মনপৰশা কাব্যগাথা আৰু তৰংগায়িত লহৰত কেৱল মাত্ৰ অৱগাহনেই এই সাৰস্বত সম্ভাৰক সদৰ্থক ন্যায্যতা প্ৰদান নকৰে। সমাজ বিবৰ্তনৰ শক্তিশালী সাংস্কৃতিক আহিলা হিচাপে ৰচিত, কালৰ ম্যাদ-আৰোপিত ৰসায়নৰ পৰা মুক্ত, নজহা-নপমা অমৰ এই গীতসমূহ সমাজত বিৰাজমান সকলো অশুভ শক্তিৰ বিৰুদ্ধে সতৰ্কীকৰণ আৰু সকলো শুভশক্তিৰ সপক্ষে জনমত গঠন কৰিবলৈ প্ৰজন্মৰ পাছত প্ৰজন্মলৈ ব্যৱহাৰ হৈ থাকিব।

সমালোচনাৰ যিমানবোৰ চোকা বা ভোটা, সূক্ষ্ম বা স্থূল অস্ত্ৰ আছে, সেই সকলোবোৰ প্ৰয়োগ কৰা হৈছিল ভূপেন হাজৰিকাক সমালোচনা কৰিবলৈ। কিন্তু গণতান্ত্ৰিক মানৱতাবোধেৰে সংপৃক্ত ভূপেন হাজৰিকা হিচাপে সমাজত শান্তি-সম্প্ৰীতি-সমন্বয় স্থাপন-পুনৰ্নিৰ্মাণ কিম্বা অটুট ৰখাৰ ক্ষেত্ৰত তেওঁৰ স্থিতিক লৈ কেতিয়াও সমালোচনাৰ অৱকাশ নাছিল। ৰাজনীতি বিজ্ঞান, গণসংযোগ আদি বিষয়ত উচ্চ শিক্ষাৰে শিক্ষিত, আমেৰিকাৰ কলম্বিয়া বিশ্ববিদ্যালয়ত গৱেষণা কৰি ডক্টৰেট ডিগ্ৰী লাভ কৰা প্ৰচুৰ মেধাসম্পন্ন, বিশ্বৰ বিভিন্ন প্ৰান্তৰ চিন্তানায়কসকলৰ সান্নিধ্যৰে সমৃদ্ধ ভূপেন হাজৰিকাই সাৰ্বজনীন ভাবনা আৰু বোধৰ গতিশীল জগতখনক দ্ব্যৰ্থহীন উদাৰতাৰে গ্ৰহণ কৰিব পাৰিছিল বাবেই কোনো নিৰ্দিষ্ট প্ৰায়োগিক-ৰাজনৈতিক মতাদৰ্শৰ প্ৰতি তেওঁৰ আনুগত্য নাছিল। গণনাট্য সংঘৰ হৈ সক্ৰিয়ভাৱে কাম কৰি থাকোঁতেও তেওঁ কমিউনিষ্ট নাছিল বা বিজেপি দলৰ প্ৰাৰ্থিত্বৰে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিলেও তেওঁ বিজেপিৰ অনুগত নাছিল। কোনো এক নিৰ্দিষ্ট মতাদৰ্শই বান্ধি দিয়া গণ্ডী বা পৰিধিৰ ভিতৰত সোমাই থাকি তাৰ বন্দিত্ব স্বীকাৰ কৰিবলৈ তেওঁ অনিচ্ছুক আছিল। ভূপেন হাজৰিকাৰ ক্ষেত্ৰত হোৱা নেতিবাচক সমালোচনাৰ বেছিভাগেই উদ্ভৱ হৈছিল মতাদৰ্শগত বান্ধোনক অস্বীকাৰ কৰাক কেন্দ্ৰ কৰি।

সামাজিক ন্যায় আৰু সংস্কাৰমূলক পৰিবৰ্তনৰ প্ৰয়োজনত সাম্যবাদ, সমাজবাদ বা পুঁজিবাদ যিকোনো মতাদৰ্শৰ পৰিধিৰ ভিতৰলৈ দ্ব্যৰ্থহীন উদাৰতাৰে সোমাই যাব পৰাকৈ যিদৰে তেওঁ মুক্ত আছিল; একে সময়তে তেনে মতাদৰ্শই বান্ধি দিয়া তথাকথিত লক্ষ্মণৰেখা প্ৰতীতিপূৰ্ণ সংবেদনশীলতাৰে উলংঘন কৰি ওলাই আহিব পৰাকৈয়ো তেওঁ মুক্ত আছিল। এই ‘মুক্ত’ কথাটোৰ ভাবাদৰ্শ বিশাল। মতাদৰ্শৰ বান্ধোনে চিন্তাৰ গতি স্থবিৰ কৰি তোলা ৰক্ষণশীল সমালোচকৰ বাবে হয়তো এইটো বোধগম্য নাছিল।

জীৱন সিন্ধুৰ প্ৰতি বিন্দু কৰ্মেৰে পূৰ্ণ কৰা বিৰল যুগপুৰুষগৰাকীৰ ২০১১ চনৰ ৫ নৱেম্বৰত ঘটা মহাপ্ৰয়াণৰ ঘটনায়ো অসমবাসীৰ লগতে দেশবাসীক বহু কথা শিকাই থৈ গ’ল। লক্ষ লক্ষ জনতাই হিয়াৰ আমঠু, প্ৰাণৰ শিল্পীগৰাকীৰ মৃত্যুত যিদৰে সামূহিক শোক প্ৰকাশ কৰিলে, শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলে সেয়া অভূতপূৰ্ব আছিল। ২০২৫ বৰ্ষৰ ৮ ছেপ্টেম্বৰৰ পৰা দেশজুৰি শিল্পীগৰাকীৰ জন্ম-শতবৰ্ষ পালনৰ প্ৰস্তুতি চলিছে। জন্ম-শতবৰ্ষ উপলক্ষে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে উদ্‌যাপন কৰিবলগীয়া কাৰ্য্যসূচীসমূহে অসমৰ নতুন প্ৰজন্মক ভূপেন হাজৰিকা সম্পৰ্কে গভীৰভাৱে অনুভৱ কৰাত নিশ্চয় সহায় কৰিব। ❖





# শৈশৱতে ধেমালিতে...
## এক বিৰল প্ৰতিভাৰ দোকমোকালি

■ পংকজ দত্ত

*"কুসুম্বৰ পুত্ৰ শ্ৰীশংকৰ গুৰুৱে*
*ধৰিছিল নামৰে তান।*
*নামৰে সুৰতে আনন্দত নাচিছিল*
*পবিত্ৰ বৰদোৱা থান...।"*

(গীত : কুসুম্বৰ পুত্ৰ শ্ৰীশংকৰ গুৰু)



১৯২৬ চনৰ ছেপ্টেম্বৰ মাহত জন্মগ্ৰহণ কৰা এটি শিশুৱে এঘাৰ বছৰ বয়সত অৰ্থাৎ ১৯৩৭ চনত উল্লিখিত গীতটো ৰচনা কৰিছিল। গীতটোত প্ৰকাশ পাইছিল শিশুটিৰ বিৰল শিল্পীসত্তা আৰু অসাধাৰণ প্ৰতিভা। এই অনন্য শিশুটিয়েই আছিল ড° ভূপেন হাজৰিকা।

শদিয়াত জন্মগ্ৰহণ কৰা ভূপেন হাজৰিকা মানুহৰ মৰমতে উমলি-জামলি ডাঙৰ-দীঘল হৈছিল। শদিয়াৰ দাঁতি-কাষৰীয়া বনুং গাঁৱৰ আদিবাসী ছোৱালীবোৰৰ খেলৰ পুতলা হৈছিল শিশু ভূপেন। এবাৰ এই ছোৱালীবোৰে শিশু ভূপেন হাজৰিকাক ফুৰাবলৈ নি খেলি থাকোঁতে ৰাতি হোৱাত বনুং গাঁৱতে ৰাখি থ'লে। ইফালে ঘৰত হুৱাদুৱা। কথা আনকি পুলিচক খবৰ দিয়া পৰ্য্যন্ত পাইছিলগৈ। অৱশ্যে পাছদিনাখন ছোৱালীকেইজনীয়ে সুস্থ শৰীৰে শিশু ভূপেনক আনি মাকৰ কোঁচত তুলি দিছিল। বনুং গাঁৱৰ লগত হাজৰিকা পৰিয়ালটিৰ সম্পৰ্ক বৰ মধুৰ আছিল। সেই গাঁৱৰে কেইবাগৰাকী মহিলাই শিশু ভূপেনক পৰিচৰ্য্যা কৰাৰ লগতে তেল মালিচ কৰা আদি দায়িত্বও লৈছিল।

শদিয়াৰ পৰা কৰ্মসূত্ৰে দেউতাক নীলকান্ত হাজৰিকাৰ গুৱাহাটীলৈ বদলি হোৱাত শিশু ভূপেন হাজৰিকা মাক-দেউতাকৰ লগত মোমায়েকৰ ঘৰতে থাকিবলৈ লৈছিল। মোমায়েকৰ ঘৰত আটাইৰে আলাসৰ লাডু ভূপেন একলা-দুকলাকৈ ডাঙৰ হ'বলৈ ধৰে।

ককাদেউতাক ৰতিকান্ত দাস, দেউতাক নীলকান্ত হাজৰিকা আৰু মাহীয়েক ভৱপ্ৰিয়া দাস শিক্ষক হোৱা হেতুকে শিশু ভূপেন হাজৰিকাৰ বিদ্যাৰম্ভ হৈছিল ঘৰতে। ছবছৰ বয়সত শিশু ভূপেনক সোণাৰাম স্কুলৰ তৃতীয় শ্ৰেণীত নামভৰ্তি কৰোৱা হৈছিল। তেওঁ আছিল আইতাকৰ ডিঙিৰ মাদলী। আইতাকে ভূপেন হাজৰিকাক মাতিছিল অনাথ বুলি। ইয়াৰ আঁৰতো এটি কাহিনী আছে। ভূপেন হাজৰিকাৰ ডাঙৰ মোমায়েকৰ নাম আছিল অনাথবন্ধু দাস। ভূপেন হাজৰিকাৰ জন্মৰ কিছুদিন আগতে মৃত্যুমুখত পৰা অনাথবন্ধুৱে হেনো মাকক সপোনতে দেখা দি পুনৰাই ইহ সংসাৰত জন্ম ল'ব বুলি কৈছিল। তাৰ কিছুদিন পাছতেই জন্ম হৈছিল ভূপেন হাজৰিকাৰ। সেয়েহে আইতাকে ভূপেন হাজৰিকাক অনাথ বুলি মাতিছিল।

শিশু ভূপেন হাজৰিকা বৰ উৎপতীয়া আছিল। মোমায়েকৰ ঘৰত কাম কৰা নলবাৰীৰ 'চফইলা' নামৰ ল'ৰাজন আছিল শিশু ভূপেনৰ একান্ত অনুগত সহচৰ। দুয়ো মিলি ৰবাব টেঙাৰে বল খেলিছিল। গোৰোৱাই থোৱা বাঁহত ধৰি ভৰলু নৈত সাঁতুৰিবলৈ শিকা শিশু ভূপেন হাজৰিকা অতি কম দিনতে পাকৈত সাঁতোৰবিদ হৈ উঠিছিল। তেওঁ মনতে আলচি আছিল "ৰেলৰে দলঙৰ পৰা বাৰিষাৰ ভৰা ভৰলুৰ বুকুলৈ জাঁপ মাৰিব



পৰা হ'লে!" ভবা মতেই কাম। এদিনাখন ৰেলৰে দলঙত থিয় দি থাকি গুৱাহাটী অভিমুখী ৰেলখন নিচেই ওচৰ পাওঁতে ভূপেনে ভৰলুৰ বুকুলৈ বুলি জাঁপ মাৰি দিলে। ৰেলখন ৰৈ গ'ল। গাৰ্ডজন নামি আহি ভূপেন হাজৰিকাক প্ৰচণ্ড ধমকি দিলে। একেলৰে ভূপেন গৈ আইতাকৰ খাটৰ তলত সোমাল। গাৰ্ডজনৰ ওপৰত ভূপেন হাজৰিকাৰ কিন্তু প্ৰচণ্ড খং। চফইলাৰ লগত আলোচনা কৰি সিদ্ধান্তত উপনীত হ'ল যে ৰেলখন বগৰাব লাগিব যাতে গাৰ্ডজন মৃত্যুমুখত পৰে। সিদ্ধান্ত অনুসৰি দুয়ো ভৰলুমুখৰ এঠাইত দ'মাই থোৱা শিলগুটি নি ৰেলৰ লাইন দুটাৰ ওপৰত সমান্তৰালভাৱে প্ৰায় ১০ ফুটমান দীঘলকৈ শিলগুটিবোৰ থ'লে। দুয়ো আইতাকৰ খাটৰ তলত সোমাই ৰেলৰ শব্দ কাণপাতি শুনি থাকিল। যথাসময়ত ৰেল আহিল আৰু এক প্ৰচণ্ড শব্দ কৰি ঝকঝককৈ গুচি গ'ল। কাৰো একো ক্ষতি-খুন নহ'ল।

উৎপতীয়া হ'লেও ভূপেন হাজৰিকা আছিল অসাধাৰণ প্ৰতিভাৰ অধিকাৰী। ১৯৩০ চনৰ ৩০ অক্টোবৰৰ কথা। সেইদিনা কটন কলেজিয়েটৰ বাৰ্ষিক অধিবেশনলৈ আমন্ত্ৰণ কৰি অনা হৈছিল ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাক। সৰু চুৰিয়া আৰু পাটৰ কুৰ্তা পিন্ধি সৰু টেবুল এখনৰ ওপৰত থিয় দি শিশু ভূপেনে সেইদিনা গাইছিল—

"কি সতে হিয়াৰে আমি
কওঁ তুমি যোৱাগৈ
কৰ্তব্যে মাতিছে যদি
যোৱা তুমি যোৱাগৈ..."

শিশু ভূপেনৰ গান শুনি অভিভূত হৈ ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাই চুমা খাই শিশুটিক ডাঙৰ শিল্পী হ'বলৈ আশীৰ্বাদ দিছিল। এয়াই আছিল আৰম্ভণি। ইয়াৰ পাছত বিভিন্ন সময়ত তেওঁ মানুহৰ পৰা মৰম, আদৰ তথা প্ৰশংসা লাভ কৰিবলৈ সক্ষম হৈছিল।

১৯৩৭ চনৰ কথা। কিশোৰ ভূপেন হাজৰিকা তেজপুৰ গবৰ্নমেণ্ট হাইস্কুলৰ সপ্তম শ্ৰেণীৰ ছাত্ৰ। সেই বছৰে বিদ্যালয়ৰ বঁটা বিতৰণী সভাত কিশোৰ ভূপেন হাজৰিকাই ভায়েক অমৰৰ লগত পৰিবেশন কৰিছিল এটি কাবুলী গীত—

"আগানিমা উল্লাহা
হাবিবেদুৰ হানি
স্বাস্তাৰামা নীতি কুল্‌মা..."

লগতে এককভাৱে গাইছিল মাকে শিকাই দিয়া মহাপুৰুষ শ্ৰীশ্ৰীশংকৰদেৱৰ বিৰচিত 'জয় জয় যাদৱ' শীৰ্ষক বৰগীতটি। উক্ত অনুষ্ঠানত দৰ্শকৰ শাৰীত বহি আছিল জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা, ফণী শৰ্মা আদি অসমীয়া সংস্কৃতিৰ পুৰোধা ব্যক্তিসকল। ইয়াৰ দিনচেৰেক পাছতেই এওঁলোক তিনিওজনে কিশোৰ ভূপেনৰ ঘৰত গৈ উপস্থিত হৈছিল। উদ্দেশ্য— কিশোৰ ভূপেন হাজৰিকাক গানৰ ৰেকৰ্ডিং কৰাৰ বাবে এমাহলৈ কলিকতালৈ লৈ যোৱা। গৰ্বিত পিতৃ-মাতৃ নীলকান্ত হাজৰিকা আৰু শান্তিপ্ৰিয়া দাসে সানন্দেই সন্মতি দিছিল। তথাপি পঢ়া-শুনা ক্ষতি হ'ব বুলি দেউতাকে ভূপেন হাজৰিকাক কিতাপ-পত্ৰবোৰ লগত দি পঠাইছিল। লগতে দিছিল এগালমান গৃহকৰ্ম। এই কলিকতা যাত্ৰাৰ অন্তত কিশোৰ ভূপেন হাজৰিকাই 'His Master's Voice' (HMV)ত ৰেকৰ্ড কৰা কনিষ্ঠতম শিল্পী হিচাপে স্বীকৃতি পালে। জ্যোতিপ্ৰসাদ আগৰৱালা আৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ তত্বাৱধানত কিশোৰ ভূপেন হাজৰিকাই জয়মতী কুঁৱৰী আৰু শোণিতকুঁৱৰীৰ গীতবোৰ এটা এটাকৈ গাই গ'ল। সেইখিনি সময়ত কিশোৰ ভূপেন হাজৰিকাৰ মাতটো যিহেতু পুৰুষসুলভ হৈ উঠাগৈ নাছিল, সেয়েহে তেওঁক মহিলা অভিনেত্ৰীৰ কণ্ঠৰ গানবোৰহে গাবলৈ দিয়া হৈছিল। কিশোৰ ভূপেন হাজৰিকাৰ বহুমুখী প্ৰতিভাৰ উমান পাই জ্যোতিপ্ৰসাদে তেওঁক ল'ৰা ৰজাৰ শৈশৱকালৰ চৰিত্ৰত অভিনয়ো কৰোৱালে। কলিকতাত গান, অভিনয় আদিত ব্যস্ত হৈ থাকিলেও ভূপেন হাজৰিকাই কিন্তু পঢ়া-শুনাও সমান্তৰালভাৱে চলাই নিছিল। সেয়েহে কলিকতাৰ পৰা উভতি গৈ অৱতীৰ্ণ হোৱা বছৰেকীয়া পৰীক্ষাত তেওঁ আটাইকেইটা বিষয়তে ভালদৰে উত্তীৰ্ণ হৈ পৰীক্ষাত ভাল ফল দেখুৱাবলৈ সক্ষম হৈছিল।

জ্যোতিপ্ৰসাদ আৰু বিষ্ণু ৰাভাৰ উপৰি ভূপেন হাজৰিকাৰ জীৱনত মহাত্মা গান্ধীৰ মতাদৰ্শৰ প্ৰভাৱো যথেষ্ট পৰিছিল। গান্ধীৰ আদৰ্শেৰে উদ্বুদ্ধ হৈ ১৯৩৯

চনত তেৰ বছৰীয়া ভূপেন হাজৰিকাই লিখি উলিয়াইছিল—

“অগ্নিযুগৰ ফিৰিঙতি মই
নতুন ভাৰত গঢ়িম
সৰ্বহাৰাৰ সৰ্বস্ব
পুনৰ ফিৰাই আনিম
নতুন ভাৰত গঢ়িম...।”

(পৰবৰ্তী সময়ত চিৰাজ বোলছবিৰ বাবে এই গানটো ৰেকৰ্ড কৰোঁতে ‘নতুন ভাৰত’ৰ ঠাইত ‘নতুন অসম’ বুলি গোৱা হয়।)

এইটো আছিল ভূপেন হাজৰিকা সৃষ্ট দ্বিতীয়টো গীত। ভৱিষ্যৎ জীৱনত যে তেওঁ এজন স্বনামধন্য শিল্পীৰূপে প্ৰতিষ্ঠা লাভ কৰিব এই গানটোৱে তাৰেই ইংগিত বহন কৰিছিল। পৰবৰ্তী সময়ত এই কিশোৰজনেই অসমৰ সংগীত, অভিনয়, সংগীত পৰিচালনা, সাহিত্য, ৰাজনীতি আদি বিভিন্ন ক্ষেত্ৰত অনবদ্য অবদান আগবঢ়াই সৃষ্টি কৰে এক গৌৰৱোজ্জ্বল ইতিহাসৰ; এক নতুন যুগৰ—ভূপেন হাজৰিকা যুগৰ ! ❖

# ভূপেন হাজৰিকাৰ ৰাজনৈতিক জীৱন

**■ কুশল গোস্বামী**

ভাৰত ৰত্ন ড° ভূপেন হাজৰিকাৰ গীত আৰু চিন্তাই জাতি-ধৰ্ম-ভাষা নিৰ্বিশেষে এখন সমতাপূৰ্ণ গণতান্ত্ৰিক সমাজ গঢ়িব খোজে। তেওঁৰ প্ৰায় সকলোবোৰ অমৰ সৃষ্টিৰ অন্তৰালত মানৱ কল্যাণ আৰু বিশাল গণতান্ত্ৰিক চেতনা বিৰাজমান। সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ অবদান কেৱল সাংস্কৃতিক ক্ষেত্ৰখনতেই সীমাবদ্ধ নাছিল, তেওঁ এগৰাকী সফল ৰাজনৈতিক ব্যক্তি হিচাপেও ইতিহাসত স্থান দখল কৰিবলৈ সক্ষম হৈছে। তেওঁৰ অন্তৰৰ নিভৃত কোণত লুকাই থকা গণতান্ত্ৰিক চেতনা গীতৰ মাজেৰে এনেদৰে প্ৰকাশ কৰিছে—

“তুমিয়ে ময়ে দেশখন গঢ়োঁতে
যদিহে কেঁচা ঘাম সৰে
দুয়োৰে ঘামৰে মিলনে দেখিবা
বুৰঞ্জী ৰচনা কৰে।”

ড° ভূপেন হাজৰিকাৰ গীত আৰু সাংস্কৃতিক কৰ্মৰাজিৰ মানৱতাবাদী বাগধাৰা বিশ্বজনীন; য’ত মানুহৰ মুক্তিৰ হকে উদাত্ত আহ্বান থকা দেখা যায়। সৰ্বসাধাৰণ লোকৰ মুক্তিৰ হকে এক শক্তিশালী কণ্ঠস্বৰৰূপে প্ৰতিষ্ঠা তথা বিশ্বব্যাপী সুখ্যাতি লাভ কৰা, সমাজবাদী-মাৰ্ক্সীয় আদৰ্শত বিশ্বাসী ড° হাজৰিকাই ১৯৬৭ চনত ৰাজনীতিৰ ক্ষেত্ৰখনত প্ৰত্যক্ষভাৱে



জড়িত হৈ পৰে। ১৯৬৭ চনত অনুষ্ঠিত অসম বিধানসভাৰ নিৰ্বাচনত বিৰোধী আঞ্চলিক মহাজোঁটৰ নিৰ্দলীয় প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা কৰি ১১০ নম্বৰ নাওবৈছা সমষ্টিৰ পৰা তেওঁ বিধানসভালৈ নিৰ্বাচিত হৈছিল। ড° ভূপেন হাজৰিকাই বিধানসভাত স্বতঃস্ফূৰ্ত আৰু অতি সক্ৰিয় ভূমিকা পালন কৰি ৰাজ্যখনে সন্মুখীন হোৱা কেইবাটাও জ্বলন্ত সমস্যা বলিষ্ঠৰূপত বিধানসভাৰ মজিয়াত দাঙি ধৰিছিল। শিল্পীৰ কোমল হৃদয় আৰু সমাজসেৱাৰ সজাগ দৃষ্টিৰে তেওঁ ৰাজ্যখনৰ দুখীয়া জনগণৰ সমস্যাবোৰ সমাধানৰ ক্ষেত্ৰত এক শক্তিশালী প্ৰতিবাদী কণ্ঠ হৈ পৰিছিল। ১৯৬৭ চনত অনুষ্ঠিত বিধানসভাৰ এখন অধিৱেশনত তেওঁ কৈছিল—কৃষকে যদি সঠিক মূল্য নাপায়, অসম



কেতিয়াও সমৃদ্ধ হ'ব নোৱাৰে। তেওঁ নিবনুৱা সমস্যাক লৈ উদ্বিগ্ন হৈ পৰিছিল আৰু দাবী কৰিছিল এনেদৰে— যুৱ সমাজক কৰ্মসংস্থান আৰু শিক্ষাৰ সঠিক সুযোগ চৰকাৰে দিয়ক, নহ'লে আমাৰ অন্ধকাৰ ভৱিষ্যতে সমাজত বেয়া প্ৰভাৱ পেলাব। অসমৰ ভাষা, সাহিত্য, সংস্কৃতি আৰু মাটিৰ গোন্ধ আমাৰ আচল পৰিচয় আৰু এই পৰিচয় ৰক্ষা কৰাটো কংগ্ৰেছ চৰকাৰখনৰ প্ৰধান দায়িত্ব বুলি সোঁৱৰাই দিছিল। ড° হাজৰিকাই যুক্তিপূৰ্ণ ভাষণেৰে বিধানসভাত চৰকাৰক বহু সমস্যাৰ ক্ষেত্ৰত সদয় হ'বলৈ আৰু দায়িত্বশীল পদক্ষেপ ল'বলৈ বাধ্য কৰাইছিল। ১৯৬৭ চনৰ পৰা ১৯৭২ চনলৈ বিধায়ক হিচাপে সেৱা আগবঢ়োৱা ড° হাজৰিকাই মানুহৰ অধিকাৰ, ন্যায় আৰু সমতাৰ প্ৰশ্নত সদনৰ মজিয়াত গৰজি উঠি কৈছিল—অসমক আগবঢ়াবলৈ সকলোৰে ঐক্যবদ্ধ প্ৰচেষ্টাই একমাত্ৰ পথ। তেওঁ ভাষণত কৈছিল—চাকৰি 'হ'ব' বুলি নহয়, চাকৰি হ'বই লাগিব বুলি চৰকাৰে ক'ব লাগিব। চাকৰি সৃষ্টিত চৰকাৰে দক্ষতাৰে কাম কৰা নাই আৰু পৰিকল্পনা কাৰ্য্যকৰী হোৱা নাই বুলি তেওঁ কংগ্ৰেছ চৰকাৰক সমালোচনা কৰিছিল।

ড° ভূপেন হাজৰিকা বিধায়ক হিচাপে নিৰ্বাচিত হোৱা বছৰতে (১৯৬৭ চন) কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা, বিমলা প্ৰসাদ চলিহা, গৌৰীশংকৰ ভট্টাচাৰ্য্য, লক্ষ্যধৰ চৌধুৰী, দেবেশ্বৰ শৰ্মা আদি প্ৰখ্যাত ৰাজনৈতিক নেতাসকলো বিধানসভালৈ নিৰ্বাচিত হৈছিল। বিধানসভাৰ বিভিন্ন বিতৰ্কত বিষ্ণুপ্ৰসাদ ৰাভা, গৌৰীশংকৰ ভট্টাচাৰ্য্য, লক্ষ্যধৰ চৌধুৰী আৰু ড° ভূপেন হাজৰিকাই বিৰোধী বিধায়ক হিচাপে যৌথভাৱে কংগ্ৰেছ চৰকাৰখনক যুক্তিৰে বান্ধি লৈ কাম কৰিবলৈ বাধ্য কৰাইছিল।

ড° ভূপেন হাজৰিকাই সাংস্কৃতিক কাম-কাজত অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ঘূৰি ফুৰিছিল। সেয়েহে তেওঁ বৰ অসমৰ খাটি খোৱা মানুহৰ দুখ আৰু সমস্যাবোৰ নিজ চকুৰে দেখিছিল, যাৰ ফলস্বৰূপে মানৱদৰদী শিল্পীজনৰ অৱচেতন মনত আপোনা-আপুনি সমাজৰ শোষিত-নিষ্পেষিতসকলৰ প্ৰতি এক গভীৰ আবেগ শিপাইছিল। সেয়েহে তেওঁ আপোচহীন যুক্তিৰে প্ৰবলপ্ৰতাপী শাসকক উভতি ধৰি সাহসৰ পৰিচয় দিবলৈ সক্ষম হৈছিল। তেওঁ কংগ্ৰেছ চৰকাৰক ক্ষুৰধাৰ সমালোচনা কৰি বিধানসভাত কৈছিল—সমাজ গঠন কৰাৰ সৰ্বাধিক উপাদান হ'ল প্ৰচাৰ মাধ্যম, চলচ্চিত্ৰ, সাহিত্য আৰু টেলিভিছন। ৰাষ্ট্ৰসংঘৰ ইউনেস্ক'ই (UNESCO) এই মাধ্যমবোৰক সমাজৰ মূল গঠনকাৰী শক্তি বুলি কোৱাৰ পাছতো কিন্তু অসম চৰকাৰে একেবাৰে গুৰুত্ব দিয়া নাই কিয় বুলি তেওঁ প্ৰশ্ন কৰিছিল। তেওঁ দেউৰী মাতৃ, খাচি মাতৃক আদৰ নকৰিলে দেশমাতৃক কেনেকৈ সন্মান কৰিম বুলি চৰকাৰক প্ৰশ্ন কৰিছিল। তেওঁ ৰাজ্যখনত ৰাস্তা-ঘাট, চলচ্চিত্ৰ ষ্টুডিঅ', বিশ্ববিদ্যালয় আদি অতি শীঘ্ৰে নিৰ্মাণ কৰিবলৈ আৰু দুৰ্নীতি ৰোধ কৰিবলৈ দাবী কৰিছিল। সেয়েহে তেনে দৃষ্টিকোণৰ পৰা ড° হাজৰিকাৰ ৰাজনৈতিক ভূমিকা, দায়বদ্ধতা তথা চেতনাক অসমৰ ইতিহাসৰ এক উজ্জ্বল অধ্যায় হিচাপে বিবেচনা কৰিব পাৰি।

কাৰ্ল মাৰ্ক্স আৰু গান্ধী দৰ্শনৰো সমৰ্থক ড° হাজৰিকা ভাৰতীয় গণনাট্য সংঘৰ (IPTA) এজন সক্ৰিয় কৰ্মী আছিল।

ৰাজনীতিৰ জৰিয়তে মাতৃভূমিৰ হকে কাম কৰাৰ দুৰ্বাৰ হেঁপাহ পুহি ৰখা সুধাকণ্ঠ ড° হাজৰিকাই ১৯৭১ চনত মঙলদৈ লোকসভা সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰি ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ ধৰণীধৰ দাসৰ হাতত পৰাজিত হৈছিল। তেওঁ ২০০৪ চনৰ লোকসভা নিৰ্বাচনত গুৱাহাটী লোকসভা সমষ্টিৰ পৰা ভাৰতীয় জনতা পাৰ্টিৰ প্ৰাৰ্থী হিচাপেও প্ৰতিদ্বন্দ্বিতা কৰিছিল। কিন্তু এই নিৰ্বাচনত তেওঁ পৰাজয় বৰণ কৰিছিল। নিৰ্বাচনী প্ৰচাৰত তেওঁ বিদেশী সমস্যাৰ সমাধান তথা অসম চুক্তিৰ ৬নং দফাৰ ব্যৱস্থাৱলী ৰূপায়ণৰ হকে জনমত গঠন কৰিবলৈ চেষ্টা কৰিছিল। ভাৰত ৰত্ন ড° ভূপেন হাজৰিকাৰ ৰাজনৈতিক দৰ্শন আৰু কৰ্মৰাজি গভীৰ গৱেষণাৰ বিষয় বুলি ক'ব পাৰি। তেওঁৰ যুক্তিনিষ্ঠ বলিষ্ঠ কণ্ঠই নৱপ্ৰজন্মৰ ৰাজনীতিৰ সেৱকসকলক মাৰ্গদৰ্শন কৰক। ❖





# Ballads of the Brahmaputra Valley

■ **Tanmoy Sharma**



It was the McCarthy Era of the early 1950s and the Red Scare had reached its peak in the United States of America. In New York, a young man from Assam was attending lectures given by the blacklisted communist singer Paul Robeson. One such day, the Black icon brought a guitar to his classroom at the Jefferson School of Social Sciences and asked the gathering what it was. The chorus rose to call it “a guitar”, “a musical instrument”, “an accompanying instrument”! Robeson uttered an emphatic ‘no’ and corrected the class saying that “a guitar is not a musical instrument, it is a social instrument. The strum of a guitar can alter the way a nation thinks.”

That very moment altered the life of Bhupen Hazarika, then a graduate student at the city’s Columbia University. He later wrote, “I too wanted to be a singer with the power to change society”. Back in 1939, at the tender age of 13, he had already composed a radical song with a social vision – “*I am the spark of a flaming era, I shall restore to the deprived their dues and build a new India, I shall forge weapons from human skeletons and slaughter the oppressors*”. (অগ্নিযুগৰ ফিৰিঙতি মই....)

Growing up at Tezpur, on the north bank of the Brahmaputra, he had been deeply influenced by the aesthetic milieu of the town. It was shaped by Assam’s two foremost artistes of that era–Bishnu Prasad Rabha and Jyoti Prasad Agarwalla, self-confessed “*worshippers of beauty*”. Both had a keen political eye on the ongoing anti-colonial struggle and during the decades of 1930s and 1940s, they wanted to create an art renaissance in Assam, by weaving together plays, poetry, music and cinema. It was during his formative years, the Bishnu- Jyoti duo, sowed in the young Bhupen Hazarika, the seeds of a dream of creating a progressive cultural vision for the region.

To add to that, Paul Robeson’s friendship in the United States decidedly instilled in him a lifelong zeal to create ‘music for millions’. It could be argued that Hazarika, till the end of his life, always remained a triptych, embodying the three canvases of his mentors – Bishnu Rabha, Jyotiprasad and Paul Robeson – carrying forward each of their dreams: the quest to build Rabha’s *Mukti*



*Deol*, a temple of freedom, the quest to be Jyoti's *biswa bijoyee nojowan*, the young revolutionary conqueror of the world, and finally, the quest to spread Paul's message- "we are in the same boat brother".

Yet in his life's course, Bhupen Hazarika embarked on multiple boats to traverse varying political currents. In the larger landscape, he is seen as one of the greatest cultural communicators in South Asia's modern history, through a package of soulful "universalist" songs sung in several languages, sometimes in diverse folk tunes. On the other hand, back in Assam, he came to be seen as the most important regional figure, who had reflected and in turn constituted the collective imagination of the millions of people living by the Brahmaputra River. If on the pan-Indian stage, he was seen alongside a galaxy of left-leaning cultural figures, for his home state he was seen to have signified particular meanings throughout the entire postcolonial period.

Such particular meanings in turn owe their roots to the complex political history of Assam. To read Bhupen Hazarika's Assamese songs as social texts, one must locate him in the aspirations and the changing moods of the people of Assam. Perceptions of marginalization by Indian national narratives have historically formed subnationalist currents in Assam's politics. In such a climate of mass uprisings ever since the 1960s, Hazarika's songs wanted to pay homage to the hundreds of thousands of people who had come out to the streets. Coming to realize the serious shortcomings of a "nationally" oriented socialist politics for a complex postcolonial periphery, he decided early on not always to travel on theoretically prescribed trajectories. Instead, Hazarika went on to invoke the mother motif for his trouble-torn land and rhetorically warned the so-called advocates of what he deemed to be a shallow cosmopolitanism – "*Unless you wipe the tears of your mother, your love for the world is wasted. If you become a crippled limb in the world's body, will the world love you for that?"* (আমি অসমীয়া নহওঁ দুখীয়া
বুলি সান্ত্বনা লভিলে নহ'ব...)

Enough waters have flown down the Brahmaputra. Today we are at a juncture when his '*beautiful Assam, the land of sunrise in India's eastern marges*', has reached an unbeautiful predicament. The fragile 'ethnoscape' of 'the land of the red river and the blue hills', and the tales of a million mutinies should give us a new urgency to engage with Bhupen Hazarika's legacy. The unstable peace of Assam invites us to reread the texts, and reimagine a new cultural discourse – infused with the melodies of those old ballads – upon which the survival of this diverse river-valley rests.

I would often imagine the Brahmaputra and Bhupen Hazarika, as flipsides of the same metaphor, indistinguishable and interwoven. If the river was the silent mirror that reflected

the history of the vast humanity that has inhabited this land, the bard was the voice that echoed this history. The ceaseless flow of the Brahmaputra, through the ages, had rendered the green soil of the land fertile for everyone to settle along and this in turn inspired Bhupen Hazarika to spin dreams of unity through his music. Today, when both stand the risk of being claimed by hegemonic discourses for exclusive imaginations, the challenge is to revive the multiplicities of both the bard and the Brahmaputra – the people's singer and the people's river.

That is because Bhupen Hazarika's music spoke directly to the heterogeneous humanity of the Brahmaputra valley, cutting across boundaries– from the poor fisherman to the autorickshaw-puller, from the peasant in his field to the young girl weaving at a loom, from the young man in his country-boat to the Tribal old man gathering wood in the hill forests, from the *mahut* riding an elephant in the dense forests of Goalpara to the leaf-pickers of Assam's countless tea plantations. In turn, as if he was speaking to the Brahmaputra itself, to '*the ceaselessly flowing waters of the tired Luit, which turn crimson red, smearing the fancy hues of the setting sky!'* (অস্ত আকাশৰে সপোন ৰহণ সানি...) He would go on to chronicle the social history of his land through his ballads and would sing- *'a multitude of humanity on both the banks, multitudes of histories, breathes of hopes and heart-loss down the ages!'*

Even so, the river's silent witness to the social crisis on its banks anguished Hazarika. He would protest to his beloved *Luit,* calling it a cold old man. Inspired by Robeson's song 'Ol' Man River', the celebrated working-class anthem of the African Americans along the Mississippi River, Hazarika wrote and sang for his own people- "*Though you hear, the cries of despair, of the hordes who dwell on your boundless banks, oh Burha Luit, why do you roll impassively, silently on?"* (বিস্তীৰ্ণ পাৰৰে অসংখ্য জনৰে...)

The sheer frustration with the Old Man River that "*don't say nothing, jes' keeps rolling along*" would extend to the Ganges, to express his camaraderie with the people's struggles across South Asia. Indeed, to sing of the great rivers of the world, from the Mississippi to the Nile to the Volga, and the liberation of the people on their banks was Bhupen Hazarika's passion for life and he said, *"Each wayfarer I met made me feel at home, and that is why I remain a roving nomad"*. (মই এটি যাযাবৰ...) The Ganga and the Padma, the Meghna and the Yamuna, are "*all mother"* rivers*; "streams of tears from the same eyes"* and *"the sky and the wind are the same*" for all the riverine people, along the green plains of South Asia. Through such imageries of rivers merging into one common sea, he would make his deeper political point – the dream of building solidarity among the dispossessed masses by transcending the 'shadow-lines' that divide people and nations.





The necessity to transcend boundaries is indeed the subtle message of all of Bhupen Hazarika's songs. However, in the bard's world view, transcending cultural boundaries could not come at the cost of submission into some 'other' cultural hegemony that could erase local histories. This was his attempt at negotiating the perturbing "nation- question" for a peripheral people increasingly *bordered* in someone else's idea of India. Therefore, he wished to emphasize the sovereign cultural imagination of Assam, for only then, could such "great regions" come together to form "great nations", in turn a "great world".

Therefore, the events that had evolved out of the local populace's worries of economic, cultural and linguistic subjugation deeply affected Bhupen Hazarika. And he made rather forceful statements to suggest that his support for such mass movements should not be seen as an exercise in parochial provincialism – *"Assam too has the rights to look up to the sun and fight for its dues; By dubbing such aspirations as narcissistic, you are hiding your own evil transgressions"*. For all his life, he sang, "*To say that I love my mother, can in no way mean, I hate the other's*". (আমি অসমীয়া নহওঁ দুখীয়া...)

In retrospect, it is evident that Bhupen Hazarika blended the ideals of Marxism with the perceived powers of an inclusive 'subnationalism', to imagine a humanist struggle that would help uplift the people of the Brahmaputra valley from their destitution and daily humiliations. However, to realize this goal, the revival of Assam's pluralism and the imagination of a unified regionalism were central –"*So many nations, and subnations, with their vibrant cultures, came together and embraced, and my beloved Assam was made. If we do not forget, our divides that separate, and if do not toil, with our hands on our soil, and rebuild our land, this land will see its end!'*" (আমি অসমীয়া নহওঁ দুখীয়া...)

His *"Assamese"*, therefore was a 'nationality', composed of every community of the region, created by a confluence of people. '*Those who have come from afar and have called the land of the Luit mother are the neo-Assamese*'. Even during the tumultuous Assam Movement, Bhupen Hazarika never lost sight of the real issues-that of the structural asymmetries of the Indian nation-state, that of the political-economic discrimination towards the people of his region, on which the resolution of all other issues depended.

For that reason, rather than celebrating the consoled bourgeois- imaginations, he

would sing to caution – ‘*Today , I salute you all the Assamese people, new and old, and want to remind you, if Assam’s public does not wake up*, ‘*durbhog’ (misfortune) will grip us even during the prosperous bhogali Bihu, and the joyous heritage of Rongali Bihu too will turn into the destitution of Kongali Bihu…If today’s Assamese do not save themselves, Assam will be plunged into beggary, Being born in this world, one must be conscious, else we will lose all the rights we deserve’*. Such awareness would in turn prepare all for a social resurgence to resolve the wrongs of a rather unfair history. (আমি অসমীয়া নহওঁ দুখীয়া...)

---

We have learnt from Marx, how through a cruel process of ‘primitive accumulation’, an emergent capitalist class appropriated, commodified and privatized peasant land, commons and all communal holdings; and thereby separated the very producers from their means of production. In *Capital,* he famously put it, “the history of this, their expropriation is written in the annals of mankind in letters of blood and fire.” Any exploration of the history of Northeast India not only validates such interpretations but also shows how this was an “accumulation by dispossession”. Examining the convergence of nature and nation, social anthropologist Bengt G. Karlsson has drawn our attention to the paradox which sums up the region’s fate-”rich environment, poor people.”

Historian Jayeeta Sharma has shown how the advent of the British in 1826 changed the fate of the region permanently as the colonial state transformed a jungle-laden frontier into a cultivated system of tea plantations, making Assam an “*Empire’s Garden’*” Eating up endless tracts of Assam’s most fertile lands, the export oriented tea enterprise, tied the region to the capitalist world market solely for the profit of the lords in London, but in return altered its social landscape completely by the induced settlement of more than one million migrants. The colonial plunder was hidden under the carpet through a rhetoric of “improvement” and “progress” (*unnati*).

The reckless grab of what was called Assam’s “wastelands” became the goose that would forever lay golden eggs for the British tea industry, but with the blood and sweat of migrant men and women from places as far as Jharkhand and Chattisgarh. Unlike many a creative reflection of poets and writers, Bhupen Hazarika’s ballads do not romanticize the tea plantatoons as aesthetic sites of colonial nostalgia. The Adivasis, the community of tea garden workers, despite the baggage of extreme mistreatment, have retained with them fragmented memories of distant lands long left, echoed in their rich songs and dances. Deeply aware of their plight and history, Bhupen Hazarika becomes one of them, shares their joys and sorrows through his songs, singing in their tune the love story



of Janakpur tea garden's Janaki with Ratanpur's Budhu. Capturing the highly gendered space of the tea-picking woman, he becomes the voice of Chameli, the young jolly girl, who had to constantly bear the brunt of the sahib's lustful advances. Despite her love for the new land, she laments at the end-"Oh my English Lord, why did you bring me here, deceiving all the way?"

And if regions too, like nations are "imagined communities" and are constructed through a play of myths and histories, then the ballads of his Mising Brother or the Bodo sister, the *Gorkhali* girl who lost her cow or the Khasi farmer playing the shorati flute , the people on the Karbi hills or the East Bengali Muslims who came to Assam dispossessed by the floods of the Padma river, carry deeper meanings, promises of the future. It is in such "poetics of space", Bhupen Hazarika's songs unites all along the Brahmaputra valley and create a rainbow region with a proud cultural heritage.

Looking back, it needs little overstressing that land and resource use are at the heart of all conflicts in Assam, the struggles over which triggered wars between the state and the society, between the ethnic groups, between one another. The colonial legacy of profit-oriented planting of people everywhere and the commodification of agriculture, to 'civilize' and 'improvize' the land created Assam's modern destiny. People who were at the receiving end of this, more than others, were the "tribes" of Assam who had been traditionally practicing a hunting-gathering economy along with shifting cultivation. As thousands of peasants had been brought to settle in the "surplus lands", the local tribes of Assam began to feel left out by the new socio-economic formations.

Yet the memory of a past, a time of harmony and union, and of a peaceful cultural economy, forged by the confluence of different groups never eludes Bhupen Hazarika. Mesmerized by the spectacular beauty of the Tirap frontier of Arunachal Pradesh, the bard reminisced the precolonial times, singing – *"In the good old days of the Ahom Swargadeo, the Noctes came down the hills, to exchange salt; such were the times, Sri Sri Ram Aata embraced the Nocte king, and christened him Narottam, nara-uttam-the best among humans, and said if humans turn human, and hug one another, no caste-creed will matter!"* (টিৰাপ সীমান্ত ৰূপৰ নাই অন্ত ...)

For a region whose cultural boundaries were always blurred, Hazarika's songs imagine a landscape of bonhomie between the people of the green plains of the Brahmaputra valley and the eastern Himalayan hills that surround it – "*The Galongs of Siang, the Khamtis of Lohit, the Wanchus of Tirap, all beckon me today; joy and ecstasy fill the gateways of Assam, as if there was a fair of love and affection!… I clasped my Monpa brother to my arms, he gave me an idol of Buddha in return, told me, the flag of age-old*





*amity is fluttering."* (ছিয়াঙৰে গালং, লোহিতৰে খামটি ...)

Tragically, as if the flag of age-old amity could not keep fluttering, colonial history altered it all, separating people from people with *rigid* administrative boundaries. Far worse, even after independence, people began to wonder whether there was indeed a separation between 'the colonial' and 'the Indian national'. Hazarika burst out: '*The new youth's expressions, of the yearning for their dues, cannot be rubbed out; coz the tyranny of the police cannot last long!*'

Yet when a supposedly liberal democracy started showing its illiberal face towards the people on the edge of the 'nation', politics would consequently take militant turns. Starting from the early 1980s hundreds of thousands of men and women went into agitation, who cried out- '*Tej dim, tel nidiu' (We will give our blood but not our oil).* Scholars pointed out that Assam had continued to exist as a 'Colonial Hinterland' and the fate of such continuity had resulted in an '*India Against itself* '! Many youths started writing fiery poetry, many more picked up guns, joining the secessionist United Liberation Front of Assam (ULFA), failing to see any promise from the Indian nation state,

And Bhupen Hazarika did sing of the fire that enveloped the red-river valley in the last decades of the twentieth century- "*The Brahmaputra is aflame today, the smoke rises on the mind's horizon, meteors circle the firmament… This fire is not of green forests, this raging fire is of enraged millions, whose piled up pains of being denied, erupts like volcanoes."* (আজি ব্ৰহ্মপুত্ৰ হ'ল বহ্নিমান ...)

---

Despite robust political mobilizations in the name of identity, the ballads of Bhupen Hazarika reminded us at the same time of the hazards of narrow social imaginations, for a land, a language, and a community are composite creations. "*Through the ages, without knowing each other's tongue, men have come towards men, since the language of love has no script, so easy to read, just with will.*" (পদ্মাৰ ধুমুহাই উৰুৱাই নিছিলে...) What other than the red river bears its majestic proof!" The *mighty Brahmaputra, holy site of great synthesis, for untold centuries has been conveying, the message of unity and harmony!"* (মহাবাহু ব্ৰহ্মপুত্ৰ মহামিলনৰ তীৰ্থ ...)

At a time when we are confronted with the ardent necessity of reconciliation and looking beyond past conflicts, what better way to walk to the future than to live by the cultural imaginations of the bard who had created for us a montage of a past, sketching the snippets of assimilation in this land, stretching back to ages. Indeed, how crucial it is now to envisage a humanist discourse for the Brahmaputra valley- "*From a thousand plateaus, from a thousand plains, and from a hundred streams, we flow down to, merge into the great Luit*!" (মই অসমৰ, মই ভাৰতৰ ...) It is only through harmony and trust, the larger structural issues



that fuelled militant movements of the last decades can be resolved. These issues, that are multiplying every day, must be resolved for a peaceful future.

Today, aggressions of pan-Indian religious-nationalist currents threaten to cripple the century-old pluralist social landscape of Assam. The local peasants who are already broken down by increasing landlessness have been further dispossessed by the woes of river-borne erosion, recurring floods, drying up of many a tributary and droughts. The new movements that have arisen today for the rights of the vast riverine peasantry of Assam should certainly take inspiration from the songs Bhupen Hazarika sang, the songs that carried the agony of the millions of toiling masses, upon whose everyday struggle an unequal society was surviving- *"Along the zigzag paths, we trudge and carry the dola, the palanquin of the lords… But if it slips from our soldiers, it will tumble down, the dola of the grandees, the dola of the great kings!"* (বৰ বৰ মানুহৰ দোলা ...) Against such indifference of the 'grandees', the revolutionary voice of the bard cried out – *"Let me be a smoldering fire, on a cold wintry night, warming the tumble down cottage of some poor, unclad peasant."* (শীতৰে সেমেকা ৰাতি, বস্ত্ৰবিহীন কোনো খেতিয়কৰ...)

Indeed, Bhupen Hazarika's poetic legacy bears emancipatory possibilities to imagine a rejuvenated society for the Brahmaputra valley's very survival. At the founding moment of Assam's first university in Guwahati, the bard sang, '*Shattering the barriers of darkness, there flows a stream of light through Pragjyotisha (*the ancient name of Assam), *radiance from hundreds of earthen lamps, sparking a festival of knowledge, will illuminate the banks of the Luit!'*. (জিলিকাব লুইতৰে পাৰ...) Such a dream of radiance illuminating the banks of the river remains yet to be fulfilled. The creative forces of the multitude must shape creative politics for the future; and for that matter, the strum of the guitar will reproduce the rhythms of the powerful ballads, ever always relevant- *"struggle is another name of existence, and history sings the victory of mass resistance*." (আহ আহ ওলাই আহ, সজাগ জনতা ...) ❖

*[Note from the editorial team: This is an edited version of an article originally published in Northeast Review, February 2014. In 2018, Tanmoy Sharma, the author of this article and an alumnus of Assam Jatiya Bidyalay, was interviewed for a feature broadcast on BBC Radio London, titled "It Jus' Keeps Rolling - The Story Of Ol' Man River". Largely for his analysis in this article, he was invited to contribute to the segment on Bhupen Hazarika on the international history of the song "Ol' Man River".]*





# সুধাকণ্ঠৰ সৃষ্টিত সমন্বয়ৰ বাৰ্তা

■ অপৰাজিতা দত্ত



অসম তথা উত্তৰ-পূব ভাৰত 'অনৈক্যৰ মাজত ঐক্য'ৰ এক অতুলনীয় উদাহৰণ। বিভিন্ন জাতি-জনগোষ্ঠীৰ বাসভূমি এই ভূখণ্ডক চাওলুং চুকাফাই ৰাজনৈতিকভাৱে একত্ৰিত কৰি বৰ অসমৰ ভেটি গঢ়ি তুলিছিল। সময়ৰ সোঁতত সকলো জাতি-জনগোষ্ঠীৰে স্বকীয় সংস্কৃতিৰ সংমিশ্ৰণত গঢ়ি উঠিছিল এক সুকীয়া সংস্কৃতিৰে বৃহৎ অসমীয়া জাতি। পৰৱৰ্তী কালত বৰ অসম ৰাজনৈতিকভাৱে সুকীয়া সুকীয়া ৰাজ্যত ভাগ হ'লেও সাতভনীৰ এই এনাজৰীডাল কিন্তু এতিয়াও অটুট হৈয়েই আছে।

জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে অসমৰ বৃহত্তৰ সমাজখনক সাংস্কৃতিকভাৱে একগোট কৰাৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ যি প্ৰচেষ্টা তাক পৰৱৰ্তী পৰ্য্যায়ত আন বহুতো পুৰোধা ব্যক্তিৰ লগতে ড° ভূপেন হাজৰিকায়ো আগবঢ়াই লৈ গৈছিল।

সংস্কৃতিৰ এক মূল উপাদান হ'ল সংগীত। এটা জাতিৰ বা এখন সমাজৰ ওপৰত সংগীতৰ প্ৰভাৱ অপৰিসীম। ড° ভূপেন হাজৰিকাই তেওঁৰ গীতৰ জৰিয়তে বিভিন্ন সময়ত সমাজলৈ বিভিন্ন বাৰ্তা প্ৰেৰণ কৰাৰ প্ৰয়াস কৰা দেখা যায়। এই বাৰ্তা মানুহৰ অনুভূতি, মানুহৰ প্ৰমূল্যবোধ, দেশপ্ৰেম, জাতিপ্ৰেম আৰু সমন্বয়ৰ বাৰ্তা। সেয়েহে তেওঁৰ গীতসমূহে শ্ৰোতাৰ হৃদয়ত এক সুকীয়া স্থান লাভ কৰিবলৈ সক্ষম হৈছে আৰু চিৰযুগমীয়া হৈ ৰৈছে।

সংগীতৰ জৰিয়তে অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীক একত্ৰিত কৰাৰ প্ৰয়াস সুধাকণ্ঠৰ বহুতো গীতত পৰিস্ফুট হৈছে।

তেওঁ গাইছিল—

'নানা জাতি উপজাতি
ৰহণীয়া কৃষ্টি
আঁকোৱালি লৈ হৈছিল সৃষ্টি
এই মোৰ অসম দেশ'।

জাতি-ধৰ্ম, ধনী-দুখীয়া—এই সকলোবোৰৰ উৰ্ধত গৈ সকলোকে একত্ৰিত কৰি নিজৰ সৃষ্টিশীলতাৰে তেওঁ বহুসংখ্যক অমৰ গীতৰ সৃষ্টি কৰি থৈ গৈছে, যিবোৰ গীত চিৰকাল প্ৰতিজন অসমীয়াৰ হৃদয়ত অনুৰণিত হৈ আছে আৰু থাকিব। তেওঁ অসমীয়া সংস্কৃতিৰ অমূল্য সম্পদ লোকগীত, জিকিৰ-জাৰী, দেহবিচাৰৰ গীত, টোকাৰী গীত আদি নিজৰ সৃষ্টিৰ মাজত ইমান সুন্দৰকৈ প্ৰয়োগ কৰিছে যে সৰ্বসাধাৰণে এই গীতবোৰ সহজে আপোন কৰি ল'ব পাৰে। অসমৰ লোকসংগীততেই যে সম্প্ৰীতিৰ পৰম্পৰা নিহিত হৈ আছে আৰু কোনেও যে এই সম্প্ৰীতিৰ এনাজৰী ছিঙিব নোৱাৰে সেই কথা তেওঁ উপলব্ধি কৰিছিল।

সেইদৰে বিভিন্ন জনগোষ্ঠীৰ সংমিশ্ৰণত গঢ় লৈ উঠা বৃহৎ লুইতপৰীয়া অসমীয়া জাতিসত্তাক একত্ৰিত কৰিবলৈ তেওঁ গীতৰ মাজেৰেই প্ৰয়াস কৰিছিল—

"মহাবাহু ব্ৰহ্মপুত্ৰ মহামিলনৰ তীৰ্থ
কত যুগ ধৰি আহিছে প্ৰকাশি
সমন্বয়ৰ অৰ্থ..."

পাহাৰ-ভৈয়ামৰ বিভিন্ন জনগোষ্ঠীৰ চিত্ৰ অংকন কৰি তেওঁ এই জনগোষ্ঠীসমূহৰ সম্পৰ্ক যে যাউতিযুগীয়া সেই অনুভৱ ব্যক্ত কৰিছে এনেদৰে...



"কাৰ্বি আংলঙত বড়ো ৰাভা মিলিলে
অসমক জিনোতা নাই
সেই মহামিলনৰ প্ৰতিজ্ঞা ভঙাৰ
শতৰুৰ কলিজা নাই।"

ড° ভূপেন হাজৰিকাই বৰ অসমৰ সকলো জাতি-জনগোষ্ঠীকে আপোন, বুকুৰ তেজ বুলি জ্ঞান কৰি লিখিছিল—

"কাৰ্বি আংলং অতীৱ ধুনীয়া
চিফুঙৰ সুৰটি বৈষ্ণৱ সুৰীয়া
প্ৰীতিৰ এনাজৰী মিচিং ভাই-ভনী
আমাৰ বুকুৰেই তেজ।"

অসমীয়া সংস্কৃতিৰ এক অপৰিহাৰ্য্য অংগ অসমৰ চাহ জনগোষ্ঠীয় লোকসকলৰ সংস্কৃতিকো সুধাকণ্ঠই তেওঁৰ সৃষ্টিত সামৰি লৈ ঝুমুৰৰ তালে তালে গাইছিল—

"ৰাধাচূড়াৰ ফুল গুঁজি
ৰাধাপুৰৰ ৰাধিকা
চাহ বাগিচাত ঝুমুৰ নাচি
জুগনুক যাচে ফটিকা।"

ড° ভূপেন হাজৰিকাই উত্তৰ-পূৰ্বাঞ্চলৰ পাহাৰ আৰু ভৈয়ামত সকলো জনগোষ্ঠীয় লোকৰ মাজৰ সম্পৰ্কৰ আঁতডাল চিৰযুগমীয়া কৰি ৰাখিবলৈ তেওঁৰ বহুতো গীতত এই জনগোষ্ঠীসমূহৰ কথা উল্লেখ কৰিছে। চুবুৰীয়া পাহাৰীয়া ৰাজ্য মেঘালয় আৰু অসমক হিয়াৰ উমেৰে একেলগ কৰাৰ অনুভৱেৰে তেওঁ লিখিছিল—

"হে হে হে ঢোলে দগৰে
হে হে হে হিয়াৰ উমেৰে
নেদেখা এনাজৰীৰে
বান্ধো আমি পাহাৰ শিখৰৰে
মহান চিয়েমক।"

সেইদৰে অৰুণাচলৰ বিভিন্ন জনগোষ্ঠীক আঁকোৱালি লৈ গীতৰ মাজেৰে যেন এখন চিত্ৰ অংকন কৰিছে এনেদৰে—

"টিৰাপ সীমান্ত
ৰূপৰ নাই অন্ত
নক্তে ৰাঞ্চু
টাংচা যুগলিৰ
দেখিলোঁ মনৰ সেউজ দিগন্ত
সৌৱা টিৰাপৰে কিশোৰ ৰাঞ্চু
তাৰ মুঠিত জোঙা যাঠি পাকমু
ডিঙিত লিকমণি মূৰত কাশ্বান
সৰু ফানাট মাৰি নাচিছে শ্বোৱান..."

ভূপেন হাজৰিকাৰ বহুতো গীত ইয়াৰ সুন্দৰ প্ৰকাশভংগীৰ বাবে যেন একো একোটা কবিতা আৰু কেতিয়াবা একোখন সুন্দৰ ছবি হৈ পৰে। বাৰ্তাবাহী গীতসমূহৰো কাব্যিক সৌন্দৰ্য্য অপূৰ্ব। তেনে অনন্য সৌন্দৰ্য্য ফুটি উঠিছে সমন্বয়ৰ বাৰ্তা বিলোৱা এই গীতটিত—

"হে' হে' হে' চেৰাপুঞ্জীৰে
হে' হে' হে' ভিজা আকাশৰে
উদাৰ মেঘে যেনেদৰে
সাবটি ধৰে বাৰিষা ৰূপেৰে
আমাৰ লুইতক।"

মাৰ্ক্সীয় দৰ্শনেৰে উদ্বুদ্ধ ড° ভূপেন হাজৰিকাই অনুভৱ কৰিছিল যে মেঘালয়, অসম অথবা অইন যি ঠাইৰে নহওক কিয়, কৃষক, গৰখীয়া অথবা খাটিখোৱা মানুহৰ জীৱন-যাপন প্ৰণালী, কষ্ট, হাঁহি-কান্দোন, সুখ-দুখ একেই আৰু সেয়েহে সকলোৰে মাজত এক আত্মিক যোগসূত্ৰ আৰু সাদৃশ্য আছে। সংবেদনশীল, অনুভৱী হাজৰিকাই এই উপলব্ধিৰে লিখিছিল—

"কৃষ্ণ গৰখীয়াই বায় বাঁহী
খাচি গৰখীয়াই বায় শ্বৰাতি
দুয়োটি বাঁহী, বাঁহৰে বাঁহী
দুয়ো প্ৰকাশে একেটি সুৰক।"

সেইদৰে কপালৰ ঘাম মাটিত পেলাই সেউজ সপোন ৰচা পাহাৰ-ভৈয়ামৰ কৃষকৰ বুকুতো একেই জীৱনমুখী সুৰৰ ঝংকাৰৰ প্ৰতিফলন ঘটিছিল তেওঁৰ এই গীতফাকিত—





"ৰঙা পাহাৰৰে মাটি কাটি
খাচি কৃষকে খাটে দিনে-ৰাতি
ভৈয়ামৰো খেতিত হেজাৰ ৰংমনে
আঁকোৱালি ধৰিছে একেই কৃষকক।"

মানৱদৰদী ড° ভূপেন হাজৰিকাই আনকি চৰ-চাপৰিত বসবাস কৰা নতুন অসমীয়াসকলকো মূল সুঁতিৰ থলুৱা লোকসকলৰ সৈতে মিলি এক সমন্বয়ৰ বাণীৰে বৃহৎ অসমীয়া জাতিৰ উত্তৰণত অংশীদাৰ হ'বলৈ আহ্বান জনাইছিল—

"পদ্মা নদীৰ ধুমুহাত পৰি কত শতজন আহিলে
লুইতৰ দুয়োপাৰে কতনা অতিথি আদৰিলে...।"

তেওঁ আকৌ ৰচিছিল—

তুমিয়ে ময়ে দেশখন গঢ়োঁতে
হে' যদিহে কেঁচা ঘাম সৰে
দুয়োৰে ঘামৰে মিলনে দেখিবা
অ' বুৰঞ্জী ৰচনা কৰে।"

বৰ্তমানৰ অসমৰ ভূখণ্ডৰ পৰিসীমা ভেদি তেওঁ গীতৰ জৰিয়তে উত্তৰ-পূবৰ সাতোখন ৰাজ্যক সামৰি লৈ সমন্বয়ৰ বাৰ্তা বিলাইছিল আৰু সেয়েহে তেওঁ সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলতে চিৰনমস্য। তেওঁ ৰচনা কৰিছিল—

"আই অ' আই আমি সাতজনী জী
লুইতৰ বালিতে উমলি আছিলোঁ
ৰ'দ কাঁচলিত বহি...।"

অৰুণাচলৰ সৈতে থকা তেওঁৰ বিশেষ সম্পৰ্ক প্ৰকাশ কৰিছিল এনে গীতৰ মাজেৰে—

"চিয়াঙৰে গালং
লুহিতৰে খামতি
টিৰাপৰে ৱানচুৰে মোক
কিয় মাতিছে
অসমীৰে পদুলি উদুলি যে মুদুলি
মৰম চেনেহৰ হাট বহিছে।"

বৃহৎ অসমীয়া সংস্কৃতিক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰা ড° ভূপেন হাজৰিকাৰ জন্ম-শতবৰ্ষত আমি প্ৰতিজন অসমীয়াই তেওঁ সাজিব বিচৰা সমন্বয়ৰ সাঁকোখন চিৰকাল কটকটীয়া কৰি ৰখাৰ দায়িত্ব পালন কৰিবলৈ অংগীকাৰ কৰি তেওঁৰ প্ৰতি আমাৰ শ্ৰদ্ধা নিবেদন কৰা উচিত। ❖










ড° ভূপেন হাজৰিকাৰ সন্মানাৰ্থে ভাৰত চৰকাৰে প্ৰবৰ্তন কৰা ডাক টিকট আৰু স্মাৰক মুদ্ৰা

## তোমালোকৰ বাবে প্ৰশ্নৰ উত্তৰ দিওঁতাসকল, অক্টোবৰ, ২০২৫

১। পল ভৰালী (সপ্তম গ) ২। তৃষ্ণা বৰ্মন (সপ্তম ঘ) ৩। এনিছা সৰকাৰ (সপ্তম ঘ) ৪। প্ৰিয়াংশু প্ৰীতিশ শৰ্মা (সপ্তম খ) ৫। জ্যোতিস্মান ডেকা (সপ্তম খ) ৬। বৰ্ণালী বৰা (ষষ্ঠ ক) ৭। অন্বেষণ শিৰম সূত (সপ্তম খ), ৮। বৰষা শৰ্মা (পঞ্চম ঘ)। ❖



# ভূপেন হাজৰিকাৰ গীতত ব্ৰহ্মপুত্ৰ

■ ৰঘুনাথ কুমাৰ



ভাৰত ৰত্ন বিশ্ববৰেণ্য গণশিল্পী ড° ভূপেন হাজৰিকাৰ জন্ম হৈছিল ১৯২৬ চনৰ ৮ ছেপ্টেম্বৰত অসমৰ শদিয়াত। তেওঁৰ দেউতাকৰ নাম আছিল নীলকান্ত হাজৰিকা আৰু মাকৰ নাম আছিল শান্তিপ্ৰিয়া হাজৰিকা। ভূপেন হাজৰিকা কেৱল অসম বা ভাৰতৰে নহয়, বৰং তেওঁ গোটেই বিশ্বৰে এগৰাকী বিশিষ্ট গায়ক, সংগীতজ্ঞ, গীতিকাৰ, ছবি নিৰ্মাতা, সাহিত্যিক, ৰাজনীতিক, আজীৱন সংগ্ৰামী, মানৱতাবাদী হৃদয়ৰ বৰেণ্য শিল্পী।

আমাৰ ৰাজ্যখন এখন নদীমাতৃক ৰাজ্য। ব্ৰহ্মপুত্ৰ এই ৰাজ্যৰ ঘাই নদী। মহাবাহু ব্ৰহ্মপুত্ৰই ইয়াৰ দুয়োপাৰ ৰসাল আৰু সাৰুৱা কৰি দুয়োপাৰৰ ভূমিভাগ বসবাসৰ বাবে অতিকে উপযোগী কৰি তুলিছে। অসমৰ মানুহৰ হৃদয়ৰ স্পন্দন সদৃশ এই মহাশক্তি, জীৱন শক্তি ব্ৰহ্মপুত্ৰক নেওচি কোনোৱে জীয়াই থাকিব নোৱাৰে। প্ৰাচীন কালৰে পৰা ই অসমীয়া মানুহৰ আয়ুস ৰেখা হৈ বৈয়ে আছে। গতিকে আমাৰ হিয়াৰ আমঠু বিশ্বশিল্পী ড° ভূপেন হাজৰিকায়ো ইয়াক নেওচি কেনেকৈ থাকিব পাৰে?

ড° ভূপেন হাজৰিকাৰ গীতত মহাবাহু ব্ৰহ্মপুত্ৰ অসমীয়া সমাজ আৰু সংস্কৃতিৰ কেন্দ্ৰীয় প্ৰতীক হিচাপে চিহ্নিত হৈ আহিছে, যিয়ে সৰ্বসাধাৰণ মানুহৰ সুখ-দুখ, হাঁহি-কান্দোন, স্বকীয়তা তথা একতা প্ৰদৰ্শন কৰি আহিছে। উদাহৰণস্বৰূপে, 'মহাবাহু ব্ৰহ্মপুত্ৰ' গীতটোৰে তেওঁ ব্ৰহ্মপুত্ৰক অসমীয়া মানুহৰ জীৱন ৰেখা, অসমীয়া মানুহৰ সাংস্কৃতিক আধাৰ, প্ৰেৰণা-স্ৰোত তথা একতাৰ প্ৰতীকৰূপে চিহ্নিত কৰিছে।

ড° ভূপেন হাজৰিকাৰ বাবে ব্ৰহ্মপুত্ৰ কেৱল এক নদীয়েই নহয়, বৰং ই অসমীয়া জাতিৰ এক মহাচেতনা, যাৰ ঢৌৱে ঢৌৱে অসমীয়াৰ জন্ম, যাৰ শক্তিত এটা জাতিয়ে নিজকে বলিষ্ঠ আৰু শক্তিমান বুলি অনুভৱ কৰে।

ব্ৰহ্মপুত্ৰ অসমৰ বিভিন্ন জাতি-উপজাতি, নানাৰঙী সংস্কৃতি তথা সম্প্ৰদায়ক সমন্বিত কৰা এক বিচিত্ৰ তথা অজেয় শক্তি। যি বিচিত্ৰতা তেওঁৰ গীতত সমন্বিত হৈ ভাতৃত্ববোধৰ উন্মেষ ঘটায়।

ড° ভূপেন হাজৰিকাই ব্ৰহ্মপুত্ৰক সামাজিক পৰিবৰ্তন আৰু ন্যায় প্ৰসাৰৰ বাবে এক বলিষ্ঠ সাধন হিচাপে ব্যৱহাৰ কৰি আহিছে। ইয়াৰ জৰিয়তে তেওঁ নিষ্পেষিত-নিপীড়িতজনক সহায়ৰ হাত আগবঢ়াইছে আৰু জাতিভেদ, অস্পৃশ্যতাক নিঃশেষ কৰিবলৈ চেষ্টা কৰিছে।

মহাবাহু ব্ৰহ্মপুত্ৰক লৈ ড° ভূপেন হাজৰিকাই ভিন ভিন পৰিবেশ-পৰিস্থিতি আৰু ভিন ভিন সময়ত অনেক গীত ৰচনা কৰি থৈ গৈছে। তাৰে কিছুসংখ্যক গীত হ'ল—

মহাবাহু ব্ৰহ্মপুত্ৰ মহামিলনৰ তীৰ্থ, জিলিকাব লুইতৰে পাৰ, বিস্তীৰ্ণ পাৰৰে অসংখ্য জনৰে, লুইতৰ বলিয়া বান, লুইতপৰীয়া ডেকা বন্ধু, লুইততে মোৰ ঘৰ, আজি ব্ৰহ্মপুত্ৰ হ'ল বহ্নিমান, লুইতত ভোটোঙাই ওলাল শিহু, ব্ৰহ্মপুত্ৰৰ দুটি পাৰ, লুইতপৰীয়া তেজাল ডেকা, লুইতৰ পাৰ দুটি ইত্যাদি।





ড° হাজৰিকাই বহু গীততেই ব্ৰহ্মপুত্ৰক অৱলম্বন হিচাপে গ্ৰহণ কৰিছে। ব্ৰহ্মপুত্ৰ তেওঁৰ গীতৰ মূল উৎস (শক্তি) হিচাপে লৈ আগবাঢ়ি গৈছে। গীতসমূহত নিজৰ কথা, সমাজৰ কথা আৰু মানুহৰ ব্যথা আদি প্ৰকাশ কৰিছে।

তেওঁৰ 'মহাবাহু ব্ৰহ্মপুত্ৰ, মহামিলনৰ তীৰ্থ' গীতটোৱে তেওঁৰ জাতীয় প্ৰেম প্ৰকট কৰি তুলিছে। আছুৰ নেতৃত্বত চলা বিদেশী বহিষ্কাৰ আন্দোলনত জাতীয় অস্তিত্ব ৰক্ষাৰ্থে জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সমগ্ৰ অসম আন্দোলনত নামি পৰিছিল যদিও ভাতৃঘাতী কাৰ্য্যও দুই-এঠাইত সংঘটিত হৈছিল। অসমৰ যাউতিযুগীয়া সমন্বয়ৰ ভেটিত কুঠাৰাঘাত পৰিছিল। এই কাৰ্য্যত কঁপি উঠিছিল সমাজ সংস্কাৰক, সচেতক ড° ভূপেন হাজৰিকাৰ শিল্পী প্ৰাণ। সেয়ে তেওঁৰ কলমেৰে নিগৰিছিল 'কিছু ল'ব লাগে, কিছু দিব লাগে, জীণ যাবলৈ হ'লে'।

'কত যুগ ধৰি আহিছে প্ৰকাশি/সমন্বয়ৰ অৰ্থ' গীতফাকিৰে তেওঁ অতীতৰ অসমৰ বৰেণ্য ব্যক্তিসকলৰ ত্যাগ আৰু অৱিহণাৰ কথাকেই কৈছে—গীতৰ পদূলিতে কান্যকুব্জৰ পৰা অহা শংকৰদেৱ, বাগদাদৰ পৰা অহা আজান ফকীৰ, দিল্লীৰ দিলৱাৰ আৰু পঞ্চনদীৰ টেগ বাহাদুৰ আদিৰ জীৱনাদৰ্শৰ মাজেদি অসমখনক কেনেদৰে সমন্বয়ৰ ওখ দেউলত স্থাপন কৰি গৈছিল তাকেই প্ৰকাশ কৰি গৈছে। নদীৰ জৰিয়তে পৃথিৱীৰ বিভিন্ন জাতিৰ কথা কোৱাটো ড° হাজৰিকাৰ এক বিশেষ দক্ষতা। পদ্মা নদীৰ পাৰ অৰ্থাৎ বাংলাদেশৰ পৰা লাখ লাখ লোক অসমলৈ আহিছে স্বাধীনতাৰ আগৰে পৰা। বহুতৰ বৈধতা আছে, লক্ষাধিকৰ নাই বৈধতা। তেওঁলোকক ধুমুহাত পৰি অহা বুলি কোৱাটো গীতিকাৰৰ শৈল্পিক ভাষা। এই গীতটিত বৰ্ণিত হৈছে ব্ৰহ্মপুত্ৰ নদীৰ ঐতিহ্য, ইয়াৰ দুয়োপাৰৰ বিভিন্ন ধৰ্ম, সংস্কৃতি, কবি, শিক্ষাবিদ, সাধু আদিৰ মিলনৰ কথা, নদীক ঘৰ বুলি অনুভৱ কৰা মানুহৰ কথা। ইয়াত ঐক্য আৰু সভ্যতা সৃষ্টি কৰা নদীৰ কথাকেই প্ৰতিপন্ন কৰা হৈছে।

ড° হাজৰিকাৰ 'জিলিকাব লুইতৰে পাৰ' গীতটিত অসমৰ উচ্চশিক্ষাৰ প্ৰাণকেন্দ্ৰ গুৱাহাটী বিশ্ববিদ্যালয় স্থাপনৰ বাবে অসমবাসীয়ে পোৱা আশা আৰু আনন্দ লিপিট খাই আছে। গীতিকাৰে ইয়াতো লুইতক সাঙুৰি লৈছে। অৰ্থাৎ অসমৰ প্ৰতিটো ধূলিকণা, প্ৰতিটো ৰূপান্তৰতেই যেন লুইতৰ স্বাভিমান যোগ হৈ আছে।

একেদৰে 'বিস্তীৰ্ণ পাৰৰে অসংখ্য জনৰে' গীতটোৱে অসমবাসীৰ লগতে বিভিন্ন প্ৰান্তৰ ভাৰতবাসীক জগাই তুলিছে অন্যায়, অত্যাচাৰ, পংকিলতা আৰু দুৰ্বলতাৰ বিৰুদ্ধে। ড° হাজৰিকা অসমৰেই সন্তান, সেয়ে তেওঁ অসমৰ প্ৰধান শক্তি ব্ৰহ্মপুত্ৰক অভিমানো কৰিছে এইদৰে—"তুমিয়ে যদি ব্ৰহ্মাৰ পুত্ৰ, সেই পিতৃত্ব, তেনে নাম মাত্ৰ, নহ'লে প্ৰেৰণা নিদিয়া কিয়?"

লুইতৰ পাৰৰ দৰে সমগ্ৰ ভাৰততে অন্যায় আৰু ব্যভিচাৰ দেখি তেওঁ 'বুঢ়া লুইত বোৱা কিয়?'ৰ দৰে সমগ্ৰ দেশবাসীৰ প্ৰাণত একেই প্ৰতিবাদৰ সুৰ ঝংকাৰিত কৰাৰ মানসেৰে বঙালীত 'গংগা বইছ কেন' আৰু হিন্দীত 'গংগা বহতী হো কিউ'ৰে ক্ষোভ ব্যক্ত কৰিছে।

তেওঁ কৈছে—"লুইতক সন্মান কৰোঁ, আৰু সন্মান কৰোঁ বাবেই মৰমো কৰোঁ। মৰমৰ জনকহে খঙেৰে প্ৰশ্ন কৰিব পাৰোঁ—যাৰ সৈতে সহস্ৰজনৰ সুখ-দুখ জড়িত হৈ থাকে।"

একেদৰে 'লুইতপৰীয়া ডেকা বন্ধু' গীতটিত তেওঁ নদীৰ কাষৰ, লুইতৰ পাৰৰ মানুহৰ জীৱন আৰু যৌৱন তথা তেওঁলোকৰ অনুভৱক প্ৰকাশ কৰিছে। ঠিক তেনেদৰে 'লুইততে মোৰ ঘৰ' গীতটি হাজৰিকাৰ এটি গভীৰ অনুভূতিপূৰ্ণ গীত। এই গীতটিত তেওঁ লুইতক নিজৰ জীৱনটোৰ এটি অংগ, নিজৰ পৰিচয়, অস্তিত্ব তথা সংস্কৃতিৰ উৎসৰূপে দেখুৱাইছে। তেওঁ কৈছে, লুইতৰ পাৰতেই তেওঁৰ ঘৰ, জীৱন আৰু সপোনৰ সূত্ৰপাত। এই নদীখনৰ দৰে তেওঁৰ জীৱনো বৈ গৈছে বিভিন্ন ঘাত-প্ৰতিঘাত নেওচি। লুইত কেৱল পানীৰ এটি ধাৰা নহয়, ই অসম-অসমীয়াৰ প্ৰাণৰো প্ৰাণ, জীৱন আৰু প্ৰেৰণাৰ উৎস।



এনেদৰে ড° হাজৰিকাই মহাবাহু ব্ৰহ্মপুত্ৰক লৈ যিসমূহ গীত ৰচনা কৰিছে, ব্ৰহ্মপুত্ৰক যিদৰে অসমীয়া জনগণৰ সমাজ আৰু সংস্কৃতিৰ মূল ধ্বজাবাহকৰূপে পল্লৱিত কৰি, দেশ-বিদেশৰ পৰিধি ভাঙি বিশ্বসভাত উপস্থাপন কৰিছে, এয়া আমাৰ জাতিটোৰ বাবে এক সৌভাগ্যৰ কথা। এই লেখাটোত হাজৰিকাৰ বিৰল-বিচিত্ৰ প্ৰতিভা, সাগৰসম যশস্যা তথা তেওঁৰ কৃতিসমূহৰ মূল্যায়নৰ যৎকিঞ্চিৎ প্ৰয়াসহে মাত্ৰ কৰা হৈছে।

ব্ৰহ্মপুত্ৰ নদীক সাৰথি কৰি তেওঁ কেৱল অসমৰ সামাজিক, ভৌগোলিক, ঐতিহাসিক, সাংস্কৃতিক তথা অৰ্থনৈতিক মূল্যায়ন কৰিয়েই ক্ষান্ত হৈ থকা নাই। ব্ৰহ্মপুত্ৰৰ সমান্তৰালকৈ ইয়াৰ দুয়োপাৰৰ অপৰূপ সৌন্দৰ্য্যৰ গাথা, ইয়াৰ পাহাৰ-পৰ্বত, হাবি-জংঘল, নৈ-জান-জুৰিৰ মনোমোহা প্ৰাকৃতিক সুষমা তেওঁৰ গীতসমূহত প্ৰতিধ্বনিত হৈ প্ৰতিজন অসমীয়াক ৰোমাঞ্চিত কৰি তোলে।

তেওঁ গাইছে—"অসম আমাৰ ৰূপহী/গুণৰো নাই শেষ। ভাৰতৰে পূৰ্ব দিশৰ/সূৰ্য্য উঠা দেশ।।"

"লুইতৰ পাৰ দুটি জিলিকি উঠিব ৰাতি/জ্বলি শত দেৱালীৰ বন্তি/আহিব কাতিৰে মাহটি/দূৰতে দেৱালীৰ বন্তি।" ❖

**উৎস গ্ৰন্থাৱলী :**

*ড° ভূপেন হাজৰিকাৰ গীত আৰু কিছু প্ৰাসংগিক কথা, লেখক : থানেশ্বৰ কুমাৰ, প্ৰকাশক : কুমাৰ গ্ৰন্থ কোষ, গুৱাহাটী, পলাশবাৰী।*

*ড° ভূপেন হাজৰিকাৰ গীত সমগ্ৰ, সম্পাদনা : সূৰ্য্য হাজৰিকা, বাণী মন্দিৰ, গুৱাহাটী-৩*

## আপুৰুগীয়া স্মৃতি





সপত্নীক ড° ভূপেন হাজৰিকা



পুত্ৰ, বোৱাৰী আৰু নাতিৰ সৈতে

# চলচ্চিত্ৰ জগতলৈ ভূপেন হাজৰিকাৰ অবদান

■ নিভা ৰাণী ৰায়



'জোনাকৰে ৰাতি, অসমীৰে মাটি, জিলিকি জিলিকি পৰে', 'সাগৰ সংগমত কতনা সাঁতুৰিলোঁ', 'ৰ'দ পুৱাবৰ কাৰণে' আদি ভূপেন হাজৰিকাই সৃষ্টি কৰি থৈ যোৱা একো একোটি অমৰ গীত। বিগত সাত দশক ধৰি অসমৰ শ্ৰোতাৰ মাজত এই গীতসমূহ জনপ্ৰিয় হৈ আছে। ভূপেন হাজৰিকাৰ চিৰসেউজ গীতৰ তালিকা এখন কৰিলে এনেবোৰ গীত থাকিবই। এই গীতকেইটি আছিল ড° ভূপেন হাজৰিকাই পৰিচালনা কৰা প্ৰথমখন অসমীয়া ছবি 'এৰাবাটৰ সুৰ'ৰ। ড° ভূপেন হাজৰিকাই গীত ৰচনা-পৰিচালনা আৰু গীতত কণ্ঠদান কৰিয়েই কেৱল চলচ্চিত্ৰ জগতলৈ অৰিহণা যোগোৱা নাছিল। কণ্ঠশিল্পী, গীতিকাৰ, সুৰকাৰ, সংগীত পৰিচালক হিচাপে ভূপেন হাজৰিকাৰ পৰিচয় যিমান উজ্জ্বল, সিমানেই বৰ্ণময় এগৰাকী চলচ্চিত্ৰ নিৰ্মাতা অথবা চলচ্চিত্ৰৰ সংগীত পৰিচালক হিচাপেও। অসমৰে নহয়, ভাৰতীয় চলচ্চিত্ৰ জগতলৈও ভূপেন হাজৰিকাই উল্লেখনীয় অবদান আগবঢ়াই থৈ গৈছে। তেওঁ সৰ্বমুঠ ৭খন অসমীয়া চিনেমা, এখন বাংলা আৰু এখন হিন্দী চিনেমা নিৰ্মাণ কৰিছিল। চলচ্চিত্ৰ জগতলৈ আগবঢ়োৱা অবদানৰ বাবে ১৯৯২ চনত তেওঁক ভাৰতৰ চলচ্চিত্ৰ জগতৰ সৰ্বোচ্চ সন্মান দাদাচাহেব ফাল্কে বঁটা আগবঢ়োৱা হয়। ১৯৭৫ চনত আব্দুল মজিদ পৰিচালিত চামেলি মেমচাব ছবিৰ বাবে ভূপেন হাজৰিকাই শ্ৰেষ্ঠ সংগীত পৰিচালকৰ ৰাষ্ট্ৰীয় বঁটাৰে সন্মানিত হয়।

সংগীত আৰু অভিনয়ৰ জৰিয়তে শৈশৱতেই চলচ্চিত্ৰ জগতত প্ৰবেশ ঘটিছিল ভূপেন হাজৰিকাৰ। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই ইন্দ্ৰমালতী ছবিত গায়ক তথা অভিনেতা হিচাপে সুযোগ দিছিল শিশু ভূপেনক। ভূপেন হাজৰিকাই অবদান আগবঢ়োৱা দ্বিতীয়খন ছবি আছিল চিৰাজ।

তেওঁ পৰিচালনা কৰা প্ৰথমখন অসমীয়া চিনেমা এৰাবাটৰ সুৰ ১৯৫৬ চনৰ ৩০ নৱেম্বৰত মুক্তি পাইছিল। এই চিনেমাখনৰ কাহিনী আৰু গীত ৰচনা কৰাৰ লগতে সংগীত পৰিচালনাও কৰিছিল তেওঁ। বিপি ফিল্মছে প্ৰযোজনা কৰা এই ক'লা-বগা চিনেমাখনৰ কাহিনী চাহ বাগিচাৰ পটভূমিক কেন্দ্ৰ কৰি লিখা হৈছিল। প্ৰসিদ্ধ অভিনেতা বিজয় শংকৰ আৰু ইভা আচাওৰে চিনেমাখনৰ কেন্দ্ৰীয় চৰিত্ৰত অভিনয় কৰিছিল। তদুপৰি নটসূৰ্য্য ফণী শৰ্মা আৰু কলাগুৰু বিষ্ণু ৰাভায়ো চিনেমাখনৰ দুটি চৰিত্ৰত ভুমুকি মাৰিছিল। চিনেমাখনত সন্নিৱিষ্ট মুঠ পাঁচটা গীতৰ ভিতৰত প্ৰথমেই উল্লেখ কৰা তিনিটাৰ উপৰি আন দুটি হৈছে, 'অ' জীৱন ডিঙা বাই থাকা বান্ধ হে' আৰু 'জনকপুৰৰ জানকীয়ে মিচিকমাচাক হাঁহে'। কেউটি গীতেই অতি জনপ্ৰিয় হৈছিল। অসমৰ বিভিন্ন অঞ্চলৰ



লোকসংগীতৰ সুৰ আৰু দৃশ্যৰে এই ছবিখন সজোৱা হৈছিল।

তেওঁ পৰিচালনা কৰা দ্বিতীয়খন চিনেমা আছিল শকুন্তলা। মহাকবি কালিদাসৰ অভিজ্ঞানম শকুন্তলম নাটৰ কাহিনীক ভিত্তি কৰি নিৰ্মিত চিনেমাখনে নৱম ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাৰ অসমীয়া শ্ৰেষ্ঠ ছবিৰ শিতানত ৰাষ্ট্ৰপতিৰ ৰূপৰ পদক লাভ কৰে। এই চিনেমাখন প্ৰথম অসমীয়া আংশিক ৰঙীন ছবি। কিয়নো মূল চিনেমাখন ক'লা-বগা আছিল যদিও ছবিখনৰ প্ৰথম প্ৰহৰ ৰাত্ৰি শীৰ্ষক গীতটো ৰঙীন ৰূপত চিত্ৰগ্ৰহণ কৰা হৈছিল। মণিপুৰী শাস্ত্ৰীয় নৃত্যকলাৰ নিখুঁত ব্যৱহাৰ ছবিখনৰ আন এটা উল্লেখযোগ্য দিশ।

এটা খাচি লোকগাথাৰ ভিত্তিত ১৯৬৪ চনত ড° হাজৰিকাই নিৰ্মাণ কৰি উলিয়াইছিল 'প্ৰতিধ্বনি' ছবিখন। পাহাৰ-ভৈয়ামৰ সম্প্ৰীতিৰ সুৰেৰে নিৰ্মাণ কৰা এই ছবিখনত খাচি চিয়েমৰ চৰিত্ৰত অভিনয় কৰে বিষ্ণু ৰাভাই। ছবিখনে শ্ৰেষ্ঠ অসমীয়া ছবিৰ ৰূপৰ পদক লাভ কৰে। জয়ন্তীয়া ভাষাৰ নিচুকনি গীতৰ সুৰত গোৱা এই ছবিখনৰ 'অয় অয় আকাশ শুব' গানটো আৰু 'লিয়েন মাকাও' গানটোৰ জনপ্ৰিয়তা আজিও অটুট আছে। 'প্ৰতিধ্বনি'ৰ আন এটা উল্লেখনীয় কথা হৈছে ড° হাজৰিকাই সমগ্ৰ অসমত গীত গাই উপাৰ্জন কৰা ধনেৰে এই ছবিখন নিৰ্মাণ কৰিছিল। পাছলৈ তেওঁ এই ছবিখন খাচি ভাষাত ডাব কৰি 'কা স্বৰাতি' নামেৰে মুক্তি দিয়ে।

ড° ভূপেন হাজৰিকাই পৰিচালনা কৰা চতুৰ্থখন ছবি 'লটিঘটি'ৰ কেইবাটাও উল্লেখনীয় দিশ আছে। এই সংগীতপ্ৰধান হাস্যব্যংগ ছবিখনে ১৯৬৬ চনত চতুৰ্দশ ৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত শ্ৰেষ্ঠ অসমীয়া ছবিৰ শিতানত ৰাষ্ট্ৰপতিৰ ৰূপৰ পদক লাভ কৰে। পৰ্য্যাপ্ত পুঁজিৰ নাটনিৰ বাবে ছবিখন নিৰ্মাণৰ সময়ত নিজেই লটিঘটি খাবলগীয়া হৈছিল ড° হাজৰিকাই। আনহাতে ছবিখনৰ কাহিনীৰ মূল ভেটিও আছিল সেয়াই—ছবি নিৰ্মাতাসকলে সেই সময়ত সন্মুখীন হ'বলগীয়া বাধা, কষ্ট আদিৰ বাস্তৱ কাহিনী। ছবিখনত পৰীক্ষামূলকভাৱে এটি গীতি-কবিতা অন্তৰ্ভুক্ত কৰা হৈছিল—'প্ৰচণ্ড ধুমুহাই প্ৰশ্ন কৰিলে মোক, তোমাৰ প্ৰাপ্য কি কোৱা'। ছবিখনৰ আন এটি উল্লেখনীয় বৈশিষ্ট্য—এই ছবিখনৰ জৰিয়তে অসমীয়া সংগীতৰ ক্ষেত্ৰখনৰ লগতে ছবিজগততো কাৱালীৰ প্ৰৱেশ ঘটিছিল। গীতটি আছিল 'শ্বমা থাকিলে জৰুৰ জৰুৰ পৰৱানা যে আহিবই'। কাহিনী-চিত্ৰনাট্য-গীত ৰচনা, সংগীত পৰিচালনা নিজেই কৰা ভূপেন হাজৰিকাৰ আন এখন ছবি হ'ল 'চিকমিক বিজুলী'। ১৯৬৯ চনত মুক্তিপ্ৰাপ্ত ছবিখনৰ গানত সেই সময়ৰ হিন্দী ছবিজগতৰ প্ৰতিষ্ঠিত কণ্ঠশিল্পী কিশোৰ কুমাৰ, মুকেশ, আশা ভোছলে আৰু সুমন কল্যাণপুৰে কণ্ঠদান কৰাৰ উপৰি হিন্দী ছবিজগতৰ কেইবাজনো অভিনেতাই অভিনয়ো কৰিছিল।

১৯৪৮ চনত ফণী শৰ্মা আৰু বিষ্ণুপ্ৰসাদ ৰাভাই যুটীয়াভাৱে নিৰ্মাণ কৰা চিৰাজ ছবিখনৰ ড° ভূপেন হাজৰিকাই কৰা পুনৰ্নিৰ্মিত (ৰিমেক) সংস্কৰণ ১৯৮৮ চনত মুক্তি পাইছিল। ছবিখনৰ সংগীতে শ্ৰোতা-দৰ্শকক বিশেষভাৱে আকৰ্ষিত কৰিছিল। ছবিখনৰ 'কঁপি উঠে কিয় তাজমহল' শীৰ্ষক গীতটি এটি চিৰসেউজ গীত হৈ আজিও শ্ৰোতাৰ মাজত জনপ্ৰিয়।

ড° ভূপেন হাজৰিকাই সংগীত পৰিচালনা কৰা অসংখ্য ছবিৰ গীতে বিংশ শতিকাৰ অসমীয়া সংগীত ক্ষেত্ৰখনক বিশেষভাৱে সমৃদ্ধ কৰি থৈ গৈছে। এই গীতসমূহ অসমীয়া শ্ৰোতাৰ মাজত চিৰসেউজ হৈ ৰোৱাৰ লগতে দেশ-বিদেশতো সমাদৃত হৈছে। তেওঁ সংগীত পৰিচালনা কৰা ছবিসমূহৰ মাজত মণিৰাম দেৱান (১৯৬৩), পলাশৰে ৰং (১৯৭৬), বনহংস (১৯৭৭), বনজুই (১৯৭৮), মন প্ৰজাপতি (১৯৮০), অকণ (১৯৮০), অপৰূপা (১৯৮৩) আদিক শ্ৰেষ্ঠতাৰ দিশৰ পৰা উল্লেখযোগ্য বুলিব পাৰি। তেওঁ হিন্দী চলচ্চিত্ৰৰ বাবে সৃষ্টি কৰা সংগীতসমূহো অনবদ্য। ড° হাজৰিকাই সংগীত পৰিচালনা কৰা গজগামিনী, দমন, ৰুদালী আদি ছবিৰ সংগীতেৰে তেওঁ ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় উভয় ক্ষেত্ৰতে পৰিচিতি লাভ কৰিবলৈ সক্ষম হয়। ৰুদালি ছবিখনৰ সংগীতৰ বাবে ৩৮তম

এছিয়া-পেচিফিক ফিল্ম ফেষ্টিভেলত ড° হাজৰিকাই শ্ৰেষ্ঠ সংগীত পৰিচালকৰ বঁটা লাভ কৰিবলৈ সক্ষম হয়।

এগৰাকী গীতিকাৰ-সুৰকাৰ হিচাপে ড° হাজৰিকাই সময়, সমাজ আৰু সমকালীন ইতিহাসক যিমানেই গুৰুত্ব দিছিল, চলচ্চিত্ৰৰ সংগীত পৰিচালক হিচাপেও সিমানেই গভীৰভাৱে লৈছিল এই বিষয়সমূহ। সামাজিক চেতনা, সুগভীৰ মানৱতাবোধ, সৰগীয় প্ৰেমৰ অনুভৱেৰে সংপৃক্ত তেওঁৰ গীতবোৰে সকলো শ্ৰেণীৰ লোকৰে অন্তৰ চুই যাব পাৰিছিল। লোকসংগীতৰ সুৰক তেওঁ ছবিৰ সংগীতত কিদৰে সাৰ্থক ৰূপত ব্যৱহাৰ কৰিছিল সেয়া অতি লক্ষণীয়। নিজৰ ঠাইখনৰ সমৃদ্ধ লোকসাংগীতিক বৈশিষ্ট্য আৰু বৈচিত্ৰ্যক বিশ্বৰ আগত তুলি ধৰাৰ বাবে তেওঁ সদায়েই উন্মুখ আছিল। তেওঁ নিজে নিৰ্মাণ কৰা ছবিসমূহো পৰম্পৰাগত লোক-সাংস্কৃতিক উপাদানেৰে সমৃদ্ধ আছিল। চলচ্চিত্ৰৰ কাহিনীতো তেওঁ লোকগাথাক প্ৰাধান্য দিবলৈ প্ৰয়াস কৰিছিল। বিংশ শতিকাত অসমৰ সংগীতৰ ক্ষেত্ৰখনলৈ নতুনত্ব তথা পৰিবৰ্তন অনাৰ ক্ষেত্ৰত অতুলনীয় সৃজনশীলতাৰ নিদৰ্শন দেখুৱাবলৈ সক্ষম হৈছিল ড° ভূপেন হাজৰিকাই। আঞ্চলিক চলচ্চিত্ৰৰ সমান্তৰালভাৱে ভাৰতীয় চলচ্চিত্ৰলৈও সমান দক্ষতাৰে আগবঢ়াই যোৱা অবদানেৰে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাই নিজে সৰ্বভাৰতীয় খ্যাতি লাভ কৰাৰ উপৰি অসমকো চিৰকালৰ বাবে গৌৰৱান্বিত আৰু ধন্য কৰি থৈ গ'ল। ❖

# সাংবাদিক ভূপেন হাজৰিকা

■ ধ্ৰুৱ শৰ্মা

১৯২৬ চন। অসম আৰু অসমীয়া জাতিৰ বাবে এটা অন্যতম ঐতিহাসিক বৰ্ষ। এই বৰ্ষটোতে শদিয়াত জন্ম হৈছিল ভূপেন হাজৰিকাৰ।

ড° ভূপেন হাজৰিকা এগৰাকী গীতিকবি, গীতিকাৰ, সুৰকাৰ, কণ্ঠশিল্পী, অভিনেতা, বোলছবি নিৰ্মাতা, সদা সমাজ সচেতন ব্যক্তি আছিল বুলি সকলোৱে জানে। কিন্তু ড° ভূপেন হাজৰিকা এগৰাকী সাংবাদিক আছিল বুলি হয়তো সকলোৱে নাজানে। সেয়েহে এই লেখাটোৰ দ্বাৰা ড° ভূপেন হাজৰিকাক এগৰাকী সাংবাদিক হিচাপে চোৱাৰ প্ৰয়াস কৰা হৈছে।

প্ৰাক-স্বাধীনতাৰ কালৰ ভাৰতৰ বিশ্ববিদ্যালয়বোৰৰ ভিতৰত এখন অন্যতম বিশ্ববিদ্যালয় আছিল বেনাৰস বিশ্ববিদ্যালয়। ড° ভূপেন হাজৰিকা সেই বেনাৰস বিশ্ববিদ্যালয়ৰ ছাত্ৰ আছিল। ১৯৪৪ চনত বেনাৰস বিশ্ববিদ্যালয়ৰ পৰা ভূপেন হাজৰিকাই স্নাতক ডিগ্ৰী লাভ কৰিছিল। পৰৱৰ্তী সময়ত ১৯৪৬ চনত একেখন বিশ্ববিদ্যালয়ৰ পৰা ৰাজনীতিবিজ্ঞান বিষয়ত তেওঁ স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছিল।

স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰাৰ পাছত তেওঁ অসমলৈ উভতি আহিছিল। সেই সময়খিনিতে তেওঁ ভৱিষ্যতে এগৰাকী সাংবাদিক হ'ব বুলি মনটো বান্ধিছিল। আইনৰ ছাত্ৰ হিচাপেও নিজক প্ৰতিষ্ঠা কৰাৰ কথা ভাবিছিল।

স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰাৰ পাছত গুৱাহাটীত থকা সময়তে বি. বৰুৱা কলেজত কেইটামান মাহৰ বাবে তেওঁ শিক্ষক হিচাপে নিয়োজিত হৈছিল। পৰৱৰ্তী সময়ত অসমৰ এগৰাকী প্ৰসিদ্ধ ইতিহাসবিদ ড° সূৰ্য্য কুমাৰ ভূঞাৰ গৱেষণা সহকাৰী হিচাপে ভূপেন হাজৰিকাই বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগত কাম কৰিছিল। ড° সূৰ্য্য কুমাৰ ভূঞাৰ সান্নিধ্যলৈ আহি ভূপেন হাজৰিকাৰ সংবাদ মাধ্যমৰ (গণসংযোগ) এগৰাকী শিক্ষাৰ্থী হোৱাৰ আগ্ৰহ আৰু বৃদ্ধি পাইছিল।



যাযাবৰী শিল্পীগৰাকীৰ প্ৰকৃতাৰ্থত এখন নিজা ঘৰ নাছিল। তেওঁ গীতৰ মাজেৰেই বিশ্বখনক আপোন ঘৰ বুলি অভিহিত কৰিছিল। বিচিত্ৰ পৃথিৱীৰ বিচিত্ৰ মানুহক জানি-বুজি আপোন কৰাৰ তেওঁৰ দুৰ্বাৰ হেঁপাহ আছিল। পৃথিৱীৰ মানুহক জানিবলৈ-বুজিবলৈ মানুহবোৰৰ লগত সংযোগ স্থাপন কৰিব লাগিবই। সেইবাবে গণসংযোগ বিষয়টোৱে তেওঁক আকৰ্ষণ কৰিছিল।

সেই সময়খিনিত গণসংযোগ বিষয়টোৱে পৃথিৱীৰ বিভিন্ন দেশত ব্যাপক চৰ্চা লাভ কৰিছিল যদিও গণসংযোগ বিষয়টোৰ ক্ষেত্ৰত আমেৰিকাই এক নতুন ধাৰাৰ সৃষ্টি কৰিছিল। সেইবাবে আমেৰিকাত গণসংযোগ বিষয়টো অধ্যয়ন কৰিবলৈ ভূপেন হাজৰিকাৰ আগ্ৰহটো অধিক প্ৰবল হৈ পৰিছিল। আমেৰিকাৰ কেইখনমান আগশাৰীৰ বিশ্ববিদ্যালয় হাৰ্ভাৰ্ড, কলম্বিয়া নাইবা য়েলত তেওঁ গণসংযোগ বিষয়টো অধ্যয়ন কৰাৰ বাবে আগ্ৰহী হৈ পৰিছিল। যথাসময়ত তেওঁ খা-খবৰ কৰিলে। তেতিয়াই তেওঁ আন এক সমস্যাৰ মুখামুখি হ'ল। তেওঁ ৰাজনীতিবিজ্ঞানতহে স্নাতকোত্তৰ ডিগ্ৰী লৈছিল। সেইবাবে তেওঁ পুনৰ গণসংযোগ বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লোৱাৰ বাবে দুবছৰ পঢ়িবলগীয়া হ'ল। গণসংযোগ বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লোৱাৰ যি দুবছৰ সময়, সেই দুবছৰৰ বাবে আমেৰিকাৰ বিশ্ববিদ্যালয়ে তেওঁক স্ক'লাৰশ্বিপ (scholarship) দিলেও উক্ত বিষয়ত গৱেষণা কৰাৰ বাবে বিশ্ববিদ্যালয়ে স্ক'লাৰশ্বিপ দিব নোৱাৰিব বুলি জনাইছিল। এই কথাটোৱে ভূপেন হাজৰিকাক কিছু চিন্তিত কৰিছিল যদিও হতাশ নহৈ তেওঁ সময়ৰ স'তে আগুৱাই গৈছিল।

১৯৪৮ চনত অল ইণ্ডিয়া ৰেডিঅ'ই উত্তৰ-পূৰ্বাঞ্চলৰ গুৱাহাটী আৰু শ্বিলঙত একেলগে দুটা শাখা স্থাপন কৰিছিল। ভূপেন হাজৰিকাই সৌভাগ্যক্ৰমে আকাশবাণী গুৱাহাটী কেন্দ্ৰত 'প্ৰগ্ৰেম এছিষ্টেণ্ট'ৰূপে নিযুক্তি লাভ কৰিছিল। কেন্দ্ৰ পৰিচালনা কৰাৰ যাৱতীয় কাম-কাজৰ প্ৰশিক্ষণ লোৱাৰ বাবে ভূপেন হাজৰিকা দিল্লীলৈ যাবলগীয়া হৈছিল। ডেৰমহীয়া এই প্ৰশিক্ষণৰ সময়ছোৱাত ৰেকৰ্ডিং, ব্ৰডকাষ্টিং আদিৰ লগত জড়িত কাৰিকৰী কলা-কৌশলবোৰ শিকোৱা হৈছিল। তদুপৰি সাক্ষাৎকাৰ গ্ৰহণ, বাতৰি সংগ্ৰহ, বাতৰি সম্পাদনা আদিৰ কথাও পুংখানুপুংখভাৱে শিকোৱা হৈছিল। এই ডেৰমহীয়া প্ৰশিক্ষণটোৱে ভূপেন হাজৰিকাক বিশেষভাৱে অনুপ্ৰাণিত কৰাৰ লগতে ভৱিষ্যতৰ বাবে সাজু হোৱাৰ ক্ষেত্ৰত সুযোগ দিছিল। প্ৰশিক্ষণৰ এই সময়ছোৱাকে সাংবাদিকতা আৰু গণসংযোগৰ প্ৰথম উল্লেখযোগ্য পদক্ষেপ বুলি অভিহিত কৰিব পাৰি। সেইবাবে তেওঁৰ অনুলিখিত আত্মজীৱনীত 'মোকো ৰেডিঅ'ই গঢ়িলে' বুলি উল্লেখ কৰিছে।

ভাৰতত ৰেডিঅ' স্থাপনৰ আৰম্ভণিৰ সময়ৰ এগৰাকী বিশেষ ব্যক্তি আছিল মেহৰা মাছানী। তেওঁ অল ইণ্ডিয়া ৰেডিঅ'ৰ শ্বিলং আৰু গুৱাহাটী কেন্দ্ৰৰ প্ৰতিষ্ঠাপক সঞ্চালক হিচাপেও কাৰ্য্যনিৰ্বাহ কৰিছিল। আনহাতে অল ইণ্ডিয়া ৰেডিঅ' প্ৰতিষ্ঠাৰ লগত জড়িত মুখ্য ব্যক্তিগৰাকী আছিল লায়নেল ফীল্ডেন। তেওঁ বিবিচিৰ এগৰাকী আগশাৰীৰ বিষয়া হিচাপে কাৰ্য্যনিৰ্বাহ কৰি সেৱা আগবঢ়াইছিল। এইগৰাকী ব্যক্তিৰ অনুৰোধতে মেহৰা মাছানীয়ে ১৯৩৮ চনত ৰেডিঅ'ৰ বিশেষ প্ৰকল্পত যোগদান কৰি বিভিন্ন ঠাইত অল ইণ্ডিয়া

ৰেডিঅ'ৰ কেন্দ্ৰ প্ৰতিষ্ঠা কৰি সেই কেন্দ্ৰবোৰক সুসংহতভাৱে আগুৱাই নিছিল।

অল ইণ্ডিয়া ৰেডিঅ'ত প্ৰগ্ৰেম এছিষ্টেণ্ট হিচাপে যোগদান কৰাটো ভূপেন হাজৰিকাৰ বাবে গুৰুত্বপূৰ্ণ আছিল। নিষ্ঠা আৰু সততাৰে কাম কৰি ৰেডিঅ'ৰ জগতখনক আগুৱাই নিয়াৰ বাবে ভূপেন হাজৰিকাই অহৰহ চেষ্টা কৰাইছিল। অল ইণ্ডিয়া ৰেডিঅ'ৰ এই বিশেষ পদটোৰে ভূপেন হাজৰিকাক সংবাদ সেৱাৰ লগত জড়িত কৰিছিল যদিও তেওঁ প্ৰত্যক্ষভাৱে সংবাদ বিভাগৰ লগত জড়িত হোৱা নাছিল। সেই সময়ৰ অসমৰ ৰাজধানী শ্বিলঙত হোৱা বিধানসভাৰ কেইখনমান অধিবেশনৰ কাৰ্য্যবিবৰণীৰ ৰিপ'ৰ্টিং কৰাৰ দায়িত্ব ভূপেন হাজৰিকাক প্ৰদান কৰা হৈছিল। এনেকুৱা এটা সময়তে অসমৰ সংবাদ জগতত জড়িত হৈ পৰৱৰ্তী সময়ত সুপ্ৰতিষ্ঠিত হোৱা কেইবাগৰাকীমান সাংবাদিকৰ সান্নিধ্যলৈ আহিছিল ভূপেন হাজৰিকা। কেৱল সান্নিধ্যলৈ অহাই নহয়; তেওঁলোকৰ লগত সহকৰ্মী হিচাপে কাম কৰাৰ সুযোগো পাইছিল। সেই বিখ্যাত সাংবাদিকসকলৰ ভিতৰত কীৰ্তিনাথ হাজৰিকা আৰু ফণী তালুকদাৰ আছিল অন্যতম। এওঁলোকৰ সান্নিধ্যলৈ আহি ভূপেন হাজৰিকা গণসংযোগৰ বিষয়টোৰ প্ৰতি অধিক আগ্ৰহী হৈ পৰিছিল।

বহুদিন আগৰে পৰা ভূপেন হাজৰিকাই নিজকে এগৰাকী সাংবাদিক হিচাপে সুপ্ৰতিষ্ঠিত কৰাৰ সপোন পুহি ৰাখিছিল। মনৰ দুৰ্বাৰ ইচ্ছাক বাধা দি ৰাখিব নোৱাৰি গণসংযোগ বিষয়ত গৱেষণা কৰাৰ সিদ্ধান্ত লৈ ভূপেন হাজৰিকাই নিষ্ঠা আৰু সততাৰে কাৰ্য্যনিৰ্বাহ কৰি থকা অল ইণ্ডিয়া ৰেডিঅ'ৰ প্ৰগ্ৰেম এছিষ্টেণ্টৰ চাকৰিটো বাদ দিলে। সাতসাগৰ তেৰ নদী পাৰ হৈ গণসংযোগ বিষয়ত গৱেষণা কৰাৰ উদ্দেশ্যে ভূপেন হাজৰিকা ৰাওনা হৈছিল আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিখ্যাত কলম্বিয়া বিশ্ববিদ্যালয়লৈ। ১৯৫২ চনত কলম্বিয়া বিশ্ববিদ্যালয়ৰ পৰা গণসংযোগৰ এক বিশেষ বিষয়ত গৱেষণা সম্পন্ন কৰি ডক্টৰেট ডিগ্ৰী লাভ কৰিছিল। তেওঁৰ গৱেষণাৰ বিষয়বস্তু আছিল—"Proposals for preparing India's basic education to use audio-visual techniques in adult education." এইখিনিতে উল্লেখ কৰিব পাৰি যে গণসংযোগ বিষয়ত ডক্টৰেট ডিগ্ৰী লাভ কৰা বোধহয় ভূপেন হাজৰিকা প্ৰথমগৰাকী ভাৰতীয়। ভূপেন হাজৰিকাৰ এই কথাটোৱে অসমীয়া জাতিক সদায় গৌৰৱান্বিত কৰি ৰাখিব।

কলম্বিয়া বিশ্ববিদ্যালয়ত গৱেষণা কৰি থকাৰ সময়ত আমেৰিকাত থকা প্ৰবাসী ভাৰতীয় ছাত্ৰসকলৰ এটা ছাত্ৰ সংস্থা আছিল। এই সংস্থাই প্ৰকাশ কৰা আলোচনীখনৰ নাম আছিল নিউ ইণ্ডিয়া। সেই সময়ত ভাৰতীয় ছাত্ৰ সংস্থাৰ সদস্যসকলে ভূপেন হাজৰিকাক 'নিউ ইণ্ডিয়া'ৰ সম্পাদকৰ পদত অধিষ্ঠিত কৰাইছিল। এই একেখন আলোচনীৰ সম্পাদকৰ পদত পূৰ্বে অধিষ্ঠিত হৈছিল ড° বি আৰ আম্বেদকাৰ আৰু জয়প্ৰকাশ নাৰায়ণ আদি লোক। তেনেকুৱা মহান ব্যক্তিয়ে সম্পাদকৰ পদ শুৱনি কৰা আলোচনীখনৰ সম্পাদক হিচাপে অধিষ্ঠিত হৈ ভূপেন হাজৰিকা ধন্য হৈছিল। এই আলোচনীখনত সেই সময়ত আমেৰিকাত অধ্যয়নৰত শিক্ষাৰ্থীসকলৰ লেখাবোৰ প্ৰকাশ হৈছিল। এই লেখাবোৰে নিজৰ দেশ, জাতিক আগুৱাই নিব পৰা বহুতো চিন্তাৰ প্ৰতিফলন ঘটাইছিল।

১৯৫০ চনত অসমত হোৱা প্ৰলয়ংকৰী ভূমিকম্পৰ কথা সৰ্বজনবিদিত। এই ভূমিকম্পত উত্তৰ-পূৰ্বাঞ্চলৰ ভয়াবহ ক্ষতি হৈছিল। বহু মানুহৰ মৃত্যু হৈছিল। এই ভূমিকম্পৰ ভয়াবহতাৰ খবৰ আমেৰিকাৰ এখন আগশাৰীৰ আলোচনী 'লাইফ'ত প্ৰতিবেদন আকাৰে বিস্তৃত ৰূপত প্ৰকাশ পাইছিল। বুৰ্ক-হোৱাইট নামৰ বিখ্যাত ফটো সাংবাদিকগৰাকীয়ে কেইবাখনো ফটো প্ৰকাশ কৰিছিল। বৰ্তমানেও ভূমিকম্পৰ সময়ত অসমৰ মানুহে হৰি বোল, হৰি বোল, উৰুলি দিয়া পৰম্পৰা চলিয়ে আছে, যিটোৰ কোনো বিজ্ঞানসন্মত



সত্যতা নাই। 'লাইফ' আলোচনীত প্ৰকাশ হোৱা 'হৰি বোল, হৰি বোল' ধ্বনিক অসমীয়াত ভূমিকম্পক 'ঈশ্বৰৰ মাত' বুলি ফটো সাংবাদিক বুৰ্ক-হোৱাইটে উল্লেখ কৰিছিল। ভূপেন হাজৰিকাই প্ৰতিবেদনখন পঢ়ি বুৰ্ক-হোৱাইটৰ কথাটোৰ প্ৰতিবাদ কৰিছিল। সাংবাদিকসকলে প্ৰেৰণ কৰা সকলো বাতৰি বিজ্ঞানসন্মত আৰু সত্যনিষ্ঠ হ'বই লাগিব বুলি ভূপেন হাজৰিকাই হাড়ে-হিমজুৰে বিশ্বাস কৰিছিল। বুৰ্ক-হোৱাইটৰ কথাটোৱে মানুহৰ মাজত বিৰূপ প্ৰভাৱ পেলাব বুলি ভাবিয়ে কথাটো শুধৰাই দি ভূপেন হাজৰিকাই মাৰ্গাৰেটলৈ এখন চিঠি লিখিছিল, যিখন চিঠি 'লাইফ'ৰ পাতত প্ৰকাশ হৈছিল। ভূপেন হাজৰিকাৰ এই কথাটোৱে এগৰাকী প্ৰকৃত সাংবাদিকৰ চৰিত্ৰ উজলাই তুলিছিল; যিটো সকলো সাংবাদিকৰ বাবে সদায় অনুকৰণীয়।

কলিকতাৰ এগৰাকী বিখ্যাত চিত্ৰশিল্পী ৰণদা চৰণ উকীলৰ সান্নিধ্যলৈ অহাৰ সুযোগ পাইছিল ভূপেন হাজৰিকাই। মহান চিত্ৰশিল্পীগৰাকীৰ সান্নিধ্যই ভূপেন হাজৰিকাক সাংবাদিকতাৰ প্ৰতি আগ্ৰহী আৰু উৎসাহী কৰি তুলিছিল। ইয়াৰ ফলতে স্থানীয়ভাৱে অনুষ্ঠিত হোৱা এখনি চিত্ৰ প্ৰদৰ্শনীৰ বিষয়ে এটি উচ্চমানৰ প্ৰবন্ধ ভূপেন হাজৰিকাই লিখিছিল আৰু সেই প্ৰবন্ধটো 'অমৃতবাজাৰ পত্ৰিকা'ত প্ৰকাশ হৈছিল।

অসমৰ সংবাদ সেৱা জগতত 'দি আছাম ট্ৰিবিউন' কাকতখনৰ ভূমিকা মাইলৰ খুঁটি স্বৰূপ। ভূপেন হাজৰিকা কলম্বিয়া বিশ্ববিদ্যালয়ত গণসংযোগ বিষয়ৰ গৱেষক ছাত্ৰ হৈ থকা অৱস্থাতে উক্ত কাকতখনত তেওঁৰ বহুতো প্ৰবন্ধ প্ৰকাশ পাইছিল। তেওঁৰ প্ৰতিটো প্ৰবন্ধ আছিল ঐতিহাসিক দলিলস্বৰূপ। ভূপেন হাজৰিকাৰ সংবাদ সেৱাৰ প্ৰতি থকা দুৰ্বাৰ হেঁপাহৰ কথা অসমৰ তেনে ক্ষেত্ৰৰ লগত জড়িত কিছু ব্যক্তিয়ে জানিছিল।

বিশ্ব নাগৰিক হ'ব বিচৰা মানুহজন স্থিৰ হৈ থাকিব নোৱাৰে। ১৯৫৫ চনত ভূপেন হাজৰিকাই অসম এৰি কলিকতালৈ ঢাপলি মেলিছিল। কিন্তু সকলো সময়তে সংবাদ সেৱাৰ চিন্তাটো মন-মগজুত আছিলেই। ১৯৬৫ চনত 'গতি' নামেৰে এখনি আলোচনী তেওঁ সম্পাদনা কৰিছিল। 'গতি' প্ৰকাশ হৈছিল কলিকতাৰ পৰা। 'গতি'য়ে এখন উচ্চ মানসম্পন্ন, ৰুচিসম্পন্ন, কলা-আলোচনী হিচাপে সমাদৰ পাবলৈ সক্ষম হৈছিল। তেওঁ সম্পাদনা কৰা 'গতি' আলোচনীৰ ভেটি সুদৃঢ় কৰাত জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভাই তেওঁক প্ৰভাৱিত কৰিছিল। তেওঁলোকৰ সংস্পৰ্শই ভূপেন হাজৰিকাক কলাসন্মত মন এটা প্ৰদান কৰিছিল।

কলিকতালৈ গৈ ভূপেন হাজৰিকাই নতুন এটা সিদ্ধান্ত ল'লে। বোলছবি আৰু সংগীতকে জীৱিকা হিচাপে বাছনি কৰিলে। এনে সিদ্ধান্ত গ্ৰহণ কৰাৰ পাছতো তেওঁ 'গতি' নামৰ আলোচনীখন সম্পাদনা কৰিছিল। সম্পাদক আৰু প্ৰকাশকৰ দায়িত্ব নিজৰ লগত ৰাখি আন আন দায়িত্ববোৰ বিতৰণ কৰা হৈছিল। সহযোগী সম্পাদক হিচাপে গুৰুপদ চৌধুৰী আৰু প্ৰিয়ম হাজৰিকাক দায়িত্ব দিয়া হৈছিল। 'গতি' আলোচনীৰ ব্যাৱসায়িক দিশটো চোৱা-চিতাৰ বাবে গুৰুপদ চৌধুৰীক দায়িত্ব দিয়া হৈছিল। ভূপেন হাজৰিকাৰ জীৱন আৰু জীৱিকা সলনি হোৱাৰ লগে লগে 'গতি'ৰ গতি স্তব্ধ হ'ল। ভূপেন হাজৰিকাই আলোচনীৰ পৃষ্ঠাত জ্যোতিপ্ৰসাদ আগৰৱালা, পাৰ্বতি প্ৰসাদ বৰুৱাদেৱৰ কবিতা প্ৰকাশ কৰি ৰাইজৰ মাজলৈ আগবঢ়াই দিছিল। আনকি দুই-এগৰাকী বঙালী কবিৰ কবিতাৰ অনুবাদেও 'গতি'ৰ পৃষ্ঠা চহকী কৰিছিল।

১৯৬০ চনত প্ৰকাশ পোৱা 'আমাৰ প্ৰতিনিধি' নামৰ আলোচনীখন সংবাদ তথা সাহিত্য জগতত এক নতুন সংযোজন। আলোচনীখন প্ৰকাশ হৈছিল কলিকতাৰ পৰা। প্ৰকাশক আছিল কলিকতাৰ বিখ্যাত প্ৰকাশন গোষ্ঠী শ্ৰীভূমি পাবলিছিং কোম্পানী। মাহেকীয়া আলোচনীখনৰ প্ৰথমগৰাকী সম্পাদক আছিল পদ্ম বৰকটকী। এই আলোচনীত থকা এটা নিৰ্দিষ্ট শিতান 'শিল্পীৰ পৃথিৱী' নামৰ শিতানটোৰ

সকলো দায়িত্ব দিয়া হৈছিল ভূপেন হাজৰিকাক। এই শিতানটো আগবঢ়াই নিয়াৰ বাবে ভূপেন হাজৰিকাই বিভিন্ন ঠাইলৈ গৈ শিল্প-সংস্কৃতিৰ কথাবোৰ সংগ্ৰহ কৰিছিল। এই শিতানটো নিজস্ব চিন্তা-চৰ্চাৰে সজাই-পৰাই মানুহৰ মাজলৈ উলিয়াই দিয়াৰ বাবে ভূপেন হাজৰিকাই যথেষ্ট কষ্ট কৰিছিল। ফলত 'শিল্পীৰ পৃথিৱী' শিতানটোৱে বিপুল সমাদৰ লাভ কৰিছিল।

'আমাৰ প্ৰতিনিধি'ৰ ৩টা নিৰ্দিষ্ট শিতান চলাই থকা ভূপেন হাজৰিকাই ১৯৬৫ চনৰ পৰা সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰিছিল। তেওঁৰ নেতৃত্বত 'আমাৰ প্ৰতিনিধি'য়ে অসমীয়া সংবাদ জগতলৈ এক সুকীয়া প্ৰবাহ বোৱাই আনিবলৈ সক্ষম হৈছিল। এখন পূৰ্ণাংগ আলোচনী কৰাৰ বাবে ভূপেন হাজৰিকাই আলোচনীখনত সমাজৰ বিভিন্ন বিষয় সন্নিৱিষ্ট কৰিছিল। ইয়াত বিভিন্ন সাহিত্যিকৰ উপন্যাস, আত্মজীৱনী, ঐতিহাসিক প্ৰবন্ধ, অনুবাদ, মহান ব্যক্তিসকলৰ কাম-কাজ, সাহিত্য-সংস্কৃতি বিষয়ক প্ৰবন্ধ আদি ধাৰাবাহিকভাৱে প্ৰকাশ হৈছিল। এই আলোচনীখনৰ সম্পাদক হিচাপে ভূপেন হাজৰিকাই বিশেষ কৃতিত্ব লাভ কৰিবলৈ সক্ষম হৈছিল।

১৯৭০ চনত ভূপেন হাজৰিকাই সম্পাদনা কৰি প্ৰকাশ কৰা আন এখন আলোচনী আছিল 'বিন্দু'। 'বিন্দু' নামটোৰ লগত যেন আলোচনীখনৰ কলেৱৰৰ মিল আছিল। ভূপেন হাজৰিকাই নিজেই 'বিন্দু' নামৰ আলোচনীখনক পৃথিৱীৰ আটাইতকৈ সৰু আলোচনী বুলি অভিহিত কৰিছিল। 'বিন্দু' এখন মাহেকীয়া আলোচনী আছিল। প্ৰকাশকৰ দায়িত্বত আছিল ভূপেন হাজৰিকাৰ ভাতৃ অমৰ হাজৰিকা। চানমাৰিত হাজৰিকা পৰিয়ালৰ 'হাজৰিকা বজাৰ' বুলি এখন দোকান আছিল। এই 'হাজৰিকা বজাৰ'ৰ পৰাই 'বিন্দু' প্ৰকাশ হৈছিল। 'বিন্দু'ৰ সেই সময়ত মূল্য আছিল মাত্ৰ ৩০ পইচা। গুৱাহাটীৰ সেই সময়ৰ বিখ্যাত ট্ৰিবিউন প্ৰেছত 'বিন্দু' ছপা হৈছিল। দেখাত অতি ক্ষুদ্ৰ আছিল যদিও প্ৰথম সংখ্যাৰ 'বিন্দু' ভবেন্দ্ৰনাথ শইকীয়া, নিৰোদ চৌধুৰী আদিকে প্ৰমুখ্য কৰি কেইবাগৰাকী প্ৰতিষ্ঠিত সাহিত্যিকৰ লিখনিয়ে সমৃদ্ধ কৰিছিল। মুঠতে ৮টা সংখ্যা প্ৰকাশৰ পাছত বিন্দুৰ প্ৰকাশ বন্ধ হৈ পৰিছিল।

বিভিন্ন আলোচনীৰ সম্পাদকৰ দায়িত্বত থাকি তেওঁ সময়সাপেক্ষ সম্পাদকীয়বোৰ লিখিছিল। কিন্তু তেওঁ লিখা সম্পাদকীয়বোৰ পঢ়ি পঢুৱৈ সমাজ কি ধৰণে উপকৃত হৈছিল তাৰ বিষয়ে ভূপেন হাজৰিকাই অনুমান কৰিব পৰা নাছিল বুলি তেওঁ নিজে কৈছিল। কিন্তু অসমৰ প্ৰথিতযশা সাহিত্যিক বেণুধৰ শৰ্মাদেৱে ভূপেন হাজৰিকাৰ গদ্যশৈলীৰ ভূয়সী প্ৰশংসা কৰিছিল।

ভূপেন হাজৰিকাই গীতৰ মাজেৰেও শ্ৰোতাক সমসাময়িক বহুতো সংবাদ প্ৰেৰণ কৰিছে। তেওঁৰ প্ৰতিটো গীত যেন সমাজৰ বাবে একো একোটা চিন্তা উদ্ৰেককাৰী সংবাদ। হয়তো শ্ৰোতাসকলে নিজৰ সীমাবদ্ধতাৰ বাবে তেনে মূল্যবান সংবাদপূৰ্ণ গীতবোৰক কেৱল গীত বুলিয়ে গ্ৰহণ কৰিলে। জাতি এটা জীয়াই থাকিবলৈ জাতিটোৰ মানুহৰ কৰণীয় কি তাক তীক্ষ্ণ ভাষাৰে গীতৰ মাজেৰে তেওঁ সকীয়াই থৈ গৈছে। প্ৰতিগৰাকী মানুহৰ দায়িত্ব, কৰ্তব্য সম্পৰ্কে গীতৰ মাধ্যমেদি তেওঁ শত-সহস্ৰ সংবাদ ৰাইজৰ বাবে প্ৰেৰণ কৰি থৈ গৈছে।

ভূপেন হাজৰিকা গীতিকবি আছিল, সুৰকাৰ আছিল। কণ্ঠশিল্পী আছিল। চিত্ৰকৰ আছিল। বোলছবি নিৰ্মাতা আৰু পৰিচালক আছিল। আছিল এগৰাকী সুদক্ষ অভিনেতা। কিন্তু একে সময়তে আমি মনত ৰাখিব লাগিব তেওঁ গণসংযোগকাৰী আছিল। এগৰাকী সাংবাদিক হিচাপেও তেওঁৰ অৱদান সদায় স্মৰণীয়।

জন্ম-শতবৰ্ষত এনেহেন এগৰাকী পুৰোধা, ক্ষণজন্মা মহান ব্যক্তিলৈ আমি জনালোঁ সশ্ৰদ্ধ প্ৰণিপাত। ❖

*(লেখাটো যুগুতাওঁতে 'মই এটি যাযাবৰ' আৰু প্ৰকাশ, ছেপ্টেম্বৰ, ২০২৫ত প্ৰকাশ হোৱা ড° সমুদ্ৰগুপ্ত কাশ্যপৰ 'ভূপেন হাজৰিকা সাংবাদিকজন' নামৰ প্ৰবন্ধটোৰ সহায় লোৱা হৈছে।)*



# ভূপেন হাজৰিকাৰ গীতৰ ভাষা

■ লিপিমণি দত্ত



জীৱনবোধৰ গাঢ়তালৈ অলেখ ভাবৰ গীতৰ ৰচয়িতা আছিল ভূপেন হাজৰিকা। কেতিয়াবা ফুল আলসুৱা সুকোমল শব্দৰে, কেতিয়াবা বলিষ্ঠ আড়ম্বৰৰ তৎসম শব্দৰে, কেতিয়াবা জাতি-জনগোষ্ঠীৰ স্বকীয় শব্দৰে, কেতিয়াবা চহা জীৱনৰ নিভাঁজ মাত-কথাৰে তেওঁ গীত ৰচনা কৰিছে। ভাব আৰু শব্দসজ্জাৰ অনেক বৈচিত্ৰ্য থাকিলেও তেওঁৰ প্ৰতিটো গীতেই শ্ৰোতাৰ চকুৰ আগত এখন মনোৰম ছবি তুলি ধৰে, যিখন ছবিত কোনো দ্ব্যৰ্থকতা নাথাকে—যিখন ছবি একে সময়তে সৰল, বলিষ্ঠ আৰু স্পষ্ট।

“মোৰ জীৱনৰ সৰহখিনি সময় গীতৰ মাজতেই অতিবাহিত হ'ল। যাযাবৰী জীৱনটোত আনতকৈ এখোজ সদায়েই আগুৱাই থকাৰ প্ৰবল ইচ্ছাশক্তিৰ বাবে মোক প্ৰাণ দান কৰি আহিছে মোৰ গীতসমূহে। মোৰ এই যাযাবৰী জীৱনৰ আগবয়সত কোনোদিনে যিদৰে মোৰ জীৱন গাথাৰ কথা ভবা নাছিলোঁ, ঠিক তেনেদৰে কেতিয়াও ভবা নাছিলোঁ গীতেই মোৰ জীৱনৰ সৰ্বস্ব হ'ব বুলি। গীত ভাল পাইছিলোঁ সৰুৰে পৰাই। সৰুতেই যি এবাৰ ভৰি দিলোঁ সুন্দৰৰ আলিবাটত, লৰৰিয়েই ফুৰিছোঁ ক্লান্তিবিহীনভাৱে—বিৰামবিহীনভাৱে সুন্দৰৰ সৰু-বৰ আলিয়েদি। মোৰ সৌভাগ্য যে মোৰ গীতৰ জীৱনে সুন্দৰৰ বাটেদি মোৰ গীতৰ যাত্ৰাক প্ৰাণ দিলে।”

এয়া সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ কথা। ওৰে জীৱন যাযাবৰ হৈ দিহিঙে-দিপাঙে ঘূৰি ফুৰি শব্দ আৰু সুৰৰ সাধনাত মগন হোৱা শিল্পীগৰাকীয়ে অসমীয়া সংগীতক দি গ'ল অভিনৱ বিস্তৃতি। প্ৰেমৰ পৰা প্ৰতিবাদলৈ, সংগ্ৰামৰ পৰা আশাবাদলৈ, আবেগৰ পৰা দৃঢ়তালৈ, সমন্বয়ৰ পৰা সংকল্পলৈ, মানৱতাৰ পৰা দায়বদ্ধতালৈ, প্ৰকৃতিৰ অপৰূপ বৰ্ণনাৰ পৰা

গীতিকাৰ হিচাপে ভূপেন হাজৰিকাৰ আত্মপ্ৰকাশ ঘটিছিল ১১ বছৰ বয়সতে। ১৯৩৭ চনত তেওঁ গুৰু শংকৰদেৱক বিষয় হিচাপে লৈ লিখিছিল—‘কুসুম্বৰ পুত্ৰ শ্ৰীশংকৰ গুৰুৱে ধৰিছিল নামৰে তান’ নামৰ গীতটো। তেওঁ অধ্যয়ন কৰা তেজপুৰ হাইস্কুলৰ হাতেলিখা আলোচনীত গীতটো প্ৰকাশ পাইছিল। কিশোৰ ভূপেন হাজৰিকাৰ প্ৰথমটো গীততে তেওঁৰ শব্দনৈপুণ্যৰ পৰিচয় পোৱা যায়—

নামঘৰ সাজিলোঁ, ৰাইজ থাপিলোঁ
একতাৰ আসনত আনি
ভাওনা সোণতে বৰগীত সুৱগা
প্ৰচাৰিলা দেৱবাণী
মোৰ গুৰু ঐ, প্ৰচাৰিলা দেৱবাণী

জীৱনৰ প্ৰথম গীতটিৰ পৰা আৰম্ভ কৰি ড° সূৰ্য্য হাজৰিকা সম্পাদিত ‘ভূপেন হাজৰিকাৰ গীত সমগ্ৰ'ত সংকলিত হোৱা ৩৪২টা গীতৰ কথাংশলৈ মন কৰিলে





আমি পাওঁ এগৰাকী বিস্ময়কৰ গীতিকবিক। জনগণৰ সেৱাকে মুখ্য উদ্দেশ্য কৰি তেওঁ ৰচনা কৰা গীতসমূহত ভাবৰ যি সুকীয়া প্ৰেক্ষাপট আছে, তাৰ সৈতে সমন্বয় ঘটিছে শব্দৰ অভিনৱত্বৰ। মন কৰিবলগীয়া যে ভূপেন হাজৰিকাৰ চিন্তা, উপলব্ধি অথবা স্বকীয় সত্তাটোৰ প্ৰকাশৰ প্ৰধান মাধ্যম গীত হ'লেও তেওঁৰ বিশেষ ইচ্ছা আছিল গল্প, উপন্যাস, প্ৰবন্ধ, কবিতা ৰচনা কৰি এজন লব্ধপ্ৰতিষ্ঠ সাহিত্যিক হ'বলৈ। যাযাবৰী জীৱনে তেওঁক নিৰলে সাহিত্য চৰ্চা কৰাৰ অৱকাশ নিদিলেও তেওঁৰ প্ৰতিটো লেখা, প্ৰতিটো কথাই আছিল সাহিত্যসুলভ।

ভূপেন হাজৰিকাৰ বিপ্লৱী মনোভাবৰ, প্ৰতিবাদ-বিদ্ৰোহৰ গীতসমূহৰ ভাষা আপাতঃ কঠিন। এনে গীতত বলিষ্ঠ তৎসম শব্দৰ প্ৰয়োগো পৰিলক্ষিত হয়। ইয়াৰ লগতে অনুপ্ৰাসৰ ধ্বনি-মাধুৰ্য্য আৰু যুৰীয়া শব্দৰ অৰ্থপূৰ্ণ ব্যৱহাৰে গীতৰ সৌন্দৰ্য্য বঢ়াই তোলে। তৎসম শব্দ ব্যৱহাৰৰ দুটি উদাহৰণ—

*স্নেহেই* আমাৰ *শত শ্ৰাৱণৰ*
ধাৰাসাৰ *বৃষ্টিৰ প্লাৱন* আনে
যৌৱন-বাসনাৰ *ৰিক্তোপকূল*
*পূৰ্ণ* কৰে *উন্মত্ত* বানে

আকৌ,

*অৰুণ কিৰণ শিৰৰ ভূষণ*
গলে *হিমৰ* ধল
পুৱাৰ সূৰুযে চুমা খোৱা *দেশ*
আমাৰ অৰুণাচল।

একেদৰে লক্ষজনক অনুপ্ৰেৰণাৰে উজ্জীৱিত কৰা গীতবোৰত ওজস্বী শব্দৰ প্ৰয়োগ ঘটিছে—

কালৰাত্ৰিৰ বুকুতে লুকাই
আছেই প্ৰভাত বুজিলানে নাই?
ৰাইজ-সিংহক শৃংখল-শৃগালে
সদা কৰে ভয় বুজিলানে নাই?
মুক্তিকামী লক্ষজনৰ মৌন প্ৰকাশ শুনিছানে নাই?

ৰাইজ-সিংহ, শৃংখল-শৃগাল আদি শব্দৰ এনে অৰ্থপূৰ্ণ প্ৰয়োগ লক্ষ্যণীয়। বিস্তীৰ্ণ পাৰৰে অসংখ্য জনৰে, আজি ব্ৰহ্মপুত্ৰ হ'ল বহ্নিমান আদি গীতৰ ভাষাতো তেওঁ এনে বলিষ্ঠ ভাষাৰ প্ৰয়োগ কৰিছে। সংগ্ৰাম, প্ৰতিবাদ আৰু প্ৰশ্নভৰা তেওঁৰ গীতত বলিষ্ঠ ভাষা পৰিলক্ষিত হয়।

জ্ঞানবিহীন নিৰক্ষৰৰ
খাদ্যবিহীন নাগৰিকৰ
নেতৃবিহীনতাত নিমাত কিয়?

তেওঁৰ ভালেমান গীতত অৰ্ধতৎসম শব্দৰ প্ৰয়োগো মন কৰিবলগীয়া। এটি উদাহৰণ—

ভাষাভৰা পৃথিৱীৰ
বিদ্ৰোহী কথা গীত
কাণ পাতি শুনিবৰ *শকতি* নাই
অকলশৰীয়া পথেদি মই
শত বিঘিনি ভাঙি
ধূলিৰ ধৰাত *সৰগ* কৰিম
হেঙুলীয়া বোল সানিম

যাযাবৰী শিল্পীজনে জীৱনৰ পথ পৰিক্ৰমাত লাভ কৰা অভিজ্ঞতাবোৰক গীতৰ মাজেৰে প্ৰকাশ কৰিছিল। উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন জাতি-জনজাতিৰ জীৱন, প্ৰাকৃতিক সৌন্দৰ্য্য, সাজপাৰ, কৃষ্টি-পৰম্পৰা আদিও তেওঁৰ গীতত প্ৰকাশ পাইছে। জনজাতীয় জীৱন প্ৰকাশ কৰোঁতে তেওঁ মিচিং, বড়ো, কাৰ্বি, খাচি, মিজো, চাহ জনগোষ্ঠী আদি বিভিন্ন জনগোষ্ঠীৰ শব্দৰ ব্যৱহাৰ কৰিছে। চাহ শ্ৰমিকৰ জীৱন আৰু চাহ বাগিচাৰ বিভিন্ন পৰিবেশৰ বৰ্ণনা তেওঁৰ কেইবাটিও গীতত প্ৰতিফলিত হৈছে। 'অসম দেশৰ বাগিচাৰে ছোৱালী' শীৰ্ষক গীতত চাহ জনগোষ্ঠীৰ ভাষাৰ প্ৰয়োগ এনে ধৰণৰ—

বাৰ মাসেৰ বাৰ ফুল
ভাদৰ মাসেৰ কিয়াৰে



কিবা দৰে ছাড়ে গেল
অভাগিনী পিয়াৰে। অ' অভাগিনী পিয়াৰে।

উত্তৰ-পূবৰ আন ৰাজ্যৰ দৰে মিজোৰামৰ প্ৰতিও হাজৰিকাৰ আকৰ্ষণ আছিল তীব্ৰ। মিজো ভাষাৰ প্ৰয়োগ কৰি গীতৰ মাজেৰেও মিজোৰামলৈ মৰম যাচিছে এনেদৰে—

কাঃ মঙাইহ চেঃ মিজোৰাম
তোমাক ভাল পাওঁ মিজোৰাম।।
খটখট চেইৰোৰ ছন্দ লই
গীটাৰৰ সুৰে বয় কলদাই নৈ।

শব্দ প্ৰয়োগৰ ক্ষেত্ৰত ভূপেন হাজৰিকা আছিল উদাৰ আৰু বাস্তৱিক। গীতৰ ভাবে যেনে শব্দ দাবী কৰে তেনে শব্দই তেওঁ গীতসমূহত প্ৰয়োগ কৰিছে। অসমৰ বাৰেৰহণীয়া কৃষ্টি-সংস্কৃতি প্ৰকাশ কৰোঁতে তেওঁ যিদৰে থলুৱা জনজাতীয় শব্দৰ সাৰ্থক প্ৰয়োগ কৰিছে, তেনেদৰে গীতে দাবী কৰিলে ইংৰাজীকে ধৰি আন বিদেশী শব্দৰো ব্যৱহাৰ কৰিছে। 'অটোৰিক্সা চলাওঁ' শীৰ্ষক তেওঁৰ বিখ্যাত গীতৰ ভাষাত শিক্ষিত নিবনুৱাৰ মনৰ বেথা প্ৰকাশ কৰোঁতে ইংৰাজী শব্দৰ যথাৰ্থ প্ৰয়োগ লক্ষ্যণীয়—

ভাইটিৰ নামত আছে পাৰ্মিট
চলাওঁ ময়ো একোবাৰ।
শিক্ষিত বেকাৰৰ মই সৰু ভাব
কমপ্লেক্স নাই আমাৰ।।

ভূপেন হাজৰিকাৰ প্ৰায়বোৰ গীততে কাব্যিক আবেদন পৰিলক্ষিত হয়। সুৰ, কণ্ঠ আদিৰ সংযোগ নকৰাকৈ কেৱল পাঠ হিচাপে তেওঁৰ গীতসমূহ পঢ়িবলৈ ল'লেও তেওঁৰ অনেক গীত এক নিটোল কবিতা হৈ আমাৰ মন স্পৰ্শ কৰে।—

অস্ত আকাশৰে সপোন ৰহণ সানি
ক্লান্ত লুইতৰে হেঙুলীয়া পানী
বৈয়ে যায়, বৈয়ে যায়, বৈয়ে যায়
কোন সুন্দৰৰে শিল্পীয়ে পদুম ফুলৰ নাৱেৰে
ময়ূৰ পংখী ৰহণবোৰ দিয়ে ছটিয়াই।

এনে অপূৰ্ব শব্দচয়ন ভূপেন হাজৰিকাৰ অসামান্য প্ৰতিভাৰ পৰিচায়ক। তেওঁ ভালেমান গীতত ধ্বন্যাত্মক শব্দ তথা যুৰীয়া শব্দৰ প্ৰয়োগ কৰিছে। এনে শব্দৰ প্ৰয়োগে সাংগীতিক লয়ৰ সৃষ্টি কৰিছে, পাঠককো ভাবৰ গভীৰতাত প্ৰবেশ কৰাৰ সুযোগ দিছে।—

ডুগ্ ডুগ্ ডুগ্ ডুগ্ ডম্বৰু
মেঘে বজায় ডম্বৰু
চিকমিক বিজুলী নাচে
হে চিকমিক বিজুলী
এ চিকমিক বিজুলী।

যুৰীয়া শব্দৰো সুন্দৰ প্ৰকাশ ঘটিছে তেওঁৰ গীতত—

শৰতৰ শেৱালিৰ নতুন নিয়ৰে
*শুভ্ৰ শুভ্ৰ* কিবা ছবি আঁকে
......................................
*মুগ্ধ মুগ্ধ* মই আকাশ দেখি
*স্নিগ্ধ স্নিগ্ধ* ফুল মনেৰে লেখি
*মুক্ত মুক্ত* কঁহুৱাৰ নাচোনে
হুঁহুৱাই নিৰাশাৰ *ফাঁকে ফাঁকে*

ভূপেন হাজৰিকাৰ গীতৰ কাব্যিক আবেদন বৃদ্ধি পাইছে অনুপ্ৰাস, ৰূপক, উপমা আদিৰ অৰ্থবহ প্ৰয়োগৰ জৰিয়তে। অনুপ্ৰাস অলংকাৰৰ সাৰ্থক প্ৰয়োগ ঘটা এনে এটা গীত—

নতুন নিমাতী নিয়ৰৰে নিশা
জীৱন জিলিকা জোনাকৰে নিশা
আৰু তুমি
নিচেই চিনাকি

'ভূপেন হাজৰিকাৰ গীত সমগ্ৰ'ত উল্লেখ থকা মতে এই গীতটি ভূপেন হাজৰিকাৰ কণ্ঠত শুনি কবি নৰকান্ত বৰুৱাই 'মোহময় মন্ত্ৰৰ নিচিনা' বুলি অভিহিত কৰিছিল। ড° মহেন্দ্ৰ বৰাই মতপোষণ কৰিছে যে 'নতুন নিমাতী নিয়ৰৰে নিশা' গীতটি ড° ভূপেন হাজৰিকাৰ সৃষ্টি প্ৰক্ৰিয়াৰ ত্ৰিবেণী সংগম, য'ত কথা, কবিতা আৰু গীতৰ অপূৰ্ব মিলন ঘটিছে। প্ৰকৃতিৰ অপৰূপ বৰ্ণনা তুলি ধৰোঁতে হাজৰিকাই ব্যৱহাৰ কৰিছিল কিছুমান অতি আলসুৱা শব্দ। উপমাখচিত এনে বৰ্ণনাৰ এটি উদাহৰণ এনে ধৰণৰ—

শুভ্ৰনীলা ওৰণিখনি
কুঁৱলী-সূতাৰে বোৱা
পাতল ৰিহাখনি,
থৰ লগা বিলখনি
তোমাৰ শুৱনি দাপোণ।।
কপাহ মেঘৰ অহা-যোৱা
সেউজী ঘাঁহৰ হিমানী
সোণালী ৰ'দ, শৰালিৰে জাক
তুমিয়েই আনিলা কিজানি
শেৰালি-কোমল হাঁহিটি মাৰি
কৰাহি সাজোন কাচোন

কুঁৱলী-সূতা, কপাহ মেঘ, শেৰালি-কোমল আদি শব্দৰ এনে অপূৰ্ব প্ৰয়োগ অসমীয়া গীতিসাহিত্যতে বিৰল বুলিব পাৰি। আনহাতে বহু সময়ত তেওঁৰ গীতৰ অনন্য প্ৰকাশশৈলীয়ে গীতবোৰ এক উচ্চ পৰ্য্যায়ৰ সাহিত্যকৰ্মলৈ উন্নীত কৰিছে। এই প্ৰসংগত মাঘত দেখোঁ উৰুকা নহয় তুমি নহ'লে, প্ৰচণ্ড ধুমুহাই প্ৰশ্ন কৰিলে মোক, আমি অসমীয়া নহওঁ দুখীয়া আদি গীতলৈ মন কৰিব পাৰি।

ড° ভূপেন হাজৰিকা আছিল সমন্বয়ৰ ৰূপকাৰ। তেওঁৰ গীত অসমীয়া জাতিৰ সাহ আৰু শক্তিৰ প্ৰতিধ্বনি। তেওঁৰ গীতত যিদৰে মূৰ্তমান হৈ উঠিছে অসমীয়া জাতিৰ কৃষ্টি-পৰম্পৰা, জাতীয় চিন্তা, উদাৰতা-মানৱতা আদি বিভিন্ন ভাব, একেদৰে বিশাল ব্যাপ্ত ভাবৰাশিক প্ৰকাশ কৰিবলৈ তেওঁ ব্যৱহাৰ কৰা ভাষাতো আছে সমন্বয়ৰ অলেখ উদাহৰণ। সংস্কৃতমূলীয় শব্দ, জনজাতীয় শব্দ, বিভিন্ন সাহিত্যিক মেজাজৰ শব্দ তেওঁ সচেতনভাৱে পাঠক-শ্ৰোতাৰ চেতনাক জোকাৰি যোৱাকৈ প্ৰয়োগ কৰিছে। অসমীয়া গীতৰ হাজাৰ শ্ৰোতাক তেওঁৰ স্ব-সৃষ্ট অনেক শব্দই বিস্মিত কৰি ৰাখিছে, জীয়ন দি ৰাখিছে। ❖

## আপুৰুগীয়া স্মৃতি



ভাতৃ সমৰ হাজৰিকাৰ সৈতে



পত্নী আৰু পুত্ৰৰ সৈতে



# সুধাকণ্ঠৰ গীতত প্ৰকৃতিৰ অনন্য উপাদান ফুল

■ অপৰাজিতা বৰা



সুধাকণ্ঠ ড° ভূপেন হাজৰিকাসৃষ্ট গীতৰ জগতখন আছিল বিচিত্ৰ বৰ্ণৰে সমুজ্জ্বল। তেওঁৰ গীতৰ ভাব-ভাষাত আছে অপৰূপ সৌন্দৰ্য্য। আধুনিক অসমীয়া গীতক নতুন নতুন বিষয়বস্তু, অপৰূপ শব্দচয়ন, অপৰূপ ছন্দৰে তেওঁ এক সুকীয়া মাত্ৰা প্ৰদান কৰি থৈ গৈছে। সুধাকণ্ঠৰ প্ৰতিটো গীতৰ মাজতে থাকে একো একোটা বাৰ্তা। বিচিত্ৰ বিষয় লৈ গীত ৰচনা কৰা ড° ভূপেন হাজৰিকাৰ গীতত প্ৰকৃতিৰ আলফুলীয়া উপাদান ফুলে ভিন্ন গীতত ভিন্ন ধৰণে ভুমুকি মাৰিছে। আমাৰ এই আলোচনাত সুধাকণ্ঠৰ গীতত ভিন্ন ফুলৰ পয়োভৰ চোৱাৰ ক্ষুদ্ৰ প্ৰয়াস কৰা হৈছে।

সুধাকণ্ঠৰ কলমত শৰৎ ঋতুৱে বিচিত্ৰ ৰূপত ধৰা দিছে। কেতিয়াবা ই শাৰদী ৰাণীৰ ৰূপ লৈছে। শৰতৰ ৰূপত বিভোৰ হৈ তেওঁ শব্দৰ কালিকা আৰু সুৰেৰে এখন ধুনীয়া ছবি অংকন কৰিছে য'ত শেৱালিয়ে নিয়ৰৰ সহায়ত কিবা ছবি আঁকিছে—'শৰতৰ শেৱালিৰ নতুন নিয়ৰে/শুভ্ৰ শুভ্ৰ কিবা ছবি আঁকে/শুকুলা ডাৱৰৰ পতাকা উৰুৱাই/মুকুতিৰ গীত গায় শৰালি জাকে' (শৰতৰ শেৱালিৰ নতুন নিয়ৰে)। সেইদৰে প্ৰেমেৰে সিক্ত এখন বিশাল হৃদয়ৰ অধিকাৰী সুধাকণ্ঠই প্ৰেয়সীৰ ৰূপ মাধুৰী অংকন কৰি লিখিছে—

'তোমাৰ উশাহ কঁহুৱা কোমল
শেৱালি কোমল হাঁহি
হাঁহিয়ে হৃদয় ভৰিলে শুনাই
এটি কিবা মিঠা বাঁহী'

(তোমাৰ উশাহ কঁহুৱা কোমল)।

'শ্বিলঙৰে গধূলি' শীৰ্ষক গীতটিতো উল্লেখ আছে—

'যেন উৰি উৰি উৰি উৰি ফুৰা
জোনাকী পৰুৱাই
হাঁহি হাঁহি জোকালে
আমি হেনো উটি ফুৰা
দুটি মিঠা শৰতৰ শেৱালি'।

আকৌ 'যদি জীৱনে কান্দে নাই নাই বুলি' শীৰ্ষক গীতটিতো—

'কাঁইটকে শেৱালিৰে পাহি বুলি লোৱা
তোমাৰ তেজেৰে বাট ৰঙা ৰঙা হ'লে
মই দিয়া সুৰেৰে মচিবা'

বুলি কাঁইটক শেৱালিৰ পাহি বুলি ল'বলৈ সাহস যোগাইছে।

'সৰা শেৱালিৰ শুকুলা বাটত
সুৰ ৰূপ এটি হয়
সুৰৰ কোমল পৰশে ৰূপৰ
আনে পৰাজয়'

(সুৰ নগৰীৰ সুৰৰ কুমাৰ)

বুলি তেওঁ শৰতৰেই গুণ-গান গাইছে। এনেদৰে সুধাকণ্ঠৰ গীত-কবিতাত ঋতুৰাণী শৰত মূৰ্তমান হৈ উঠিছে।





'শাৰদী ৰাণী তোমাৰ হেনো নাম

গীতটিত 'শেৱালি কোমল হাঁহিটি মাৰি কৰাহি সাজোন কাচোন'

বুলি শৰৎ ঋতুক ৰাণী আখ্যা দি গীত ৰচিছে। 'মাঘত দেখোঁ উৰুকা নহয় তুমি নহ'লে' শীৰ্ষক গীতটিত শৰত ঋতুৰ অনন্য সুন্দৰ উপাদান কঁহুৱা ফুলৰ উল্লেখ কৰিছে এনেদৰে—

'শাৰদী পুৱা কঁহুৱা নুফুলে
তুমি নহ'লে
এন্ধাৰ পঁজাত চাকি নজ্বলে
তুমি নহ'লে'।

সুধাকণ্ঠই চাহ জনগোষ্ঠীৰ মেটমৰা সাংস্কৃতিক সম্ভাৰক সদায় গুৰুত্ব দিছিল। চাহ জনগোষ্ঠীৰ জীৱনচৰ্য্যা প্ৰকাশ পোৱা এই গীতটোত আন এবিধ ফুল সজীৱ ৰূপত উপস্থাপিত হৈছে—

'ৰাধাচূড়াৰ ফুল গুঁজি ৰাধাপুৰৰ ৰাধিকা
চাহ বাগিচাত ঝুমুৰ নাচি জুগনুক যাচে ফটিকা'
(ৰাধাচূড়াৰ ফুল গুঁজি)।

উক্ত গীতটিত ৰঙা ৰঙা কৃষ্ণচূড়া ফুলক প্ৰেমৰ সঁচা ৰঙৰ লগত তুলনা কৰি গীতিকাৰে লিখিছে—

'সেই ফটিকা প্ৰেম ফটিকা
(তাত) ভেজাল তেজাল একো নাই
(ই) কৃষ্ণচূড়া ফুলৰ দৰে সঁচা ৰং ছটিয়ায়'।

একেটি গীতৰে আন এঠাইত লিখিছে,

'সোণাৰুৰে হালধীয়া থোপাথুপি ফুল
আইনা দেখি খোপা বান্ধি ৰাধা বিয়াকুল'।

ৰাধাপুৰৰ ৰাধিকাই ঝুমুৰ নাচি নাচি জুগনুক প্ৰেম নিবেদন কৰা গীতটোত ৰাধা আৰু জুগনুৰ নিভাঁজ প্ৰেমৰ প্ৰতিচ্ছবি প্ৰতিফলিত হৈছে। চাহ জনগোষ্ঠীয় লোকসকলৰ সৰল মানসিকতা প্ৰতিফলিত হোৱা

'গিজিতা গিজাওঁ গিজিতা গিজাওঁ
ৰঙা জবা ফুল
ছোট বড়ো গৰীব নাই নাই জাতি কুল।

গীতটিত যিদৰে জবা ফুলৰ উল্লেখ কৰিছে সেইদৰে 'আশ্বিন মাসে দুৰ্গা পূজা' গীতটোত সুধাকণ্ঠই প্ৰকৃতিৰ অন্য এবিধ সুন্দৰ ফুল 'কদম'-ৰ নাম লৈছে এনেদৰে—

'অইন দিনে দেখি কালা
কাণে কদম ফুল গ' '
আজি কেন
তোমাৰ কালা
বদন মলিন গ'।

একেটি গীততে তেওঁ গাইছে

'আসে পাচে লাথোঁ গাছ
গমকি উথিল বাঁস
কেওৰা ফুল খোপাই পিন্ধি
নাচ ৰে ঝুমুৰ নাচ'।

ড° ভূপেন হাজৰিকাই ১৯৫০ চনত ৰচনা কৰা ৰতনপুৰ চাহ বাগিচাৰ 'এটি কলি দুটি পাত' শীৰ্ষক গীতটিতো জবা ফুলৰ উল্লেখ কৰিছে এনেদৰে,

'এন্ধাৰ ক'লা চুলিৰে
জবা ফুলৰ পাহিৰে
পাপৰিবোৰ উৰুৱাই কোনেনো হাঁহিলে'।

'মদাৰৰে ফুল হেনো পূজাতো নালাগে' শীৰ্ষক সমাজৰ কিছুলোকৰ সমালোচনাৰ প্ৰত্যুত্তৰ দিবলৈ সৃষ্টি হোৱা যুগান্তকাৰী গীতটোত ড° হাজৰিকাই লিখিছিল,

'মদাৰৰে ফুল হেনো পূজাতো নেলাগে
মদাৰৰ ফুল হেনো সবাহত নেলাগে
লাগে পিছে ব'হাগতে ৰং সানিবলে' '।

গীতটিৰ এঠাইত সৰু সৰু মানুহৰ প্ৰতি সমাজৰ অৱহেলা সহিব নোৱাৰি—

'সঁচা সৰু মানুহ যদি
ৰঙা মদাৰ হয়
মদাৰৰ শিখা যদি
হাতে হাতে লয়
তেতিয়াহে সমাজ-আকাশ জ্যোতিৰে ভৰিব'

বুলি সমাজ সচেতনতাৰো তেওঁ পৰিচয় দিছে। একেটি গীতৰে আন এঠাইত লিখিছে,

'যাৰ পূজাত নৰমাংস
সেৰ জোখে কিনে
কিনি তাতে গোলাপৰে
আতৰ কিছু সানে'।

সুধাকণ্ঠ আছিল এজন সাৰ্থক গীতিকবি। ১৯৬১ চনত মুক্তি লাভ কৰিছিল তেওঁৰ দ্বাৰা নিৰ্মিত 'শকুন্তলা'



নামৰ ছবিখনে। এই ছবিখনৰ বাবে লিখা দুটি গীতে সেই সময়ত বিপুল জনপ্ৰিয়তা লাভ কৰিছিল—

'প্ৰথম প্ৰহৰ ৰাত্ৰি ফুলি আছিল চম্পা
শুনা সখি শকুন্তলা
তুলি বান্ধা খোপা
দ্বিতীয় প্ৰহৰ ৰাত্ৰি ফুলি আছিল তগৰ
শুনা সখি ৰূপৱতী নধৰা জগৰ
তৃতীয় প্ৰহৰ ৰাত্ৰি ফুলিলে শেৱালি
কেতেকীয়েও তোমাৰ হিয়াত
পৰাগ দিলে ঢালি
ষষ্ঠ প্ৰহৰ ৰাত্ৰি ফুলি আছিল যুতি
তোমাৰ স্বামী দুষ্যন্তকে আজি কৰা তুতি'।

একেখন চিনেমাৰ বাবে লিখা আন এটি অপূৰ্ব গীত—

'নৰমল্লিকাৰে হেঁপাহ জানো পলাব
মালিনী নৈতে ৰূপ চাই চাই?
শকুন্তলা আইৰ জানো দেহাটি শীতলিব
পদুমৰে পৰশন পাই, পাই?'

দুয়োটি গীততে ড° হাজৰিকাই কেইবাবিধো অসমৰ হাবি-বননিত, বাৰীয়ে-ঘৰে ফুলি থকা থলুৱা ফুলৰ নাম উল্লেখ কৰিছে। এইখিনিতে উল্লেখ নকৰি নোৱাৰি যে 'শকুন্তলা' ছবিখনৰ সংগীতৰ সুকীয়া মাধুৰ্য্যই ছবিখনৰ ৰহণ চৰাইছিল। পদুম ফুলৰ উল্লেখ থকা আৰু দুটি গীত হ'ল,

'কোন সুন্দৰৰে শিল্পীয়ে
পদুম ফুলৰ নাৰেৰে
ময়ূৰপংখী ৰহণবোৰ দিলে ছটিয়ায়'
(অস্ত আকাশৰে)।

আনটো গীত—

'সৰগৰ পাৰিজাত সৰগতে থাকক
ধন্য হ'ম মই বোকাৰ এপাহ পদুমকে পায়
দূৰতে থক খ্যাতি
আৰু মিছা ব্যৱসায়'
(জীৱন জোৱা খ্যাতিয়ে যদি)।

১৯৭৬ চনত মুক্তি পোৱা 'পলাশৰ ৰং' কথাছবিখনৰ এটি গীতত লিখিছিল,

'পলাশৰে ৰং
কোনেনো সানিলে
এই মিঠা সেউজ বননিত
... জীৱনৰে ৰং পলাশে সানিলে
কোমল কোমল ঘাঁহনিত'।

উক্ত গীতটিত হাজৰিকাই অলংকাৰ ব্যৱহাৰৰ চাতুৰ্য্য মন কৰিবলগীয়া। উদাহৰণ—

'নীলা আকাশত আজি আউজি লৈ
হালিছে জালিছে পলাশৰে ফুল
ফুলতো নহয়, এয়া মৰমৰে জুই'।

ৰোমাণ্টিক মনৰ, প্ৰেম-কাতৰ কবি-গীতিকাৰ ভূপেন হাজৰিকাৰ গীত-কবিতা সেয়ে এক বিশাল বিষয়। 'তুমি বিয়াৰ নিশাৰ শয়নপাটীৰ এপাহি ৰজনীগন্ধা/তোমাৰ মূল্য এনিশাৰ' শীৰ্ষক গীতটিতো অলংকাৰে বিশেষ গুৰুত্বপূৰ্ণ স্থান লাভ কৰিছে। এই গীতফাকিত 'তুমি' ৰূপী প্ৰিয়াৰ লগত ৰজনীগন্ধাৰ সাদৃশ্য স্থাপন কৰি কল্পনা কৰা হৈছে। এনেদৰে চালে দেখা যায় যে বিষয়বস্তু, শব্দচয়ন, কাব্যালংকাৰ বা চিত্ৰকল্প—প্ৰতিটো দিশে ড° হাজৰিকাৰ গীতত স্বকীয়তাৰ পৰিচয় বহন কৰিছে। সুধাকণ্ঠৰ গীতত যে কেৱল অসমৰ থলুৱা ফুলেই শোভা পাইছে এনে নহয়। তেওঁৰ এখন অন্যতম প্ৰিয় ঠাই আছিল শ্বিলং। শ্বিলঙক লৈ লিখা এটি গীতৰ কলিত তেওঁ উল্লেখ কৰিছিল বিদেশী ফুলৰ নাম—

'ক্ৰিচেনথিমাম যিমান ৰঙা মোৰ
তোমাৰ সোঁৱৰণীও সিমানে ৰঙা
মনালিছা নংপোলৈ এবাৰ আহাঁনা'
(শ্বিলঙৰে মনালিছা লিংডো)।

কেতেকী অসমৰ হাবিয়ে-বননিয়ে গান গাই ফুৰা চৰাই। এই নামেৰে থকা কেতেকী ফুলৰ উল্লেখ সুধাকণ্ঠৰ ভালেমান গীতত দেখিবলৈ পোৱা যায়।

'পদূলিৰ কেতেকীৰ সুবাসত আমোলমোল বতাহ খাই গাভৰু হ'লোঁ' (অসমী আইৰ লালিতা পালিতা), সেইদৰে, 'বৰদৈচিলা' নামৰ গীতটিত,

'বাঁহতল শুৱনি কেতেকীৰ বাৰীতে
ক'ৰবাৰ ফেটী সাপে বাহ ল'লে
কেতেকী ফুলিলে তগৰো ফুলিলে
ফেঁটী সাপে গপাগপ
তাকেই গিলিলে'।

তেনেকৈ 'ৰিম জিম ৰিম জিম বৰষুণে' শীৰ্ষক গীতটিত—

'কাৰ পদূলিৰ কেতেকীনো
মলেমলাই ক'ত
এই অসম দেশত, অসম দেশত'।

এনেদৰে ড° হাজৰিকাই গীতৰ মাধ্যমেৰে ফুটাই তুলিছে অসমৰ সমাজ-জীৱন। জীৱন-শিল্পী সুধাকণ্ঠৰ গীতত কপৌ ফুলে ঠাই পাইছে এনেদৰে—

'ব'হাগৰে প্ৰথম পুৱা
নকৈ গাভৰু হোৱা
এপাহি কপৌ ফুলে
কাণে কাণে ভোমোৰাকে ক'লে, ক'লে'
(ব'হাগৰে প্ৰথম পুৱা)।

একেটি গীততে,
'কৃষ্ণচূড়াৰ মৌ চোহা না
এজাৰেও বুকু উদঙালে
ফুলি আছে, দেখা নাই জানো
ধুনীয়া ফুলনিখন?'

সেইদৰে 'তেজৰে চাকি জ্বলাই' শীৰ্ষক গীতটিত
'কপৌ ফুলৰ চাকি সাজি
তোকেই পিন্ধাম তোকেই পিন্ধাম
মোৰ আই, মোৰ আই'।

আন এটি গীতত,
'কেতেকী নহওঁ মই সূৰ্য্যমুখী
পুৱাৰ সূৰুয তুমি কত ৰহণৰ'—বুলি কপৌ, কেতেকীৰ লগতে সূৰ্য্যমুখী ফুলেও ভুমুকি মাৰিছে। এইখিনিতে এটা কথা স্পষ্ট কৰি থোৱা ভাল যে সুধাকণ্ঠই গোৱা বিহুগীতত উল্লিখিত কপৌ, কেতেকী ফুলৰ কথা এই লেখাত সামৰি লোৱা হোৱা নাই। গণশিল্পী মঘাই ওজাৰ স্মৃতিত শোকাৰ্ত হৈ তেওঁ লিখিছিল—

'মাধৈমালতী ফুলিও নুফুলে
ঢেঁকীও থমকি ৰয়
মঘাই ওজা নাই'
(কুলিটোৱে বাৰে বাৰে কান্দে)।

শিশুৰ চিৰন্তন বিস্ময়কৰ প্ৰকৃতি জগতৰ বুকুৰ পৰা ৰং বুটলি সুধাকণ্ঠই লিখিছিল,

'বাওধানৰ সোণপথাৰৰ হালধীয়া চৰাই
আৰু হালধীয়া সৰিয়হৰ ফুলৰ পাপৰিয়ে
হালধীয়া ৰহণ মোক বেচে ঘনে ঘনে
হে ৰং কিনিবা কোনে' (ৰং কিনিবা কোনে)।

সেইদৰে 'ৰং ৰং নানা ৰং' নামৰ গীতটিত শিশুৰ বাবে লিখিছিল,

'সৰিয়হ ফুলনি চোৱা মিঠা হালধীয়া
আমাৰ এই যাত্ৰা চোৱা নানা ৰহণীয়া'।

ড° হাজৰিকাৰ গীতত এনে এটি বিষয় নাই, যিটো তেওঁ স্পৰ্শ কৰা নাই; এনে এটি জনগোষ্ঠী নাই, যাক লৈ তেওঁ গীত লিখা নাই; এনে এটি লোকসংগীতৰ শাখা নাই, যাৰ আধাৰত তেওঁ সুৰাৰোপ কৰা নাই। মিচিংসকলৰ লোক-কৃষ্টি উজলি উঠা এটি গীত—

'সৰিয়হৰ ফুল হেন ৰিবি গাচেংখনি
তই বুকুতে বান্ধিলি
আৰু কঁপি উঠিল দিচাঙৰে
মিঠা মিঠা মিঠা ঢৌটি'
(বোলোঁ অ' মিচিং ডেকাটি)।

১৯৫৫ চনত নিৰ্মিত 'পিয়লি ফুকন' ছবিখনত সুধাকণ্ঠই সন্নিৱিষ্ট কৰা 'গাঁৱৰে জীয়ৰী সপোন সুন্দৰী' শীৰ্ষক গীতটিত উল্লেখ আছে চম্পা ফুলৰ—

'দেহৰ বৰণ চম্পা ফুলীয়া
চুলিৰ বৰণ মোৰ এন্ধাৰ কলীয়া
খোজত মলয়া বয়'।

অন্যান্য গীতৰ ভিতৰত,
'এদিন দিছিলা গোলাপ এটি
তাতো আছিল তাৰ কাঁইট এটি
বিন্ধিব কলিজাৰ জোৱাৰ উঠি
সোঁৱৰাই তোমাৰেই প্ৰতিশ্ৰুতি'
(তোমাক সজাম বুলি)।

'ছোটো ঘৰেৰ বহু বেটী পিঠে পৰে চুল গো
যৌৱনেৰে আংগনাই উৰে গেন্দা ফুল গো'

(জিগিজা গিজাওঁ) বুলি গেন্দা ফুলকো তেওঁৰ গীতত ঠাই দিছে। এনেদৰে প্ৰকৃতিৰ অনবদ্য উপাদান ফুল ড° ভূপেন হাজৰিকাৰ সৃষ্টিকৰ্মত মূৰ্তমান হৈছে। পূৰ্বতেও কোৱা হৈছে, সুধাকণ্ঠৰ গীত এটা বিশাল অধ্যায়। ইয়াক সাধাৰণ এটা আলোচনাত সামৰাটো কঠিন। তেওঁৰ সাগৰ-সংকাশ প্ৰতিভাক আমি মূৰ দোঁৱাবহে পাৰোঁ, তাৰ মূল্যায়ন কৰিবলৈ অপাৰগ। ❖



# ড° ভূপেন হাজৰিকাৰ জীৱন-ৰেখা

■ অভিজিত শৰ্মা বৰুৱা



বিভিন্ন ক্ষেত্ৰত বিখ্যাত হোৱা বা পাৰদৰ্শিতা দেখুওৱা মানুহ অসমত নথকা নহয়। আমাৰ মাজত অসম সাহিত্য সভাৰ সভাপতিৰ পদ শুৱনি কৰা যোগ্য লোক আছে, কিন্তু সেইসকলৰ কোনেও ন-দহখন চিনেমা পৰিচালনা কৰি তাৰে একাধিক চিনেমাৰ বাবে ৰাষ্ট্ৰীয় পুৰস্কাৰ পোৱা নাই। আমাৰ মাজত বিধায়ক আছে, কিন্তু কোনো বিধায়কে শ্ৰেষ্ঠ সংগীত পৰিচালনাৰ ৰাষ্ট্ৰীয় বঁটা পোৱা নাই। অসমৰ ইমূৰে-সিমূৰে মঞ্চত তোলপাৰ লগোৱা গায়ক অসমত আছে, পাছে ভাৰতৰ আন ঠাইত আৰু জাপান, ৰাছিয়া, আমেৰিকা যুক্তৰাষ্ট্ৰ, ইংলণ্ড, জাৰ্মানী আদি প্ৰাচ্য-পাশ্চাত্যৰ দেশত গীতেৰে আলোড়ন সৃষ্টি কৰিব পৰা অসমীয়া গায়ক নাই। অসমৰ কোনো সংগীতজ্ঞই হয়তো বিদেশত গৱেষণা কৰি ডক্টৰেট ডিগ্ৰী লাভ কৰা নাই। অসমত বাতৰি কাকত-আলোচনীৰ প্ৰতিভাশালী সম্পাদক, লেখক-সাংবাদিক আছে, পাছে সেইসকলৰ কোনেও দাদাচাহেব ফাল্কে পুৰস্কাৰ পোৱা নাই। বিশ্ববিদ্যালয়ৰ অধ্যাপক, ইফালে সংগীত-নাটক একাডেমীৰ অধ্যক্ষ এনে অসমীয়াও বোধকৰোঁ নাই। একেলগে লতা মংগেশকাৰ বঁটা, পদ্মভূষণ সন্মান, শংকৰদেৱ বঁটা, অসম ৰত্ন সন্মান পোৱা অসমীয়ানো কেইজন আছে? অসমত বিখ্যাত আৰু জনপ্ৰিয় লোকৰ মৃত্যুৰ পাছত বিশ্ব অভিলেখ সৃষ্টি কৰা গুণমুগ্ধৰ সমাগম এজন ব্যক্তিৰ পৰাই আৰম্ভ হৈছিল। যিজন অসমীয়াই এই সকলোবোৰ সম্ভৱ কৰি দেখুৱালে, তেওঁ হ'ল অসমীয়াৰ হিয়াৰ আমঠু— ড° ভূপেন হাজৰিকা।

- ১৯২৬ চনৰ ৮ ছেপ্টেম্বৰত শদিয়াত ভূপেন হাজৰিকাৰ জন্ম হয়।
- তেওঁৰ দেউতাকৰ নাম আছিল নীলকান্ত হাজৰিকা আৰু মাকৰ নাম শান্তিপ্ৰিয়া হাজৰিকা।
- নীলকান্ত হাজৰিকাই বিএ পাছ কৰি শদিয়াৰ এমই স্কুল এখনত চাকৰি কৰিছিল।
- ভূপেন হাজৰিকাৰ শিশু অৱস্থাতে দেউতাকে গুৱাহাটীৰ কটন কলেজিয়েট স্কুলত শিক্ষক হিচাপে নিযুক্তি লাভ কৰি গুৱাহাটীলৈ অহাত তেৰোঁ তালৈ আহিল।
- দেউতাকৰ জোৰতে এবাৰ কটন কলেজিয়েট স্কুলৰ এক অনুষ্ঠানত পাঁচ বছৰীয়া ভূপেন হাজৰিকাক ধুতি-পাঞ্জাবী পিন্ধাই মঞ্চত উঠাই হাৰমনিয়ামৰ সুৰত গান গাবলৈ দিয়া হ'ল। তাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাদেৱে অকণমানি ল'ৰা এটাই এনেকৈ হাৰমনিয়ামৰ সুৰৰ লগত সুৰ মিলাই সুললিতভাৱে গান গোৱা দেখি উঠি আহি ভূপেনক কোলাত তুলি মৰমৰ আশিস দি ক'লে যে তেওঁ কলিকতাতহে এনে কোমল বয়সতে ভাল গান গোৱা 'মাষ্টাৰ মদন' নামৰ ল'ৰাৰ কথা জানিছিল, আৰু এতিয়া নিজ মাতৃভূমি অসমত তাতকৈও ভাল গান গোৱা সৰু ল'ৰা এটা দেখিলে।
- ভূপেন হাজৰিকাই প্ৰথম নামভৰ্তি কৰে কটন কলেজিয়েট স্কুলত।
- নীলকান্ত হাজৰিকাই প্ৰতিযোগিতামূলক পৰীক্ষা দি ভাল চাকৰি পাই ধুবুৰীলৈ গ'লেও ভূপেনে শৈশৱৰ কিছু বছৰ গুৱাহাটীৰ ভৰলুমুখ অঞ্চলত থকা তেওঁৰ ককাক-আইতাকৰ ঘৰত কটাইছিল।
- ১৯৩৫ চনত ভূপেন হাজৰিকাই দেউতাকৰ লগত থাকি পঢ়িবলৈ ধুবুৰীৰ স্কুলত ভৰ্তি হ'লগৈ।

ধুবুৰীত পঢ়াৰ সময়ত তেওঁৰ দুজন অন্তৰংগ বন্ধু আছিল কিৰণময় লাহিড়ী আৰু হেনা গাংগুলী। হেনা গাংগুলী পাছত আৰ চি পি আইৰ নেতা হৈছিল আৰু কিৰণময় লাহিড়ী 'চিফ জাষ্টিচ অফ আছাম' হৈছিল।

- দেউতাক ধুবুৰীৰ পৰা বদলি হোৱা বাবে ছমাহমানৰ পাছত ভূপেন হাজৰিকাক আকৌ গুৱাহাটীলৈ আনি কটন কলেজিয়েট স্কুলত ভৰ্তি কৰাই দিয়া হ'ল।
- কটন কলেজিয়েটৰ পৰা তেওঁ পঞ্চম শ্ৰেণীৰ পৰীক্ষাত উত্তীৰ্ণ হ'ল।
- ১৯৩৫ চনতে নীলকান্ত হাজৰিকা ধুবুৰীৰ পৰা তেজপুৰলৈ বদলি হৈ আহিল। ১৯৩৬ চনত দহ বছৰীয়া ভূপেনক কটন কলেজিয়েটৰ পৰা নি তেজপুৰ চৰকাৰী হাইস্কুলৰ ষষ্ঠ শ্ৰেণীত নাম লগাই দিয়া হ'ল। ১৯৩৬ চনৰ পৰা ১৯৪০ চনলৈকে ভূপেন হাজৰিকাই তেজপুৰত অধ্যয়ন কৰিছিল।
- ভূপেন হাজৰিকা ষষ্ঠ শ্ৰেণীত থাকোঁতেই 'শোণিতকুঁৱৰী'ৰ কলিকতাত (এতিয়াৰ কলকাতা) ৰেকৰ্ডিং কৰা হৈছিল আৰু তাৰ ডাবিঙত ভূপেন হাজৰিকাই ভাগ লৈছিল।
- ভূপেন হাজৰিকাই কলিকতাত নাৰী চৰিত্ৰৰ বাবেও গীত ৰেকৰ্ড কৰিবলগীয়া হ'ল। গান দুটা আছিল বিষ্ণুপ্ৰসাদ ৰাভাই লিখা আৰু সুৰ দিয়া 'কাষতে কলচী লৈ যায় ঐ ৰচকী বাই' আৰু 'উলাহেৰে নাচি বাগি হ'লি বিয়াকুল'।
- প্ৰথম ৰেকৰ্ডখন ভাল হোৱাৰ পাছত জ্যোতিপ্ৰসাদে ভূপেন হাজৰিকাৰ কণ্ঠেৰে দ্বিতীয়খন ৰেকৰ্ড তৈয়াৰ কৰিলে। এয়া আছিল ভূপেন হাজৰিকাৰ প্ৰথম একক ৰেকৰ্ডিং। ৰেকৰ্ড কৰা হৈছিল 'ছেনোলা মিউজিকেল প্ৰডাক্টছ কোম্পানী'ত। বয়স হিচাপত ভূপেন হাজৰিকা গ্ৰামোফোন ৰেকৰ্ডত গীত ৰেকৰ্ড কৰা কনিষ্ঠতম শিল্পী হিচাপে পৰিগণিত হৈছিল।
- ভূপেন হাজৰিকাৰ ১১ বছৰ বয়সত বিষ্ণুপ্ৰসাদ ৰাভাই ৰচনা আৰু পৰিচালনা কৰা 'বেউলা' নামৰ নাটখনি ছেনোলা কোম্পানীত ৰেকৰ্ডিং কৰা হয়। তাত ভূপেন হাজৰিকাই অংশগ্ৰহণ কৰিছিল আৰু 'বেউলা' নাটৰ সফলতাত তেওঁৰো যথেষ্ট কৃতিত্ব আছিল।
- নীলকান্ত হাজৰিকা 'জয়ন্তী' আৰু 'অসমীয়া' কাকতৰ নিয়মীয়া গ্ৰাহক আছিল। ভূপেন হাজৰিকাই সেই কাকতবোৰ পঢ়িছিল। তেতিয়া তেজপুৰ চৰকাৰী হাইস্কুলৰ পৰা এখন হাতে লিখা আলোচনী ওলাইছিল। ভূপেন হাজৰিকাই তাত লিখা-মেলা কৰিছিল।
- ১৯৩৭ চনত ভূপেন হাজৰিকাই তেওঁৰ জীৱনৰ প্ৰথমটো গীত ৰচনা কৰি তেওঁৰ বৰ্ণাঢ্য গীতিকাৰ জীৱনৰ পাতনি মেলে। সেই গীতটি আছিল— 'কুসুম্বৰ পুত্ৰ শ্ৰীশংকৰ গুৰুৱে ধৰিছিল নামৰে তান / নামৰে সুৰতে আনন্দত নাচিছিল পবিত্ৰ বৰদোৱা থান / মোৰ গুৰু ঐ, পবিত্ৰ বৰদোৱা থান'।
- ১৯৩৪ চনত পিতৃ নীলকান্ত হাজৰিকাই 'অ' মইনা কেতিয়া আহিলি তই / অহাৰ লগতে বননিৰ মাজতে / ফুলে বৰণীয়া জাই / মলয়া বতাহো লগতে আনিলি / গা-নো শাঁতে পৰি যায় / শুৱলা গীত এটি গায়' বুলি গীত এটা ৰচনা কৰিছিল। ভূপেন হাজৰিকাই এই গীতটি সুৰ দি গাইছিল। ঘটনাক্ৰমে এই গানটোৱেই কলিকতা অনাতাঁৰ কেন্দ্ৰৰ পৰা প্ৰচাৰিত ভূপেন হাজৰিকাৰ কণ্ঠৰ প্ৰথম গান আছিল। ১৯৩৯ চনত এই গানটো প্ৰচাৰিত হৈছিল। পাছত ১৯৪৩ চনত এই গীতটি বিষ্ণু ৰাভাৰ পৰিচালনাত ছেনোলা কোম্পানীত ৰেকৰ্ড কৰা হয়।
- ১৯৩৯ চনত ভূপেন হাজৰিকাই তেওঁৰ জীৱনৰ দ্বিতীয়টো গীত — 'অগ্নি যুগৰ ফিৰিঙতি মই / নতুন ভাৰত গঢ়িম / সৰ্বহাৰাৰ সৰ্বস্ব পুনৰ ফিৰাই আনিম / নতুন ভাৰত গঢ়িম'। তেওঁ নিজে সেই গীতটোত সুৰাৰোপ কৰিছিল আৰু আকাশবাণী কলিকতাৰ যোগেদি সেই গীতটি পৰিবেশন কৰিছিল। আকাশবাণীয়ে তেওঁক গানটোৰ বাবে পাঁচ টকা পাৰিশ্ৰমিক দিছিল।
- পাছত 'চিৰাজ' কথাছবিৰ বাবে এই গীতটি ৰেকৰ্ড



কৰোঁতে বিষ্ণু ৰাভাদেৱৰ পৰামৰ্শত 'নতুন ভাৰত গঢ়িম'ৰ ঠাইত 'নতুন অসম গঢ়িম' বুলি গোৱা হ'ল।

- ১৯৩৯ চনত ভূপেন হাজৰিকাই হাইস্কুলত পঢ়ি থকা অৱস্থাতে পোনপ্ৰথমবাৰৰ বাবে কথাছবিত অভিনয় কৰে আৰু গীতত কণ্ঠদানো কৰে। কথাছবিখন আছিল জ্যোতিপ্ৰসাদ আগৰৱালাৰ দ্বিতীয়খন ছবি 'ইন্দ্ৰমালতী'। ভূপেন হাজৰিকাই এই ছবিত অভিনয় কৰি 'বিশ্ব বিজয়ী ন জোৱান' গীতটো গাইছিল আৰু এই গীতটি বেছ জনপ্ৰিয় হৈ পৰিছিল।
- ১৯৩৯ চনতে অনুষ্ঠিত অসম সাহিত্য সভাৰ অধিবেশনত ভূপেন হাজৰিকাই বিষ্ণু ৰাভাই শিকাই দিয়া 'বিশ্বৰ ছন্দে ছন্দে' গীতটো গাইছিল। ইয়াৰ পাছত গায়ক হিচাপে ভূপেনৰ সুনাম অসমত বিয়পিবলৈ আৰম্ভ কৰিলে।
- ১৯৪০ চনত ভূপেন হাজৰিকাই তেজপুৰ চৰকাৰী হাইস্কুলৰ পৰা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হয়। ভূপেন হাজৰিকাই মাত্ৰ তেৰ বছৰ ন মাহ বয়সত মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈছিল। আচলতে তেওঁ ক, খ বা প্ৰথম, দ্বিতীয় শ্ৰেণীত নপঢ়ি তৃতীয় শ্ৰেণীতহে স্কুলত ভৰ্তি হৈছিল তথা তেওঁৰ গান-বাজনা-ৰেকৰ্ডিং বা অন্য কাৰণত এটাও শৈক্ষিক বৰ্ষ নষ্ট হোৱা নাছিল। মেট্ৰিক দিয়াৰ সময়ত যাতে স্কুলৰ হিচাপমতে নিৰ্দিষ্ট বয়সপ্ৰাপ্ত হয়, তাৰ বাবে দেউতাকে ভূপেন হাজৰিকাৰ বয়স এবছৰ বেছি কৰি দিবলগীয়া হৈছিল।
- তাৰ পাছত তেওঁ কলেজীয়া শিক্ষা লাভ কৰিবলৈ গুৱাহাটীলৈ যায় আৰু কটন কলেজত নামভৰ্তি কৰে।
- ভূপেন হাজৰিকাই কটন কলেজত এডমিছন লোৱাৰ কিছুদিনৰ পাছত তাত নবাগত আদৰণি অনুষ্ঠানৰ আয়োজন কৰা হ'ল। ভূপেন হাজৰিকাই তাত ক'বলৈ বুলি দেউতাকে ইংৰাজীত এক নাতিদীৰ্ঘ বক্তৃতা লিখি দিছিল। ভূপেনে সেইমতে মুখস্থও কৰিছিল। পাছে ক'বৰ সময়ত ভূপেন হাজৰিকাই সেইবোৰ সকলো পাহৰিলে। কি কৰোঁ, কি নকৰোঁ ভাবত ভূপেন হাজৰিকাই এটা গানেই আৰম্ভ কৰি দিলে — 'দূৰণিৰ হৰিণী সৰু গাঁওখনি/ তাৰ এটি পঁজাতে ...'। সেই গান শুনি উপস্থিত ছাত্ৰসকলৰ লগতে অধ্যাপকগণো গানত মন্ত্ৰমুগ্ধ হৈ গ'ল। ভূপেন হাজৰিকা কটন কলেজত জনপ্ৰিয় হৈ উঠিল।
- ১৯৪১ চনত ভূপেন হাজৰিকাই কটন কলেজৰ পৰা আইএ পাছ কৰিলে।
- ১৯৩৯ চনত বিশ্বত দ্বিতীয় মহাযুদ্ধ আৰম্ভ হৈছিল আৰু ভূপেন হাজৰিকাই আইএ পাছ কৰা সময়ত এই যুদ্ধই ভৰপক দিছিল। কটন কলেজত পঢ়া-শুনা বন্ধ হৈ গ'ল। ছুডমাৰ্ছন হল মিলিটেৰীয়ে দখল কৰি ল'লে।
- ভূপেন হাজৰিকা পঢ়িবলৈ বাহিৰলৈ গ'ল। দেশৰ মাত্ৰ কেইখনমান শিক্ষানুষ্ঠান, বিশ্ববিদ্যালয়ত নামভৰ্তি হৈ আছিল। ভূপেন হাজৰিকা কলিকতা, আৰু পাছত পাটনা পালেগৈ। কিন্তু তাত ইতিমধ্যে এডমিছন হৈয়েই গ'ল। তেওঁ বেনাৰস বিশ্ববিদ্যালয় পালেগৈ আৰু তাৰ উপাচাৰ্য্য সৰ্বেপল্লী ৰাধাকৃষ্ণণক অনুৰোধ কৰি ১৯৪২ চনত তাত ভৰ্তি হ'ল। ৰাধাকৃষ্ণণৰ সহায়ত তেওঁ ৰাজনীতি বিজ্ঞান আৰু দৰ্শন— দুটা বিষয়ত অনাৰ্ছ লৈ তাত পঢ়িবলৈ ল'লে।
- বেনাৰসত বিএ পঢ়ি থকাৰ সময়ত ভূপেন হাজৰিকা প্ৰখ্যাত শিল্পী কণ্ঠে মহাৰাজ, আনোখেলাল আদিৰ ঘৰলৈকো গৈছিল। বিছমিল্লাহ খানৰ ঘৰৰ বাহিৰত ৰৈ ৰৈ তেওঁৰ ৰেৱাজ শুনিছিল। বেনাৰসৰ দালমণ্ডিত থকা 'তৱাইফ'সকলৰ কুঠিলৈ গৈও তেওঁ গান শুনিছিল।
- বেনাৰসত থাকোঁতেই মাৰ্ক্সবাদৰ প্ৰতিও ভূপেন হাজৰিকাৰ মনত আকৰ্ষণৰ সৃষ্টি হ'ল। তেওঁ প্ৰায়ে আচাৰ্য্য নৰেন্দ্ৰ দেৱৰ 'মাৰ্ক্সিষ্ট ক্লাছ'ত উপস্থিত আছিল।
- বেনাৰসত এমএ পঢ়ি থকা সময়ত ভূপেন হাজৰিকা এবাৰ ঘৰলৈ আহিছিল। তেতিয়া

বিষ্ণুপ্ৰসাদ ৰাভা সেই আগৰ দৰে মুক্তভাৱে সংস্কৃতিৰ সেৱা কৰা লোক নহয়। তেওঁক 'কমিউনিষ্ট' আখ্যা দি তেওঁৰ বিৰুদ্ধে গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰা হৈছে। তেওঁ পলাতক হৈ আছে। বিষ্ণু ৰাভাই খবৰ পঠিয়ালে— "কামাখ্যা পাহাৰৰ তলত মোক লগ ধৰিবা। আহিবা। থাকিব। লৈ আহিব।" ভূপেন হাজৰিকা সেইমতে গ'ল। পলাতক বিষ্ণু ৰাভাক লগ ধৰিলে, বহু কথা আলোচনা কৰিলে। সেইবোৰ কৰোঁতে ৰাতি দেৰি হ'ল। ঘৰ পাওঁতে শেষ ৰাতি তিনিমান বাজিল। আহি দেখে— দেউতাক নীলকান্ত হাজৰিকা খণ্ডত একো নাই হৈ আছে। গালিৰ লগতে বোধকৰোঁ এটা চৰেও ভূপেন হাজৰিকাক ঘৰত স্বাগতম জনালে। বুজা গৈছিল যে চৰকাৰে বেয়া পোৱা ধৰণৰ কাম নীলকান্ত হাজৰিকাই নিজেও কৰা নাছিল আৰু বৰ পুত্ৰ ভূপেন হাজৰিকাই কৰাটোও বিচৰা নাছিল।

- বেনাৰসত পঢ়ি থকা সময়তে ১৯৪৩ চনত ভূপেন হাজৰিকাই কলিকতালৈ গৈ ছেনোলা কোম্পানীৰ জৰিয়তে নিজৰ সুৰাৰোপিত আৰু ৰেডিঅ'ৰ যোগেদি গোৱা গানৰ ৰেকৰ্ড উলিয়ায়। তাত সহশিল্পী হিচাপে আছিল তেওঁৰ নিজৰে ভগ্নী কুইন হাজৰিকা।
- ১৯৪৪ চনত ভূপেন হাজৰিকাই বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ পৰা ৰাজনীতি বিজ্ঞানৰ উপৰি দৰ্শন বিষয়তো সন্মানসহ স্নাতক ডিগ্ৰী লাভ কৰে। তাৰ পাছত তেওঁ তাতে ৰাজনীতি বিজ্ঞানত এমএ পঢ়িবলৈ লয়।
- ১৯৪৬ চনত ভূপেন হাজৰিকাই বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ পৰা ৰাজনীতি বিজ্ঞানত এমএ ডিগ্ৰী লাভ কৰিলে। তেওঁ সৰ্বেপল্লী ৰাধাকৃষ্ণণৰ তলত দৰ্শনো পঢ়িছিল। এমএ পাছ কৰাৰ পাছত ভূপেন হাজৰিকা বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ কনিষ্ঠতম ছাত্ৰ আছিল বুলি উল্লেখ কৰি উপাচাৰ্য্য ৰাধাকৃষ্ণণে তেওঁক কৈছিল— 'ইউ আৰ দ্য ইয়ংগেষ্ট ইট ছীমছ।'
- এমএ পাছ কৰাৰ পাছত ভূপেন হাজৰিকাই আইন পঢ়িবলৈ ইচ্ছা কৰি আৰ্ল ল কলেজত এডমিছন ল'লে। পাছে ঘৰুৱা দায়িত্বৰ বাবে অধিক পঢ়া-শুনা সাময়িকভাৱে হ'লেও বাদ দি বি বৰুৱা কলেজৰ প্ৰবক্তাৰ চাকৰিত যোগদান কৰিলে।
- বি বৰুৱা কলেজৰ চাকৰি ছমাহমান কৰাৰ পাছতে তেওঁ গুৱাহাটী-শ্বিলং ৰেডিঅ'ৰ প্ৰগ্ৰেম এছিষ্টেণ্টৰ চাকৰিত যোগদান কৰিলে। পাছে ঘৰৰ অভাৱ দূৰ নহয় হে নহয়। পইচা দিব নোৱৰা বাবে এবাৰ বিদ্যুৎ সংযোগো কটা গ'ল।
- ১৯৪৮ চনৰ ১৬ জানুৱাৰীত ষষ্ঠখন অসমীয়া চলচ্চিত্ৰ 'চিৰাজ'ৰ মুক্তি লাভ হয়। এই ছবিখন যুটীয়াভাৱে পৰিচালনা কৰিছিল ফণী শৰ্মা আৰু বিষ্ণুপ্ৰসাদ ৰাভাই। ভূপেন হাজৰিকাই এই ছবিৰ অনিল নামৰ এটা উল্লেখযোগ্য চৰিত্ৰত অভিনয় কৰিছিল। শিৱপ্ৰসাদ ভট্টাচাৰ্য্যৰ সৈতে তেওঁ এইখন ছবিৰ সংগীত পৰিচালনাৰ লগতো জড়িত আছিল। 'চিৰাজ'ৰ বাবে তেওঁ লিখা, সুৰ দিয়া আৰু কণ্ঠদান কৰা দুটি গীত ব্যৱহৃত হৈছিল— 'অগ্নিযুগৰ ফিৰিঙতি মই /নতুন অসম গঢ়িম' আৰু 'হায় হায় হায় / কঁপি উঠে কিয় তাজমহল / পুৰতি নিশাৰ অজানাৰ সৈতে আজান / যমুনাত তুলি শত ধুমুহাৰ কোলাহল/ তাজমহল তাজমহল'। এনেকৈয়ে তেওঁৰ বাবে আয়ৰ পথ এটাও মেল খাইছিল।
- ১৯৪৮ চনৰ ৩০ জানুৱাৰীত মহামানৱ মহাত্মা গান্ধীৰ মৃত্যু হোৱাৰ পাছত ফেব্ৰুৱাৰী মাহৰ ১২ তাৰিখে বাপুজীৰ অস্থিভস্ম আহি গুৱাহাটীৰ শুক্ৰেশ্বৰ ঘাট পোৱা উপলক্ষে ভূপেন হাজৰিকাই এটি গীত ৰচনা কৰিছিল— 'তেৰশ চৌৰন্নৰ মাঘৰে মাহৰে/ যোল্লৰে বিয়লি বেলা / পৃথিৱীৰ শিৰতে বজ্ৰপাত পৰিলে / বাপুজী ক'লৈনো গ'লা?' ভূপেন হাজৰিকাৰ ভনীয়েক কুইনে অতি মৰ্মস্পৰ্শীকৈ এই গীতটি গাই গোপীনাথ বৰদলৈ প্ৰমুখ্যে সকলোকে কন্দুৱাই তুলিছিল।



- ১৯৪৮-৪৯ চনত গুৱাহাটীৰ অনাতাঁৰ কেন্দ্ৰত চাকৰি কৰি থাকোঁতে ভূপেন হাজৰিকাই বহুতো অমৰ গীত ৰচনা কৰিছিল।
- অসম চৰকাৰৰ এক ছাত্ৰবৃত্তি লাভ কৰি ১৯৪৯ চনৰ ছেপ্টেম্বৰ মাহত ভূপেন হাজৰিকা আমেৰিকা যুক্তৰাষ্ট্ৰ পায়গৈ। তাত অৱশ্যে তেওঁ পঢ়িবলৈ সুবিধা পোৱা কলম্বিয়া বিশ্ববিদ্যালয় পোৱাৰ আগতে তেওঁক কমিউনিষ্ট বুলি সন্দেহ কৰাত এসপ্তাহ জেলত থকাদি আবদ্ধ হৈ থাকিবলগীয়া হৈছিল।
- তাৰ পৰা মুকলি হৈ আহি ভূপেন হাজৰিকাই কলম্বিয়া বিশ্ববিদ্যালয়ৰ গণ সংযোগ বিভাগৰ স্নাতকোত্তৰ শ্ৰেণীত নামভৰ্তি কৰিলে। অৱশ্যে নামভৰ্তি কৰাৰ আগতে তেওঁ ইংৰাজী ভাষাজ্ঞানৰ এক পৰীক্ষা দিবলগীয়া হৈছিল। সেই পৰীক্ষাত ভূপেন হাজৰিকা প্ৰথম হ'ল।
- ভূপেন হাজৰিকাই থাকিবলৈ ল'লে নিউয়ৰ্কৰ ইণ্টাৰনেছনেল হাউছত। তাতে তেওঁ লগ পালে হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ৰ ভাৰতীয় শিক্ষক ড° অমিয় চক্ৰৱৰ্তীক। চক্ৰৱৰ্তীৰ লগত ভূপেন হাজৰিকাৰ এক সুসম্পৰ্ক গঢ় লৈ উঠে। অমিয় চক্ৰৱৰ্তীয়ে তেওঁক ক'লে, "পি এইচ ডিতো কৰিব লাগিবই। তাৰ আগতে যিমান পাৰি সোনকালে এমএ পাছ কৰা। এনেয়ে দুবছৰমান সময় লাগিলেও ইচ্ছা কৰিলে ডেৰ বছৰতো শেষ কৰিব পৰা যায়।" ভূপেন হাজৰিকাই সেই চেষ্টা কৰাৰে সিদ্ধান্ত ল'লে।
- কিছুদিন পাছত ইণ্টাৰনেছনেল হাউছত তেওঁ এঘণ্টা লিফ্‌ট চলোৱাৰ এটা পাৰ্টটাইম কামো পালে। পাৰিশ্ৰমিক হ'ল— চাৰি ডলাৰ। তাৰ কিছুদিন পাছত তেওঁ ছুইমিং পুলৰ বাহিৰত কাপোৰৰ ৰখীয়াৰ চাকৰি এটাও কৰিবলৈ ল'লে। তাৰো পাছত তেওঁ গৰমৰ বন্ধত হলিউডত পাৰ্ট টাইম চাকৰিও কৰিছিল।
- ১৯৪৯ চনতে চিকাগো ৰেল ষ্টেছনত এদিন ৰেলৰ উঠাৰ আগতে মনলৈ অহা অনুভূতিক প্ৰকাশ কৰি তেওঁ এটি গীতেই ৰচনা কৰি পেলালে— 'ৰেল চলে মোৰ ৰেল চলে / ঝক ঝক ঝক ঝক ৰেল চলে'। ভূপেন হাজৰিকা নিউয়ৰ্কতো বিখ্যাত হৈ পৰিল আৰু তাৰ ভাৰতীয় ছাত্ৰ সংঘৰ সচিব নিৰ্বাচিত হ'ল।
- ১৯৪৯ চনত ভূপেন হাজৰিকাই নিউয়ৰ্ক টেলিভিছনৰ কাৰ্য্যসূচীত অংশগ্ৰহণ কৰে। প্ৰসংগতঃ উল্লেখযোগ্য যে এনে টেলিভিছন কাৰ্য্যসূচীত অংশগ্ৰহণ কৰা প্ৰথম অসমীয়া আছিল ভূপেন হাজৰিকা।
- ভূপেন হাজৰিকাই আমেৰিকাৰ প্ৰবাদপ্ৰতিম কৃষ্ণাংগ শিল্পী, এক প্ৰতিবাদী সত্তা পল ৰবছনক লগ ধৰিবলৈ সুযোগ বিচাৰি আছিল। পাছত তেওঁ পল ৰবছনক লগ পালে আৰু দুয়োৰে মাজত এক গুৰু-শিষ্যৰ সম্পৰ্কৰ সৃষ্টি হ'ল।
- ভূপেন হাজৰিকাই ডেৰ বছৰতে এমএ পাঠ্যক্ৰম শেষ কৰি গণ সংযোগত স্নাতকোত্তৰ ডিগ্ৰী অৰ্জন কৰিলে। তাৰ পাছত তেওঁ গৱেষণা আৰম্ভ কৰিলে। তাৰ কিছুদিনৰ পাছতে তেওঁৰ ছাত্ৰবৃত্তিৰ ম্যাদ শেষ হোৱাত তেওঁ অশেষ কষ্ট কৰি ধন ঘটিবলগীয়া হৈছিল।
- ১৯৫০ চনৰ ২৬ জানুৱাৰীত ভাৰতৰ গণৰাজ্য দিৱস উপলক্ষে ভাৰতীয় দূতাবাসত এক সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। তাতে ভূপেন হাজৰিকাৰ প্ৰিয়ম্বদা পেটেল নামৰ এজনী ধুনীয়া গুজৰাটী ছোৱালীৰ লগত চিনাকি হ'ল। দুয়োৰে মাজত প্ৰীতিৰ সম্পৰ্ক গঢ় লৈ উঠিল।
- ১৯৫০ চনৰ এক আগষ্টত আমেৰিকাতে দুয়োৰে মাক-দেউতাকৰ অনুপস্থিতিত ভূপেন-প্ৰিয়মৰ বিয়া হৈ গ'ল।
- ভূপেনৰ সন্তান তেওঁৰ গৰ্ভত স্থিত হোৱাৰ পাছত প্ৰিয়ম কাম্পলালৈ গ'ল আৰু তাৰ পৰা ভাৰতলৈ ঘূৰি গৈ তেওঁলোকৰ বৰোডাৰ ঘৰত বাস কৰিবলৈ ল'লে। কিছুদিনৰ পাছত ভূপেন-প্ৰিয়মৰ এক পুত্ৰসন্তানৰ জন্ম হয়।





- ১৯৫২ চনত ভূপেন হাজৰিকাই কলম্বিয়া বিশ্ববিদ্যালয়ৰ পৰা পি এইচ ডি ডিগ্ৰী লাভ কৰে। তেওঁৰ গৱেষণাৰ বিষয় আছিল— 'ৰ'ল অফ মাছ কমিউনিকেছ্ন ইন ইণ্ডিয়াছ এডাল্ট এডুকেছ্ন' (Role of mass communication in India's adult education)।
- ১৯৫২ চনত ভূপেন হাজৰিকা আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৰা ভাৰতলৈ উভতি আহে।
- ভূপেন হাজৰিকা আহি বোম্বাই পোৱাৰ পাছত শহুৰৰ ঘৰৰ কিছু লোক তেওঁক স্বাগতম জনাবলৈ বৰোডাৰ পৰা বোম্বাইলৈকে আহিল। প্ৰিয়মো আহিল। লগত এটি শিশু, প্ৰিয়ম-ভূপেনৰ সন্তান তেজ। বোম্বাইৰ পৰা আটায়ে সদলবলে বৰোডালৈ গ'ল।
- বৰোডাৰ পৰা অসমলৈ আহোঁতে ভূপেন হাজৰিকাই পত্নী প্ৰিয়ম আৰু সন্তান তেজকো লগতে লৈ আহিল। বৰোডাৰ পৰা বোম্বাই, তাৰ পৰা ৰেলেৰে কলিকতা আৰু কলিকতাত দুদিনমান থকাৰ পাছত শেষ পৰ্য্যন্ত গুৱাহাটী।
- ১৯৫২ চনৰ ৩ ডিচেম্বৰত গুৱাহাটীৰ ৰাইজ আৰু তৰুণ সেৱক সংঘই ড° ভূপেন হাজৰিকাক ৰাজহুৱাকৈ সম্বৰ্ধনা জনালে।
- গুৱাহাটীলৈ আহি ভূপেন হাজৰিকাই তেওঁৰ শিক্ষা-দীক্ষা বা জ্ঞানৰ জোখাৰে নহ'লেও ৰেডিঅ' ষ্টেছ্নতে কাম কৰিবলৈ ল'লে। দেউতাকৰ ভাৰা ঘৰটো নিচেই সৰু বাবে তেওঁ মাহেকত পঞ্চাছ টকা ভাৰাত আন এটা ঘৰ ভাৰালৈ ল'লে। প্ৰিয়মেও নিজকে অসমীয়া গৃহিণীৰ বেশত সজাই ল'ব খুজিলে।
- ১৯৫৪ চনৰ ৮ জানুৱাৰীত কলিকতাৰ সুনীল গংগোপাধ্যায়ে পৰিচালনা কৰা 'সতী বেউলা'ই মুক্তিলাভ কৰে। এই ছবিখনত ভূপেন হাজৰিকাই প্ৰথমবাৰৰ বাবে স্বাধীনভাৱে সংগীত পৰিচালনা কৰাৰ দায়িত্ব লাভ কৰে।
- ১৯৫৪ চনত কলিকতাৰ ৱেলিংটন স্কোৱাৰত গণনাট্য সংঘৰ প্ৰথম প্ৰাদেশিক সন্মিলন অনুষ্ঠিত হয়। তাত ভূপেন হাজৰিকাই গীত পৰিৱেশন কৰে। তেওঁৰ লগত অনুষ্ঠান পৰিৱেশন কৰিবলৈ গৈছিল অসমৰ এজন বিখ্যাত ঢোলৰ ওজা মঘাই ওজা।
- ১৯৫৪ চনত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰবক্তা হ'ল। তাৰ পাছত গানৰ জৰিয়তেই তেওঁ বিশ্ববিদ্যালয়ৰ ডেকা প্ৰবক্তাসকল আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বেছ জনপ্ৰিয় হৈ পৰিল।
- ১৯৫৫ চনত দিল্লীত আন্তঃবিশ্ববিদ্যালয় যুৱ উৎসৱ অনুষ্ঠিত হৈছিল। তাত অংশগ্ৰহণ কৰিবৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ এটা দল গৈছিল। দলটোৰ পৰিচালনা তথা নেতৃত্বত আছিল— তৰুণ প্ৰবক্তা ভূপেন হাজৰিকা। সেই বছৰ গুৱাহাটী বিশ্ববিদ্যালয় দলটোৱে শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰে।
- ১৯৫৬ চনত ফিনলেণ্ডৰ হেলছিংকিত বিশ্ব শান্তি সন্মিলন অনুষ্ঠিত হৈছিল। এই সন্মিলনত ভাগ ল'বৰ বাবে ভূপেন হাজৰিকা কৃষণ চন্দৰ, এম এফ হুছেইন, বালচন্দৰ, মুল্কৰাজ আনন্দ আদিৰ লগত ফিনলেণ্ডলৈ যায়।
- বিদেশৰ পৰা ঘূৰি অহাৰ কিছুদিন পাছতে ভূপেন হাজৰিকাৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষৰ লগত সংঘাত হয় আৰু তেওঁ চাকৰিৰ পৰা অব্যাহতি লয়। ভূপেন হাজৰিকাই চাকৰি-বাকৰি নকৰি কলা-সংস্কৃতিৰ ক্ষেত্ৰখনত কাম কৰিবলৈহে দৃঢ় সংকল্প ল'লে।
- ১৯৫৬ চনত তেওঁ টালি-টোপোলা বান্ধি কলিকতালৈ গুচি গ'ল। লগত প্ৰিয়ম আৰু শিশু পুত্ৰ। কলিকতাত ভূপেন হাজৰিকাৰ আন এক সংগ্ৰামৰ কাল আৰম্ভ হৈ গ'ল। প্ৰিয়মে পুত্ৰক লৈ বৰোডালৈ গুচি গ'ল।
- ভূপেন হাজৰিকাই তাতে থাকি 'পিয়লি ফুকন'ৰ সংগীত পৰিচালনা কৰে আৰু ছশ টকা পায়। তাৰ পাছত তেওঁ কেইবাখনো বাংলা কথাছবিৰো সংগীত পৰিচালনাৰ দায়িত্ব লাভ কৰে। সেই কাম কৰি কম সময়ৰ ভিতৰতে তেওঁৰ হাতলৈ কিছু টকা



আহিল। সংগীতৰ জৰিয়তে কৰা আয়েৰে পাছত তেওঁ কলিকতাৰ টালিগঞ্জত এটা ঘৰেই কিনি পেলায়।

- ১৯৫৬ চনতে ভূপেন হাজৰিকাই তেওঁৰ এটি সপোনৰ প্ৰজেক্ট বাস্তৱায়িত কৰি নিজাকৈ 'এৰা বাটৰ সুৰ' নামৰ এখন কথাছবিৰ কাম আৰম্ভ কৰে। এই চলচ্চিত্ৰখনৰ লগত প্ৰিয়ম ভালদৰে জড়িত আছিল। তাৰে এটা গান লতা মংগেশকাৰে গাইছিল। (জোনাকৰে ৰাতি অসমীৰে মাটি / জিলিকি জিলিকি পৰে / মলয়াৰে ছাটি দুহাতে সাবটি / ধুনীয়া মালতী সৰে)।
- ১৯৫৭ চনত ভূপেন হাজৰিকাই অসমীয়া কথাছবি 'ধুমুহা'ৰ সংগীত পৰিচালনা কৰে। তাৰ পাছত তেওঁ 'অসমাপ্ত', 'কড়ি ও কমল', 'জীৱন তৃষ্ণা' আদি বাংলা কথাছবিৰো সংগীত পৰিচালনা কৰে।
- ১৯৫৮ চনত ভূপেন হাজৰিকাৰ 'মাহুত বন্ধুৰে' কথাছবিখনে মুক্তি লাভ কৰে। সেই ছবিখন বেছ বিখ্যাত হ'ল আৰু ছবিখনে বক্স অফিচত সফলতাও অৰ্জন কৰিব পাৰিলে।
- ১৯৬০ চনত অসমত আৰম্ভ হ'ল ভাষা আন্দোলন। তাৰ প্ৰভাৱ আহি কলিকতাতো পৰিল। ভূপেন হাজৰিকা কলিকতাৰ পৰা আহি শ্বিলং পালে আৰু হেমাংগ বিশ্বাসক লগ ধৰিলে। ভাষা আন্দোলনৰ প্ৰভাৱ ভূপেন হাজৰিকাৰ বৃত্তিগত জীৱনত পাছে ভালকৈয়ে পৰিল। বাংলা সংগীত পৰিচালনাৰ যোগেদি তেওঁৰ আয় বন্ধ হৈ পৰিল।
- ১৯৬০-৬১ চনত তেওঁ পদ্ম বৰকটকীৰ দ্বাৰা সম্পাদিত আৰু কলিকতাৰ পৰা প্ৰকাশিত 'আমাৰ প্ৰতিনিধি' আলোচনীত নিয়মীয়া স্তম্ভ লিখিবলৈ আৰম্ভ কৰিলে।
- ১৯৬১ চনত ভূপেন হাজৰিকাৰ পৰিচালনাৰে 'শকুন্তলা' নামৰ চলচ্চিত্ৰখনে মুক্তি লাভ কৰে। কথাছবিখন বেছ সফল হ'ল। এই ছবিখনৰ সংগীতেও অসমত উখল-মাখল লগাবলৈ সক্ষম হৈছিল। এই কথাছবিখনৰ বাবে ভূপেন হাজৰিকাই ৰাষ্ট্ৰপতিৰ পুৰস্কাৰো লাভ কৰে।
- ১৯৬৩ চনত সৰ্বেশ্বৰ চক্ৰৱৰ্তীয়ে পৰিচালনা কৰা 'মণিৰাম দেৱান' নামৰ কথাছবিখনে মুক্তি লভে। এই কথাছবিৰ সংগীত পৰিচালনা কৰিছিল ড° ভূপেন হাজৰিকাই।
- ১৯৬৩ চনতে ভূপেন হাজৰিকাৰ জীৱনৰ আন এক উল্লেখযোগ্য ঘটনা ঘটে। তেওঁলোকৰ তেৰ বছৰীয়া বৈবাহিক জীৱনৰ অন্ত পেলাই প্ৰিয়ম হাজৰিকা আৰু ভূপেন হাজৰিকাৰ বিবাহ বিচ্ছেদ হয়।
- অৱশ্যে বৈবাহিক কাল বছৰৰ হিচাপত তেৰ বছৰ হ'লেও ইয়াৰ তিনি বছৰমানহে দুয়ো একেলগে আছিল, বাকীখিনি সময়ত এজন যদি এঠাইত, সিজন সিঠাইত। ভূপেন হাজৰিকা স্বভাৱতেই যাযাবৰ প্ৰকৃতিৰ। গতিকে তেওঁলোকৰ সন্তান তেজ মাকৰ লগত থাকিয়েই ডাঙৰ হৈছিল।
- ১৯৬৪ চনত ভূপেন হাজৰিকাৰ 'আগলি বাঁহৰে লাহৰী গগনা' নামেৰে এক গীতৰ সংকলন প্ৰকাশ পায়। সেই চনতে তেওঁ 'প্ৰতিধ্বনি' নামেৰে এখন কথাছবি নিৰ্মাণ কৰে।
- ১৯৬৫ চনত তেওঁ প্ৰথম অসমীয়া কলা আলোচনী 'গতি'ৰ সম্পাদনাৰ দায়িত্ব লয়। সেই বছৰৰে মে' মাহৰ পৰা তেওঁ 'আমাৰ প্ৰতিনিধি' নামৰ মাহেকীয়া আলোচনীখনৰো সম্পাদনাৰ দায়িত্ব বহন কৰে।
- ১৯৬৬ চনত ভূপেন হাজৰিকাই নিৰ্মাণ কৰে তেওঁৰ আন এখন উল্লেখযোগ্য কথাছবি 'লটিঘটি'। বেছ কম খৰচতে এই ছবিখন নিৰ্মাণ কৰা হৈছিল। শ্বুটিং শেষ কৰিছিল মাত্ৰ তেৰ দিনত। লটিঘটি এখন লেখত ল'বলগীয়া ব্যংগ কথাছবি আছিল। ভূপেন হাজৰিকাই এই কথাছবিৰ বাবে ৰাষ্ট্ৰপতিৰ পদকো লাভ কৰিবলৈ সক্ষম হৈছিল।
- ১৯৬৬ চনত ভূপেন হাজৰিকাৰ দেউতাক নীলকান্ত হাজৰিকাৰ পৰলোকপ্ৰাপ্তি হয়।
- ১৯৬৭ চনৰ অসম বিধান সভাৰ নিৰ্বাচনত ভূপেন হাজৰিকাই নাওবৈচা সমষ্টিৰ পৰা নিৰ্দলীয় প্ৰাৰ্থী

হিচাপে প্ৰতিদ্বন্দ্বিতা কৰিলে আৰু দেৱকান্ত বৰুৱাৰ পছন্দৰ কংগ্ৰেছী প্ৰাৰ্থীজনক চৈধ্য হাজাৰ ভোটত পৰাজিত কৰি বিধান সভালৈ নিৰ্বাচিত হ'ল। ভূপেন হাজৰিকা ১৯৭২ চনলৈকে বিধায়ক হৈ থাকিল।

- ১৯৬৭ চনত তেওঁ এক ভাৰতীয় প্ৰতিনিধি দলৰ লগত ছোভিয়েট ৰাছিয়া ভ্ৰমণ কৰে। সেই চনতে তেওঁৰ 'সুন্দৰৰ ন-দিগন্ত' নামৰ গ্ৰন্থখন প্ৰকাশ হয়।
- ১৯৬৮ চনত ভূপেন হাজৰিকাই তাৰাচান্দ বৰজাত্যাৰ ৰাজশ্ৰী প্ৰডাকছনৰ 'তগদীৰ' নামৰ হিন্দী চিনেমাখন অসমীয়ালৈ ডাবিং কৰে, চিনেমাখনৰ নাম দিয়া হ'ল— ভাগ্য। সেই ছবিখনৰ ডাবিং ইমান ভাল হৈছিল যে সেইখন অসমীয়া ছবি যেনহে লাগিছিল।
- ১৯৬৭ চনৰ মাৰ্চ মাহত মাজুলীৰ বংশীগোপাল নাট্যমন্দিৰৰ এক বিশেষ অনুষ্ঠানত ভূপেন হাজৰিকাক সম্বৰ্ধনা জনোৱা হয়। তাতে অসম সাহিত্য সভাৰ সভাপতি আনন্দ চন্দ্ৰ বৰুৱাই প্ৰস্তাৱ কৰা 'সুধাকণ্ঠ' উপাধি ভূপেন হাজৰিকাক প্ৰদান কৰা হয়।
- ১৯৬৭ চনৰ ডিচেম্বৰ মাহত ভূপেন হাজৰিকাই নিজৰ স্বৰচিত গীতেৰে এখন অসমীয়া লং প্লেয়িং ৰেকৰ্ড উলিয়ায়। সেইখন আছিল প্ৰথম অসমীয়া লং প্লেয়িং ৰেকৰ্ড।
- ১৯৬৯ চনত ভূপেন হাজৰিকাই নিৰ্মাণ কৰে— তেওঁৰ আন এখন উল্লেখযোগ্য কথাছবি 'চিকমিক বিজুলী'। 'চিকমিক বিজুলী'ত হিন্দী চলচ্চিত্ৰ জগতৰ জনপ্ৰিয় অভিনেত্ৰী বিন্দিয়া গোস্বামী, অসমৰ বিদ্যা ৰাও আদিয়ে অভিনয় কৰিছিল। তেওঁৰ আনকেইখন কথাছবিৰ দৰে 'চিকমিক বিজুলী'ৰো মূল আকৰ্ষণ আছিল— সংগীত।
- ১৯৭০ চনত ভূপেন হাজৰিকাই প্ৰথম অসমীয়া অণু আলোচনী 'বিন্দু'ৰ সম্পাদনাৰ দায়িত্ব গ্ৰহণ কৰে। এই আলোচনীৰ মুঠ আঠটা সংখ্যা প্ৰকাশ পাইছিল।
- ১৯৭১ চনত ভূপেন হাজৰিকাই মঙলদৈ লোকসভা সমষ্টিত নিৰ্বাচনী প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা কৰে। কিন্তু নিৰ্বাচনত তেওঁ পৰাজিত হয়। তেওঁৰ মাতৃ শান্তিপ্ৰিয়া হাজৰিকাৰ মৃত্যুও ১৯৭১ চনতে হয়।
- ১৯৭১ চনতে ভূপেন হাজৰিকাৰ জীৱনৰ আন এক গুৰুত্বপূৰ্ণ পৰিবৰ্তনৰ বীজ ৰোপণ হৈছিল। ভূপেন হাজৰিকাৰ লগত কল্পনা লাজমীৰ চিনাকি হৈছিল। তেতিয়া কল্পনা লাজমীৰ বয়স আছিল ১৭ আৰু ভূপেন হাজৰিকাৰ ৪৫ বছৰ। লাজমীৰ এজন সম্পৰ্কীয় লোক, হিন্দী চলচ্চিত্ৰ জগতৰ এজন প্ৰখ্যাত চিত্ৰ-নিৰ্মাতা আত্মাৰামৰ লগত কল্পনা লাজমী ভূপেন হাজৰিকাৰ কলিকতাৰ ঘৰলৈ গৈছিল। এই কল্পনা লাজমীয়ে পাছত ভূপেন হাজৰিকাৰ জীৱনত এক গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল।
- ১৯৭২ চনত বাৰ্লিনত অনুষ্ঠিত দ্বিতীয় আন্তৰ্জাতিক সংগীত সন্মিলনত ভূপেন হাজৰিকাই যোগদান কৰে। সেই সন্মিলনত ভূপেন হাজৰিকা আৰু জয়ন্ত হাজৰিকাৰ গীত পৰিবেশনে যথেষ্ট নাম কৰিবলৈ সক্ষম হৈছিল।
- ১৯৭৩ চনত আত্মাৰামে 'আৰোপ' নামৰ আন এখন হিন্দী চলচ্চিত্ৰ নিৰ্মাণ কৰে। ভূপেন হাজৰিকাই সেইখনৰ সংগীত পৰিচালনা কৰে আৰু গীতত কণ্ঠদানো কৰে।
- ১৯৭৪ চনৰ জানুৱাৰী মাহত ডাº ভুৱনেশ্বৰ বৰুৱা কেন্সাৰ হাস্পতালৰ সাহায্যাৰ্থে গুৱাহাটীত এখন সংগীত সন্ধিয়াৰ আয়োজন কৰা হয়। সেই সাংস্কৃতিক সন্ধিয়ালৈ ভূপেন হাজৰিকাই কিশোৰ কুমাৰক আমন্ত্ৰণ কৰি আনে। অসমৰ শ্ৰোতাৰ উছাহ আৰু সমৰ্থন দেখি কিশোৰ কুমাৰ অভিভূত হৈ পৰে।
- ১৯৭৪ চনত ভূপেন হাজৰিকাই 'ফৰ হুম দ্য ছান ছাইনছ' নামৰ এখন ৰঙীন তথ্যচিত্ৰ নিৰ্মাণ কৰে। এই তথ্যচিত্ৰখন অৰুণাচল প্ৰদেশৰ পটভূমিত নিৰ্মাণ কৰা হৈছিল। একে সময়তে তেওঁ 'এমুঠি



চাউলৰ কাহিনী' নামেৰে আন এখন তথ্যচিত্ৰও নিৰ্মাণ কৰে।

- ১৯৭৫ চনত তেওঁ 'মেৰী ধৰম মেৰী মা' নামৰ হিন্দী কথাছবিখনৰ সংগীত পৰিচালনা কৰে। তাৰ পাছত কলিকতাৰ টালিগঞ্জত নিৰ্মিত বাংলা কথাছবি 'দম্পতি' আৰু বাংলাদেশৰ বিখ্যাত চিত্ৰ পৰিচালক আলমগীৰ কবীৰৰ দ্বাৰা পৰিচালিত 'সীমানা পেৰিয়ে' নামৰ কথাছবিখনৰ সংগীত পৰিচালনা কৰে। 'সীমানা পেৰিয়ে'ৰ 'বিমূৰ্ত এই ৰাত্ৰি আমাৰ' গানটোৱে বাংলা দেশত তোলপাৰ লগাই দিছিল।
- ১৯৭৫ চনতে ভূপেন হাজৰিকাই অসমীয়া কথাছবি 'চামেলি মেমচাব', 'কাচঘৰ', আৰু 'খোজ' ছবিৰ সংগীত পৰিচালনা কৰিছিল।
- ১৯৭৬ চনত তেওঁ 'চামেলি মেমচাব'ৰ সংগীত পৰিচালনাৰ বাবে শ্ৰেষ্ঠ সংগীত পৰিচালকৰ ৰাষ্ট্ৰীয় বঁটা লাভ কৰে।
- ১৯৭৬ চনতে তেওঁ 'ভূপেন মামাৰ গীতে মাতে অ আ ক খ' নামৰ এখন পুথি লিখিছিল। ১৯৭৬ চনৰ ১৯ ছেপ্টেম্বৰত ৰূপকাৰ আলোচনীয়ে ভূপেন হাজৰিকাক 'ৰূপকাৰ চলচ্চিত্ৰ বটা' প্ৰদান কৰি সন্মানিত কৰে। সেই চনতে তেওঁ বাংলা চলচ্চিত্ৰ সমিতিৰ পৰাও শ্ৰেষ্ঠ সংগীত পৰিচালকৰ বটা লাভ কৰে।
- ১৯৭৭ চনত ভূপেন হাজৰিকালৈ ভাৰত চৰকাৰে পদ্মশ্ৰী সন্মান আগবঢ়ায়। ১৯৭৭ চনৰ ২ এপ্ৰিলত তেওঁ ৰাষ্ট্ৰপতিৰ পৰা এই সন্মান গ্ৰহণ কৰে। তেওঁ সংগীত পৰিচালনা কৰা 'দম্পতি' ছবিৰ বাবে তেওঁ বাংলা চলচ্চিত্ৰ পুৰস্কাৰ সমিতি আৰু ইণ্ডিয়ান কালচাৰেল ফৰামৰ পৰা শ্ৰেষ্ঠ সংগীত পৰিচালকৰ পুৰস্কাৰ লাভ কৰে।
- 'সীমানা পেৰিয়ে'ৰ সংগীত পৰিচালনাৰ বাবে ১৯৭৭ চনত তেওঁ বাংলাদেশ ফিল্ম ইণ্ডাষ্ট্ৰী আৰু বাংলাদেশ জাৰ্নেলিষ্ট এছ'চিয়েছনৰ পৰা শ্ৰেষ্ঠ সংগীত পৰিচালকৰ বঁটা লাভ কৰে। তদুপৰি 'মেৰী ধৰম মেৰী মা'ৰ সংগীত পৰিচালনাৰ বাবে অৰুণাচল চৰকাৰৰ পৰা সোণৰ পদক লাভ কৰে।
- ১৯৭৭ চনৰ ছেপ্টেম্বৰ মাহত তেওঁ ইংলণ্ডলৈ যায় আৰু তাত বৰ্ণবৈষম্যৰ বিৰুদ্ধে সংগীত পৰিবেশন কৰে। তাত তেওঁক বি বি চিয়েও (বৃটিছ ব্ৰডকাষ্টিং কৰ্প'ৰেছন) সম্বৰ্ধনা জনায় আৰু তেওঁ বি বি চিৰ জৰিয়তে গীত পৰিবেশন কৰে।
- ১৯৭৭ চনৰ ১৫ অক্টোবৰত ভূপেন হাজৰিকাৰ অতি মৰমৰ ভায়েক, সংগীতৰ ক্ষেত্ৰত তেওঁৰ যোগ্য সহযোগী জয়ন্ত হাজৰিকাৰ হঠাতে অকাল বিয়োগ ঘটে।
- ১৯৭৮ চনত ভূপেন হাজৰিকাই আব্দুল মজিদ পৰিচালিত 'বনজুই' আৰু ৰবীন চেতিয়া পৰিচালিত 'বৃন্দাবন' নামৰ চলচ্চিত্ৰৰ সংগীত পৰিচালনা কৰে।
- ১৯৭৮ চনত 'ভূপেন মামাৰ গীতে মাতে অ আ ক খ' নামৰ শিশু গ্ৰন্থৰ বাবে তেওঁ ৰাষ্ট্ৰপতিৰ পুৰস্কাৰ লাভ কৰে।
- ১৯৭৯ চনত ভূপেন হাজৰিকাই 'মন প্ৰজাপতি' নামেৰে এখন অসমীয়া চলচ্চিত্ৰ পৰিচালনা কৰে। সেই কথাছবিখনৰ সংগীত পৰিচালনাৰ দায়িত্বও তেৱেঁই বহন কৰে।
- ১৯৭৯ চনতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ কেইবাটাও সংস্থাৰ নিমন্ত্ৰণত ভূপেন হাজৰিকাই আমেৰিকা যুক্তৰাষ্ট্ৰ ভ্ৰমণ কৰে আৰু তাৰ বিভিন্ন অনুষ্ঠানত সংগীত পৰিবেশন কৰে। তদুপৰি তেওঁ তাত অনুষ্ঠিত কেইখনমান আন্তৰ্জাতিক আলোচনা চক্ৰতো অংশগ্ৰহণ কৰে আৰু ৰেডিঅ' টেলিভিছনৰ অনুষ্ঠানত ভাগ লয়। আমেৰিকা যুক্তৰাষ্ট্ৰত তেওঁক 'স্কুল অফ অনাৰ' সন্মানেৰে সন্মানিত কৰা হয়।
- ১৯৮০ চনত কলিকতাৰ এইচ এম ভিয়ে সমসাময়িক কালৰ ছজন বিখ্যাত শিল্পীৰ ভিতৰত ভূপেন হাজৰিকাকো স্থান দিয়ে আৰু সম্বৰ্ধনা জনায়। সেই চনতে তেওঁ জাপানৰ বুদ্ধিজীৱীসকলৰ সাংস্কৃতিক সংগঠন RO-ONৰ দ্বাৰা আমন্ত্ৰিত হৈ জাপান ভ্ৰমণ কৰে।

- ১৯৮২ চনৰ ১ জানুৱাৰীত ভূপেন হাজৰিকাক 'নেছনেল জিঅ'গ্ৰাফিক ছ'চাইটি'ৰ সদস্য হিচাপে মনোনীত কৰা হয়।
- ১৯৮২ চনত ভূপেন হাজৰিকাই 'সদৌ অসম জনসাংস্কৃতিক পৰিষদ'ৰ সভাপতিৰ দায়িত্ব গ্ৰহণ কৰে। সেয়া আছিল ভূপেন হাজৰিকা কোনো ৰাজহুৱা অনুষ্ঠানৰ মুৰব্বীৰ দায়িত্ব লোৱা প্ৰথম ঘটনা।
- ১৯৮৪ চনত ভূপেন হাজৰিকাই হিন্দী কথাছবি 'অপেক্ষা'ৰ সংগীত পৰিচালনা কৰে। তাৰ পাছত তেওঁ বাংলা কথাছবি 'কালো সিদূৰ'ৰ সংগীত পৰিচালনা কৰি 'বাংলা চলচ্চিত্ৰ প্ৰচাৰ সংসদ'ৰ পৰা শ্ৰেষ্ঠ সংগীত পৰিচালকৰ বঁটা লাভ কৰে।
- ১৯৮৫ চনত ভূপেন হাজৰিকাই নিউ জাৰ্ছিৰ মেয়ৰৰ পৰা 'সন্মানীয় নাগৰিকত্ব' লাভ কৰে। ভাৰতী দূৰদৰ্শনৰ জুৰি ব'ৰ্ডৰ অধ্যক্ষৰূপেও দায়িত্ব লাভ কৰে। তদুপৰি তেওঁ অল ইণ্ডিয়া ৰেডিঅ'ৰ 'এমেৰিটাছ প্ৰডিউচাৰ' হিচাপে স্বীকৃতি লাভ কৰে। মাজতে তেওঁ প্ৰবীণ বৰাৰ দ্বাৰা পৰিচালিত 'অংগীকাৰ' কথাছবিৰ সংগীত পৰিচালনা কৰে। তেওঁ ভাৰতীয় 'নেছনেল ফিল্ম ফেষ্টিভেল এৱাৰ্ড'ৰ জুৰি ব'ৰ্ডৰ চেয়াৰমেন ৰূপে মনোনীত হয়।
- ১৯৮৫ চনত  কল্পনা লাজমীৰ দ্বাৰা পৰিচালিত আৰু প্ৰযোজিত 'এক পল' নামৰ হিন্দী চিনেমাখনে মুক্তি লাভ কৰে। সেই ছবিৰ সংগীত পৰিচালনা ভূপেন হাজৰিকাৰ আছিল।
- ১৯৮৭ চনত তেওঁ কাৰ্বি কথাছবি 'ৰিং আং তং' আৰু অসমীয়া কথাছবি 'প্ৰতিশোধ'ৰ সংগীত পৰিচালনা কৰে।
- ১৯৮৮ চনত ৰাষ্ট্ৰপতি ৰামস্বামী ভেংকটৰামণে তেওঁক 'শ্ৰীমন্ত শংকৰদেৱ বঁটা' প্ৰদান কৰে। সেই বছৰতে তেওঁ সংগীত-নাটক একাডেমী পুৰস্কাৰো লাভ কৰে।
- ১৯৮৮ চনত দূৰদৰ্শনৰ ৰাষ্ট্ৰীয় কাৰ্য্যসূচীত ভূপেন হাজৰিকা আৰু কল্পনা লাজমীৰ পৰিচালনাত 'লোহিত কিনাৰে' নামৰ এখন ধাৰাবাহিকৰ প্ৰদৰ্শন আৰম্ভ হয়। সেই ধাৰাবাহিকখনে যথেষ্ট জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছিল।
- ১৯৮৮ চনতে ৰাছিয়াত ভাৰত উৎসৱ অনুষ্ঠিত হৈছিল। সেই উৎসৱত অংশগ্ৰহণ কৰিবলৈ তেওঁ ৰাছিয়ালৈ যায় আৰু গীত পৰিবেশন কৰে।
- ১৯৮৯ চনত ভূপেন হাজৰিকা এক চাৰিমহীয়া ভ্ৰমণৰ বাবে আমেৰিকালৈ যায়। তাত তেওঁ বিভিন্ন ঠাইত গীত পৰিবেশন কৰে।
- ১৯৯০ চনত ভূপেন হাজৰিকা নেছনেল ফিল্ম ডেভেলপমেণ্ট কৰ্প'ৰেছনৰ 'ব'ৰ্ড অফ ডিৰেক্টৰ্ছ'ৰ সদস্যৰূপে মনোনীত হয়। ১৯ ডিচেম্বৰত 'অল ইণ্ডিয়া ক্ৰিটিক এছ'চিয়েছনে' কলিকতাৰ বিড়লা একাডেমী হলত তেওঁক 'কলা শিৰোমণি' উপাধি প্ৰদান কৰে।
- ১৯৯২ চনত ড° ভূপেন হাজৰিকাই এন এফ ডি চিৰ দ্বাৰা প্ৰযোজিত আৰু কল্পনা লাজমীৰ দ্বাৰা পৰিচালিত 'ৰুদালী' নামৰ হিন্দী কথাছবিখনৰ সংগীত পৰিচালনা কৰে। এই চিনেমাখনে আন্তৰ্জাতিক প্ৰসিদ্ধি লাভ কৰিছিল।
- ১৯৯৩ চনত শিৱসাগৰত অনুষ্ঠিত অসম সাহিত্য সভাৰ ৫৯তম অধিবেশনত ড° ভূপেন হাজৰিকাই সভাপতিত্ব কৰে।
- ১৯৯৩ চনতে তেওঁ ৰাইছকুৰ্নী বৰাৰ দ্বাৰা পৰিচালিত 'প্ৰিয়জন'ৰ সংগীত পৰিচালনা কৰে।
- চলচ্চিত্ৰ জগতলৈ আগবঢ়োৱা উল্লেখযোগ্য বৰঙণিৰ বাবে ১৯৯৩ চনত ভূপেন হাজৰিকাক ১৯৯২ চনৰ ৰাষ্ট্ৰীয় 'দাদাচাহেব ফাল্কে বঁটা'ৰ বাবে নিৰ্বাচিত কৰা হয়। তেওঁ 'দাদাচাহেব ফাল্কে বঁটা' পোৱা প্ৰথম আৰু এতিয়ালৈকে একমাত্ৰ অসমীয়া।
- ১৯৯৩ চনৰ ছেপ্টেম্বৰত জাপানৰ ফুকাকোত অনুষ্ঠিত 'এছিয়া পেচিফিক আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱ'ত 'ৰুদালী' কথাছবিৰ সংগীতৰ বাবে ড° ভূপেন হাজৰিকা শ্ৰেষ্ঠ সংগীত পৰিচালক হিচাপে নিৰ্বাচিত হয়।
- ১৯৯৩ চনত ভূপেন হাজৰিকাই ভাৰতৰ শ্ৰেষ্ঠ সংগীত শিল্পীৰূপে 'বলৰাজ ছাহানী' বঁটা লাভ কৰে।



- ১৯৯৪ চনত ভূপেন হাজৰিকাই 'অশান্ত প্ৰহৰ' নামৰ অসমীয়া কথাছবিখনৰ সংগীত পৰিচালনা কৰে।
- ২০০০ চনত সংগীত-নাটক একাডেমীৰ উদ্যোগত গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱনত সত্ৰীয়া নৃত্যৰ চাৰিদিনীয়া ৰাষ্ট্ৰীয় কৰ্মশালাৰ শুভাৰম্ভ অনুষ্ঠানত ভূপেন হাজৰিকাই একাডেমীৰ অধ্যক্ষৰূপে যোগদান কৰে।
- ২০০১ চনত তেওঁ 'পদ্মভূষণ' সন্মান লাভ কৰে। ২০১২ চনত তেওঁলৈ মৰণোত্তৰভাৱে 'পদ্মবিভূষণ' আগবঢ়োৱা হয়।
- ২০০২ চনত ভূপেন হাজৰিকাই তেওঁ অসমৰ সংগীত জগতলৈ আগবঢ়োৱা অবিস্মৰণীয় অৱদানৰ বাবে 'দেশৰত্ন' বঁটা লাভ কৰে। ২০০২ চনতে বি বি চিৰ বাংলা শাখাৰ এক গুৰুত্বপূৰ্ণ সমীক্ষাযোগে ভূপেন হাজৰিকাৰ 'মানুহে মানুহৰ বাবে' গীতটিৰ বাংলা ৰূপান্তৰ 'মানুষ মানুষেৰ জন্য' গীতটি কুৰি শতিকাৰ সৰ্বশ্ৰেষ্ঠ বাংলা গীত হিচাপে পৰিগণিত হয়।
- ২০০৩ চনৰ ১২ এপ্ৰিলত তেওঁক অসম সত্ৰ মহাসভাই 'সংগীত চূড়ামণি' উপাধি প্ৰদান কৰে। সেই বছৰতে তেওঁ হিন্দী চলচ্চিত্ৰ 'কিউ'ৰ সংগীত পৰিচালনা কৰে। 'কিউ' পৰিচালনা কৰিছিল কল্পনা লাজমীয়ে।
- ২০০৪ চনত ভূপেন হাজৰিকাই প্ৰসাৰ ভাৰতীৰ পৰা 'নেছনেল আৰ্টিষ্ট এৱাৰ্ড' লাভ কৰে।
- সেই চনতে তেওঁ অটল বিহাৰী বাজপেয়ীৰ আহ্বানত তেওঁৰ নেতৃত্বাধীন 'ভাৰতীয় জনতা দল'ত যোগ দিয়ে আৰু লোকসভাৰ নিৰ্বাচনত গুৱাহাটী লোকসভা সমষ্টিত ভাৰতীয় জনতা দলৰ প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা কৰে। অৱশ্যে তেওঁ নিৰ্বাচনত পৰাজিত হয় আৰু কংগ্ৰেছ দলৰ কিৰিপ চলিহা সাংসদ নিৰ্বাচিত হয়। সেই বছৰতে তেওঁ 'সতী ৰাধিকা' নামৰ এক কথাছবিৰ সংগীত পৰিচালনা কৰে।
- ২০০৬ চনত ভূপেন হাজৰিকা হঠাতে অসুস্থ হৈ পৰে। তেওঁৰ ষ্ট্ৰ'ক হয় আৰু দেহত বাই পাছ ছাৰ্জাৰী কৰিবলগীয়া হয়। তাৰ পাছৰ পৰা ভূপেন হাজৰিকাৰ শৰীৰ-স্বাস্থ্যই মাজে মাজে অসুবিধা দিবলৈ ধৰে।
- ২০০৭ চনত অসম চৰকাৰে ড° ভূপেন হাজৰিকালৈ 'জীৱনজোৰা সাধনা বঁটা' প্ৰদান কৰাৰ কথা ঘোষণা কৰে।
- ২০০৮ চনত অসম চৰকাৰে গুৱাহাটীৰ 'শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ'ত 'ড° ভূপেন হাজৰিকা সাংস্কৃতিক সংগ্ৰহালয়' নামেৰে এটি সংগ্ৰহালয় প্ৰতিষ্ঠাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে।
- সেই বছৰৰে ৮ ফেব্ৰুৱাৰীত তেওঁ অসম সাহিত্য সভাৰ পৰা 'সাহিত্যাচাৰ্য্য' উপাধি লাভ কৰে। ৮ ফেব্ৰুৱাৰীৰ দিনাই 'ড° ভূপেন হাজৰিকা ৰচনাৱলী'ৰ তিনিটা খণ্ড উন্মোচন কৰা হয়। অসম চৰকাৰে ড° ভূপেন হাজৰিকাক কেবিনেট মৰ্য্যাদা দি তেওঁৰ যাতায়াত, চিকিৎসা আদিৰ সমুদায় ব্যয় বহন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।
- ২০০৯ চনৰ ১০ জানুৱাৰীত সংগীত-নাটক একাডেমীয়ে ড° ভূপেন হাজৰিকালৈ একাডেমীৰ সৰ্বোচ্চ সন্মান 'একাডেমী ফেল'শ্বিপ' আৰু 'সংগীত ৰত্ন' আগবঢ়ায়। সেই বছৰৰে ২৯ জানুৱাৰীত অসম চৰকাৰে চৰকাৰৰ অন্যতম সৰ্বোচ্চ সন্মানৰূপে আগবঢ়োৱা 'অসম ৰত্ন' বঁটা ড° ভূপেন হাজৰিকাক প্ৰদান কৰে। আনহাতে ফেব্ৰুৱাৰী মাহত সদৌ অসম ছাত্ৰ সন্থাই গুৱাহাটীৰ দীঘলীপুখুৰীৰ পাৰত স্থাপন কৰা নিজৰে প্ৰতিমূৰ্তি এটি ড° ভূপেন হাজৰিকাই উন্মোচন কৰে।
- ২০১১ চনৰ আৰম্ভণিৰে পৰা ভূপেন হাজৰিকাৰ অৱস্থা বেয়াৰ ফালে ঢাল খাইছিল আৰু তেওঁ কেইবামাহো ধৰি হাস্পতালত থাকিবলগীয়া হৈছিল। অৱশেষত ২০১১ চনৰে ৫ নৱেম্বৰৰ ৪.৩৭ বজাত মুম্বাইৰ কোকিলাবেন হাস্পতালত ভূপেন হাজৰিকাই মৃত্যুক আঁকোৱালি ল'লে।
- ২০১৯ চনত মৰণোত্তৰভাৱে তেওঁলৈ ভাৰতৰ সৰ্বোচ্চ অসামৰিক সন্মান 'ভাৰতৰত্ন' আগবঢ়োৱা হয়। ❖

## বৃটিছ প্ৰধানমন্ত্ৰী ষ্টাৰমাৰৰ ভাৰত ভ্ৰমণ



যোৱা ৮ অক্টোবৰ তাৰিখে দুদিনীয়া ভাৰত ভ্ৰমণসূচী লৈ বৃটিছ প্ৰধানমন্ত্ৰী কেইৰ ষ্টাৰমাৰ মুম্বাইত উপস্থিত হয়। ৮ অক্টোবৰ তাৰিখে প্ৰধানমন্ত্ৰী ষ্টাৰমাৰ মুম্বাইত ভাৰতীয় চলচ্চিত্ৰ নিৰ্মাতা আৰু পৰিচালকসকলৰ সৈতে বৈঠকত মিলিত হয়। বৈঠকত বৃটিছ প্ৰধানমন্ত্ৰীগৰাকীয়ে ভাৰতীয় প্ৰযোজকসকলক ইংলণ্ডত চলচ্চিত্ৰ নিৰ্মাণ কৰিবলৈ আহ্বান জনায় আৰু সকলো ধৰণৰ সহযোগিতা আগবঢ়াব বুলি প্ৰতিশ্ৰুতি দিয়ে। ১৯৭০ চনত যশ চোপ্ৰাই স্থাপন কৰা তথা অসংখ্য সফল চলচ্চিত্ৰ নিৰ্মাণ কৰা যশৰাজ ফিল্ম ষ্টুডিঅ'ত প্ৰধানমন্ত্ৰী ষ্টাৰমাৰক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়।

৯ অক্টোবৰত বৃটিছ প্ৰধানমন্ত্ৰী কেইৰ ষ্টাৰমাৰ আৰু ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ মাজত দ্বিপাক্ষিক বৈঠক অনুষ্ঠিত হয় আৰু কেইবাখনো চুক্তি স্বাক্ষৰিত হয়। দুয়োখন দেশৰ মাজত যোগাযোগ, প্ৰতিৰক্ষা, খনিজ সম্পদ সৰবৰাহ, প্ৰযুক্তিগত সহযোগিতা আদি বিষয়ত মুঠ ৪৬৮ নিযুত মাৰ্কিন ডলাৰৰ চুক্তি স্বাক্ষৰিত হয়। উচ্চস্তৰীয় এই দ্বিপাক্ষিক বৈঠকত ইংলণ্ডৰ ১২৫গৰাকী শীৰ্ষ উদ্যোগপতিয়ে অংশগ্ৰহণ কৰে আৰু ইংলণ্ডত থকা খালিস্তানীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব বুলি বৃটিছ প্ৰধানমন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে। বৈঠকত প্ৰধানমন্ত্ৰীগৰাকীয়ে পেহেলগাম আক্ৰমণক তীব্ৰ গৰিহণা দিয়ে আৰু ভাৰতত নিৰ্মাণ হৈ থকা ইংলণ্ডৰ আগশাৰীৰ বিশ্ববিদ্যালয়কেইখনৰ চৌহদ নিৰ্মাণৰ কামৰ পৰ্য্যালোচনা কৰে।

## বিটিচিৰ মুৰব্বী হিচাপে হাগ্ৰামা মহিলাৰীৰ শপত গ্ৰহণ



যোৱা ৫ অক্টোবৰ তাৰিখে বিপিএফ দলৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে চতুৰ্থবাৰৰ বাবে বিটিচিৰ (Bodoland Territorial Council) মুখ্য কাৰ্য্যবাহী সদস্য (চিইএম) হিচাপে শপত গ্ৰহণ কৰে। ৰাজ্যৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য্য আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত কোকৰাঝাৰৰ বডোফা নগৰস্থিত বিটিচি সচিবালয় খেলপথাৰত অনুষ্ঠিত শপতগ্ৰহণ অনুষ্ঠানত ৰাজ্যখনৰ মুখ্য সচিব ড° ৰবি কোটাই মহিলাৰীক শপত বাক্য পাঠ কৰোৱায়। প্ৰাক্তন মন্ত্ৰী ৰিহণ দৈমাৰীয়ে উপ-মুখ্য কাৰ্য্যবাহী সদস্য হিচাপে শপতগ্ৰহণ কৰে। মুঠ ২৬টা জনগোষ্ঠীয় লোকে বসবাস কৰা বিটিচিৰ (বিটিআৰ) নিৰ্বাচন ২২ ছেপ্টেম্বৰত অনুষ্ঠিত হৈছিল আৰু ২৭ ছেপ্টেম্বৰ তাৰিখে ঘোষিত ফলাফল অনুসৰি ৪০ জনীয়া পৰিষদৰ ২৮খন আসন বিৰোধী বিপিএফ দলে লাভ কৰিছিল। মুখ্য কাৰ্য্যবাহী সদস্য, উপ-মুখ্য কাৰ্য্যবাহী সদস্য তথা অধ্যক্ষ আৰু উপাধ্যক্ষসহ মুঠ ১৬ গৰাকী বিষয়ববীয়া থাকিবলগীয়া এই নতুন স্বায়ত্তশাসিত পৰিষদখনৰ ভূমিহীনক ভূমি পট্টা প্ৰদান আৰু মহিলা সবলীকৰণ প্ৰধান আৰু প্ৰথম কাম হ'ব বুলি মহিলাৰীয়ে ঘোষণা কৰে। অসম চৰকাৰে ইতিমধ্যে পূৰ্বতে কৰ্তন কৰা ১৬টা বিভাগ ওভতাই দিব আৰু জিলা আয়ুক্তক পৰিষদখনৰ সচিবৰ পদৰ পৰা অব্যাহতি দিব বুলি ঘোষণা কৰিছে।

## ইজৰাইল আৰু হামাছৰ শান্তি চুক্তি

যোৱা ১৩ অক্টোবৰ তাৰিখে ইজিপ্তৰ মিছৰ চহৰত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পৰ মধ্যস্থতাত ২০খন দেশৰ ৰাষ্ট্ৰনেতাৰ উপস্থিতিত ইজৰাইল আৰু হামাছৰ মাজত গাজা শান্তি চুক্তি স্বাক্ষৰিত হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ বিশেষ প্ৰতিনিধি হিচাপে বৈদেশিক





পৰিক্ৰমা বিভাগৰ ৰাজ্যমন্ত্ৰী কীৰ্তিবৰ্ধন সিঙে উক্ত সন্মিলনত ভাৰতৰ হৈ অংশগ্ৰহণ কৰে। এই শান্তি চুক্তি স্বাক্ষৰিত হোৱাৰ পাছতে দেশ দুখনৰ মাজত দুবছৰীয়া ভয়ংকৰ যুদ্ধৰ অন্ত পেলাই পাৰস্পৰিক যুদ্ধবিৰতি আৰম্ভ হয়। যুদ্ধবিৰতিৰ অংশস্বৰূপে হামাছে ইজৰাইলৰ ৪৮জন কাৰাবন্দীক মুক্তি দিয়ে তথা ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেত্যান্যাহুৱে গাজাত কোনো ইজৰাইলী পণবন্দী নাই বুলি ঘোষণা কৰে। তদুপৰি পেলেষ্টাইনৰ ২০০০ পণবন্দীক ইজৰাইলে মুকলি কৰি দিয়ে। উল্লেখযোগ্য যে ২০২৩ চনৰ ৭ অক্টোবৰৰ পৰা আৰম্ভ হোৱা এই ভয়ানক যুদ্ধত ১ লাখতকৈ অধিক লোকৰ প্ৰাণহানি হয় আৰু ৰাষ্ট্ৰসংঘৰ মতে গাজাৰ ৯০ শতাংশ পৰিকাঠামো ধ্বংস হয়। এই বৃহত্তৰ অঞ্চলটোলৈ শান্তি কঢ়িয়াই অনাত গুৰুত্বপূৰ্ণ ভূমিকা লোৱা আমেৰিকাৰ ৰাষ্ট্ৰপতি ট্ৰাম্প আৰু ইজিপ্তৰ ৰাষ্ট্ৰপতি আবদেল ফাতেহ চিচীক বিশ্বৰ নেতাসকলে প্ৰশংসা কৰে। শান্তি চুক্তিত অন্তৰ্ভুক্ত ২০ দফীয়া প্ৰস্তাৱৰ কেইটামান মূল প্ৰস্তাৱ হৈছে—গাজাত শীঘ্ৰে যুদ্ধ বন্ধ কৰা, ৭২ ঘণ্টাৰ ভিতৰত দুয়োপক্ষৰ পণবন্দীক মুকলি কৰি দিয়া, গাজাৰ পৰা ইজৰাইলী সেনা প্ৰত্যাহাৰ কৰা, হামাছক নিৰস্ত্ৰীকৰণ কৰি ৰাষ্ট্ৰপতি ট্ৰাম্পৰ নেতৃত্বত অন্তৰ্বৰ্তীকালীন চৰকাৰ গঠন কৰা ইত্যাদি। গাজালৈ স্বাভাৱিক শান্তিপূৰ্ণ জীৱন ঘূৰি অহাটো সকলোৰে কাম্য বুলি ঘোষণা কৰা হয় আৰু ৰাষ্ট্ৰসংঘৰ নেতৃত্বত খাদ্য সামগ্ৰীকে ধৰি অত্যাৱশ্যকীয় সেৱাৰ যোগান আৰম্ভ কৰা হয়।

## বিহাৰ বিধানসভাৰ নিৰ্বাচন ঘোষণা

যোৱা ৬ অক্টোবৰ তাৰিখে ভাৰতৰ মুখ্য নিৰ্বাচন আয়ুক্ত (চিইচি) জ্ঞানেশ কুমাৰে বিহাৰ বিধানসভাৰ নিৰ্বাচনৰ দিন আনুষ্ঠানিকভাৱে ঘোষণা কৰে। জাননী অনুসৰি ২৪৩ জনীয়া বিহাৰ বিধানসভাৰ নিৰ্বাচন দুটা পৰ্য্যায়ত ৬ নৱেম্বৰ (১২১খন আসনৰ) আৰু ১১ নৱেম্বৰ (১২২খন আসনৰ) তাৰিখে অনুষ্ঠিত হ'ব। নিৰ্বাচনত মুঠ ৭.৬৪ কোটি ভোটাৰে মতদান কৰিব আৰু ১৪ নৱেম্বৰ তাৰিখে ভোট গণনা প্ৰক্ৰিয়া আৰম্ভ হ'ব। নিৰ্বাচন প্ৰক্ৰিয়া নিয়াৰিকৈ পৰিচালনা কৰিবলৈ মুঠ ৯০,৭১২টা ভোটদান কেন্দ্ৰ থাকিব আৰু ইয়াৰে ১,০৪৪টা অকল মহিলা বিষয়া-কৰ্মচাৰীৰ দ্বাৰা পৰিচালিত হ'ব। সমগ্ৰ নিৰ্বাচনী প্ৰক্ৰিয়াৰ ১৬ নৱেম্বৰত অন্ত পৰিব।

## জাপানৰ প্ৰথম মহিলা প্ৰধানমন্ত্ৰী ছানায়ে তাকাইচি



যোৱা ২১ অক্টোবৰ তাৰিখে শাসক লিবাৰেল ডেম'ক্ৰেটিক পাৰ্টিয়ে ৬৪ বছৰীয়া ছানায়ে তাকাইচিক জাপানৰ প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত কৰে। ইংলণ্ডৰ প্ৰথম মহিলা প্ৰধানমন্ত্ৰী মাৰ্গাৰেট থেচাৰৰ অনুগামী ছানায়ে হ'ব জাপানৰ প্ৰথমগৰাকী মহিলা প্ৰধানমন্ত্ৰী। উল্লেখযোগ্য যে যোৱা মাহত জাপানৰ প্ৰধানমন্ত্ৰী পদৰ পৰা ছিগেৰু ইছিবাই পদত্যাগ কৰা বাবে এই আসনখন খালী হৈ পৰিছিল। লিবাৰেল ডেম'ক্ৰেটিক পাৰ্টিয়ে যোৱা জুলাই মাহত অনুষ্ঠিত নিৰ্বাচনত আশাপ্ৰদ ফল লাভ নকৰাৰ পৰিপ্ৰেক্ষিতত শাসকীয় দলটোৰ মাজত বিৰাজ কৰা অস্থিৰতাৰ বাবে ইছিবাই প্ৰধানমন্ত্ৰী পদৰ পৰা পদত্যাগ কৰিছিল। সংসদত অনুষ্ঠিত বাছনি অধিবেশনত তাকাইচিয়ে ২৩৭টা ভোট লাভ কৰাৰ বিপৰীতে বিৰোধী নেতা ওচিকোকো নোদাই ১৪৯টা ভোট লাভ কৰিছিল।





## আফগানিস্তানত পাকিস্তানৰ আক্ৰমণ

যোৱা ১০ অক্টোবৰ তাৰিখে নিশা পাকিস্তানী সেনাবাহিনীয়ে আফগানিস্তানৰ ৰাজধানী কাবুলকে ধৰি কেইবাঠাইতো এয়াৰষ্ট্ৰাইক (আক্ৰমণ) চলোৱাত বহু লোক মৃত্যুমুখত পৰে আৰু অঞ্চলটোত উত্তেজনা বৃদ্ধি পায়। নিষিদ্ধ ঘোষিত সন্ত্ৰাসবাদী সংগঠন তেহৰিক-ই- তালিবান পাকিস্তানৰ (টিটিপি) ঘাটিক লক্ষ্য কৰি আক্ৰমণ চলোৱা বুলি পাকিস্তানে দাবী কৰিছে যদিও এয়া সাধাৰণ নাগৰিকৰ ওপৰত আক্ৰমণ বুলি তালিবান চৰকাৰে ঘোষণা কৰে। আফগান বিদেশ পৰিক্ৰমা মন্ত্ৰী আমীৰ খান মত্তাকিৰ ভাৰত ভ্ৰমণৰ দিনাই কৰা এই আকস্মিক আক্ৰমণে বিশেষ তাৎপৰ্য্য বহন কৰিছে। এই আক্ৰমণত অসংখ্য নিৰীহ লোকৰ প্ৰাণহানি হৈছে আৰু দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্ক জটিল হৈ পৰিছে। পাকিস্তানৰ প্ৰতিৰক্ষা মন্ত্ৰী খাৱাজা আছিফে আফগানিস্তান সদায় ভাৰতৰ পক্ষত থকা বুলি অভিযোগ কৰে আৰু এই সম্পৰ্ক পাকিস্তানৰ বাবে বৃহৎ প্ৰত্যাহ্বান বুলি প্ৰকাশ কৰে। এই আক্ৰমণৰ প্ৰতিশোধ হিচাপে আফগানিস্তানেও প্ৰত্যাক্ৰমণ চলোৱাত ৫৮জন পাকিস্তানী সেনা নিহত হোৱাৰ লগতে ৩০জন আহত হয় তথা কেইবাটাও সেনা ঘাটি তালিবানে দখল কৰে। সীমান্তৰ ডুৰাণ্ড লাইনৰ কাষৰ সংঘৰ্ষত ২০০জন তালিবানী লোকৰ মৃত্যু হয়। ১৮ অক্টোবৰত আফগানিস্তানৰ পাকতিকা প্ৰদেশত পাকিস্তানে কৰা আক্ৰমণত ৫জন লোকসহিতে ৩জন জাতীয় ক্ৰিকেটাৰৰ মৃত্যু হয়। ছৌদি আৰব, কাটাৰ আদি দেশে দুয়োখন দেশক সংযম ৰক্ষা কৰিবলৈ আহ্বান জনাইছে আৰু ১৯ অক্টোবৰ তাৰিখে কাটাৰৰ ডোহাত দুয়োখন দেশৰ মাজত শান্তি আলোচনা অনুষ্ঠিত হয়।

## যশস্বী অভিনেতা আছৰাণীৰ দেহাৱসান

যোৱা ২০ অক্টোবৰ তাৰিখে বলিউডৰ জনপ্ৰিয় কমেডিয়ান অভিনেতা গোৱৰ্ধন আছৰাণীৰ ৮৪ বছৰ বয়সত দেহাৱসান ঘটে। ১৯৪১ চনত জয়পুৰত এক সিন্ধি হিন্দু পৰিয়ালত জন্মলাভ কৰা প্ৰতিভাৱান আছৰাণীয়ে ১৯৬০ চনত গুৰু



কালভাই থাক্কাৰৰ পৰা অভিনয়ৰ আদিপাঠ লাভ কৰিছিল। ৩৫০খনতকৈ অধিক চলচ্চিত্ৰত অভিনয় কৰা আছৰাণীয়ে কেইবাখনো চলচ্চিত্ৰ পৰিচালনাও কৰিছিল। অতি জনপ্ৰিয় 'শ্বোলে'ত খেয়ালী জেইলাৰৰ অভিনয়েৰে দুৰ্দান্ত অভিনয় প্ৰতিভাৰ স্বাক্ষৰ ৰাখি যোৱা আছৰাণীয়ে ভূল ভুলেয়া, ধামাল, বাণ্টি ঔৰ বাবলী, অল দা বেষ্ট, ৱেলকাম আদি ছুপাৰহিট চলচ্চিত্ৰত মনপৰশা অভিনয় কৰিবলৈ সমৰ্থ হৈছে। আছৰাণীয়ে পৰিচালনা কৰা হিন্দী চলচ্চিত্ৰ দুখন হৈছে 'চলো মুৰাৰি হিৰো বনে' (১৯৭৭) আৰু 'চালাম মেমচাব' (১৮৭৯)। ১৯৭০ চনৰ পৰা ১৯৮০ চনৰ ভিতৰত কেইবাখনো গুজৰাটী চলচ্চিত্ৰতো তেওঁ অভিনয় কৰিছিল। নিজৰ অভিনয় দক্ষতাৰ স্বীকৃতিস্বৰূপে তেওঁ দুবাৰ ফিল্মফেয়াৰৰ শ্ৰেষ্ঠ অভিনেতাৰ পুৰস্কাৰ, পিপলছ চইচ বঁটাকে ধৰি অসংখ্য বঁটা তথা পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছিল। ❖

■ সংগ্ৰহ : কুশল গোস্বামী

## কুইজৰ উত্তৰসমূহ

১। শান্তিপ্ৰিয়া হাজৰিকা ২। কুসুম্বৰ পুত্ৰ শ্ৰীশংকৰ গুৰুৱে ৩। কি স'তে হিয়াৰে আজি ৪। আমি অসমীয়া নহওঁ দুখীয়া ৫। আত্মাৰাম। চলচ্চিত্ৰখন 'আৰোপ' ৬। সতী বেউলা ৭। গান্ধী টু হিটলাৰ ৮। চামেলি মেমচাব ৯। জিলিকাব লুইতৰে পাৰ ১০। দাদাচাহেব ফাল্কে বঁটা ১১। নিউ ইণ্ডিয়া ১২। বুকু হম হম কৰে ১৩। ৰুদালী ১৪। শিৱসাগৰ ১৫। কিশোৰ কুমাৰ ❖



# খবৰৰ লেছেৰি বোটলা

**(২১ ছেপ্টেম্বৰ ২০২৫ ৰ পৰা ২০ অক্টোবৰ ২০২৫লৈ)**

২১ **ছেপ্টেম্বৰ** : ইংলণ্ড, অষ্ট্ৰেলিয়া আৰু কানাডাই পেলেষ্টাইনক ৰাষ্ট্ৰ হিচাপে স্বীকৃতি দিয়ে।

২২ **ছেপ্টেম্বৰ** : সমগ্ৰ দেশতে ৩৭৫বিধ সামগ্ৰীৰ দ্ৰব্য আৰু সেৱা কৰ (জিএছটি) হ্ৰাসৰ সিদ্ধান্ত বলবৎ কৰা হয়।

২৩ **ছেপ্টেম্বৰ** : সোণাপুৰৰ কমাৰকুছিত সম্পূৰ্ণ ৰাষ্ট্ৰীয় মৰ্য্যাদাৰে হাজাৰ হাজাৰ অনুৰাগীৰ উপস্থিতিত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ সৎকাৰ কৰা হয়।

২৩ **ছেপ্টেম্বৰ** : ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰে মালায়ালাম তাৰকা অভিনেতা মোহনলালক দাদাচাহেব ফাল্কে বঁটা প্ৰদান কৰে।

২৪ **ছেপ্টেম্বৰ** : ফ্ৰান্সৰ ফৰৱাৰ্ড খেলুৱৈ ৰচমান ডেমবেলে ফিফাৰ পৰা 'বেলন ডিঅৰ' (শ্ৰেষ্ঠ খেলুৱৈ) বঁটা লাভ কৰে।

২৬ **ছেপ্টেম্বৰ** : ভাৰতৰ বায়ুসেনা বাহিনীত 'মিগ-২১' ফাইটাৰ জেটৰ প্ৰচলন বন্ধ কৰা হয়।

২৭ **ছেপ্টেম্বৰ** : ভাৰতে সপ্তম ছাফ ১৭ৰ অনূৰ্ধ ফুটবল প্ৰতিযোগিতাত চেম্পিয়নৰ খিতাপ দখল কৰে।

২৮ **ছেপ্টেম্বৰ** : বিশিষ্ট চলচ্চিত্ৰ পৰিচালক তিমথি দাস হাঞ্চেৰ ৭০ বছৰ বয়সত দেহাৱসান ঘটে।

২ **অক্টোবৰ** : ৫০০ বিলিয়ন মাৰ্কিন ডলাৰেৰে এলন মাস্ক বিশ্বৰ সবাতোকৈ ধনাঢ্য ব্যক্তিত পৰিণত হয়।

৪ **অক্টোবৰ** : 'ঝংকাৰ' চলচ্চিত্ৰখনৰ বাবে মুম্বাই আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱত ড° জয়ন্তী চুতীয়াই শ্ৰেষ্ঠ কাহিনীকাৰৰ বঁটা অৰ্জন কৰে।

৫ **অক্টোবৰ** : প্ৰাক্তন যুৱ বিশ্ব চেম্পিয়ন অংকুশিতা বড়োৱে বি এফ আই কাপত স্বৰ্ণপদক দখল কৰে।

৬ **অক্টোবৰ** : পাকিস্তানৰ কৰাচীত পাকিস্তানী ৰক বেণ্ডে জুবিন গাৰ্গলৈ হাজাৰ হাজাৰ লোকৰ উপস্থিতিত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

৭ **অক্টোবৰ** : বিশ্ব বেংকৰ তালিকাত ভাৰতে বিশ্বৰ ঋণগ্ৰস্ত দেশৰ শীৰ্ষস্থান (৩৯.৩ বিলিয়ন মাৰ্কিন ডলাৰ) লাভ কৰে।

৮ **অক্টোবৰ** : জনপ্ৰিয় ফুটবল তাৰকা খৃষ্টিয়ানো ৰোনাল্ডো ১.৪ বিলিয়ন মাৰ্কিন ডলাৰেৰে বিশ্বৰ প্ৰথমগৰাকী ফুটবল বিলিয়নেয়াৰত পৰিণত হয়।

১০ **অক্টোবৰ** : ইছলামিক বিচ্ছিন্নতাবাদ ৰোধ কৰিবলৈ ইটালীৰ চৰকাৰে ৰাজহুৱা স্থানত বোৰ্খা পৰিধান কৰিলে ৩০০০ ইউৰো জৰিমনা বিহাৰ আইন প্ৰণয়ন কৰে।

১২ **অক্টোবৰ** : পাঁচ লাখ জনসংখ্যাৰ কেপে ভাৰ্ডে দেশখনে ফিফা বিশ্বকাপলৈ যোগ্যতা অৰ্জন কৰি ইতিহাস ৰচনা কৰে।

১৩ **অক্টোবৰ** : অন্ধ্ৰপ্ৰদেশৰ ভাইজাগত দেশৰ প্ৰথমটো মেডিকেল পৰমাণু ৰিয়েক্টৰ স্থাপন কৰা হয়।

১৫ **অক্টোবৰ** : কৰ্কট ৰোগত আক্ৰান্ত হৈ জনপ্ৰিয় অভিনেতা, মহাভাৰত ছিৰিয়েলৰ কৰ্ণখ্যাত পংকজ ধীৰৰ ৬৯ বছৰ বয়সত মৃত্যু হয়।

১৭ **অক্টোবৰ** : শ্ৰীলংকাৰ প্ৰধানমন্ত্ৰী হৰিণী অমৰসূৰ্য্যই ভাৰত ভ্ৰমণ কৰে আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ লগত দ্বিপাক্ষিক বৈঠকত মিলিত হয়।

১৮ **অক্টোবৰ** : চীন দেশৰ নানজিঙত অনুষ্ঠিত আৰ্চাৰী বিশ্বকাপ প্ৰতিযোগিতাত ভাৰতৰ জ্যোতি সুৰেখাই (প্ৰথমগৰাকী ভাৰতীয়) ব্ৰঞ্জৰ পদক লাভ কৰে।

১৯ **অক্টোবৰ** : ড° নগেন শইকীয়াক অসম সাহিত্য সভাই 'সদসি ৱৰেণ্য' সন্মান প্ৰদান কৰিব বুলি ঘোষণা কৰে।

২০ **অক্টোবৰ** : ইউৰোপীয়ান কাউন্সিলে ভাৰত আৰু ইংলণ্ডৰ মাজত সম্পাদন কৰা মুক্ত বাণিজ্য চুক্তিত (FTA) অনুমোদন জনায়। ❖

**■ সংগ্ৰহ : কুশল গোস্বামী**



*চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা*

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

# ড° ভূপেন হাজৰিকা কি কি ক্ষেত্ৰত অসমৰ প্ৰথম

ড° ভূপেন হাজৰিকা—

- দাদাচাহেব ফাল্কে বঁটা লাভ কৰা প্ৰথমজন অসমীয়া (১৯৯২)।
- সংগীত নাটক একাডেমিৰ অধ্যক্ষ হোৱা প্ৰথম অসমীয়া (১৯৯৮-২০০৪)।
- বিদেশত প্ৰকাশিত আলোচনীৰ ('নিউ ইণ্ডিয়া') প্ৰথম অসমীয়া সম্পাদক (১৯৪৯-৫০)।
- পদ্মশ্ৰী (১৯৭৭), পদ্মভূষণ (২০০১), পদ্মবিভূষণ সন্মান (২০১২, মৰণোত্তৰভাৱে), ভাৰত ৰত্ন (২০১৯, মৰণোত্তৰভাৱে) আৰু দাদাচাহেব ফাল্কে বঁটা লাভ কৰা অসমৰ প্ৰথম আৰু একমাত্ৰ ব্যক্তি।
- অসম চৰকাৰৰ সৰ্বোচ্চ সন্মান 'অসম ৰত্ন' লাভ কৰা প্ৰথমজন অসমীয়া (২০০৮)।
- গণসংযোগ বিষয়ত গৱেষণা কৰি কলম্বিয়া বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰী লাভ কৰা সম্ভৱতঃ প্ৰথমজন অসমীয়া (১৯৫২)।
- বাংলাদেশৰ অন্যতম অসামৰিক সন্মান 'মুক্তিযোদ্ধা পদক' লাভ কৰা প্ৰথমজন অসমীয়া (২০১২, মৰণোত্তৰভাৱে)।
- অসম সাহিত্য সভাৰ সভাপতিৰ পদত অধিষ্ঠিত হোৱা প্ৰথমজন কণ্ঠশিল্পী, সংগীত পৰিচালক (১৯৯৩)।
- সৰ্বাধিক চাৰিটা ভাষাৰ (অসমীয়া, বাংলা, হিন্দী, মালায়ালাম) চলচ্চিত্ৰৰ সংগীত পৰিচালনা কৰা প্ৰথম অসমীয়া সংগীত পৰিচালক।
- বোলছবিৰ সংগীত পৰিচালকৰ ৰাষ্ট্ৰীয় বঁটা লাভ কৰা ('চামেলি মেমচাব', ১৯৭৫) প্ৰথমজন অসমীয়া।
- অসম সাহিত্য সভাৰ 'সাহিত্যাচাৰ্য্য' সন্মান লাভ কৰা প্ৰথমজন শিল্পী (২০০৮)।
- জীৱিত কালতে প্ৰতিমূৰ্তি নিৰ্মাণ হোৱা আৰু সেই প্ৰতিমূৰ্তি নিজে উন্মোচন কৰিবলৈ পোৱা প্ৰথমজন অসমীয়া (২০০৯ চনত)।
- মালায়ালাম ছবিৰ সংগীত পৰিচালনা কৰা প্ৰথমজন অসমীয়া।
- অন্তিম দৰ্শন আৰু অন্ত্যেষ্টিক্ৰিয়াত অভিলেখসংখ্যক জনসমাবেশ হোৱা প্ৰথমজন অসমীয়া। ❖

**টোকা :** *ড° ভূপেন হাজৰিকা বহুতো ক্ষেত্ৰত প্ৰথমগৰাকী অসমীয়া। ইয়াত তাৰে কেইটামান উল্লেখ কৰা হৈছে।*

*(উৎস : শান্তনু কৌশিক বৰুৱাৰ 'জ্ঞানাঞ্জন')*



## চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

**আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য**

### অসমীয়া ফকৰা-যোজনা, প্ৰবাদ-প্ৰবচন ইত্যাদি

## খাবলৈ নাই কণটো, বৰ সবাহলৈ মনটো

যাৰ ওচৰত খাবলৈ সাধাৰণ খুদকণ এটাৰ অভাৱ হয়, তেওঁ ডাঙৰ কামলৈ মন মেলা অনুচিত। নিজৰ শক্তি, সামৰ্থ্য অনুযায়ীহে মানুহে কাম কৰা উচিত। অভাৱী লোকে বৰ সবাহ এখন পাতিবলৈ মন মেলিলে সেই সপোন কাহানিও পূৰণ নহ'ব। সেয়েহে নিজৰ শক্তি, সামৰ্থ্য অনুসৰিহে আমি কোনো কামলৈ মন মেলিব লাগে।

**প্ৰায়োগিক বাক্য :** এইবাৰ তই দেখোন বিদেশ ভ্ৰমণলৈ মন মেলিলি; ইফালে অতবোৰ সমস্যাৰ মেৰপাকত সোমাই আছ—ইয়াকে কয় বোলে খাবলৈ নাই কণটো বৰ সবাহলৈ মনটো। ❖

## খালী কলহৰ মাত বেছি

পানী ভৰ্তি কলহত টোকৰ মাৰিলে বিশেষ শব্দ নহয়। আনহাতে খালী কলহত টোকৰ মাৰিলে বেছিকৈ শব্দ হয়। এই যোজনাফাকিয়ে বুজাব বিচৰা অৰ্থটো হ'ল সাধাৰণতে জ্ঞানৰ গভীৰতা থকা লোক এজনে নিজৰ জ্ঞান-বুদ্ধি প্ৰকাশ কৰিবলৈ নাযায়, ইয়াৰ বিপৰীতে কম মেধাসম্পন্ন বা কম প্ৰতিভাসম্পন্ন লোকেহে নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰিবলৈ গৈ প্ৰদৰ্শনকামিতাৰ আশ্ৰয় লয়। খালী কলহত টোকৰ মাৰিলে বেছি শব্দ হোৱাৰ দৰে কম জনা মানুহৰো বেছি কথা কোৱাৰ প্ৰৱণতা থাকে।

**প্ৰায়োগিক বাক্য :** সভাখনত গুণী-জ্ঞানীসকলক চেৰাই অল্পমতি বৰুৱাৰহে ভাষণ বেছি হ'ল—খালী কলহৰ মাত বেছি বোলা কথাষাৰহে যেন সঁচা হ'ল। ❖

## শুৱলা ভাষা

আমি সচৰাচৰ ভুলকৈ কৈ থকা কেইটামান বাক্যলৈ মন কৰাচোন :

১। তোমাৰ দেউতা ঘৰত আছেনে?

২। তোৰ দেউতা ক'লৈ গৈছে।

৩। তাৰ মা বৰ ভাল।

ওপৰৰ বাক্য তিনিটাত আঁচ টনা শব্দকেইটা ভুলকৈ ব্যৱহাৰ হৈছে। শুদ্ধ ৰূপটো এনে ধৰণৰ :

১। তোমাৰ দেউতাৰা ঘৰত আছেনে?

২। তোৰ দেউতাৰ ক'লৈ গৈছে?

৩। তাৰ মাক বৰ ভাল। ❖



# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

**আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য**

## শব্দ শিকোঁ (এদিনত এটাকৈ, এমাহৰ বাবে ৩০টা শব্দ)

| অসমীয়া | ইংৰাজী |
|---|---|
| বিবৃতি, উক্তি | statement |
| পৰিসংখ্যা বিজ্ঞান | statistics |
| প্ৰতিমা, মূৰ্তি | statue |
| ৰাষ্ট্ৰনেতা | statesman |
| স্থিতিশীল, অলৰ | stationary |
| বিধিগত, আইনগত | statutory |
| পানীৰ ভাপ | steam |
| ছাত্ৰ বৃত্তি | stipend, scholarship |
| মহকুমা | sub-division |
| ৰাজসাহায্য | subsidy |
| সৰ্বোচ্চ | supreme, highest |
| চিলাই | stitch |
| ৰণকৌশল, ৰণনীতি | strategy |
| পৰৱৰ্তী | subsequent |

| অসমীয়া | ইংৰাজী |
|---|---|
| বিকল্প | substitute, alternative |
| উত্তৰাধিকাৰী | successor |
| আঁকোৰগোঁজ | stubborn |
| বিস্ময়কৰ, চমৎকাৰী | stupendous |
| সবল, মজবুত | sturdy, strong |
| অবচেতন | subconscious |
| পৰাভূত কৰা, শান্ত কৰা | subdue |
| সূক্ষ্ম | minute |
| বিয়োগ কৰা | subtract |
| বশ হোৱা, মূৰ দোঁৱা | succumb |
| শল্য চিকিৎসক | surgeon |
| উচ্চতম ন্যায়ালয় | supreme court |
| আত্মসমৰ্পণ কৰা | surrender |
| জৰীপ | survey |
| বাচি থকা | survive |
| উৎকণ্ঠা | suspense ❖ |



**আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য**

# ভাৰতৰ বিভিন্ন ৰাজ্যৰ ৰাজ্যিক জন্তুসমূহ



**এটা খড়্গযুক্ত গঁড় :** (ইংৰাজী নাম one-horned rhinoceros, বৈজ্ঞানিক নাম *Rhinoceros unicornis*।) পৃথিৱী বিখ্যাত এটা খড়্গাযুক্ত গঁড় অসমৰ ৰাজ্যিক জন্তু। গঁড় এবিধ স্তন্যপায়ী জন্তু। সমগ্ৰ পৃথিৱীত বৰ্তমান ৩ হাজাৰটামানহে গঁড় আছে আৰু ইয়াৰে প্ৰায় ২০০০টা গঁড় অসমত অৱস্থিত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান, পবিতৰা অভয়াৰণ্য, মানাহ ৰাষ্ট্ৰীয় উদ্যান, ওৰাং ৰাষ্ট্ৰীয় উদ্যান আদিত পোৱা যায়। এটা খড়্গাযুক্ত গঁড় প্ৰধানকৈ বাংলাদেশ, ভূটান, ভাৰত আৰু নেপালত পোৱা যায়। ভাৰতত একালত এই গঁড় ব্ৰহ্মপুত্ৰ, গংগা আৰু সিন্ধু নদীৰ উপত্যকাৰ বনাঞ্চলত উভৈনদী আছিল যদিও বৰ্তমান কেৱল অসম, উত্তৰ প্ৰদেশ আৰু পশ্চিমবংগত সীমিত সংখ্যকহে গঁড় পোৱা যায়। এটা খড়্গাযুক্ত গঁড়ৰ ওজন প্ৰায় ১৮০০ৰ পৰা ২৭০০ কিলোগ্ৰাম, উচ্চতা ১.৭৫ৰ পৰা ২ মিটাৰ আৰু দৈৰ্ঘ্য ৩ৰ পৰা ৩.৮ মিটাৰ পৰ্য্যন্ত হোৱা দেখা যায়। ইয়াৰ ছালখন ধোঁৱা বৰণীয়া, নোমবিহীন, দেখাত যুদ্ধত ব্যৱহাৰ কৰা বৰ্মৰ দৰে ডাঠ। তথ্য অনুসৰি এটা খড়্গাযুক্ত গঁড়ৰ ছাল ৪ ছেমি. পৰ্য্যন্ত ডাঠ হ'ব পাৰে। এই গঁড়ৰ খড়্গ ভাঙিলে পুনৰ গজিব পাৰে।

এটা খড়্গাযুক্ত গঁড় মূলতঃ অৰ্ধ জলচৰ। ইহঁতে জলাশয় আৰু পিটনিত চৰি ভাল পায়। ই সাধাৰণতে অকলশৰীয়াকৈ থাকে। কেৱল পোৱালি আৰু মাকক একেলগে চৰা দেখা যায়। মতা এটা খড়্গাযুক্ত গঁড়ে নিজৰ ভৌগোলিক পৰিসীমা (territory) ৰক্ষা কৰি চলে আৰু ইয়াৰ ভিতৰত অন্য মতা গঁড়ে প্ৰবেশ কৰিলে হিংস্ৰতাৰে আক্ৰমণ কৰে। মাইকী গঁড়ে অৱশ্যে বিনাবাধাই এনে পৰিসীমাৰ বাহিৰ-ভিতৰ হ'ব পাৰে। এটা খড়্গাযুক্ত গঁড়ে একে ঠাইতে মল ত্যাগ কৰে আৰু এই মলৰ দ'মৰ যোগেদি অন্য প্ৰাণীক নিজক ভৌগোলিক পৰিসীমাৰ সংকেত দিয়ে। ইহঁতে সাধাৰণতে এঠাইৰ পৰা আন ঠাইলৈ যাবলৈ সদায় একেটা বাট ব্যৱহাৰ কৰে আৰু ভৰিৰ তলুৱাত থকা গ্ৰন্থিৰ পৰা ওলোৱা গোন্ধৰে চিন ৰাখি যায়। এই বাটটোক 'দণ্ডী' বুলি কোৱা হয়। ইহঁতৰ শ্ৰৱণ আৰু ঘ্ৰাণ শক্তি তীব্ৰ কিন্তু দৃষ্টিশক্তি তেনেই দুৰ্বল। এটা খড়্গাযুক্ত গঁড়ৰ আয়ুস সাধাৰণতে ৩০ৰ পৰা ৪৫ বছৰ। ই প্ৰধানকৈ ঘাঁহ, গছৰ পাত, জলজ উদ্ভিদ আদি খাই জীয়াই থাকে। এটা খড়্গাযুক্ত গঁড়ক আই ইউ চি এনৰ ৰঙা তালিকাত (IUCN Red List) অসুৰক্ষিত (vulnerable) বুলি গণ্য কৰা হৈছে। বিস্তীৰ্ণ ঘাঁহনি আৰু পিটনি অঞ্চলসমূহৰ ধ্বংস হোৱা তথা চোৰাং চিকাৰ ইয়াৰ মূল কাৰণ বুলি অভিহিত কৰা হয়। ❖



# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

**আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য**

## শিশু দিৱস আৰু নেহৰু খুৰা



স্বাধীন ভাৰতৰ প্ৰথমগৰাকী প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ জন্মদিনটোতে ভাৰতবৰ্ষত 'শিশু দিৱস' উদ্‌যাপন কৰা হয়। শিশুসকলৰ প্ৰতি তেওঁৰ মৰম আৰু আদৰৰ বাবেই শিশুসকলে তেওঁক 'নেহৰু চাচা' বুলি সম্বোধন কৰিছিল। নেহৰু খুৰাই জন্মগ্ৰহণ কৰিছিল ১৮৮৯ চনৰ ১৪ নৱেম্বৰত উত্তৰ প্ৰদেশৰ এলাহাবাদত (বৰ্তমানৰ প্ৰয়াগৰাজ)। তেওঁৰ পিতৃ মতিলাল নেহৰু পেছাত এগৰাকী উকীল আছিল। ভাৰতৰ স্বাধীনতা আন্দোলনত তেওঁ সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল। জৱাহৰলাল নেহৰুৰ মাতৃ স্বৰূপ ৰাণী এগৰাকী ধৰ্মপৰায়ণা মহিলা আছিল।

জৱাহৰলাল নেহৰু এগৰাকী বৰ অধ্যয়নশীল ব্যক্তি আছিল। তেওঁ সৰুকালত ঘৰুৱা শিক্ষকৰ পৰা শিক্ষা গ্ৰহণ কৰিছিল। ঘৰুৱা শিক্ষকৰ তত্ত্বাৱধানতে তেওঁ ইংৰাজী, সংস্কৃত, হিন্দী, উৰ্দু আদি ভাষাৰ জ্ঞান আহৰণ কৰাৰ লগতে ৰসায়নবিজ্ঞান, উদ্ভিদবিজ্ঞান, পদাৰ্থবিজ্ঞান আদিৰ শিক্ষাও লাভ কৰিছিল। তেৰ বছৰ বয়সত তেওঁ থিয়ছ'ফিকেল (theosophical) সংঘত যোগদান কৰিছিল আৰু এই সংঘৰ জৰিয়তে প্ৰাচীন ধৰ্মপুথিবোৰ অধ্যয়ন কৰিছিল। শৈশৱত তেওঁৰ ব্যায়াম চৰ্চা, ঘোঁৰা চলোৱা, সাঁতোৰ আদিতো ৰাপ আছিল। ১৫ বছৰ বয়সত তেওঁ ইংলণ্ডলৈ যায় আৰু তাৰ হেৰ' পাব্লিক স্কুলত নামভৰ্তি কৰে। অৱশ্যে হেৰ' পাব্লিক স্কুলৰ পৰিবেশে তেওঁক আকৃষ্ট নকৰাৰ বাবে তেওঁ পৰৱৰ্তী সময়ত কেম্ব্ৰিজৰ ট্ৰিনিটি কলেজত নামভৰ্তি কৰে। ট্ৰিনিটি কলেজৰ পৰাই তেওঁ স্নাতক ডিগ্ৰী লাভ কৰে।

জৱাহৰলাল নেহৰুৱে একেৰাহে ১৭ বছৰৰ বাবে ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী পদত অধিষ্ঠিত হৈ আছিল। তেওঁ এগৰাকী প্ৰখ্যাত লেখকো আছিল। বিশ্ব ইতিহাসৰ জিলিঙনি (Glimpses of World History), দ্য ডিস্ক'ভাৰী অৱ ইণ্ডিয়া (The Discovery of India) আদি তেওঁৰ উল্লেখযোগ্য সৃষ্টি। পণ্ডিত নেহৰু আছিল এগৰাকী অক্লান্ত কৰ্মী। প্ৰতিটো মুহূৰ্তৰ তেওঁ সদ্ব্যৱহাৰ কৰিছিল। ১৯৫৫ চনত তেওঁ ভাৰতৰ সৰ্বোচ্চ অসামৰিক সন্মান 'ভাৰত ৰত্ন' লাভ কৰিছিল। নেহৰুৱে ১৯১৬ চনত কমলা কৌলৰ সৈতে বিবাহপাশত আবদ্ধ হয়। তেওঁলোকৰ একমাত্ৰ কন্যা ইন্দিৰা গান্ধী ভাৰতৰ প্ৰথমগৰাকী মহিলা প্ৰধানমন্ত্ৰী আছিল।

উল্লেখযোগ্য যে ১৯৪৭ চনৰ পৰা সমগ্ৰ ভাৰততে নেহৰুৰ জন্মদিনটো ৰাজহুৱাভাৱে উদ্‌যাপন কৰা হৈছিল যদিও সেই দিনটো 'শিশু দিৱস' হিচাপে নামকৰণ কৰা হোৱা নাছিল। ১৯৫৪ চনত প্ৰথমবাৰৰ বাবে এই দিনটো 'শিশু দিৱস' হিচাপে পালন কৰা হয়। ❖



# ভূপেন হাজৰিকাৰ কেইটামান বিশেষ গীত

■ অৰ্ণৱজ্যোতি নাথ
দশম শ্ৰেণী



ভূপেন হাজৰিকাৰ গীতত মানৱতাবাদ, জাতীয় অনুৰাগ, সমাজৰ বিভিন্ন দিশৰ চিত্ৰণ, যেনে—ধনী-দুখীয়াৰ ব্যৱধান, জাত-পাতৰ সংকীৰ্ণতা, শোষকৰ শোষণ আদিৰ বিৰোধ, প্ৰেম-প্ৰণয়, বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত সমন্বয় আদি প্ৰায় সকলো দিশেই দেখিবলৈ পোৱা যায়। তেওঁৰ গীতৰ বিশেষত্ব এইটোৱে যে তেওঁৰ গীতৰ মাজত শ্ৰোতাই নিজকে কোনোবাখিনিত বিচাৰি পায়। এই অৱস্থাটোক নিত্যানন্দ ডেকাই কোনো এটি সাক্ষাৎকাৰত 'ভূপেনীয়া ঠাচ' বুলি উল্লেখ কৰিছে।

সুধাকণ্ঠৰ কেইটিমান বিশেষ গীতৰ বিষয়ে ক'ব বিচাৰিছোঁ, যিকেইটা গীতে ব্যক্তিগতভাৱে মোক যথেষ্ট প্ৰভাৱিত কৰে।

ড° ভূপেন হাজৰিকাৰ এক অপূৰ্ব সৃষ্টি হৈছে 'দোলা হে দোলা' শীৰ্ষক গীতটো, যাক সুৰ-ব্যৱস্থাপনাৰ দিশৰ পৰা এক ছদ্মবেশী গীত বুলিও ক'ব পাৰি। কিন্তু গীতটিৰ কথাত শ্ৰেণী বৈষম্যৰ বিৰুদ্ধে প্ৰতিবাদ শক্তিশালী ৰূপত প্ৰকাশ পাইছে।

"দোলাৰ ভিতৰত তিৰবিৰ্ কৰিছে
চহকী পাটৰে পাগ
ঘনে ঘনে দেখিছোঁ লৰচৰ কৰিছে
শুকুলা চোঁৱৰৰ আগ।
মোৰহে ল'ৰাটিক এইবাৰ বিহুতে
নিদিলোঁ সূতাৰে চোলা।
চকুলো ওলালেও মনটি নেভাঙো
কঢ়িয়াই লৈ যাওঁ দোলা।"

গীতটোৰ প্ৰথম অন্তৰাৰ এই দুখবোধ নেওচি শেষৰ ফালে বুজোৱা হ'ল যে বৰ বৰ মানুহৰ দোলা বৰ্তি আছে সৰু সৰু মানুহৰ ওপৰত নিৰ্ভৰ কৰি। ('আমাৰ কান্ধৰ পৰা পিছলিব লাগিলে বাগৰি পৰিব দোলা'।)

আকৌ 'শীতৰে সেমেকা ৰাতি' শীৰ্ষক গীতটিত সমাজৰ নিম্নশ্ৰেণীৰ মানুহৰ জীৱনলৈ অভাৱ আৰু দাৰিদ্ৰ্যই আনি দিয়া কাৰুণ্যৰ প্ৰকাশ ঘটিছে।

"বস্ত্ৰবিহীন কোনো খেতিয়কৰ
ভাগি পৰা পঁজাটিৰ
তুঁহজুই একুৰাৰ
উমি উমি জ্বলি থকা
ৰক্তিম যেন এটি উত্তাপ হওঁ।"

গীতটিৰ প্ৰথম স্তৱকত খেতিয়ক শ্ৰেণী, দ্বিতীয় স্তৱকত দিনমজুৰি কৰা শ্ৰেণী, তৃতীয় স্তৱকত সংখ্যালঘু শ্ৰেণী আৰু চতুৰ্থ স্তৱকত কণ্ঠৰুদ্ধ শিল্পীৰ কাষত তেওঁলোকৰ চৰম দুৰ্দিনৰ সময়ত গীতিকাৰে প্ৰচণ্ড সাহস আৰু নিৰাপত্তা হোৱাৰ আশ্বাস দিছে। ইয়াৰে কণ্ঠৰুদ্ধ গায়কগৰাকী প্ৰসংগটোৰ এক সুকীয়া কাহিনীও আছে।

ভূপেন হাজৰিকাৰ জীৱনৰ বিশালতাই মোক বাৰুকৈয়ে প্ৰভাৱিত কৰে। শিল্পীৰ নিজা কোনো ঘৰ নাই। যাৰ আছে, তেওঁ বঞ্চিত হৈছে জীৱনৰ মহানুভৱতাক উপলব্ধি কৰাৰ পৰা। শিল্পীয়ে যিমানে ইঠাইৰ পৰা আনঠাইলৈ গৈছে, সিমানে সোমাই পৰিছে

মানুহৰ মাজত আৰু বুকুত লৈ ফুৰিছে জীৱনৰ ৰং। সেয়ে তেওঁ লিখিছে—

“মই এটি যাযাবৰ
ধৰাৰ দিহিঙে-দিপাঙে লৰৰোঁ
নিবিচাৰি নিজা ঘৰ।”

নিজকে যাযাবৰ বুলি কোৱাৰ সাহস আৰু তাৰ কাৰণ দাঙি ধৰাৰ যোগাত্মক মানসিকতাৰ পটন্তৰ সঁচাকৈ বিৰল।

ড° ভূপেন হাজৰিকাৰ গীতত নিম্নবৰ্গীয় লোকৰ জীৱন স্পষ্ট আৰু তীব্ৰ। তাৰেই প্ৰতিফলন ঘটিছে ‘অতীতৰ বুৰঞ্জী’ শীৰ্ষক গীতটিত। ইয়াৰে এফাকি তলত উল্লেখ কৰিছোঁ—

“লুইতৰে পাৰৰে
গাঁৱৰে মৰিশালিত
ৰংমনে নিতৌ চিঞৰে
কৈ বোৱঁতী মনৰে কথা।”

গীতটোৰ বৰ্ণনাৰ মাজত যেন ভাহি আহিছে মিছৰ দেশৰ নীল নৈৰ পাৰৰ কৃষকৰ বুকুৰ বেথা, মিছিছিপিৰ পাৰৰ কপাহৰ খেতিত নিগ্ৰো ‘জন’ৰ বিননিত মানুহৰ বৰণৰ কথা, লুইতৰ পাৰৰ কোনোবা গাঁৱৰ মৰিশালিত বোঁৱতী মনৰ কথা কোৱা ৰংমনৰ চিঞৰ।

সকলো দিশৰ পৰা চাবলৈ গৈ অনুভৱ কৰোঁ যে ভূপেন হাজৰিকা আধুনিক অসমীয়া সংগীতৰ সৰ্বশ্ৰেষ্ঠ সংগীতকাৰ, অপ্ৰমাদী কণ্ঠশিল্পী, লগতে সময়ৰ সৈতে খোজ মিলাই যোৱা এগৰাকী অসাধাৰণ প্ৰতিভাশালী গীতিকাৰ। আজি সেয়ে ভূপেন হাজৰিকাৰ নামটো শুনাৰ লগে লগে ভীষণ আবেগেৰে জঁপিয়াই উঠিলেই নহ’ব। সঁচাকৈয়ে আমি যদি তেওঁক শ্ৰদ্ধা কৰোঁ, তেওঁৰ গীতৰ এই গণমুখী চৰিত্ৰক সঁচা অৰ্থত ৰক্ষা কৰাৰ বাবে আৰু আগুৱাই লৈ যোৱাৰ বাবে আমি দায়বদ্ধ হ’ব লাগিব। ❖

# শিশুৰ বাবে সুধাকণ্ঠৰ সৃষ্টি

■ শিপা ভৰদ্বাজ
সপ্তম শ্ৰেণী

ভাৰত ৰত্ন ড° ভূপেন হাজৰিকাৰ সৃষ্টিশীলতা বিভিন্ন দিশত প্ৰস্ফুটিত হৈছিল। গীতৰ ভূপেন হাজৰিকাজন আমাৰ খুব ওচৰৰ যদিও তেওঁ আছিল একাধাৰে চলচ্চিত্ৰ পৰিচালক, সাংবাদিক, সম্পাদক, লেখক, গৱেষক, চিত্ৰশিল্পী। ভূপেন হাজৰিকাৰ গীতসমূহত উত্তৰ-পূব ভাৰতৰ প্ৰায় সকলো জাতি-জনজাতিৰ কৃষ্টি-সংস্কৃতি, ঐতিহ্য প্ৰকাশ পাইছে। তদুপৰি সমসাময়িক সকলো গুৰুত্বপূৰ্ণ ঘটনা, বিভিন্ন জনসজাগতামূলক বিষয় আছে তেওঁৰ গীতসমূহত। তেওঁৰ গীত-কবিতাৰ বিপুল ভঁৰালত অৱশ্যে শিশু-সাহিত্য তেনেই তাকৰ। হয়তো এই দিশত সুধাকণ্ঠই অধিক গুৰুত্ব আৰু সময় দিয়াৰ অৱকাশ নাপালে। তথাপি যি এমুঠি আছে, তাতেই অনন্য প্ৰতিভাধৰগৰাকীৰ বৈশিষ্ট্য ফুটি উঠিছে।

‘আমি ভাইটি-ভণ্টি’ শীৰ্ষক গীতটোৰেই সম্ভৱতঃ ড° হাজৰিকাই লিখা প্ৰথম শিশুগীত। শিশুৰ মন ভাল লগাব পৰা বিভিন্ন কথা গীতটোত আছে। ১৯৫৪ চনত গুৱাহাটীতেই ভূপেন হাজৰিকাই এই গীতটো লিখিছিল।

সুধাকণ্ঠই ৰচনা কৰা শিশুগীতৰ ভিতৰত সৰ্বাধিক জনপ্ৰিয় দুটি গীত হ’ল ‘পাচলিৰ বাগিচা’ আৰু ‘ৰং কিনিবা কোনে’। পাচলিৰ বাগিচাৰ বিষয় এখন শাক-পাচলিৰ বাৰী, য’ত গীতিকাৰে নিজেই খেতি কৰি পোৱা অনাবিল সুখ-আনন্দৰ প্ৰকাশ ঘটিছে। আনহাতে



১৯৫৫ চনত গুৱাহাটীতে ড° হাজৰিকাই লিখা 'ৰং কিনিবা কোনে' শীৰ্ষক গীতটোত নানা ৰঙৰ প্ৰাকৃতিক উৎসৰ কাব্যিক বৰ্ণনা দিছে। এই দুটা গীতৰ উপৰি 'ৰং ৰং নানা ৰং' শীৰ্ষক গীতটোৰ জনপ্ৰিয়তাও কম নহয়। ১৯৮০ চনত মুক্তি লাভ কৰা 'অকণ' চলচ্চিত্ৰত এই গীতটো গাইছিল মুনিন দত্ত, কৃষ্ণা বৰ্মন, মৃণালিনী দত্ত আৰু ভূপিন্দৰ সিঙে। নিজৰ কৰ্মৰে




জগতত ৰং ছটিওৱাৰ শুভবাণী আছে এই গীতত। চলচ্চিত্ৰৰ গীতৰ প্ৰসংগতে উল্লেখ কৰিব পাৰি ড° ভূপেন হাজৰিকাৰ আন এটা বিশেষ গীতৰ কথা, যিটো নিশ্চিতভাৱেই শিশু উপযোগী। ১৯৮৩ চনত মুক্তি লাভ কৰা 'মা' চলচ্চিত্ৰত 'জন্মদিন' শীৰ্ষক এই গীতটো সন্নিৱিষ্ট। গীতটোৰ মূল অংশ এনে ধৰণৰ—

জন্মদিন জন্মদিন
প্ৰতিদিন হয় যেন ৰঙীন ৰঙীন
জোনে পঢ়া-শুনা কৰি
উঠি ৰেলগাড়ীত
জোনে যাব মানুহৰ উপকাৰ কৰি
পুতলায়ো নাচে আজি
তাক ধিনা ধিন ধিন

মহাকাশ সংস্থা নাছাৰ উদ্যোগত চন্দ্ৰপৃষ্ঠত প্ৰথম মানুহৰ পদাৰ্পণ আছিল মানৱ সভ্যতাৰ এক বৃহৎ সাফল্য। এই বাৰ্তা শুনি ড° ভূপেন হাজৰিকাই শিশুসকলক উদ্দেশ্যি লিখিলে 'আমি অকণি ওলামেই'। শিশুসকলৰ মাজত থকা সামৰ্থ্যক গুৰুত্ব দি তেওঁলোকক উৎসাহিত কৰাই যেন এই গীতৰ উদ্দেশ্য। ১৯৭১ চনত কলিকতাত সুধাকণ্ঠই এই গীতটো লিখিছিল। আমাৰ পৰম্পৰাগত নিচুকনি গীতৰ আধাৰত ভূপেন হাজৰিকাই লিখিছিল 'আমাৰে মইনা শুব এ' গীতটো। গীতটো নীতিকথামূলক। 'ভূপেন মামাৰ গীতে-মাতে অ আ ক খ' হৈছে ড° হাজৰিকাৰ এটি ব্যতিক্ৰমী ৰচনা। গীতটো যেন শিশু উপযোগী নানা তথ্যৰ ভঁৰাল। ছন্দ সুমধুৰ। আমাৰ অসমীয়া বৰ্ণমালাৰ মুঠ ১১টা স্বৰবৰ্ণ আৰু ৪১ টা ব্যঞ্জন বৰ্ণক লৈ গীতটো দীঘলীয়াকৈ ৰচনা কৰা হৈছে। আখৰ নিচিনা শিশুৱেও গীতটো আওৱালে অনায়াসে বৰ্ণমালাখন মনত ৰখাৰ লগতে বিভিন্ন কথা জানিব-বুজিব পাৰিব। গীতটোত থকা খুহুতীয়া বৰ্ণনাসমূহেও গীতিকাৰ ভূপেন হাজৰিকাৰ ৰসবোধক প্ৰতিফলিত কৰিছে।

এইসমূহৰ উপৰি ড° হাজৰিকাই শিশু উপযোগীকৈ লিখা দুই-এটা লেখা পোৱা যায়। সেইসমূহৰ ভিতৰত 'অকণিলৈ বিহুৰ বাবে আমেৰিকাৰ পৰা চিঠি' এখন গুৰুত্বপূৰ্ণ ৰচনা। চিঠিখন তেওঁ কলম্বিয়াৰ পৰা লিখিছিল আৰু প্ৰকাশ পাইছিল 'বিহুৱান' আলোচনীত, ১৯৫১ চনত। বিহুৰ সময়ত বিদেশত থাকি বেজেৰুৱা হৈ পৰা ড° হাজৰিকাই পশ্চিমীয়া চং-ঢং, খাদ্যাভ্যাস, খেল, বাদ্য আদিৰ কথা চিঠিখনত লিখিছে। কিন্তু সেইসমূহতকৈ বিহুৱতৰীয়া অসমখন যে বহু চহকী, সেই কথা দোহাৰিছে। ছন্দোবদ্ধ চিঠিখনৰ দুটামান শাৰী তুলি দিয়া হ'ল—


হাৰলেম নৈৰে সিপাৰে দেখিলোঁ
বৰ বৰ কলৰে ঘৰ,
মনত পৰিলে লুইত সিপাৰৰ
অতীতৰ ধুনীয়া গড়।
দেখি নিউয়ৰ্কৰ ষ্টেট এম্পায়াৰ
গপতে ওফন্দি পৰা
ঘনে মনত পৰে জয়াৰে দ'লটি
আকাশে সাবটি ধৰা।... ❖





# ভূপেন হাজৰিকা বিষয়ক দুখন গ্ৰন্থ

■ **অভিৰূপ আকাশ শাণ্ডিল্য**
অষ্টম শ্ৰেণী




'মই এটি যাযাবৰ' হৈছে সূৰ্য্য হাজৰিকাৰ দ্বাৰা অনুলিখিত ড° ভূপেন হাজৰিকাৰ আত্মজীৱনী। ড° ভূপেন হাজৰিকাই নিজৰ জীৱনকালৰ কোনো কথা টুকি থোৱা নাছিল। বহু লোকে তেওঁক এখন আত্মজীৱনী লিখাৰ প্ৰস্তাৱ দিছিল। কিন্তু তেওঁ সাংস্কৃতিক কাম-কাজত ব্যস্ত হৈ থকা বাবে তেওঁ সেই সুযোগ পোৱা নাছিল। এই ক্ষেত্ৰত ভূপেন হাজৰিকাক সহায় কৰিছিল তেওঁৰ ভাতৃসম সূৰ্য্য হাজৰিকাই। তেওঁ ড° ভূপেন হাজৰিকাৰ আগত অনুলিখন পদ্ধতিৰে আত্মজীৱনী লিখাৰ প্ৰস্তাৱ দাঙি ধৰিছিল। ১৯৯৩ চনৰ ফেব্ৰুৱাৰী মাহত ভূপেন হাজৰিকাৰ অনুলিখিত আত্মজীৱনী 'মই এটি যাযাবৰ' প্ৰকাশ পায়। কিতাপখন পঢ়ি তেওঁৰ শুভাকাংক্ষীসকলে তেওঁৰ মনত নপৰা বহু কথা সোঁৱৰাই দিয়ে। সেয়ে ২০০৮ চনত সূৰ্য্য হাজৰিকাৰ সম্পাদনাত নতুন ৰূপত প্ৰকাশ হৈ ওলায় উক্ত কিতাপখনৰ পৰিবৰ্ধিত আৰু সংশোধিত সংস্কৰণ। ২০১১ আৰু ২০১৩ চনত পুনৰ পৰিবৰ্ধিত ৰূপত প্ৰকাশ পায় 'মই এটি যাযাবৰ'। আত্মজীৱনীখনৰ শেষত ৰতিমোহন নাথৰ দ্বাৰা সংগৃহীত ড° ভূপেন হাজৰিকাৰ এখন 'জীৱন-পঞ্জী' আৰু সূৰ্য্য হাজৰিকাৰ দ্বাৰা সংকলিত ভূপেন হাজৰিকাৰ কিছুসংখ্যক আলোকচিত্ৰ সংযোজন কৰা হৈছে।

২০১৪ চনত বনলতাই প্ৰকাশ কৰা ড° দিলীপ কুমাৰ দত্তৰ দ্বাৰা ৰচিত 'ভূপেন হাজৰিকাৰ গীত আৰু জীৱন ৰথ' হৈছে তেওঁৰ সৃষ্টিৰাজিৰ বিষয়ে লিখা আন এখন গুৰুত্বপূৰ্ণ গ্ৰন্থ।

গ্ৰন্থখনৰ প্ৰথম অধ্যায়টোত ভূপেন হাজৰিকাৰ জীৱনৰ ধাৰাবাহিক ঘটনা অৰ্থাৎ 'জীৱন-পঞ্জী' এখন আছে। কিতাপখনত ভূপেন হাজৰিকাৰ দ্বাৰা ৰচিত তথা তেওঁ কণ্ঠদান কৰা বিভিন্ন গীতৰ কথা উল্লেখ আছে। তেওঁৰ গীতবোৰক লেখকে গীতবোৰে প্ৰকাশ কৰা ভাব অনুসৰি কেইবাটাও ভাগত ভাগ কৰিছে। যেনে— বিদ্ৰোহৰ গীত, সামাজিক বিষয়ৰ গীত, মানৰ প্ৰেমৰ গীত, জাতীয় প্ৰেমৰ গীত আদি। কিতাপখনৰ অন্তিম অধ্যায়ত ড° ভূপেন হাজৰিকাৰ গীতৰ প্ৰথম শাৰীৰ সূচী এখন প্ৰকাশ পাইছে।




দিলীপ কুমাৰ দত্তই কিতাপখনত ভূপেন হাজৰিকাক 'অসমৰ জাতীয় গায়ক' আৰু 'শংকৰদেৱৰ দ্বিতীয় ৰূপ' আখ্যা দিছে। এই বৃহৎ কলেৱৰৰ গ্ৰন্থখনত লেখকে অশেষ শ্ৰমেৰে সংগৃহীত গীতবোৰৰ বিষয়ে নিজৰ মতামত দাঙি ধৰি কেইবাটাও বিশ্লেষণাত্মক প্ৰবন্ধ সন্নিৱিষ্ট কৰিছে। ড° ভূপেন হাজৰিকাৰ স্বৰচিত ৩২৩টা গীতৰ কথা আৰু গীতসমূহৰ বিষয়বস্তু সম্পৰ্কীয় প্ৰবন্ধসমূহে গ্ৰন্থখনক এক বিশেষ মাত্ৰা দিছে। গীতৰ বিষয় বৈচিত্ৰ্য বৰ্ণনা কৰি লিখা প্ৰবন্ধসমূহে পঢ়ুৱৈক ড° ভূপেন হাজৰিকাদেৱৰ গীতৰ বিষয়ে বুজাত বিশেষভাৱে সহায় কৰিব। কিতাপখনত ভূপেন হাজৰিকাৰ জীৱনৰ লগতে সংগীতৰ ক্ষেত্ৰখনলৈ তেওঁ আগবঢ়োৱা অবদানৰ কথা সামৰি লোৱা হৈছে। ভূপেন হাজৰিকা বিষয়ক তথ্যৰ অন্বেষণ কৰাৰ ক্ষেত্ৰত এই গ্ৰন্থখনে আমাৰ দৰে স্কুলীয়া শিক্ষাৰ্থীকে কেৱল নহয়, সকলো বয়সৰ লোকৰ বাবেও সহায়ক গ্ৰন্থ হিচাপে বিবেচিত হৈছে।



# পঢ়ুৱৈৰ টোকা

**কিতাপৰ নাম : সোণগুটি গাঁৱলৈ যাবা নেকি ব'লা**
**লেখক : হিমানী পাঠক**

**প্ৰকাশক : চন্দ্ৰ প্ৰকাশ**
**মূল্য : ৬০ টকা**




'সোণগুটি গাঁৱলৈ যাবা নেকি ব'লা' এই কিতাপখন 'ভদীয়া' নামৰ ল'ৰা এটাৰ কাহিনী। ভাদ মাহত ওপজা বাবেই তাৰ নাম ভদীয়া ৰখা হৈছিল। সমাজত এনে বহুতো লোক আছে, যিসকল আৰ্থিকভাৱে বৰ জুৰুলা। ফলত নিজৰ ভাগ্যক দোষাৰোপ কৰি তেওঁলোকে কেতিয়াবা বেয়া কামত লিপ্ত হয়। ভদীয়াৰো সেই একেই অৱস্থা হৈছিল। অভাৱৰ বাবেই তাৰ স্বভাৱ নষ্ট হৈছিল। অৱশ্যে তাৰ এই স্বভাৱ বেছি দিনলৈ থকা নাছিল।

ভদীয়াই বিদ্যালয়ত আঠ বছৰ বয়সতে নাম লগাইছিল যদিও পিতৃ আৰু মাতৃৰ দুখভৰা কৰুণ ছবিয়ে তাক আমনি কৰাত সি ছাত্ৰ জীৱনৰ আধাতে সামৰণি মাৰি পিতৃৰ কামত হাত ধৰিলে। 'কৰ্মই ধৰ্ম' বুলি নিচেই পুৱাতে দুয়ো সুখনিদ্ৰাৰ শেতেলি ত্যাগ কৰি নাঙল কান্ধত লৈ পথাৰলৈ যোৱা আৰম্ভ কৰিলে। ভদীয়াৰ পঢ়া-শুনাৰ প্ৰতি ধাউতি আছিল যদিও নিৰক্ষৰ পিতৃ-মাতৃয়ে তাক পঢ়াৰ পৰিবেশ দিব পৰা নাছিল। আন সমনীয়া ল'ৰা-ছোৱালীয়ে স্কুললৈ যোৱা দেখিলে তাৰ মনত বৰ দুখ লাগিছিল। পাছে ইমানখিনি দুৰ্দশাৰ পাছতো দুৰ্ভাগ্যই ভদীয়াৰ লগ এৰা নাছিল। তাৰ মাকে এজনী ছোৱালী জন্ম দি এই পৃথিৱীৰ পৰা মেলানি মাগে। তাৰ কিছুদিনৰ পাছতে আকৌ নিজৰ অতিকৈ মৰমৰ জীয়েকজনীৰ মৃত্যুৰ শোকত ভদীয়াৰ আইতাকৰো জীৱনৰ বন্তিগছি নুমাই থাকিল।

লঘোনে-ভোকে ভদীয়া অতিষ্ঠ হৈ আনৰ বাৰীৰ পৰা আম-কঁঠাল আদি চুৰ কৰি খাবলৈ আৰম্ভ কৰিলে। এয়াই আছিল ভদীয়াই কৰা বেয়া কামটো। এদিন সি ৰাইজৰ হাতত হাতে-লোটে ধৰা পৰিল। গাঁৱৰ ৰাইজে তাক 'ভদীয়া চোৰ' বুলি ইতিকিং কৰি ভদীয়া যে চোৰ, সেই কথা প্ৰচাৰ কৰি দিলে।

ভদীয়াৰ দেউতাকে গাঁওবুঢ়াৰ কথা মতে বিলৰতাৰী গাঁৱৰ পদুমীৰ সৈতে দ্বিতীয় বিয়া পাতিলে। পৰিয়ালটোৰ স্বাৰ্থতে পদুমীয়ে সৰুকৈ এখন চাহৰ দোকানো খুলিলে। ভদীয়াৰ চোৰ স্বভাৱটো গুচক বুলি পদুমীয়ে গিৰীয়েকক বুজাই-মেলি ৰমেন ঠিকাদাৰৰ ঘৰত ভদীয়াক বনকৰা ল'ৰা হিচাপে পঠিয়াই দিলে।

ৰমেন ঠিকাদাৰৰ পত্নীয়ে ভদীয়াক ওচৰৰে স্কুল এখনত নাম লগাই দিলে। স্কুলখনৰ প্ৰধান শিক্ষকে ভদীয়াৰ নামটো সলাই নতুনকৈ 'ভগৱান' নাম দিলে। লগতে কেতিয়াও লোকৰ বাৰীৰ পৰা ফল চুৰ কৰাৰ দৰে গৰ্হিত কাম নকৰিবলৈ তাক শপত খুৱালে।

প্ৰথমাৱস্থাত ভগৱানে স্কুলত নামভৰ্তি কৰাটো তাৰ সহপাঠীসকলে ভাল পোৱা নাছিল যদিও পাছত শিক্ষক এজনৰ বুজনিত সিহঁতৰ মন সলনি হ'ল। এনেদৰেই দিনৰ পাছত দিন গৈ গৈ ভদীয়াই দশম শ্ৰেণী পালে আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হ'ল। ভগৱানে অসমীয়া আৰু ইংৰাজীত লেটাৰ মাৰ্ক পাই প্ৰথম বিভাগত উত্তীৰ্ণ হ'ল। সি আৰু তাৰ পৰিয়াল আনন্দত ৰ'ব নোৱৰা হ'ল। চুবুৰীয়া সকলো লোককে মাতি আনি ৰমেন ঠিকাদাৰৰ ঘৰত চাহ-মিঠাই খুওৱা হ'ল।

মুঠৰ ওপৰত কিতাপখনৰ পৰা এয়াই জনা গ'ল যে ইচ্ছা থাকিলে আমি প্ৰত্যেকেই আমাৰ বদ অভ্যাস আৰু স্বভাৱৰ সলনি কৰিব পাৰোঁ। 'চেষ্টাৰ অসাধ্য একো নাই' এই কথাষাৰৰ মূল্য এই কিতাপখনৰ জৰিয়তে ভালদৰে বুজা যায়। ❖

**■ দেৱাংগনা বৰঠাকুৰ**
ষষ্ঠ শ্ৰেণী

# মোৰ জীৱন, মোৰ সপোন

■ উজ্জীৱন তালুকদাৰ
সপ্তম শ্ৰেণী

অনবৰতে আমনি কৰি থাকে
কেৱল এটাই কথা,
ভিতৰে-বাহিৰে যেন
কামুৰি থাকে কিটকিটাই।
বিষতে কৰি থাকোঁ ইচাট-বিচাট
কত দিন হয় টোপনি খতি।
সমাধান বিচাৰি
ইফালে-সিফালে চালে,
ষ্টিল লাইফ, প'ৰ্ট্ৰেইট, লেণ্ডস্কেপ
পেন্সিল ছেডিং, পেনিংবোৰে নাচি নাচি
চকুৰ আগেৰে ওলাই যায়।
যেন সংগীতৰ সপ্তস্বৰহে।
ওলাই গৈ গৈ ছবিবোৰে বান্ধে দ'ম,
সজ্ঞানে-অজ্ঞানে আঁকি যাবলৈ মন যায়
ইখনৰ পাছত সিখনকৈ ছবি।
আঁকি আঁকি হিমালয় সদৃশ
ছবিৰ যেন এখন গঢ়িম পৰ্বত। ❖



# পোহৰৰ সন্তান

■ ৰিদীপ্তা বৰদলৈ
সপ্তম শ্ৰেণী

নিৰ্ভীক অটলভাৱে তুমি থিয় দি আছা
সাক্ষী হৈ আছা প্ৰতিটো ঋতুৰ।
প্ৰখৰ ৰ'দ, ধুমুহাই তোমাক কোঙা কৰিব নোৱাৰে
তোমাৰ বক্ষৰে বৈ অহা প্ৰতিটো নিশাহত
তোমাৰ আয়ুস বাঢ়ে।
ব'হাগৰ নাচনীৰ হাত ৰাঙলী কৰা
তোমাৰ সেউজীয়া পাতৰ আঁৰৰ শোণিত ৰঙে
দূৰৰ পাহাৰত ফুলা কৃষ্ণচূড়া হৈ,
সোণাৰুৰ ফুলেৰে প্ৰতিশ্ৰুতি দিয়ে পোহৰৰ বাটক
তুমি জাতিষ্কাৰ হোৱা ফলে-ফুলে
তোমাৰ ছাঁত জিৰণি ল'ব কোনো ক্লান্ত পথিকে
ডালত নানান পক্ষীৰ কলৰৱ।
বৃক্ষৰূপী তুমি সোণ-ৰূপৰ ভাণ্ডাৰহে যেন
সূৰ্য্যৰ প্ৰতিটো পোহৰ তোমাৰ
তুমি যে পোহৰৰ সন্তান। ❖

# ফুল আৰু ফুলনি

■ নৈবেধী শৰ্মা
চতুৰ্থ শ্ৰেণী

পাহিৰ এখনি ফুলনি আছে
দেখিবলৈ বৰ শুৱনি,
নানা ৰঙৰ ফুল ফুলি থাকে
বতাহতে হালি-জালি।
প্ৰতিজোপা ফুল পাহিৰ সখী
কিবাকিবি কথা পাতে হাঁহি হাঁহি,
ফুলনিখন পাহিয়ে নিতৌ চাফা কৰে
আবেলি সময়ত ফুলগছত পানী দিয়ে।
বাৰমাহে জকমকাই থাকে ফুলনিখনি
আনন্দে নধৰে মন আমাৰ পাহি ভণ্টিৰ। ❖

# কুইজ



■ **দীপাংকৰ কৌশিক**

**এইবাৰৰ কুইজ শিতান সজোৱা হৈছে সুধাকণ্ঠ ড° ভূপেন হাজৰিকা বিষয়ক বিভিন্ন তথ্যৰে—**

১। ভূপেন হাজৰিকাৰ পিতৃৰ নাম আছিল নীলকান্ত হাজৰিকা। তেওঁৰ মাতৃৰ নাম কি আছিল?

২। 'অগ্নিযুগৰ ফিৰিঙতি মই'—সুধাকণ্ঠই ৰচনা কৰা দ্বিতীয়টো গীত। প্ৰথমটো গীত কি আছিল?

৩। গুৱাহাটীৰ কটন কলেজিয়েট স্কুলৰ ছাত্ৰ সমাৰোহৰ এক অনুষ্ঠানত ভূপেন হাজৰিকাই প্ৰথম গীত গাইছিল। তেতিয়া তেওঁৰ বয়স ৫ বছৰ। তেওঁ কোনটো গীত গাইছিল?

৪। ১৯৬৮ চনৰ ২৬ জানুৱাৰীত খাদ্য সমস্যাৰ বাবে গুৱাহাটীৰ ফাঁচী বজাৰত সংঘটিত এটা ঘটনাৰ আলমত ভূপেন হাজৰিকাই ৰচনা কৰা বিখ্যাত গীতটো কি আছিল?

৫। ভূপেন হাজৰিকাই সংগীত পৰিচালনা কৰা প্ৰথমখন হিন্দী চলচ্চিত্ৰৰ পৰিচালনা কাৰ আছিল?

৬। সুধাকণ্ঠই স্বতন্ত্ৰভাৱে সংগীত পৰিচালনা কৰা প্ৰথম অসমীয়া চলচ্চিত্ৰখনৰ নাম কি?

৭। ভূপেন হাজৰিকাই কণ্ঠদান কৰা প্ৰথমখন চলচ্চিত্ৰ আছিল 'ইন্দ্ৰমালতী'। তেওঁ কণ্ঠদান কৰা অন্তিমখন চলচ্চিত্ৰৰ নাম কি?

৮। ১৯৭৫ চনত কোনখন চলচ্চিত্ৰৰ বাবে সুধাকণ্ঠই শ্ৰেষ্ঠ সংগীত পৰিচালকৰ ৰাষ্ট্ৰীয় বঁটা লাভ কৰিছিল?

৯। ১৯৫৫ চনৰ ১৯ ফেব্ৰুৱাৰীত প্ৰকাশ পোৱা ভূপেন হাজৰিকাৰ প্ৰথমখন গীতৰ সংকলনৰ নাম কি আছিল?

১০। উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমগৰাকী ব্যক্তি হিচাপে সুধাকণ্ঠই ১৯৯২ চনত কোনটো ৰাষ্ট্ৰীয় বঁটা লাভ কৰিছিল?

১১। ভূপেন হাজৰিকাই সম্পাদনা কৰা প্ৰথমখন পত্ৰিকাৰ নাম কি আছিল?

১২। ১৯৬৩ চনত মুক্তিলাভ কৰা সৰ্বেশ্বৰ চক্ৰৱৰ্তীৰ 'মণিৰাম দেৱান' চলচ্চিত্ৰখনত পিয়লি বৰুৱাৰ ওঁঠত থকা বিখ্যাত গীতটোৰ ৰচনা আৰু কণ্ঠ ভূপেন হাজৰিকাৰে। কোনটো গীত বাৰু?

১৩। সুধাকণ্ঠই পৰিচালনা কৰা চতুৰ্থখন হিন্দী চলচ্চিত্ৰৰ কাহিনী আছিল মহাশ্বেতা দেৱীৰ। চলচ্চিত্ৰখনৰ নাম কি?

১৪। ১৯৯৩ চনত কোন ঠাইত অনুষ্ঠিত অসম সাহিত্য সভাৰ অধিবেশনত সভাপতিত্ব কৰিছিল সুধাকণ্ঠই?

**চিত্ৰ সংকেত**

১৫। সুধাকণ্ঠৰ সৈতে থকা এইগৰাকী বিখ্যাত শিল্পী কোন বাৰু? ❖



## তোমালোকৰ বাবে প্ৰশ্ন—নৱেম্বৰ, ২০২৫

১। সুধাকণ্ঠই পৰিচালনা কৰা প্ৰথম অসমীয়া চলচ্চিত্ৰখনৰ সংগীত পৰিচালনা কাৰ আছিল?

২। ভূপেন হাজৰিকা ১৯৯৮ৰ পৰা ২০০৩ চনলৈ কোনটো সংস্থাৰ অধ্যক্ষ পদত আছিল?

৩। বাল্যকালত সুধাকণ্ঠক ঘৰত মতা নামটো কি আছিল?

৪। ২০১১ চনত কোনখন দেশে ভূপেন হাজৰিকাক 'ফ্ৰেণ্ডছ অৱ লিবাৰেছন ৱাৰ' সন্মান আগবঢ়াইছিল?

৫। ১৯৬৭ চনত সুধাকণ্ঠই কোনটো সমষ্টিৰ পৰা বিধানসভা নিৰ্বাচনত নিৰ্দলীয় প্ৰাৰ্থীৰূপে জয়ী হৈছিল? ❖





# Lord of the Flies

■ **Pallavi Dutta**

*(Continued from October issue)*




As fear and division deepen among the boys, the fragile sense of community that once held them together collapses almost completely. Ralph's group continues to cling to the last remnants of civilization — the conch, the signal fire, and a belief in eventual rescue. Yet, hope is fading. The shelters deteriorate, the fire often goes out, and the boys grow increasingly wild in appearance and behaviour. Even Ralph begins to lose confidence in his leadership, sensing that logic and order is now absent among the boys.

Jack's tribe, meanwhile, has transformed into a violent, primal society at Castle Rock. There, the boys no longer follow rules or rationality; they follow Jack's commands. Painted in clay and charcoal, they chant, hunt, and perform rituals. Jack maintains control through fear and indulgence — promising meat, protection, and a sense of belonging. His leadership thrives on power and bloodthirstiness, unlike Ralph's, which is rooted in cooperation and discipline..

Amid this descent into chaos, Simon remains the only boy who perceives the truth about the so-called "beast." Sensitive, spiritual, and introspective, he senses that the real source of terror is not an external monster but the darkness within each of them. After his haunting encounter with 'the Lord of the Flies' — the pig's head impaled on a stick — Simon's understanding becomes crystal clear: the beast is not a creature to be hunted but a symbol of their own primal instincts. The grotesque, fly-covered head becomes a manifestation of evil and corruption, mocking him with the chilling realization that the beast is part of every boy there.

Driven by this revelation, Simon climbs the mountain to confirm what he already suspects. There, he discovers the truth: the supposed beast is actually the dead parachutist, whose lifeless body moves only because of the wind. Horrified yet relieved, Simon rushes down the mountain to tell the others. But as he descends, a violent storm breaks over the island.

Meanwhile, at Jack's camp, the boys are gathered around a blazing fire, celebrating their latest hunt with a feast. Thunder roars and lightning flashes across the sky as the boys, caught up in their own frenzy, begin a wild, rhythmic dance. They chant in unison — "Kill the beast! Cut his throat! Spill his blood!" — their movements growing faster and more savage with every beat. In their madness, they blur the line between ritual and violence.

Simon bursts into the circle, exhausted and desperate to speak. He tries to tell them the truth — that there is no beast, only a dead man. But the boys, blinded by fear and intoxicated by their collective frenzy, mistake him for the creature they dread. In a horrifying, trance-like attack, they fall upon Simon, beats him till he breathes no more. ❖

*Contd.*



## চুড'কু

তলৰ আকৃতি এটাৰ ৯টা শাৰী আৰু ৯টা স্তম্ভৰ লগতে প্ৰতিটো বৰ্গক্ষেত্ৰত ১ৰ পৰা ৯লৈ সংখ্যাকেইটা এবাৰকৈহে বহিব।

### চুড'কু ২২৪ (সমাধান)

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 5 | 6 | 9 | 1 | 4 | 2 | 7 | 8 | 3 |
| 2 | 4 | 1 | 8 | 3 | 7 | 9 | 6 | 5 |
| 8 | 7 | 3 | 5 | 9 | 6 | 1 | 2 | 4 |
| 3 | 1 | 6 | 7 | 2 | 5 | 8 | 4 | 9 |
| 7 | 9 | 2 | 4 | 8 | 1 | 5 | 3 | 6 |
| 4 | 8 | 5 | 9 | 6 | 3 | 2 | 1 | 7 |
| 6 | 5 | 7 | 3 | 1 | 8 | 4 | 9 | 2 |
| 1 | 3 | 4 | 2 | 5 | 9 | 6 | 7 | 8 |
| 9 | 2 | 8 | 6 | 7 | 4 | 3 | 5 | 1 |

### চুড'কু ২২৫

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| | | | 4 | | 8 | 3 | | |
| | 2 | 9 | | | | 1 | | |
| | | | | | 7 | | | |
| | | | | 6 | | | | 2 |
| 8 | | | | | | | 7 | |
| | | | | 9 | | | | |
| | | | | | 3 | | 8 | |
| | | 6 | | | | | | |
| | 1 | 2 | | | | | | |

## তোমালোকে জানানে?

# মহেঞ্জোদাৰো



মহেঞ্জোদাৰো (Mohenjodaro) হ'ল বৰ্তমান পাকিস্তানৰ সিন্ধু প্ৰদেশত অৱস্থিত এক প্ৰাচীন সভ্যতাৰ নগৰ। ১৯২২ চনত প্ৰথমবাৰৰ বাবে মহেঞ্জোদাৰোত খনন কাৰ্য্য চলোৱাৰ পৰিকল্পনা কৰা হয়। খননৰ পাছত গম পোৱা গৈছিল যে প্ৰাচীন সিন্ধু উপত্যকাৰ সভ্যতাৰ আটাইতকৈ বৃহৎ মহানগৰখন আছিল মহেঞ্জোদাৰো। পাঁচ কিল'মিটাৰ পৰিধিৰ এই বিশাল নগৰখনত অনেক সুন্দৰ প্ৰাসাদ আৰু আন কীৰ্তিস্তম্ভ নিৰ্মাণ কৰা হৈছিল। গতিকে প্ৰাচীন সিন্ধু ৰাজ্যৰ মহেঞ্জোদাৰোৱেই ৰাজধানী আছিল বুলি ধাৰণা কৰিব পৰা যায়। বৰ্তমান সিন্ধু নৈ মহেঞ্জোদাৰোৰ পৰা তিনি কিলোমিটাৰ দূৰত অৱস্থিত। এই সভ্যতাৰ সময় খ্ৰীষ্টপূৰ্ব ২৫০০ৰ পৰা খ্ৰীষ্টপূৰ্ব ১৫০০ শতিকালৈ বুলি ধাৰণা কৰা হৈছে। মহেঞ্জোদাৰো আছিল এখন পৰিকল্পিত নগৰ। আবাসিক এলেকাবোৰ কিছুমান 'ব্লক'ত ভাগ কৰা হৈছিল। 'ব্লক'বোৰৰ দীঘ ৩৮৪ মিটাৰ আৰু প্ৰস্থ ২২৮ মিটাৰ। ৰাস্তাবোৰ আছিল ঠেক আৰু পোন। কেন্দ্ৰীয় অঞ্চলত থকা ব্লকটো বহু ওখত অৱস্থিত। প্ৰতিৰক্ষাৰ বাবে তাত দুৰ্গৰ ব্যৱস্থাও আছিল। ভিতৰত আছিল স্নানাগাৰ। এই স্থানৰ পৰা কিছু দূৰত থকা ঘৰবোৰ কিছু সাধাৰণ। বোধকৰোঁ মধ্যবিত্ত শ্ৰেণীটোৱে তাত বাস কৰিছিল। চিৰিসহ দুমহলীয়া ঘৰ থকাৰো প্ৰমাণ পোৱা গৈছে। বিজ্ঞানসন্মত খাল আৰু অনাময় ব্যৱস্থাও মহেঞ্জোদাৰোত আছিল। ইটাৰ বেৰবোৰত বোকাৰে 'প্লাষ্টাৰ' কৰা হৈছিল। ব্ৰঞ্জৰ ব্যৱহাৰৰ নিদৰ্শনো আৱিষ্কৃত হৈছে। বহুত 'টেৰাকোটা' মূৰ্তি তাত পোৱা গৈছে। শিল, ধাতুৰ অস্ত্ৰ, সোণ-ৰূপ, হাতী দাঁতৰ অলংকাৰ আদি তেওঁলোকে ব্যৱহাৰ কৰিছিল। মহেঞ্জোদাৰোত গছ, জীৱ-জন্তু আদিৰ পূজা কৰা হৈছিল বুলি ধাৰণা কৰা হয়। নিৰাপদ অৱস্থিতি সত্ত্বেও প্ৰলয়ংকৰী বানপানীয়েই সম্ভৱতঃ এই সভ্যতা ধ্বংস কৰে। ❖

*উৎস : শান্তনু কৌশিক বৰুৱাৰ 'বিশ্ব ঐতিহ্য'*





# কেশৱ মহন্ত

■ সুদীপ্তা চৌধুৰী



আধুনিক অসমীয়া গীতৰ ক্ষেত্ৰখনত গভীৰ সাহিত্যিক মূল্য থকা গীতিকাৰসকলৰ ভিতৰত অন্যতম আছিল কেশৱ মহন্ত। ১৯২৬ চনত শোণিতপুৰ জিলাত জন্মগ্ৰহণ কৰা কেশৱ মহন্ত এগৰাকী সফল কবি তথা শিক্ষাবিদ। পাঁচ শতাধিক গীতৰ স্ৰষ্টা কেশৱ মহন্তৰ 'কাউৰী পৰে', 'মা আমি শদিয়ালৈ যামেই', 'শিলে শিলে ঠেকা খালে', 'বৰষুণৰ বতৰত', 'পাৰৰ পাখিত গাঁঠি দিলোঁ' শীৰ্ষক গীতবোৰ অতি জনপ্ৰিয় আৰু অসমৰ কলা-সংস্কৃতিক সমৃদ্ধ কৰা একশ্ৰেণীৰ বিশেষ গীত। ৰ'দ জিকিমিকি (১৯৫৮), কুঁৱলী আঁতৰি যা (১৯৬০), দিশ ধৱলী বৰণ (১৯৭০), বুকুত এজাক ধুমুহা (১৯৮৬) আৰু মোৰ যে কিমান হেঁপাহ (১৯৯২) তেওঁৰ প্ৰকাশিত গীতৰ সংকলন। কেশৱ মহন্তৰ গীতসমূহ অসমৰ সহজ-সৰল জীৱনৰ বাবে ৰচিত, ঘৰুৱা ভাষাৰ গোন্ধ থকা, আপোন আপোন লগা গীত। তেওঁৰ গীতত প্ৰাণ পাই উঠিছিল সপোন, বাস্তৱ, প্ৰেম, সংগ্ৰাম আদিৰ ছবি। ভাষা, কল্পনা, চিত্ৰকল্প, উপমা আদিৰ সমাহাৰ ঘটা তেওঁৰ গীতবোৰ খগেন মহন্ত, ৰমেন বৰুৱা, পুলক বেনাৰ্জী, মনজ্যোৎস্না মহন্ত আদিৰ শিল্পীৰ কণ্ঠত প্ৰাণ পাই উঠিছিল। প্ৰথমে সুৰ তাৰ পাছত কথা এই বিপৰীত নিয়মৰ মাজেৰে গীতসমূহ ৰচনা কৰা কেশৱ মহন্তই বহুতো অসমীয়া ছবিৰ বাবেও গীত লিখিছিল। তাৰ ভিতৰত 'আজলী নবৌ', 'আমাৰ ঘৰ', 'ইটো সিটো বহুতো', 'সোণতৰা', 'ককাদেউতা, নাতি আৰু হাতী', 'উপগ্ৰহ', 'বৰুৱাৰ সংসাৰ', 'অভিমান', 'দূৰণিৰ ৰং' আদি উল্লেখযোগ্য। প্ৰথম অৱস্থাত কেশৱ মহন্তই ৰচনা কৰা গীতসমূহ বহুতো গায়ক-গায়িকাই গাইছিল যদিও পাছলৈ কেশৱ মহন্তৰ প্ৰায়বোৰ গীত কিন্তু খগেন মহন্তৰ কণ্ঠতেই প্ৰাণ পাই উঠিছিল। উল্লেখযোগ্য যে, খগেন মহন্তৰ বায়েক নিকুঞ্জলতা মহন্তৰ লগত কেশৱ মহন্ত বিবাহপাশত আবদ্ধ হয় আৰু সেই সূত্ৰেই খগেন মহন্ত আৰু কেশৱ মহন্ত আপোন হৈ পৰে। আনকি এটা সময়ত এনেকুৱা হৈছিল যে খগেন মহন্তকে বহুতে 'কেশৱ' বুলিয়ে মাতিবলৈ লৈছিল।

কবি হিচাপেও কেশৱ মহন্ত আছিল সফল। গীততকৈ আগতে তেওঁ কবিতাসমূহ ৰচনা কৰিছিল। শিশুসকলৰ বাবেও কেইবাখনো শিশু গ্ৰন্থ আৰু গীত ৰচনা কৰিছে। তেওঁৰ মনটো আছিল শিশুসুলভ আৰু সেইবাবেই হয়তো শিশুৰ মনোজগতত বিচৰণ কৰি শিশুসকলৰ বাবে খাপ খোৱাকৈ সাহিত্য ৰচনা কৰিব পাৰিছিল। জয়ন্তী যুগত সাহিত্যিক জীৱন আৰম্ভ কৰা কেশৱ মহন্তই ৰোমাণ্টিক ভাবধাৰাৰ কবিতাৰ বিপৰীতে লিখিছিল বাস্তৱবাদী কবিতা। সমাজবাদী চিন্তাৰে উদ্বুদ্ধ কবিগৰাকীৰ আৰ্তজনৰ প্ৰতি সহানুভূতি জীপাল হৈ পৰে তেওঁৰ কবিতাবোৰত। সমাজৰ দুৰ্নীতি, ডাঙৰ মানুহৰ কপটতাৰ নিৰ্মোহ চিত্ৰ তেওঁৰ ভালেকেইটা কবিতাতে বৰ সুন্দৰকৈ ফুটি উঠিছে। তেওঁৰ চাৰিখন



কাব্য সংকলন হৈছে—আমাৰ পৃথিৱী (১৯৪৬), আগন্তুক (১৯৬৩), তোমাৰ তেজ (১৯৮৫), মোৰ শুকান কলিজাত কুঁহিপাত (২০০০)। তেওঁ ১৯৮৭ চনত ‘তোমাৰ তেজ’ কবিতাপুথিৰ বাবে অসম সাহিত্য সভাৰ পৰা ৰঘুনাথ চৌধাৰী বঁটা, ১৯৯৩ চনত ‘মোৰ যে কিমান হেঁপাহ’ গীতৰ পুথিৰ বাবে সাহিত্য অকাডেমি বঁটা, ২০০০ চনত অসম চৰকাৰৰ পৰা ‘বিষ্ণু ৰাভা বঁটা’ আৰু ২০০১ চনত অসম চৰকাৰৰ পৰা সাহিত্যিক পেন্সন লাভ কৰিছিল। ২০০৩ চনত তেওঁ ভাৰতীয় সাহিত্য অকাডেমিৰ কাৰ্য্যপালিকাৰ সদস্য আৰু সেই অনুষ্ঠানৰে অসমৰ আহ্বায়ক পদলৈও নিৰ্বাচিত হৈছিল।

অসমৰ স্বনামধন্য শিল্পী ড° ভূপেন হাজৰিকাৰ সমসাময়িক ভিন্নমুখী প্ৰতিভাৰ অধিকাৰী কেশৱ মহন্তই সমাজ সংস্কাৰক তথা সাংস্কৃতিক কৰ্মী হিচাপেও বৰঙণি আগবঢ়াই থৈ গৈছে। তেওঁৰ কৰ্মৰাজিয়ে অসমৰ কলা-সংস্কৃতিত এক বিশেষ ভূমিকা গ্ৰহণ কৰিছে বুলি ক’ব পৰা যায়। উল্লেখযোগ্য যে ১৯৪২ চনত কেশৱ মহন্তই ভাৰতৰ স্বাধীনতা আন্দোলনত যোগদান কৰি কাৰাবাসো খাটিবলগীয়া হৈছিল। সেই সময়ত তেওঁ বিশিষ্ট মাৰ্ক্সবাদী চিন্তাবিদ ভবানন্দ দত্তৰ সান্নিধ্যলৈ আহিছিল। কেশৱ মহন্তই ৰচনা কৰা ‘জয় জোৱান জয় কিষাণ’ গীতটি ১৯৬৫ চনত ভাৰতবৰ্ষৰ সেই সময়ৰ প্ৰধানমন্ত্ৰীৰ ঘোষণা মতে ভাৰতৰ সংবিধান স্বীকৃত ১৪টা ভাষাত প্ৰচাৰৰ ব্যৱস্থা কৰা হৈছিল। কেশৱ মহন্তৰ আন এক গুৰুত্বপূৰ্ণ অৱদান হ’ল সংগীতালেখ্যসমূহ। তেওঁৰ অ’ মোৰ আপোনাৰ দেশ শীৰ্ষক সংগীতালেখ্যখনে প্ৰভূত জনপ্ৰিয়তা তথা সমাদৰ লাভ কৰিছিল। এইখন ইংৰাজী ভাষালৈও অনূদিত হৈছিল। কেশৱ মহন্তৰ ‘O My Country Men’ সংগীতালেখ্যখনি প্ৰশান্ত মহাসাগৰীয় দেশসমূহৰ সাংস্কৃতিক বিনিময় আঁচনিৰ অধীনত আকাশবাণী দিল্লী কেন্দ্ৰই বেইজিঙত পৰিবেশন কৰিবলৈ নিৰ্বাচন কৰিছিল।

এইগৰাকী মহান গীতিকাৰ, কবিৰ ৮০ বছৰ বয়সত ২০০৬ চনৰ ৩১ মাৰ্চ তাৰিখে দেহাৱসান ঘটে। কেশৱ মহন্তৰ মৃত্যু অসমৰ সাহিত্য ক্ষেত্ৰখনৰ বাবে অপূৰণীয় ক্ষতি। তেওঁৰ অসমীয়া সাহিত্য-সংস্কৃতিৰ জগতলৈ যিখিনি অবদান, সেই অবদানে অসমীয়া জাতিটোক বহুখিনি চহকী কৰি থৈ গৈছে বুলি ক’ব পৰা যায়। ❖

*(চলিত বৰ্ষত প্ৰখ্যাত গীতিকাৰ কেশৱ মহন্তৰ জন্ম-শতবৰ্ষৰ সৈতে সংগতি ৰাখি এই লেখাটো প্ৰকাশ কৰা হৈছে।)*

## চুড’কুৰ শুদ্ধ উত্তৰ দিওঁতাসকল, অক্টোবৰ, ২০২৫

১। ময়ূৰী তালুকদাৰ (সপ্তম ক), ২। পল ভৰালী (সপ্তম গ) ৩। প্ৰিয়াংশু প্ৰীতিশ শৰ্মা (সপ্তম খ) ৪। ৰক্তিম দাস (ষষ্ঠ ক), ৫। প্ৰিন্স কলিতা (ষষ্ঠ ঘ), ৬। জিচান ৰায় (সপ্তম গ), ৭। নৰজিৎ কলিতা (নৱম ঘ)।

## তোমালোকৰ বাবে প্ৰশ্নৰ উত্তৰ, অক্টোবৰ, ২০২৫

১। বৰষুণ।

২। পণ্ডিত ৰবীন বেনাৰ্জী। আনজন গুৰু আছিল ৰমণী ৰায়।

৩। ঋতু।

৪। চান্দনী ৰাত।

৫। হৃষি।❖

# ২০২৫ বৰ্ষৰ ন'বেল বঁটা

■ **ৰাণু বুজৰবৰুৱা**

আলফ্ৰেড ন'বেল এগৰাকী ৰসায়নবিদ, অভিযন্তা আৰু উদ্ভাৱক আছিল। তেওঁ ডাইনামাইটৰ আৱিষ্কাৰক। ন'বেলে তেওঁৰ ইচ্ছাপত্ৰত প্ৰকাশ কৰিছিল যে তেওঁৰ মৃত্যুৰ পাছত তেওঁৰ সম্পত্তিৰে পদাৰ্থবিজ্ঞান, ৰসায়নবিজ্ঞান, শান্তি, চিকিৎসাবিজ্ঞান আৰু সাহিত্যৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৰিহণা যোগোৱাসকললৈ এলানি বঁটা দিয়া হওক। ন'বেলে তেওঁৰ সম্পত্তিৰ ৯৪% এই বঁটাৰ বাবে দান কৰি থৈ যায়। তেওঁৰ ইচ্ছা অনুসৰিয়ে ১৯০১ চনৰ পৰা প্ৰতি বছৰে এই বঁটাসমূহ প্ৰদান কৰি অহা হৈছে। ২০২৫ বৰ্ষৰ বিভিন্ন ক্ষেত্ৰত ন'বেল বঁটা লাভ কৰা ব্যক্তিসকলৰ নাম ইতিমধ্যে ঘোষণা কৰা হৈছে।

**পদাৰ্থবিজ্ঞান :** আমেৰিকাৰ জন. এম. মাৰ্টিনিছ (John M. Martinis), ফ্ৰান্সৰ মিছেল এইচ ডেভোৰেট




(Michel H. Devoret) আৰু বৃটেইনৰ জন ক্লাৰ্ক (John Clarke), এই তিনিগৰাকী পদাৰ্থবিজ্ঞানীলৈ এই বছৰৰ পদাৰ্থবিজ্ঞানৰ ন'বেল বঁটা আগবঢ়োৱা হৈছে। জন ক্লাৰ্ক বাৰ্কলেৰ কেলিফ'ৰ্নিয়া বিশ্ববিদ্যালয়ৰ গৱেষক। আনহাতে আন দুগৰাকী বিজ্ঞানী ছান্টা বাৰবাৰাৰ কেলিফ'ৰ্নিয়া বিশ্ববিদ্যালয়ৰ গৱেষক।

বৈদ্যুতিক চাৰ্কিটত মাইক্ৰ'স্ক'পিক কোৱাণ্টাম মেকানিকেল টানেলিং (microscopic quautum mechanical tunnelling) আৰু শক্তিৰ পৰিমাণ নিৰ্ধাৰণৰ পদ্ধতি আৱিষ্কাৰ কৰাৰ বাবে তেওঁলোকক ন'বেল বঁটা প্ৰদান কৰা হৈছে। তেওঁলোকে শৃংখলাবদ্ধ পৰীক্ষাৰ জৰিয়তে হাতেৰে ধৰিব পৰাকৈ ডাঙৰ ব্যৱস্থা এটাত কোৱাণ্টাম বলবিদ্যাৰ সুৰংগ আৰু কোৱাণ্টামযুক্ত শক্তিৰ মাত্ৰা একেলগে প্ৰদৰ্শন কৰিছিল। এই গৱেষণাত টানেলিং নামৰ প্ৰক্ৰিয়া এটা ব্যৱহাৰ কৰি আধানযুক্ত কণাক বাধাৰ মাজেৰে পোনে পোনে গতি কৰিবলৈ দিয়া হৈছিল। দুটা ছুপাৰ কণ্ডাক্টৰৰ (super conductor) মাজৰ পাতল তৰপ এটাৰ মাজেৰে এই কণাবোৰ পাৰ হৈ গৈছিল। এই গৱেষণাত বিজ্ঞানীসকলে কোৱাণ্টাম টানেলিঙক নিয়ন্ত্ৰণ কৰা আৰু ডাঙৰ প্ৰণালীত ই কেনেকৈ কাম কৰে সেই বিষয়ে জানিব পাৰিছিল।

**ৰসায়নবিজ্ঞান :** এই বছৰৰ ৰসায়নবিজ্ঞানৰ ন'বেল বঁটা তিনিগৰাকী বিজ্ঞানীলৈ আগবঢ়োৱা হৈছে। তেওঁলোক হ'ল আমেৰিকাৰ ওমৰ এম য়াঘি (Omar M Yaghi), জাপানৰ ছুছুমু কিটাগাৱা (Susumu Kitagawa) আৰু




বৃটেইনৰ ৰিচাৰ্ড ৰবছন (Richard Robson)। কিটাগাৱা জাপানৰ কিয়টো বিশ্ববিদ্যালয়ৰ অধ্যাপক। ৰবছন অষ্ট্ৰেলিয়াৰ মেলবৰ্ন বিশ্ববিদ্যালয়ৰ গৱেষক হিচাপে কৰ্মৰত। আনহাতে য়াঘি বাৰ্কলেৰ কেলিফ'ৰ্নিয়া বিশ্ববিদ্যালয়ৰ বিজ্ঞানী।

তেওঁলোকে এক নতুন আণৱিক গাঁথনি গঢ়ি তোলে য'ত ধাতৰ আয়নে মূল ভেটি হিচাপে কাম কৰে। এই আয়নসমূহ দীঘলীয়া জৈৱিক (carbon-based) অণুৰ দ্বাৰা সংযুক্ত। এই ধাতৰ আয়ন আৰু



জৈৱিক অণুসমূহ লগ লাগি বৃহৎ আকাৰৰ স্ফটিক গঠন কৰে। এইবোৰ ছিদ্ৰযুক্ত। এইবোৰকে ধাতু-জৈৱিক কাঠামো (metal-organic frameworks, MOF) বোলা হয়। এই মফৰ (MOF) আন্তঃগাঁথনিৰ অন্তৰ্ভাগ বিশ্লেষণ কৰি তেওঁলোকে প্ৰমাণ কৰিলে যে মফৰ মাজেৰে তৰল আৰু গেছ প্ৰবাহিত হ'ব পাৰে। ধাতু-জৈৱিক কাঠামোৰ সহায়ত বায়ুমণ্ডলৰ পৰা কাৰ্বন ডাই-অক্সাইড পৃথক আৰু সংগ্ৰহ কৰিব পৰা যাব। তদুপৰি বায়ুৰ পৰা পানী সংগ্ৰহ কৰাৰ লগতে পানীৰ পৰা বিভিন্ন প্ৰদূষক আঁতৰ কৰিব পৰা যাব। ৰাসায়নিক বিক্ৰিয়াৰ অণুঘটক হিচাপেও এই আন্তঃগাঁথনিক ব্যৱহাৰ কৰিব পৰা যাব।

**চিকিৎসাবিজ্ঞান :** মানৱ দেহৰ ৰোগ প্ৰতিৰোধ ক্ষমতা




সম্পৰ্কীয় উদ্ভাৱনৰ দ্বাৰা মানৱ সমাজলৈ আগবঢ়োৱা অনবদ্য অবদানৰ বাবে এই বৰ্ষৰ চিকিৎসাবিজ্ঞানৰ ন'বেল বঁটা তিনিগৰাকী বিজ্ঞানীলৈ আগবঢ়োৱা হৈছে। তেওঁলোক হ'ল আমেৰিকাৰ মেৰী ই ব্ৰাংকো (Mary E Brunkow), ফ্ৰেড ৰেমছডেল (Fred Ramsdell) আৰু জাপানৰ বিজ্ঞানী শ্বিমন ছাকাগুচি (Shimon Sakaguchi)। ব্ৰাংকো ছিয়াটলৰ ইন্সটিটিউট ফৰ ছিষ্টেমছ বায়'লজিৰ (Institute for Systems Biology) জ্যেষ্ঠ প্ৰগ্ৰেম মেনেজাৰ। ৰেমছডেল হ'ল ছান ফ্ৰান্সিস্কোৰ ছ'ন'মা বায়'থেৰাপিউটিকছ (Sonoma Biotherapeutics) বৈজ্ঞানিক উপদেষ্টা। আকৌ ছাকাগুচি জাপানৰ অ'ছাকা বিশ্ববিদ্যালয়ৰ ইমিউন'লজি ফ্ৰণ্টিয়াৰ ৰিছাৰ্চ চেণ্টাৰৰ (Immunology Frontier Research Center) অধ্যাপক। তেওঁলোকৰ গৱেষণাৰ বিষয়বস্তু হ'ল পেৰিফেৰেল ইমিউন টলাৰেন্স (peripheral immune tolerance) অৰ্থাৎ ৰোগ প্ৰতিৰোধ সহনীয়তা। পেৰিফেৰেল ইমিউন টলাৰেন্স এনে এক ব্যৱস্থা য'ত শৰীৰৰ ৰোগ প্ৰতিৰোধ ক্ষমতাই নিজৰ শৰীৰৰ কোষসমূহক আক্ৰমণ কৰাত বাধা দিয়ে। অৰ্থাৎ ই শৰীৰৰ দ্বিতীয় শ্ৰেণীৰ প্ৰতিৰক্ষা প্ৰণালী।

আমাৰ শৰীৰৰ ৰোগ প্ৰতিৰোধ ক্ষমতাই শৰীৰত প্ৰবেশ কৰা ৰোগৰ বীজাণু ধ্বংস কৰি প্ৰতিদিনে আমাক সুৰক্ষিত কৰে। কিন্তু কিছুমান বীজাণুৱে ছদ্মবেশ ধৰি আমাৰ দেহৰ কোষৰ লগত মিলি থাকে। তেতিয়া দেহৰ প্ৰতিৰোধ ক্ষমতাই এইবোৰ কেনেদৰে চিনাক্ত কৰি আক্ৰমণ কৰে সেই বিষয়ে এই বিজ্ঞানীসকলে গৱেষণা কৰিছিল। পোনপ্ৰথমে ১৯৯৫ চনত ছাকাগুচিয়ে প্ৰমাণ কৰিছিল যে আমাৰ দেহৰ ৰোগ প্ৰতিৰোধ ক্ষমতা অতি জটিল আৰু দেহত কিছুমান বিশেষ কোষ আছে যিয়ে দেহক স্বয়ং প্ৰতিৰোধী ৰোগৰ পৰা ৰক্ষা কৰে। এইবোৰক ৰেগুলেট'ৰি টি-কোষ (regulatary T-cell) বোলা হয়। আনহাতে ২০০১ চনত ব্ৰাংকো আৰু ৰেমছডেলে FOXP3 নামৰ জিনৰ আৱিষ্কাৰ কৰিছিল। পাছলৈ ছাকাগুচিয়ে প্ৰমাণ কৰিলে এই জিনে শৰীৰত ৰেগুলেট'ৰি টি-কোষ (regulator T cells) গঠনত সহায় কৰে। এই আৱিষ্কাৰৰ দ্বাৰা কৰ্কট আৰু স্বয়ং প্ৰতিৰোধী বিভিন্ন ৰোগৰ গৱেষণাত এক নতুন দিগন্তৰ সূচনা হ'ল।

**অৰ্থনীতিবিজ্ঞান :** ১৯৬৯ চনৰ পৰা আলফ্ৰেড




ন'বেলৰ সোঁৱৰণত অৰ্থনীতিবিজ্ঞানৰ 'ছোৱেৰিজেছ ৰিক্সবেংক পুৰস্কাৰ' (Sveriges Riksbank Prize) দি অহা হৈছে। এই বছৰ জোৱেল মকিৰ (Joel Mokyr), ফিলিপ আঘিয়ন (Philippe Aghion) আৰু পিটাৰ হাউইটলৈ (Peter Howitt) এই বঁটা আগবঢ়োৱা হৈছে। উদ্ভাৱন-চালিত অৰ্থনৈতিক বৃদ্ধি আৰু সমাজে

কেনেকৈ উন্নয়ন বজাই ৰাখিব পাৰে সেই বিষয়ে আগবঢ়োৱা ব্যাখ্যাৰ বাবে তেওঁলোক তিনিগৰাকীক এই বঁটা আগবঢ়োৱা হৈছে। আঘিয়ান হ'ল ফ্ৰান্সৰ অৰ্থনীতিবিদ আৰু হাউইট হ'ল কানাডাৰ অৰ্থনীতিবিদ। তেওঁলোকে অৰ্থনীতিৰ স্থায়ী বৃদ্ধিৰ আঁৰৰ ব্যৱস্থাৰ বিষয়ে অধ্যয়ন কৰিছিল। তেওঁলোকে সৃষ্টিশীল ধ্বংসৰ (creative destruction) এটা গাণিতিক ব্যাখ্যা আগবঢ়াইছিল। যেতিয়া নতুন আৰু উন্নত সামগ্ৰী এবিধ বজাৰত প্ৰবেশ কৰে, তেতিয়া পুৰণি সামগ্ৰী বিক্ৰী কৰা কোম্পানীবোৰে বজাৰৰ নিয়ন্ত্ৰণ হেৰুৱাই পেলায়। উদ্ভাৱনে নতুন এটাক প্ৰতিনিধিত্ব কৰে যদিও ই ধ্বংসাত্মকো। কাৰণ যি প্ৰতিষ্ঠানৰ প্ৰযুক্তি পিছ পৰি থাকিব তেনে প্ৰতিষ্ঠান প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈ যায়।


মকিৰ হ'ল আমেৰিকা আৰু ইজৰাইলৰ এজন অৰ্থনৈতিক ইতিহাসবিদ। তেওঁ ঐতিহাসিক উৎসসমূহক এটা উপায় হিচাপে গণ্য কৰি স্থায়ী বৃদ্ধিৰ কাৰণসমূহ উন্মোচন কৰিছিল।

**শান্তি** : ২০২৫ বৰ্ষৰ শান্তিৰ ন'বেল বঁটা ভেনিজুৱেলাৰ লৌহমানৱী মাৰিয়া মাচাডোলৈ (Maria Machado) আগবঢ়োৱা হৈছে। মাচাডোৱে ভেনিজুৱেলাৰ স্বেচ্ছাচাৰী শাসকৰ পৰা দেশখনক মুক্ত কৰি গণতন্ত্ৰ প্ৰতিষ্ঠা কৰিবলৈ বিগত ২০ বছৰ ধৰি সংগ্ৰাম চলাই আহিছে। ১৯৬৭ চনত কাৰাকাছত জন্মগ্ৰহণ কৰা মাচাডো প্ৰথমবাৰৰ বাবে ২০১০ চনত সংসদলৈ নিৰ্বাচিত হয়। কিন্তু ২০১৪ চনত তেতিয়াৰ ৰাষ্ট্ৰপতিক সমালোচনা কৰাৰ বাবে সংসদৰ পৰা তেওঁক নিলম্বিত কৰা হয়।


মাৰিয়া মাচাডো

২০১৩ চনত আত্মপ্ৰকাশ কৰা উদাৰপন্থী ৰাজনৈতিক দল ভেণ্টে ভেনিজুৱেলাৰ এগৰাকী অন্যতম প্ৰতিষ্ঠাপক হ'ল মাচাডো। তেওঁক ৰাষ্ট্ৰপতি নিৰ্বাচনত অৱতীৰ্ণ হোৱাত স্বেচ্ছাচাৰী শাসক দলে বাধা প্ৰদান কৰিছিল। তেওঁক গ্ৰেপ্তাৰো কৰিছিল, কিন্তু আন্তঃৰাষ্ট্ৰীয় হেঁচাত পৰি তেওঁক এৰি দিবলৈ বাধ্য হয়। জীৱনলৈ ভাবুকি অহাৰ পাছতো নিজৰ দেশ ত্যাগ নকৰি ১৪ মাহ আত্মগোপন কৰি দেশখনত গণতন্ত্ৰ প্ৰতিষ্ঠা কৰিবলৈ তেওঁ সংগ্ৰাম অব্যাহত ৰাখিছে।


**সাহিত্য** : ২০২৫ বৰ্ষৰ সাহিত্যৰ ন'বেল বঁটা হাংগেৰীৰ প্ৰখ্যাত লেখক, ঔপন্যাসিক লাজলো ক্ৰাজনাহোৰকাইলৈ (Laszlo Krasznahorkai) আগবঢ়োৱা হৈছে।


লাজলো ক্ৰাজনাহোৰকাই


১৯৫৪ চনত হাংগেৰীৰ এখন সৰু চহৰ গাইয়ুলত লাজলোৰ জন্ম হৈছিল। ১৯৮৫ চনত প্ৰকাশ পোৱা 'ছাটানটাংগু' (Satantango) হ'ল তেওঁৰ প্ৰথম উপন্যাস, যিখনে হাংগেৰীৰ সাহিত্য জগতত আলোড়নৰ সৃষ্টি কৰে। 'মেলাংকলী অৱ ৰেজিষ্টেঞ্চ' (The Melancholy of Resistance) নামৰ বিখ্যাত উপন্যাসখন শীতল যুদ্ধৰ পটভূমিত লিখা আৰু ইয়াত সামাজিক হতাশাৰ চাপ দেখিবলৈ পোৱা যায়। ২০০৮ চনত প্ৰকাশ পোৱা 'ছেইবো ডিয়াৰ বিলো' (Seibo There Below) নামৰ গ্ৰন্থখনৰ বাবে লাজলোৱে ২০১৫ চনত 'মেন বুকাৰ ইণ্টাৰনেছনেল এৱাৰ্ড' (Men Booker International Award) লাভ কৰিছিল। 'এ মাউণ্টেইন টু দা নৰ্থ' (A Mountain to the North), 'এ লেক টু দি ছাউথ' (A Lake to the South), 'পাথছ টু দা ৱেষ্ট' (Paths to the West) আদি তেওঁৰ অন্যতম উপন্যাস। তেওঁ এগৰাকী প্ৰখ্যাত গল্পকাৰো। ১৭টা গল্পৰ অন্তৰ্ভুক্তিৰে তেওঁ ২০০৮ চনত 'চিয়োবো ডেয়াৰ বিলো' সংকলনখন প্ৰকাশ কৰিছিল। বৰ্তমান সময়ৰ বিভিন্ন সামাজিক অস্থিৰতাৰ মাজত সৃজনশীলতাক বিচক্ষণতাৰে দাঙি ধৰিছে তেওঁৰ 'হাৰ্ৰ্ট ০৭৭৬৯' (Herscht 07769) নামৰ উপন্যাসখনত। হাংগেৰীৰ সামাজিক অস্থিৰতা প্ৰতিফলিত কৰা উপন্যাসখন এখন অতি সমসাময়িক উপন্যাস।

বিভিন্ন শিতানত আগবঢ়োৱা ন'বেল বঁটাসমূহৰ ভিতৰত শান্তিৰ ন'বেল বঁটা নৰৱেৰ অ'ছল চহৰত আৰু বাকী বঁটাসমূহ ছুইডেনৰ ষ্টকহ'ম চহৰত প্ৰদান কৰা হয়। ❖

## ড০ ভূপেন হাজৰিকাৰ দ্বাৰা ৰচিত কেইখনমান গ্ৰন্থ




অসম সাহিত্য সভাৰ সভাপতি ৰূপে ড০ ভূপেন হাজৰিকা







## ড° ভূপেন হাজৰিকাৰ গীতৰ কেইটিমান  এলবাম






































## ড° ভূপেন হাজৰিকাই সংগীত পৰিচালনা কৰা কেইখনমান চলচ্চিত্ৰৰ পোষ্টাৰ







































অসম জাতীয় বিদ্যালয়ৰ ২০০৩ বৰ্ষৰ প্ৰতিষ্ঠা দিৱসৰ মুখ্য অতিথি ড০ ভূপেন হাজৰিকা





